# প্ৰাক্তন পদাধিকাৰ অচ্যুতকৃষ্ণ মিশ্ৰ স্মাৰক গ্ৰন্থ

## ৰচনাৱলীসহ

জয় গুৰু শংকৰ

শ্ৰীমন্ত শংকৰদেৱ সংঘ

জন্ম ঃ ১৯১৮ চনৰ ভাদ মাহৰ কৃষ্ণা অষ্টমী
প্ৰয়াণ ঃ ২৪ ফেব্ৰুৱাৰী, ২০১০ চন

সম্পাদনা

**জীৱকান্ত নাথ**
**হেমপ্ৰসাদ বৰা**

**শ্ৰীমন্ত শংকৰদেৱ সংঘ**
**মূল কাৰ্যালয় ঃ হলধৰ ভূঞা পথ, কলংপাৰ, নগাঁও**
**৫৬২ শংকৰাব্দ ঃ ২০১০ চন**



***Prāktan Padādhikār: Achyut Krishna Misra Smārak Grantha-*** A collection of articles written in memory of Late Achyut Krishna Misra together with the articles composed by Misra bap; compiled and edited by Shri Jiba Kanta Nath and Shri Hemprasad Bora jointly and publised by Sri Hariprashan Hazarika, Pradhan Sampadak on behalf of Srimanta Sankaradeva Sangha.
*Ist Published : October, 2010* *Price Rs. 60.00*

প্ৰথম প্ৰকাশ ঃ আহিন, ৫৬২ শংকৰাব্দ
অক্টোবৰ, ২০১০ খ্ৰীষ্টাব্দ

প্ৰকাশক ঃ শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক
শ্ৰীমন্ত শংকৰদেৱ সংঘ
মূল কাৰ্যালয়, কলংপাৰ, নগাঁও (অসম)

ছপা সংখ্যা ঃ ১,০০০ (এক হাজাৰ)

গ্ৰন্থস্বত্ব ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ

অৰিহণা ঃ ৬০.০০ টকা

ডিটিপি-ৰূপসজ্জা ঃ
সত্যসন্ধা প্ৰেছ
ৰূপনগৰ, গুৱাহাটী-৩২

মুদ্ৰণ ঃ
শৰাইঘাট অফছেট প্ৰেছ
বমুণীমৈদাম, গুৱাহাটী-২১

# অচ্যুতকৃষ্ণ মিশ্ৰ আৰু অধ্যাত্মবিদ্যা

অধ্যাত্ম বিদ্যা যাক আধ্যাত্মিক জ্ঞান বুলি কোৱা যায়। ভগৱান কৃষ্ণই গীতা শাস্ত্ৰত ময়েই অধ্যাত্ম জ্ঞান বুলি আধ্যাত্মিক ধৰ্ম শ্ৰেষ্ঠ বুলি প্ৰমাণ কৰিছে।

আমাৰ চিন্তা তিনিবিধ আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক। অধিভৌতিক হ'ল শৰীৰ সম্পৰ্কে, অধিদৈৱিক হ'ল আত্মাৰ সম্পৰ্কে, আধ্যাত্মিক হ'ল পৰমাত্মাৰ বিষয়ে। পৰমাত্মাৰ আন নাম হ'ল ব্ৰহ্ম। সেই ব্ৰহ্ম চিন্তা কৰিবৰ কাৰণে সমগ্ৰ মানুহক আহ্বান জনাইছে— মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাত।

আমিও ব্ৰহ্ম চিন্তাত ব্যস্ত থাকিব লাগে। অইনবোৰ নোৱাৰিলেও 'প্ৰথমে প্ৰণামো ব্ৰহ্ম' বুলি প্ৰণাম কৰিব লাগে।

আমি তথাকথিত শূদ্ৰসকলে সংঘত সোমাইছোঁ আমাৰ প্ৰাপ্য আদায়ৰ বাবে, কিন্তু ব্ৰাহ্মণ সন্তান মিশ্ৰবাপে প্ৰাপ্য ত্যাগ কৰিহে সংঘত সোমাইছিল। তেখেতৰ ত্যাগৰ তুলনা নাই।

মিশ্ৰৰ সমান ত্যাগ আমি কৰা নাই। তেখেতে সংঘলৈ নহা হ'লে বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ হৈ নানা সুবিধা আৰু সন্মান পালেহেঁতেন।

শ্ৰীসোণাৰাম চুতীয়া
১৩/২/২০১০



# প্ৰকাশকৰ একেষাৰ

শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰচাৰক-সংগঠক হিচাপে অনুষ্ঠানটিক জনমানসত সঞ্চালনিকৈ প্ৰতিষ্ঠা কৰি যোৱা মুষ্টিমেয় লোক কেইজনমানৰ ভিতৰত সৰ্বজন শ্ৰদ্ধেয় অচ্যুতকৃষ্ণ মিশ্ৰ বাপ আছিল অন্যতম। যিসময়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰচাৰ-প্ৰসাৰলৈ তীব্ৰ প্ৰত্যাহ্বান আহিছিল, সেইখিনি সময়তে মিশ্ৰবাপে দৃঢ়তাৰে সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হৈ বীৰদৰ্পে সঙ্ঘৰ প্ৰচাৰ-সংগঠনক আগুৱাই নিবলৈ চেষ্টা কৰি সফল হৈছিল। পূৰ্বাপৰ ধ্যান-ধাৰণাৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস কৰি আগবাঢ়িব খোজা সকলৰ মনৰ শঙ্কা দূৰ কৰাৰ ক্ষেত্ৰত মিশ্ৰবাপৰ তেজস্বী ভাষণ আৰু অভয়বাণী সদাস্মৰণীয় হৈ থাকিব। প্ৰচাৰ-সংগঠনৰ কাৰ্যসূচীত মিশ্ৰবাপ আছিল সদায় আগৰণুৱা। তেখেতৰ ভাষণত প্ৰকাশ পাইছিল তেখেতৰ ব্যক্তিত্বৰ আভা। ওজস্বিতা, নিৰ্ভিকতাৰে বিশ্লেষণধৰ্মী ভাষণ প্ৰদান কৰাত তেখেতৰ পাৰদৰ্শিতা কোনেও চেৰ পেলাব নোৱাৰে। ভাষণৰ জৰিয়তে শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰাৰ কৌশলো তেখেতৰ বশবৰ্ত্তী আছিল। শ্ৰোতাসকলৰ মনৰ সংশয় ছেদ কৰিব পৰাকৈ ভাগৱত তত্ব ব্যাখ্যা কৰাত তেখেত আছিল তত্বজ্ঞ পুৰুষ। বেদ-বেদান্ত, গীতা-ভাগৱতৰ পদ ঘোষা সমূহে অনৰ্গল গাই যাব পৰাকৈ তেখেতৰ কণ্ঠগত আছিল। স্মৃতি-শক্তি, বাকপটুতা আৰু উপস্থিত বুদ্ধিত তেখেত সৰ্বাগ্ৰ আছিল। সভাসমিতিত মিশ্ৰবাপৰ ভাষণ শুনিবলৈ মানুহৰ আগ্ৰহৰ অন্ত নাছিল। বহু দূৰ-দূৰণিৰ পৰাও মিশ্ৰবাপৰ ভাষণ শুনিবলৈ ধৰ্মসভাবোৰত জনসমাগম হৈছিল। কণ্ঠস্বৰ অতি শক্তিশালী আৰু স্পষ্ট আছিল। ঘোষা-পদৰ সুৰৰ মাধুৰ্যও বিশেষ আকৰ্ষণীয় আছিল। মুঠ কথাত কবলৈ গ'লে শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাক ভকতৰ হৃদয়ত প্ৰতিষ্ঠা কৰিব পৰাকৈ তেখেতে যেনেভাৱে বিশ্লেষণ কৰিব লাগে সেই দিশত শতকৰা এশভাগ সফলতা লাভ কৰিছিল।

গাৰ্হস্থ্য ধৰ্মতো মিশ্ৰবাপে সফলতাৰে অতিক্ৰম কৰি এগৰাকী সু-নাগৰিকৰ কৰ্তব্য-সম্পাদন কৰি গৈছে। ছাত্ৰ-অৱস্থাৰ পৰা সংগ্ৰামী সত্তাৰে জীৱন যাপন কৰি মুক্তিযুঁজৰ সেনানী হিচাপেও খ্যাতি ৰাখি থৈ গ'ল। চৰকাৰী কৰ্মচাৰী হিচাপেও বিভিন্ন ঠাইত জনসেৱাৰ কাম কৰিলে। পাৰিবাৰিক জীৱনৰ আৰম্ভণিত কিছু অভাৱ-অনাটনে জুৰুলা কৰিলে যদিও পৰৱৰ্তী সময়ত সেই দিশতো সফলতা লাভ কৰি পুত্ৰ-বোৱাৰী, জীয়ৰী-নাতি-নাতিনীৰে সৈতে সুখৰ সংসাৰত জীৱন অতিবাহিত কৰিলে। সহধৰ্মিনী আইগৰাকী তেখেততকৈ কিছুদিনৰ আগেয়ে বৈকুণ্ঠগামী হ'ল যদিও স্থিতপ্ৰজ্ঞ মিশ্ৰবাপে পুনৰ একেই উস্কীপনাৰে সমাজৰ কামত আত্মনিয়োগ কৰি থাকি ২০১০ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে অনন্তধামলৈ গমন কৰিলে। তেখেতৰ আদৰ্শ, আৰু কৰ্মপ্ৰেৰণাই পৰৱৰ্তী প্ৰজন্মলৈ এক মসৃণ পথ দেখুৱাই থৈ গ'ল।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তক্ৰমে তেখেতৰ স্মৃতিত অনুষ্ঠিত স্মাৰক-বক্তৃতা অনুষ্ঠানৰ লগতে স্মাৰক গ্ৰন্থখনিও প্ৰকাশ কৰা হ'ল। জীৱন্ত কালতে এখনি গ্ৰন্থৰে মিশ্ৰবাপক অভিনন্দন জনোৱাৰ সিদ্ধান্ত আছিল, কিন্তু কাৰ্যকৰী নৌহওঁতেই নিয়তিৰ নিৰ্দ্দেশে সেইকাম স্থগিত কৰালে। সুস্থ শৰীৰেৰে চলি ফুৰি থকাৰ মাজতে হঠাৎ বিনামেঘে বজ্ৰপাত হোৱাৰ দৰে তেখেতৰ বিয়োগৰ বাতৰিয়ে সকলোকে ম্ৰিয়মান কৰিলে। সদৌশেষত স্মাৰক গ্ৰন্থখনিৰ সম্পাদকদ্বয় শ্ৰীজীৱকান্ত নাথ আৰু শ্ৰীহেমপ্ৰসাদ বৰালৈ কৃতজ্ঞতা জনোৱা হ'ল।

সেৱাৰে-
**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**
**প্ৰধান সম্পাদক**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**





# সম্পাদকীয়

'তাৰাসৱে পূজ্য তাৰাসৱে ধন্য
তাৰাসে সুহৃদজন।
কলিযুগে হৰি আনকো বোলাৱে
আপুনো কৰে কীৰ্ত্তন।।
— নাম-ঘোষা, ৩৬৫

ঐতিহাসিক কাল-বিচাৰ দৃষ্টিৰে ভাৰতবৰ্ষৰ মধ্যযুগটো অৰ্থাৎ খৃষ্টীয় পঞ্চদশ-ষোড়শ শতিকাৰ কালছোৱা কেৱল অসমৰ বাবেই নহয়, প্ৰায় সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই এনে যুগান্তকাৰী কাল। ভক্তিধৰ্মৰ আন্দোলনে এক সাংস্কৃতিক জাগৰণৰ সূত্ৰপাত ঘটাই সমগ্ৰ ভাৰতবৰ্ষকেই এক নতুন পথৰ সন্ধান দিছিল। অসমকো এক নব্য সাংস্কৃতিক জাগৰণে কঁপাই তুলিছিল। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তত ৰামানুজাচাৰ্য, যমুনাচাৰ্য, মাধৱাচাৰ্য, জ্ঞানদেৱ, বল্লভাচাৰ্য, চৈতন্যদেৱ আদি সংস্কৃতিৰ কাণ্ডাৰীসকলৰ দৰেই অসম মুলকতো শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ হৰিনাম ভক্তিধৰ্মৰ পাতনি মেলি সমাজৰ পৰা নানা অন্ধবিশ্বাস, কুসংস্কাৰ, অনাচাৰ-ব্যভিচাৰ আদি কুপ্ৰথাবোৰ নিৰ্মূলৰ কাৰণে জীৱন-মৰণ পণ কৰি মহাৰণৰ শিঙা বজাইছিল। অসমৰ সমাজ-জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে শঙ্কৰদেৱৰ সমাজ গঢ়াৰ আদৰ্শ আৰু পৰিকল্পনা শিথিল হৈ পৰিল। মহাপুৰুষ গুৰুজনাৰ দায়িত্ব কান্ধ-পাতি লোৱা কিছু ব্যক্তি আৰু ধৰ্মানুষ্ঠানে তাৰাৰ আদৰ্শৰ পৰা ফালৰি কাটি অন্যভাৱেহে 'স্বকী মত' প্ৰৱৰ্তন কৰাত লাগিল। পুনৰ সমাজত আউল লাগিল। প্ৰাক্‌শঙ্কৰী যুগৰ পুতিগন্ধময় সমাজখনৰ দৰেই অন্ধবিস্বাস, অনাচাৰ-ব্যভিচাৰে সমাজক ৰঘুমলাৰ দৰে আৱৰি ধৰিলে। প্ৰয়োজন হ'ল পুনৰ এক সামাজিক বিপ্লৱৰ। শুভাৰম্ভ ঘটিল 'নব্য শঙ্কৰদেৱ আন্দোলন'ৰ। একাধিক অনুষ্ঠানে অসমৰ সমাজ জীৱনক পুনৰ্জীৱন দান কৰাৰ লক্ষ্যৰে এই আন্দোলনৰ অংশীদাৰ হ'ল। ইয়াৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

অন্যতম। লক্ষ্মীনাথ বেজবৰুৱাই 'নব্য শঙ্কৰদেৱ আন্দোলন'ৰ পথ প্ৰদৰ্শকৰূপে শঙ্কৰদেৱক আধুনিক অসমক পুনৰ পৰিচয় কৰাই দিলে। বেজবৰুৱাৰ চিনাকিৰ লগে লগে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাকে আদি কৰি বহু সুধীজনে শঙ্কৰদেৱক পুনৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে গীতে-মাতে, সাহিত্য-সংস্কৃতিয়ে, সভা-সমিতিয়ে নিজস্ব মত প্ৰকাশ কৰিলে।

'নব্য শঙ্কৰদেৱ আন্দোলন'ৰ অন্যতম অংশীদাৰী অনুষ্ঠান 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতিষ্ঠা হয় ১৯৩০ চনত নগাঁৱৰ পলাশনিত। লোকসেৱক হলধৰ ভূঞা আৰু পৰম বৈষ্ণৱ ৰমাকান্ত মুক্তিয়াৰ আতাৰ উদ্যোগত প্ৰতিষ্ঠা লাভ কৰা অনুষ্ঠানটিৰ গুৰি বঠা ধৰি আৰু বহুজন সমাজ সংস্কাৰকে বৰ্তমানলৈকে চলাই লৈ আহিছে। প্ৰথম পৰ্যায়ত গোলাঘাটৰ ৰায়চাহাব ধৰ্মপ্ৰাণ ঘনশ্যাম বৰুৱা আৰু পণ্ডিত শিৰোমণি গোপিকাবল্লভ গোস্বামীয়েও প্ৰতিষ্ঠাতা দুগৰাকীৰ লগত পূৰ্ণ সহযোগ কৰি এক শক্তিশালী আন্দোলন গঢ়ি তোলে। মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মাদৰ্শৰ অৱনতি দেখিবলৈ পাই পিছলৈ বহুকেইজন মহানুভৱ ব্যক্তিয়ে এই আন্দোলনটিত সক্ৰিয় সহযোগ আগবঢ়ায়। এইসকল উদাৰ মনোভাৱসম্পন্ন ব্যক্তি হ'ল— গোলাঘাটৰ উকীল যোগেন্দ্ৰনাথ বৰুৱা, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ বিপ্লৱী পুৰুষ পীতাম্বৰ দেৱগোস্বামী, বাগ্মীবৰ নীলমণি ফুকন, বৈষ্ণৱ সাহিত্যৰ এগৰাকী সংগ্ৰাহক আৰু লেখক হলিৰাম মহন্ত ঠাকুৰ, ৰায়চাহাব ডম্বৰুধৰ বৰুৱা, পণ্ডিত ভুবন চন্দ্ৰ ভূঞা, নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, ৰামেশ্বৰ বৰুৱা, পণ্ডিত ডিম্বেশ্বৰ নেওগ, হৰমোহন দাস, শশীচন্দ্ৰ বৰবৰুৱা, লক্ষ্যেশ্বৰ শইকীয়া, বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া আৰু অচ্যুতকৃষ্ণ মিশ্ৰ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ উপৰি আজি একবিংশ শতিকাৰ প্ৰথম দশকলৈ অনেকজন সুযোগ্য অসমৰ সন্তানে এই অনুষ্ঠানটিক সঠিক দিশত আগুৱাই নিয়াত অহোপুৰুষাৰ্থ কৰি আহিছে।

কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত বিশেষকৈ সপ্তম আৰু অষ্টম দশকত বাগ্মীপুৰুষ অচ্যুতকৃষ্ণ মিশ্ৰবাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক সঠিক ৰূপত নেতৃত্ব দি এক বিশেষ মাত্ৰা দিবলৈ সক্ষম হৈছিল। অচ্যুতকৃষ্ণ মিশ্ৰ বাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিভিন্ন দায়িত্ব আন্তৰিকতাৰে গ্ৰহণ কৰাৰ উপৰি সত্তৰৰ দশকত আঠবাৰকৈ পদাধিকাৰৰ দায়িত্বভাৰ গ্ৰহণ কৰি সঙ্ঘক



গতিশীল নেতৃত্ব প্ৰদান কৰে। মিশ্ৰ বাপ আছিল এক সংস্কাৰধৰ্মী গতিশীল মনৰ অধিকাৰী। সেয়েহে ব্ৰাহ্মণ্য ধৰ্মৰ বেহু ভেদ কৰি গুৰুজনাৰ একশৰণ নামধৰ্মত শৰণ গ্ৰহণ কৰি সমাজৰ অন্যায়-অনীতি, অমানৱীয় আৰু অবৈজ্ঞানিক নিয়মৰ বিৰুদ্ধাচৰণৰ দ্বাৰা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰিব পাৰিছিল। সামাজিক অসমতাৰ বিৰুদ্ধে মাত মাতিয়েই মিশ্ৰবাপজনা ক্ষান্ত থকা নাছিল, ৰাজনৈতিক অধিকাৰৰ সপক্ষেও তৰ্জন-গৰ্জন কৰি স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল আৰু কাৰাবাস বৰণ কৰিছিল।

সংস্কৃত ধৰ্মশাস্ত্ৰত মিশ্ৰবাপৰ আছিল অগাধ পাণ্ডিত্য। সংস্কৃত ধৰ্মশাস্ত্ৰ তেখেতে বিস্তৃতভাৱে অধ্যয়ন কৰাৰ উপৰি গুৰুজনাৰ ধৰ্মদৰ্শনৰ মাজত নিবিড় আৰু গভীৰভাৱে মনোনিৱেশ কৰিছিল। সেয়েহে হাজাৰ হাজাৰ শ্ৰোতাক গুৰুজনাৰ ধৰ্ম-দৰ্শনৰ বিষয়ে ৰসাল আৰু তাত্ত্বিক ব্যাখ্যা আগবঢ়াই মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰিছিল। অধ্যয়নৰ বিশালতা থকা সত্ত্বেও তেখেতৰ ৰচনাৱলী তাকৰীয়া বিধৰ। সঙ্ঘৰ সাংগঠিক কৰ্ম আৰু ধৰ্মীয় সভাত বক্তৃতা প্ৰদানত ব্যস্ত থাকিবলগীয়া হোৱা হেতুকেই সম্ভৱতঃ লেখা-মেলাত মনপুতি লাগিবলৈ সময় নাপালে। অৱশ্যে যিদুখন অভিভাষণ আৰু যিকেইটা প্ৰবন্ধ ৰচনা কৰি গ'ল, সেয়ে মিশ্ৰবাপক জনাত নিশ্চয় যথেষ্ট সহায় হ'ব।

**স্মাৰক গ্ৰন্থ সম্পৰ্কত একাষাৰ ঃ**

সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ মিশ্ৰবাপজনাক সঙ্ঘৰ সাহিত্য শাখাই এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰি সন্মান প্ৰদান কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিল যদিও সেই কাম সময়মতে বাস্তৱত ৰূপ দিব পৰা নগ'ল। অভিনন্দন গ্ৰন্থৰ বিপৰীতে স্মাৰক গ্ৰন্থৰ দ্বাৰাহে বৈকুণ্ঠগামী বাপজনাক শ্ৰদ্ধা জনাব লগা হ'ল। তাৰ বাবে এটি আক্ষেপ মনৰ মাজতে আমাৰ থাকি গ'ল।

গ্ৰন্থখনি তিনিভাগত ভাগ কৰি প্ৰথম ভাগত মিশ্ৰবাপৰ বিষয়ে বিভিন্নজনৰ লেখাসমূহ, দ্বিতীয় ভাগত মিশ্ৰবাপৰ নিজৰ লেখনিসমূহ আৰু তৃতীয় অৰ্থাৎ পৰিশিষ্ট ভাগত কিছু প্ৰশংসা পত্ৰ, শোক-প্ৰস্তাৱ আৰু মিশ্ৰবাপজনাৰ লগতে পৰিয়াল স্বজনৰ আলোক চিত্ৰ সংযোগ কৰি দিয়া হৈছে।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মাননীয় কাৰ্যনিৰ্বাহকে অচ্যুতকৃষ্ণ মিশ্ৰবাপৰ স্মাৰক গ্ৰন্থখনি প্ৰকাশৰ অনুমতি প্ৰদান কৰাত জয় জয়তে কাৰ্যনিৰ্বাহকৰ মাননীয় সদস্য-সদস্যা বাপ-আইসকললৈ কৃতজ্ঞতা আৰু সেৱা জনাইছোঁ। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ, বৈষ্ণৱ পণ্ডিত মাননীয় শ্ৰীযুত সোণাৰাম চুতীয়া আতাই মিশ্ৰবাপ সম্পৰ্কে চমুকৈ হ'লেও দুষাৰি সাৰুৱা কথা লিখি আমাক পৰম কৃতাৰ্থ কৰিলে আতাগৰাকীৰ পাদপদ্মত আমি সেৱা জনাইছোঁ। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মাননীয় পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপ আৰু প্ৰধান সম্পাদক শ্ৰীযুত হাজৰিকা বাপে একলম লিখাৰ উপৰি গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত সততে খা-খবৰ আৰু দিহা-পৰামৰ্শ প্ৰদান কৰাৰ বাবে তেখেতলোক দুয়ো গৰাকীলৈ সেৱা নিবেদিছোঁ। ইয়াৰ উপৰি সাহিত্য শাখাৰ সভাপতি শ্ৰীযুত কৈলাস দাস বাপে সম্পাদনা কৰ্মৰ খুতি-নাতি মাজে-সময়ে চাই-চিতি আমাক অনুপ্ৰেৰণা প্ৰদান কৰিছে। সঙ্ঘৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৱিত্ৰপ্ৰাণ বৰা বাপে মিশ্ৰ বাপৰ এটি লেখা গোলাঘাট জিলাৰ পৰা সংগ্ৰহ কৰি আমাক সহায়ৰ হাত আগবঢ়াইছে। কাৰ্বি আংলং জিলাৰ জিলা সভাপতি-সম্পাদক বাপদ্বয়ে ১৯৭৯ চনত বকলিয়াঘাটত অনুষ্ঠিত হোৱা অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ পৰা মিশ্ৰবাপজনাৰ এটা লেখা সংগ্ৰহ কৰি আমাক কৃতাৰ্থ কৰিছে। মিশ্ৰবাপৰ কেইবাটিও লেখা তাৰাৰ গৃহৰ পৰা সংগ্ৰহ কৰি অনা হৈছে; তাৰে এটি হাতে লিখা অৱস্থাতো পোৱা হৈছে। এই ক্ষেত্ৰত মিশ্ৰবাপৰ কনিষ্ঠা দুহিত্ৰী শ্ৰীমতী মৰমী মিশ্ৰ, জ্যেষ্ঠ পুত্ৰ শ্ৰীপূৰ্ণকৃষ্ণ মিশ্ৰ প্ৰমুখ্যে পৰিয়ালবৰ্গৰ সমূহ সদস্যই আমাক এই ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে। সাহিত্য শাখাৰ মাননীয় সদস্য শ্ৰীযুত ভবেন দুৱৰী বাপে প্ৰুফকপি চাই আৰু দিহা-পৰামৰ্শ দি বিশেষভাৱে উপকৃত কৰিছে। মৰিগাঁৱৰ শ্ৰীমতী বন্দনা দেৱীয়ে মিশ্ৰবাপৰ লেখনি উদ্ধাৰ কৰি আমাৰ হাতত অৰ্পণ কৰিছে। বিশ্বনাথ জিলাৰ মাননীয় জিলা সম্পাদক শ্ৰীযুত কাৰ্তিক দাস বাপ প্ৰমুখ্যে জিলাৰ বিষয়ববীয়াসকল, বিশ্বনাথ আঞ্চলিকৰ মাননীয় বিষয়ববীয়া আৰু বামগাঁও প্ৰাথমিক শাখাৰ সদস্য-সদস্যা বাপ, আইসকলে বিভিন্ন তথ্য পাতিৰ যোগান ধৰি আমাক উৎসাহিত কৰিছে। সহৃদয় লেখক-লেখিকাসকলে স্মাৰক গ্ৰন্থখনি প্ৰকাশ আৰু সম্পাদনা কৰ্ম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত আমাক তেখেতলোকৰ বহুমূলীয়া লেখা দি কৃতাৰ্থ কৰিছে। উপৰি উক্ত সমস্ত জনলৈকে আমাৰ হিয়াভৰা ওলগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইখিনিতে পাঠকবৰ্গৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো যে আমি মিশ্ৰবাপজনাৰ লেখনিসমূহ সংগ্ৰহ কৰোতে অজানিতে ক'ৰবাত দুই এটি ৰৈ যাব পাৰে, সুধীজনে স্মাৰক গ্ৰন্থৰ উপৰি অতিৰিক্ত লেখা পালে অন্যান্য গ্ৰন্থ তথা বাতৰি কাকতত প্ৰকাশ কৰিলে পাঠকবৰ্গ নিশ্চয় উপকৃত হ'ব আৰু মিশ্ৰবাপজনাৰ ৰচনাৱলীত সম্পূৰ্ণ হোৱাত সহায়ক হ'ব।

সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীমান ৰমেনে অক্ষৰ বিন্যাস কাৰ্য সুকলমে সম্পন্ন কৰি পাঠকৰ বাবে প্ৰস্তুত কৰি দিয়াৰ বাবে তেওঁক আমাৰ শলাগ যাচিছোঁ। শৰাইঘাট প্ৰিণ্টাৰ্চে ছপা-বন্ধা কাম সুকলমে সময়মতে সম্পন্ন কৰি পাঠকৰ হাতত গ্ৰন্থখনি তুলি দিয়াৰ বাবে মালিকপক্ষৰ লগতে সমস্তজনকৰ্মীলৈ আমাৰ অশেষ ধন্যবাদ থাকিল।

সম্পাদনা কৰ্মত আমাৰ সীমিত অভিজ্ঞতাৰে অগ্ৰসৰ হওঁতে ত্ৰুটি-বিচ্যুতি হোৱাটো স্বাভাৱিক। তাৰ বাবে সমস্ত সুধীজনৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। গ্ৰন্থখনি আগ্ৰহেৰে হাতত তুলি ল'লে আমাৰ সম্পাদনা কৰ্মৰ কষ্ট লাঘৱ হ'ব নিশ্চয়।

সেৱাৰে—

ৰূপনগৰ, গুৱাহাটী-৩২ সম্পাদকদ্বয়

১০/১০/২০১০ জীৱকান্ত নাথ

হেমপ্ৰসাদ বৰা

# ঃ সূচী ঃ


প্ৰথম ভাগ ঃ

- মিশ্ৰবাপৰ স্মৃতিত একলম ঃ শ্ৰীকৰুণাকান্ত কলিতা/১
- মহাজীৱনৰ গৰাকী অচ্যুতকৃষ্ণ মিশ্ৰ ঃ শ্ৰীৰজনীকান্ত দত্ত/৩
- মিশ্ৰবাপ ঃ এক উজ্জ্বল ধ্ৰুৱ নক্ষত্ৰঃ শ্ৰীপ্ৰমোদ শইকীয়া/৯
- অচ্যুতকৃষ্ণ মিশ্ৰ ঃ এক ব্যতিক্ৰমী ব্যক্তিত্ব ঃ ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী/১২
- অচ্যুতকৃষ্ণ মিশ্ৰ ঃ এক সাহসী দৃঢ়মনা ব্যক্তিত্ব ঃ শ্ৰীঅনিল ৰায়চৌধুৰী/১৯
- অচ্যুতকৃষ্ণ মিশ্ৰবাপ আৰু ভূমাৰ উপলব্ধি ঃ শ্ৰীকৈলাস দাস/২৩
- প্ৰাক্তন পদাধিকাৰ অচ্যুতকৃষ্ণ মিশ্ৰ ব্যক্তি আৰু ব্যক্তিত্ব ঃ শ্ৰীজীৱকান্ত নাথ/২৭
- শালপ্ৰাংশু অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনা ঃ শ্ৰীকনকলতা নেওগ/৩৬
- মিশ্ৰবাপৰ সান্নিধ্য আৰু কিছু অনুভূতি ঃ শ্ৰীভবেন দুৱৰী/৪২
- বিপ্লৱী পুৰুষ অচ্যুতকৃষ্ণ মিশ্ৰবাপ ঃ শ্ৰীনগেন বৰুৱা/৪৫
- মিশ্ৰবাপৰ ব্যক্তিত্ব ঃ শ্ৰীহেমপ্ৰসাদ বৰা/৪৯
- মোৰ পৰম পূজ্য বাপ (দেউতা) ঃ শ্ৰীমৰমী মিশ্ৰ/৫৪
- অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনাৰ স্মৃতিত একাজলি শ্ৰদ্ধাঞ্জলিঃ শ্ৰীপমী বৰা (ভূঞা)/৫৪
- হে ঃ বাপ (কবিতা) ঃ শ্ৰীবুদ্ধ বৰা/৫৮

দ্বিতীয় ভাগ ঃ

- অভিভাষণ (১৯৭৫)/৫৯
- অভিভাষণ (১৯৭৯)/৭১
- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ - (১) ৮৫
- জাগ্ৰত উত্তিষ্ঠত/৯২
- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ - (২) /৯৫
- কিমাশ্চৰ্য্যম/১০০
- গুৰু আসন/১০৪
- মহাভাৰতৰ ৰহস্য/১০৮
- একে মোতে মাত্ৰ তুমি লৈয়োক শৰণ/১১২
- মামনুস্মৰ যুদ্ধচ/১২০

পৰিশিষ্ট ঃ

- প্ৰশস্তি-পত্ৰ (শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ)/১২৩
- সম্বৰ্দ্ধনা জ্ঞাপন (কলিয়াবৰ জিলা)/১২৫
- সম্বৰ্দ্ধনা পত্ৰ (বিশ্বনাথ চাৰিআলি)/১২৭
- সম্বৰ্দ্ধনা-পত্ৰ (বিহালী আঞ্চলিক)/১২৯
- বয়োজ্যেষ্ঠ শিল্পী সদস্য (শঙ্কৰদেৱ কলাক্ষেত্ৰ, বৰপেটা)/১৩১
- শোক-প্ৰস্তাৱ (বৰপেটা আঞ্চলিক) /১৩২
- শোক-প্ৰস্তাৱ (বৰপেটা বৰবজাৰ যুৱক সংঘ) /১৩৪
- শ্ৰদ্ধাঞ্জলি জ্ঞাপন (নগাঁও জিলা)/১৩৫
- তামলিপি আৰু হস্তাক্ষৰৰ নমুনা/১৩৬

# মিশ্ৰবাপৰ স্মৃতিত একলম

**শ্ৰীকৰুণাকান্ত কলিতা**

মিশ্ৰ বাপ নাই। গুচি গ'ল। কৃষ্ণপুৰী পালেগৈ। জীৱন্ত কালতে 'অভিনন্দন গ্ৰন্থ' এভাগ প্ৰকাশ কৰাৰ কথা আছিল। সাহিত্য শাখাক দায়িত্ব দিয়া হৈছিল। যা-যোগাৰ কৰি থাকোঁতে তেখেত গ'লগৈয়ে। তেখেতৰ স্মৃতি ধৰি ৰখাটো প্ৰয়োজন। বহু গুণী আছিল মিশ্ৰবাপ। ধৈৰ্য-সাহস আছিল অফুৰন্ত। তেখেতৰ ত্যাগৰ আদৰ্শ সদা স্মৰণীয়। এটি বৈপ্লৱিক মনৰ অধিকাৰী আছিল তেখেত। ব্ৰাহ্মণ হৈও ব্ৰাহ্মণ্য ধৰ্মনীতিৰ ব্যৱস্থাৱলীৰ পৰা নিজকে নিলগত ৰাখিছিল। গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শ বুকুত সাৱটি লৈছিল। প্ৰতি ক্ৰিয়াশীল লোকৰ কটু সমালোচনা শিৰপাতি গ্ৰহণ কৰিছিল। ব্ৰাহ্মণ্য ধৰ্ম ত্যাগ কৰি, গুৰুধৰ্ম গ্ৰহণ কৰাৰে পৰা তেখেতে অতি নিষ্ঠাৰে গুৰুজনাৰ সাহিত্য, কলা, সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰেৰণাৰ উৎস আছিল মিশ্ৰবাপ। সাংগঠনিক শক্তি সুদৃঢ় কৰাত বাপৰ অৱদান অবিস্মৰণীয়। তেখেতে আছিল সুদক্ষ সুবক্তা। তেজস্বিতাপূৰ্ণ তেখেতৰ বক্তৃতাই সহস্ৰ সহস্ৰজনৰ হৃদয় গুৰু ধৰ্মৰ প্ৰতি আন্দোলিত আৰু আলোড়িত কৰি তুলিছিল। সংস্কৃত ভাষা জ্ঞানৰ অধিকাৰী মিশ্ৰবাপে বিভিন্ন সংস্কৃত শাস্ত্ৰৰ শ্লোকবোৰৰ উদ্ধৃতি দি বক্তৃতা দিছিল— শাস্ত্ৰ পণ্ডিতসকলেও তবধ মানিছিল। বাপৰ বাক্‌চাতুৰ্য আছিল- অতি প্ৰশংসনীয়।

এইজন মিশ্ৰবাপ আছিল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ— কেইবা বছৰো ধৰি এই মহান পদবীত অধিষ্ঠিত হৈ 'সঙ্ঘ'ৰ গৌৰৱ অটুত ৰাখিছিল। মৰ্যাদাপূৰ্ণভাৱে কাৰ্যনিৰ্বাহ কৰা পদাধিকাৰ মিশ্ৰবাপৰ প্ৰতিভাৰ সৌৰভ চিৰদিন বিয়পি থাকিব ভক্ত সঙ্গী বাপ আইসকলৰ স্মৃতিৰ পটে পটে।

মিশ্ৰবাপ কেৱল সুবক্তাই নাছিল— এজন সুলেখকো আছিল। গুৰুজনাৰ ধৰ্ম-দৰ্শন-সাহিত্য-সংস্কৃতিৰ বিষয়ে লেখা প্ৰবন্ধবোৰ বিভিন্ন গ্ৰন্থ





আলোচনীত সিঁচৰিত হৈ আছে। তাৰউপৰি, 'সঙ্ঘ'ৰ অধিৱেশনবোৰত দিয়া লিখিত ভাষণাৱলী তেখেতৰ উৎকৃষ্ট সাহিত্যিক অৱদান। বিজ্ঞ-অভিজ্ঞ সাহিত্য শাখাৰ সভাপতি-সম্পাদকে বুটলি বুটলি আমি স্মাৰক গ্ৰন্থত ঠাই নিশ্চয় দিব আৰু মিশ্ৰ বাপৰ গুণমুগ্ধসকলৰ লেখাকো স্থান দি সৰ্বাঙ্গ সুন্দৰকৈ 'স্মাৰক গ্ৰন্থ' প্ৰস্তুত কৰি প্ৰকাশ কৰিব।

কৰিলোঁ প্ৰত্যাশা
জনালো শুভেচ্ছা
স্মাৰক বক্তৃতা অনুষ্ঠানত
হ'ব উন্মোচন
নিশ্চয় কৰিব
'সঙ্ঘ'ৰ ইচ্ছা পূৰণ—

**মিশ্ৰবাপ—**

স্মৃতিত শ্ৰদ্ধাঞ্জলি
কৰিলো অৰ্পণ।
দিয়ক আশীৰ্বাদ
'সঙ্ঘ শক্তি'
অমোঘ শক্তিত
হওক পৰিণত
আনিব পাৰোঁ যাতে
সমাজত-
উত্তৰণৰ মহাপ্লাৱন
গুৰুধৰ্ম-সংস্কৃতিৰ
ঘটাই বিস্ফোৰণ।■

---

লেখক পৰিচয় ঃ **শ্ৰীকৰুণাকান্ত কলিতা**
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# মহাজীৱনৰ গৰাকী অচ্যুতকৃষ্ণ মিশ্ৰ

**শ্ৰীৰজনীকান্ত দত্ত**

প্ৰথম বিশ্ব মহাযুদ্ধই মানৱ জাতিলৈ কঢ়িয়াই অনা দুৰ্ঘোৰ সংকটৰ সময়তে আমাৰ মাজলৈ আহিল শান্তিৰ বাণী হৃদয়ত লৈ এজন ক্ষণজন্মা পুৰুষ। উত্তৰ পূব ভাৰতৰ তদানিন্তন সমাজ ব্যৱস্থা অত্যন্ত হিংসাজৰ্জৰ। বিশেষকৈ ধৰ্ম জগতখন ঠানবান হৈ যোৱাৰ উপক্ৰম ঘটিছিল। মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে দি যোৱা প্ৰেম, মৈত্ৰী, মানৱতাৰ মহামন্ত্ৰ যেন মানুহৰ হৃদয়ৰ পৰা হেৰাই গৈছিল। গুৰুজনাৰ 'যত দেখা চৰাচৰ, হৰিময় নিৰন্তৰ', 'সৱাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি' আদি বাণীসমূহ এফলীয়া কৰি মানুহে ভূতদায়াৰ পৰিৱৰ্তে ভূতহিংসাত প্ৰবৃত্ত হৈছিল। ধৰ্মৰ নামত বিভিন্ন দেৱ-দেৱীৰ অৰ্থে প্ৰাণী বলি দিছিল। গুৰুজনাৰ একশৰণ আদৰ্শ জলাঞ্জলি দি মানুহে সমগ্ৰ পৃথিৱীখনকে নৰকলৈ ৰূপান্তৰ ঘটাব ধৰিছিল।

এনে সময়তে প্ৰয়োজন হৈছিল গুৰুধৰ্ম সংৰক্ষণ, সংবৰ্দ্ধন আৰু প্ৰচাৰ-প্ৰসাৰৰ বাবে বহুজন একনিষ্ঠ আদৰ্শবান গুৰুসেৱকৰ। সেইসকল সেৱকৰে এজনৰূপে আমাৰ মাজলৈ আহিল মহাভক্ত প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰবাপ। ১৯১৮চন। অসমৰ পৱিত্ৰ ধাম বৰপেটাত জন্ম হ'ল- এইজন মহান আত্মাৰ। মুখত সোণৰ চামুচ লৈ জন্ম নহ'লেও গুৰু সেৱাৰ মহা মহিমাৰেমণ্ডিত হৈ ভূমিস্থ হ'ল এইজন অমৃতৰ পুত্ৰ।

তদানিন্তন অসমৰ বিধস্ত সমাজ ব্যৱস্থাক মহাপুৰুষৰ আদৰ্শেৰে পুনৰ গঠন কৰিবৰ বাবে একশৰণৰ মহামহিমাৰে সঞ্জীৱিত কৰি তুলিবৰ বাবে বিংশ শতাব্দীৰ তৃতীয় দশকতে গঢ় লৈ উঠিল শক্তিশালীৰূপত নব্য শঙ্কৰদেৱ আন্দোলন। এই আন্দোলনৰ ধ্বজা হাতত তুলি লোৱা হোতাসকল হ'ল— লোকসেৱক হলধৰ ভূঞা, চিৰকুমাৰ মুক্তিয়াৰ আতা, ৰায়চাহাব ঘনশ্যাম বৰুৱা, গোপীকা বল্লভ গোস্বামী, হলিৰাম মহন্ত, পণ্ডিত ভুৱন চন্দ্ৰ ভূঞা, জজ চাহেব যোগেন্দ্ৰনাথ বৰুৱা, গড়মূৰীয়া সত্ৰাধিকাৰ





পীতাম্বৰ দেৱগোস্বামী, ৰায়বাহাদুৰ ডম্বৰুধৰ বৰুৱা, ঢলৰ সত্ৰৰ সত্ৰাধিকাৰ তীৰ্থনাথ গোস্বামী, নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, বাগ্মীবৰ নীলমণি ফুকন, সু-সাহিত্যিক ডিম্বেশ্বৰ নেওগ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে কৃতবিদ্য সমাজসেৱক সকল। এই হোতাসকলৰ মহান যাত্ৰাৰ লগতে যোগদান কৰি নব্য শঙ্কৰদেৱ আন্দোলনক আগবঢ়াই লৈ গ'ল শঙ্কৰদেৱ-মাধৱদেৱ বঁটা প্ৰাপক বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া বাপ, হলধৰ ভূঞা বঁটা প্ৰাপক অচ্যুতকৃষ্ণ মিশ্ৰ বাপ আৰু বহুজনে।

এটা সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালত জন্মলাভ কৰিও মিশ্ৰদেৱে ব্ৰাহ্মণ্যবাদৰ কঠোৰ হাতোৰাৰ পৰা সমাজক উদ্ধাৰ কৰি এখন সুসংহত, আদৰ্শবাদী, মানৱতাবাদী, একশৰণীয়া সমাজ গঠনৰ বাবে কাম কৰি গ'ল জীৱনৰ প্ৰতিটো মুহূৰ্তত।

স্কুলীয়া জীৱনতে তেখেতে শিক্ষা জীৱনৰ সামৰণি মাৰিলে। সেয়া আছিল ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনৰ ভৰপক সময়। তেখেতে তেতিয়া বিদ্যালয়ত ছাত্ৰ একতা সভাৰ সম্পাদক। সেই সময়তে তেখেতে স্বাধীনতা সংগ্ৰামীৰূপে ব্ৰিটিছৰ হাতত বন্দী হ'ব লগা হ'ল। আৰু আঠৈমাহ দিন কাৰাবাসত দিন কটাব লগাত পৰিল। ১৯৪২ চনৰ সেই সংগ্ৰামী দিনবোৰে তেখেতৰ দৰে দেশাত্ম প্ৰেমেৰে উদ্বুদ্ধ ব্যক্তিসকলৰ জীৱনলৈ কঢ়িয়াই আনিলে দেশমাতৃ উদ্ধাৰৰ মহামন্ত্ৰৰ উদীপ্ত প্ৰেৰণা। পৰাধীন পঙ্কিল জীৱন ধৰাতকৈ মাতৃভূমিৰ উদ্ধাৰৰ বাবে জীৱন আহুতি দিয়াত পৰম সুখ আছে। এই মন্ত্ৰেৰে, এই প্ৰেৰণাৰে আগুৱাই গ'ল— মিশ্ৰৰ কুমলীয়া মন। মন গহনত প্ৰৱেশ কৰিলে দেশৰ মাটিক প্ৰাণভৰি ভালপোৱাৰ অকৃত্ৰিম পৰশ, পৃথিৱীৰ মানুহক আপোন কৰি লোৱাৰ স্বৰ্গীয় সুখ। কাৰাগাৰে তেখেতৰ কৈশোৰক আৰু প্ৰাণৱন্ত কৰি তুলিলে। কাৰণ কাৰাগাৰৰ চাৰিবেৰৰ মাজত তেখেতে সান্নিধ্য লাভ কৰিলে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দৰে বৰেণ্য ব্যক্তি— মহেন্দ্ৰ মোহন চৌধুৰীৰ দৰে মহাপুৰুষীয়া জীৱনৰ গৰাকী, হৰেশ্বৰ গোস্বামীৰ দৰে মানৱ দৰদী দেশাত্মপ্ৰাণা ব্যক্তিক। সেইসকলৰ সান্নিধ্যই মিশ্ৰ বাপজনাক আৰু মহীয়ান হোৱাৰ পথ প্ৰশস্ত কৰি তুলিলে।

তেখেতৰ সমাজ সচেতন মনৰ চিনাকি বাল্যকালতেই প্ৰতিভাত হয়। বিদ্যালয়ত ছাত্ৰ সমাজক নেতৃত্ব দিব পৰা ক্ষমতা সকলোৰে বাবে

সম্ভৱ নহয়। ইয়াৰ বাবে নেতৃত্ব, দক্ষতা আৰু প্ৰয়োজনীয় সমাজ সচেতনাৰ অত্যন্ত প্ৰয়োজন হয়। মিশ্ৰ প্ৰভুজনাই ছাত্ৰ অৱস্থাতেই ছাত্ৰ একতা সভাৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব বহন কৰিবলৈ সমৰ্থ হোৱাই নহয়, সম্পাদকৰ গুণেৰে মণ্ডিত হৈ তেখেতে আনকি বিদেশী শাসন ওফৰাই স্বদেশৰ স্বাধীনতাৰ অৰ্থে মুক্তি যুঁজৰ সেনানী ৰূপে নিজেই কেৱল নহয়, সহপাঠী সকলকো অনুপ্ৰাণিত কৰিবলৈ সমৰ্থ হৈছিল।

বয়স বাঢ়ি অহাৰ লগে লগে মিশ্ৰ প্ৰভুজনাই সমাজৰ গভীৰলৈ ক্ৰমগতিত আগুৱাই যাবলৈ ধৰিলে। কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামী আৰু স্বাৰ্থপৰতাই গ্ৰাস কৰি যোৱা সমাজখনৰ প্ৰতিটো দিশলৈ লক্ষ্য কৰি তেখেতে দেখা পালে যে- তদানিন্তন সমাজখন মানৱতাৰ বধ্যভূমিলৈ ৰূপান্তৰ ঘটিছে। প্ৰেম আৰু মৈত্ৰীৰ শূন্যতাই স্বাৰ্থৰ পুতিগন্ধময় নৰকৰ সৃষ্টি কৰিব লাগিছে। ঈশ্বৰৰ প্ৰেমৰ ৰাজ্যখনত হিংসাই প্ৰভূত্ব বিস্তাৰ কৰিব লাগিছে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই প্ৰতিস্থা কৰি যোৱা সুন্দৰৰ নতুন দিগন্ত দুষ্কৃতিৰ কাল আন্ধাৰে আচ্ছন্ন কৰি তুলিছে। এনে এটা পটভূমিতে উত্তৰ-পূব ভাৰতত গা কৰি উঠা—

পূৰ্বকালে ইটো ৰাজ্যে নাছিল ভকতি।
নানা দেৱ পূজা লোকে কৰিল সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ মহিস কাটে অসংখ্য প্ৰমাণ।।
তল গৈল লোক কলি পাপ সাগৰত।
কৃপাময় কৃষ্ণে পাছে গুণি বৈকুণ্ঠত।।
ইটো লোক সমস্তক কৰিতে উদ্ধাৰ।
শ্ৰীমন্ত শঙ্কৰৰূপে ভৈলা অৱতাৰ।।

এনে এখন সমাজক পঞ্চাদশ শতিকাত গঢ়ি পিটি সজাই থোৱা মহাপুৰুষৰ আদৰ্শবোৰ লোক সমাজৰ পৰা পুনৰ হেৰাই যোৱাটো দৰাচলতে মানৱ দৰদী, সমাজপ্ৰাণ, একশৰণীয়া সেৱকসকলৰ বাবে অতি দুখজনক কথা। সেয়ে এনে ধৰ্ম-কৰ্মহীন, ক্ষয়িষ্ণু সমাজ ব্যৱস্থাৰ বিৰুদ্ধে জাগি উঠিল সেই সকল ব্যক্তি। সূচনা কৰিলে নব্য শঙ্কৰদেৱ আন্দোলনৰ। সমাজত নিপীড়িত, নিৰ্যাতিত, তথাকথিত, হীনবৰ্ণসকলক উদ্ধাৰ কৰিব লাগিব।





এই প্ৰাপ্য আদায় কৰিবৰ বাবেই আৰম্ভ হ'ল ১৯৩০ চনত শঙ্কৰদেৱ সঙ্ঘ নামৰ উত্তৰ-পূব ভাৰতৰ বিপ্লৱী অনুষ্ঠানৰ। এই অনুষ্ঠানেই পৰৱৰ্তী সময়ত নাম ল'লে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ বুলি। আৰম্ভ হ'ল ধৰ্ম বিপ্লৱৰ।

এনে এটা সমাজ বিপ্লৱী অনুষ্ঠানতেই একনিষ্ঠ ভাৱেৰে অংশগ্ৰহণ কৰিলে অচ্যুতকৃষ্ণ মিশ্ৰ বাপে। সাধাৰণ সঙ্গী পদৰ পৰা আৰম্ভ কৰি অনুষ্ঠানটোৰ মুৰব্বী পদাধিকাৰ পদ অলংকৃত কৰি অনুষ্ঠানৰ সেৱাৰে কেৱল নিজক ধন্য কৰাই নহয়, অসম অসমীয়াৰ সমাজ জীৱনলৈও আপুৰুগীয়া বৰঙণি আগবঢ়াই গ'ল। সত্তৰৰ দশকটোত আঠবাৰকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এবছৰীয়া কাৰ্যকালৰ পদাধিকাৰৰ আসন অলঙ্কৃত কৰি এই অনুষ্ঠানক এক মাত্ৰা প্ৰদান কৰি গ'ল। আঠখনকৈ মূলৰ অধিৱেশনত পঠিত তেখেতৰ অভিভাষণসমূহে অসমীয়া সাহিত্যৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। বিশেষভাৱে অসমৰ সমাজ জীৱনত মহাপুৰুষীয়া ধৰ্ম অৱক্ষয়, একশৰণৰ প্ৰয়োজনীয়তা, নব্য শঙ্কৰদেৱ চৰ্চাৰ প্ৰাসঙ্গিকতা, ব্ৰাহ্মণ্যবাদ আৰু বৰ্ণবাদৰ প্ৰভাৱ, জাতীয় জীৱনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ স্থান আদি বিষয়বোৰৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হৈছে। সৰ্বকালৰ সমাজতত্ত্ববিদসকলৰ বাবে এনে আলোচনাসমূহ অমূল্য সম্পদৰূপে গণ্য হৈ থাকিব।

অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনা আছিল দৰাচলতে বহুতো বিশিষ্ট গুণৰ সমাহাৰ। একাধাৰে তেখেত আছিল— বিদগ্ধ পণ্ডিত, সমাজ সংগঠক, সমাজ সংস্কাৰক, সুবক্তা, কৰ্মযোগী, অপ্ৰতিদ্বন্দ্বী বাকযোদ্ধা, ধৰ্মীয় নেতা, ব্ৰহ্মজ্ঞানী আৰু বিৰল প্ৰতিভাধৰ এজন ব্যক্তি।

মিশ্ৰপ্ৰভু আছিল অসমৰ জনজীৱনৰ বাবে এটি বিপ্লৱী সত্বা। তেখেতৰ বৈপ্লৱিক চৰিত্ৰৰ প্ৰকাশ ঘটিছিল জীৱনৰ প্ৰতিটো পদক্ষেপত বাহিৰে-ভিতৰে সৰ্বস্তৰতে এই বিপ্লৱৰ জুইয়ে তাৰাৰ মানস জগতত ক্ৰিয়া কৰি আছিল। একে ৰক্ত মাংসৰ দেহধাৰী মানুহক ঘৃণাৰ দৃষ্টিৰে দৰ্শন কৰা তেখেতৰ ঘৰখনৰ অভিজাত ব্ৰাহ্মণ্য মনৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তেখেত ওলাই আহিছিল— এনে সমাজ ব্যৱস্থা ভাঙি চুৰমাৰ কৰি তাৰ পৰিৱৰ্তে মহাপুৰুষীয়া সমতৰ সূচনা কৰিছিল। আজীৱন তাৰ বাবেই কাম কৰি গ'ল। লগে লগে এই মানুহজনে সদা সৰ্বদা জেহাদ ঘোষণা কৰি সংস্কাৰৰ

শঙ্খনিনাদ ধ্বনিত কৰি- এনে ঘৃণিত কদৰ্য সমাজ ব্যৱস্থাৰ বিৰুদ্ধেই অবিৰত কাম কৰি গ'ল।

তেখেত আছিল এজন বিদগ্ধ পণ্ডিত। সংস্কৃত সাহিত্যৰাজি মন্থন কৰি গভীৰ প্ৰত্যয়েৰে মানুহৰ মাজত ঈশ্বৰতত্ত্ব, আধ্যাত্মিক শিক্ষা আৰু মানৱীয় প্ৰমূল্যসমূহ বিতৰণ কৰিবলৈ সমৰ্থ হৈছিল। মহাপুৰুষীয়া সাহিত্যৰাজিৰ মাজত বিশেষভাৱে শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ লেখনিসমূহৰ মাজত বিচৰণ কৰি পৰম আত্মোপলব্ধিৰ সৈতে নিজকে এজন সঁচা মহাপুৰুষীয়া বুলি সগৰ্বে ঘোষণা কৰাৰ লগতে সকলোকে ইয়াৰ প্ৰতি অনুৰক্ত হ'বলৈ আহ্বান জনাই গ'ল মিশ্ৰ প্ৰভুজনাই। তেখেতৰ মাজত আমি গীতাৰ স্থিতপ্ৰজ্ঞজনক বিচাৰি পাওঁ—

দুঃখেষু অনুদিগ্ন মনা
সুখেষু বিগতস্পৃহ—

এই মানুহজনে ওৰেটো জীৱন নিজৰ বাবে একো নিবিচাৰি সমাজৰ বাবে কান্দি কান্দি মমৰ দৰে জ্বলি পোহৰ বিলাই শেষ হৈ গ'ল। তেখেতৰ দৰে সমত্ববুদ্ধিৰে সকলোকে গ্ৰহণ কৰিব পৰা মানুহ সমাজত খুব কমেইহে ওলাব। মিশ্ৰবাপ আছিল এজন মুকলি মনৰ মুকলি চিন্তাৰ ব্যক্তি। তেখেতৰ দৃষ্টিত আছিল তীক্ষ্ণতা, এই দৰ্শনে সকলোকে ভগৱৎমুখী কৰাৰ ক্ষেত্ৰত প্ৰচুৰ অৰিহণা যোগাইছিল। তেখেতৰ সিদ্ধান্ত আছিল বুদ্ধিপ্ৰদত্ত অটল, অচল। তেখেত আছিল এজন অপ্ৰতিদ্বন্দ্বী কথা শিল্পী। যি বিষয়তে নহওক কিয় গভীৰ আত্মবিশ্বাসেৰে শ্ৰোতাসকলৰ মনৰ মাজত ৰেখাপাত কৰিবলৈ সমৰ্থ হৈছিল। বিশেষভাৱে তেখেতে ধৰ্মৰ ক্ষেত্ৰত একেশ্বৰবাদ, একশৰণ, গুৰু, দেৱ, নাম, ভকত আদি তত্ত্বসমূহৰ ওপৰত আগবঢ়োৱা উদাত্ত ভাষণসমূহ প্ৰকৃতপক্ষে মহাপুৰুষীয়া ভকতসকলৰ বাবে স্বৰূপ উপলব্ধিৰ বিষয় আৰু সংসাৰ চক্ৰৰ পাথেয় স্বৰূপ।

তেখেতৰ স্মৃতিশক্তি আছিল অত্যন্ত প্ৰখৰ। এই স্মৃতিৰ প্ৰখৰতা লগত অত্যুগ্ৰ মেধাৰ মিশ্ৰণ ঘটি অশিতিপৰ জীৱনতো অসমৰ ধৰ্মীয় আকাশখনত এটি জ্যোতিষ্কৰ দৰে পোহৰ বিকিৰণ কৰি থাকিবলৈসমৰ্থ হৈছিল। তেজোদীপ্ত ধৰ্মীয় ভাষণেৰে প্ৰতিবাদী কণ্ঠ ম্লান কৰি তোলা মিশ্ৰ বাপ আছিল মহাপুৰুষীয়া সমাজখনৰ নয়নৰ মণি স্বৰূপ।





গভীৰ অধ্যয়নপুষ্ট মনৰ মাজত লুকাই আছিল ভগৱৎ প্ৰেমৰ অফুৰন্ত আধ্যাত্মিক গতিৰ প্ৰবাহ। তাৰাৰ সেই মন গহন ৰঞ্জিত হৈ উঠিছিল বিশ্বাসৰ গভীৰ প্ৰত্যেয়েৰে সকলোকে আকৃষ্ট কৰি তুলিছিল।

গুৰু সেৱাৰ মহামহিমাৰে উদীপ্ত এই মানুহজন আছিল সদা হাস্য বদন, ৰসিক, নিয়মানুৱৰ্তী, সময়নিষ্ঠা আৰু প্ৰত্যুৎপন্নমতি সম্পন্ন। তেখেতৰ উদাত্ত ভাষণৰ মাজত কৰা উগ্ৰতাৰ উষ্মতা দৰাচলতে সত্য প্ৰতিষ্ঠাৰ অৰ্থে জনোৱা সাৰ্বিক প্ৰকাশহে। গুৰু সেৱকসকলৰ জীৱনত এনে হোৱাটো অতি স্বাভাৱিক কথা। গুৰু প্ৰদৰ্শিত ৰাজ মাৰ্গত উঠাই ঐশী সাধনৰ প্ৰতি কি ৰূপে লোক সমস্তক লৈ যাব পৰা যায়— এই ধাৰণাৰে সৰ্বক্ষণ নিজকে ব্যস্ত ৰখা মানুহজন আছিল মিশ্ৰ প্ৰভু।

সমাজ সেৱাৰ মহতো মহান প্ৰচেষ্টাৰে ভৰা এটা মহা জীৱনৰ অৱসান ঘটিল। বৈষ্ণৱ দৰ্শনৰ এজন বিৰল সাধকক আমি অসমীয়া সমাজে হেৰুৱাৰ দুখত শোক স্তব্ধ হৈছে ঠিক, একেদৰেই সৰ্বসাধাৰণ ৰাইজেও তেখেতৰ দৰে এজন নীৰৱ প্ৰচাৰক, সাধক, বৈষ্ণৱ পণ্ডিতক হেৰুৱাই চকুপানী টুকিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দৰে মহাপুৰুষ গুৰুজনাৰ নামত উৎসৰ্গিত অনুষ্ঠানে তেখেতৰ বিয়োগক এজন অভিভাৱকৰ বিয়োগ ৰূপে গণ্য কৰিছে। এনে এজন উপদেষ্টাৰ অভাৱ নিতান্তভাৱেই অনুষ্ঠানে অনুভৱ কৰিব। আমাৰ আশা— তেখেতৰ আদৰ্শ আমাৰ বাবে পাথেয় হৈ ৰ'ব, আমাৰ ভৰষা উত্তৰ পুৰুষে মিশ্ৰ বাপৰ সেৱাৰ মহামন্ত্ৰৰ ধ্বনিত উচ্ছাসিত, অনুপ্ৰাণিত হৈ শান্তিৰ আকাশত শান্তিৰ কপৌ উৰুৱাবলৈ সমৰ্থ হ'ব।■

---

লেখক পৰিচয় ঃ **শ্ৰীৰজনীকান্ত দত্ত**
প্ৰাক্তন উপ-পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ

# মিশ্ৰবাপ ঃ এক উজ্জ্বল ধ্ৰুৱ নক্ষত্ৰ

শ্ৰীপ্ৰমোদ শইকীয়া

জন্মৰ লগতে মৃত্যু ওপজে সবাৰে, এয়া প্ৰকৃতিৰ চিৰন্তন নীতি। মানুহ সংসাৰলৈ আহে আৰু যায়, এই অহা-যোৱাৰ কথা কোনোৱে গমকে নাপায়। কিন্তু কোনোবাজনৰ অহাৰ কথা গম নাপালেও যোৱাৰ বাতৰিয়ে বহুতৰ হৃদয় চুই, জোকাৰি যায়। বৈকুণ্ঠগামী মিশ্ৰ বাপৰ যোৱাৰ বাতৰিয়ে বাৰুকৈয়ে জোকাৰি গ'ল আমাৰ হৃদয়ো। আমাৰ জীৱনত মিশ্ৰ বাপৰ প্ৰভাৱেই বেছি পৰিছিল। ১৯৫৭/৫৮ চন মানতে মিশ্ৰ বাপৰ উদাত্ত ভাষণ শুনি মুগ্ধ হৈছিলো। পিছলৈ মিশ্ৰ বাপ অহা বুলি শুনিলেই ১০/১২ মাইল খোজকাঢ়ি গৈ বাপৰ ভাষণ শুনিছিলোঁ। মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মত যে কৰ্মকাণ্ডৰ স্থান নাই, কৰ্মকাণ্ডী বিপ্ৰই সেই সময়ত গুৰুজনাৰ বিৰুদ্ধে ৰাজ দৰবাৰত গোচৰহে তৰিছিল— এই কথা প্ৰথমে মিশ্ৰ বাপৰ ভাষণৰ পৰাহে বুজি পাইছিলো আৰু ধৰ্মশাস্ত্ৰ আৰু চৰিত পুথিবোৰ পঢ়ি চাই সত্য উপলব্ধি কৰি আমাৰ ধৰ্মীয় জীৱন আৰম্ভ কৰিছিলো। সেই সময়ত যেন সঙ্ঘৰ বক্তাসকলৰ উদ্দেশ্য আৰু লক্ষ্য আছিল মাত্ৰ গুৰু ধৰ্মৰ পৰা কৰ্মকাণ্ড সম্পূৰ্ণৰূপে আঁতৰাই পঠোৱাটোহে, অৰ্থাৎ আধ্যাত্মিকতাৰ বীজ সিঁচিবলৈ পথাৰখন সম্পূৰ্ণ পৰিস্কাৰ কৰি লোৱাটো প্ৰয়োজন হৈছিল। সেই উদ্দেশ্য আগত ৰাখি ভাষণ দিওঁতে কৰ্মকাণ্ডক সমালোচনা কৰা হৈছিল আৰু তাকে কৰিবলৈ যাওঁতে কৰ্মকাণ্ডীসকলে সঙ্ঘৰ বক্তাই মাত্ৰ ব্ৰাহ্মণ গোসাঁই গালি পাৰিবলৈহে যেন সভালৈ আহে বুলি ওলোটাকৈ বুজিছিল। মিশ্ৰবাপৰ ভাষণত কেতিয়াবা আমি অতিৰঞ্জিত কথাও শুনিছিলোঁ, কেতিয়াবা প্ৰশ্নও কৰিছিলোঁ। বাপে উত্তৰ দিছিল- গুৰু ধৰ্ম প্ৰতিষ্ঠাৰ স্বাৰ্থত ৰাইজক বিশেষভাৱে আকৰ্ষণ কৰিবলৈ, কেতিয়াবা তেনে কথাৰ প্ৰয়োজন হয়, পিছে কি কৰিব? 'ব্যাসো দেন্ত কথাত ৰঞ্জন'।

এবাৰ বহু দিনৰ পিছত লগ পাই সুধিলোঁ— 'কি হ'ল বাপ, বহু দিন





লগ পোৱা নাই?' উত্তৰ আছিল- 'বাপ, আমাৰ ভৈয়ামৰ উচ্চ বৰ্ণসকল বৈকুণ্ঠ পালেই দিয়ক, মাত্ৰ ভগৱন্তৰ লগত কথা হ'বলৈ বাকী, সেই বাবে মই কাৰ্বিপাহাৰত সোমাইছো আৰু।' কেতিয়াবা মিশ্ৰবাপে ৰসিকতাও কৰিছিল। এবাৰ এজন বাপে সুধিলে, 'বাপ আমাৰ অঞ্চল আপোনাৰ প্ৰয়োজন হৈছে, যায়নে?' মিশ্ৰ বাপে উত্তৰ দিছিল, 'আমি মাঘ মাহত উদং পথাৰতে থাকো, কিন্তু মৰণা পেলাই দিলে নামাৰো বুলি নকওঁ।'

১৯৭৭/৭৮ চন মানৰ কথা। বদতি জামুগুৰিত দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰৰ উপস্থিতিত এখনি ধৰ্মলোচনী সভা আছিল। দুদিনীয়া সভাৰ আগদিনা সত্ৰাধিকাৰ সভাপতি, মিশ্ৰবাপ নিৰ্দিষ্ট বক্তা, পিছদিনা মিশ্ৰবাপ সভাপতি, সত্ৰাধিকাৰ নিৰ্দিষ্ট বক্তা। আগদিনা মিশ্ৰ বাপে উদ্দাত্ত কণ্ঠে ভাষণ দিয়া দেখি নিশা ভাগলৈ সত্ৰাধিকাৰে মিশ্ৰবাপৰ ওচৰলৈ সত্ৰৰ মুক্তিয়াৰক পঠাই খাটনি ধৰালে, পিছ দিনা যেন কৰ্মকাণ্ডীয় কথাবোৰ খোলাখুলিকৈ প্ৰকাশ নকৰি অলপ নৰমভাৱে প্ৰকাশ কৰে। কিন্তু মিশ্ৰবাপে পিছদিনা আৰু মুকলিভাৱে প্ৰকাশ কৰাৰ কথাহে কোৱাত ৰাতিৰ ভিতৰতে সত্ৰাধিকাৰে ভকতসহ সভাস্থলী এৰি গুচি গ'ল। এইদৰেই এই মহান বাপজনে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গুৰুধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰি অশেষ কষ্ট স্বীকাৰ কৰিলে আৰু এখন সুস্থ মহাপুৰুষীয়া সমাজ তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গঠনত মুখ্য ভূমিকা গ্ৰহণ কৰিলে। আনকি তেখেতে বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ পদো অগ্ৰাহ্য কৰি একমাত্ৰ সঙ্ঘৰ প্ৰচাৰতে আত্মনিয়োগ কৰিছিল। এই মহান ত্যাগী মিশ্ৰ বাপজনাক আমি উচিত মৰ্যদা দিব নোৱাৰিলোঁ নেকি বুলি ভাৱ হয়। কাৰণ লখিমপুৰ পেটুকাজান অধিৱেশনৰ সময়ত আমি তাৰাৰ গৃহলৈ গৈছিলো, তেখেত শয়ন কৰি আছিল। আমি যোৱাত উঠি বহিল আৰু বোৱাৰীয়েকক আমাক শুশ্ৰূষা কৰিবলৈ নিৰ্দেশ দিলে। আমাৰ লগতে তাৰাকো আহাৰ গ্ৰহণ কৰিবলৈ কোৱাত তাৰাই ক'লে- 'মই অনশন কৰিছোঁ, আহাৰ গ্ৰহণ নকৰোঁ।' কাৰণ সোধাত মোকে দোষাৰোপ কৰি ক'লে- 'আপোনালোকে মোক অৰ্থ অশৌচত পেলাই পদাধিকাৰৰ পেনেলৰ পৰা মোৰ নাম বাদ দিলে মই অত্যন্ত দুঃখিত' আমি ততালিকে ক'লো, বাপ আপুনি শুনা কথাত কাণ দিয়া উচিত নহয়, বাপ আপুনিচোন শৰণ সদস্য হৈয়েই আছে। বিশেষকৈ

আপোনাৰ ত্যাগ আপোনাৰ সঙ্ঘৰ প্ৰতি কৰা মহান সেৱাৰ কথা অসমৰ বিশেষকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতিজন সঙ্গীৰ হিয়াত বিৰাজমান হৈ থাকিব। আপুনি গৌৰৱহে কৰিব লাগে, কাৰণ আপুনি চফা কৰি জঙ্ঘল ভাঙি মুকলি কৰি দিয়া পথাৰ ডৰাত আপোনাৰেই পুত্ৰসৰে বিনা কষ্টে ভোগ দখল কৰিছে। তাত আপুনি সন্তুষ্টি প্ৰকাশ কৰি আশীৰ্বাদ প্ৰদান কৰিবলৈহে মই সেৱা ধৰিোঁ। বাপে আমাৰ লগতে অন্ন গ্ৰহণ কৰিলে। ময়ো গৌৰৱবোধ কৰিলো। মুঠতে মহাপুৰুষীয়া সমাজৰ এক উজ্জ্বল নক্ষত্ৰ চিৰদিনৰ বাবে অস্ত আকাশত বিলীন হৈ গ'ল। ভগৱন্তৰ চৰণত প্ৰাৰ্থনা কৰোঁ তাৰাই যেন ভগৱন্তৰ কাষতে স্থান লাভ কৰে। ■

---

লেখক পৰিচয় ঃ **শ্ৰীপ্ৰমোদ শইকীয়া**
প্ৰাক্তন উপ-পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ



# অচ্যুতকৃষ্ণ মিশ্ৰ ঃ এক ব্যতিক্ৰমী ব্যক্তিত্ব

**ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ সুদক্ষ প্ৰচাৰক গুৰুজনাৰ একনিষ্ঠ সেৱক, সঙ্ঘৰ নীতি-আদৰ্শৰ প্ৰতি অবিচল আপোচহীন অনুগত জাত্যাভিমান ৰহিত, শাস্ত্ৰজ্ঞ, সুবক্তা প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰ বাপ এক আদৰ্শনীয় ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ জীৱন পৰিক্ৰমা সংগ্ৰাম আৰু সংঘাতপূৰ্ণ। প্ৰয়াত প্ৰৱীণ গান্ধীবাদী নেতা মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ সহায়ত স্বাস্থ্য বিভাগত সাধাৰণ চাকৰি এটি লৈ জীৱন নিৰ্বাহ কৰা মিশ্ৰবাপৰ দাৰিদ্ৰ্য চিৰ সহচৰ। অনুষ্টুপীয়া বেতনেৰে পৰিয়ালক পোহ-পাল দিয়াৰ উপৰি বিশ্বনাথ চাৰিআলিৰ বামগাঁৱত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাত গৃহ নিৰ্মাণ আদি কাৰ্যত নিশ্চয় যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। স্বাভিমানী মিশ্ৰই কাহানিও তেওঁৰ নিঃস্ব জীৱনৰ কথা কৈ অইনৰ পৰা পুতৌ আদায় কৰিব বিচৰা নাছিল। বাল্যকালৰ পৰা তেওঁ গান্ধীবাদত শিক্ষা লৈছিল আৰু গান্ধীৰ অহিংস আন্দোলনৰ অংশীদাৰ হিচাপে আনকি ৪২ৰ গণ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ বাবে জেললৈ যাবলগীয়া হৈছিল। জেলৰ পৰা উভটি অহাৰ পিছত তৎকালীন ৰক্ষণশীল ব্ৰাহ্মণ সমাজে মিশ্ৰক গ্ৰহণ কৰিবলৈ টান পাইছিল। আনকি একে শাৰীত ৰাজহুৱা আহাৰ গ্ৰহণত বাধা আৰোপ কৰা হৈছিল। আত্মীয় স্বজনৰ এই ৰক্ষণশীল অযুক্তিকৰ ব্যৱস্থাই ডেকাকালতে মিশ্ৰক বিদ্ৰোহী কৰি তুলিছিল। ইচ্ছা কৰাহেঁতেন প্ৰায়শ্চিত্তাদি কৰ্মৰ যোগেদি সমাজত অন্তৰ্ভুক্তি লাভ কৰিব পাৰিলেহেঁতেন। কিন্তু গান্ধীবাদী মিশ্ৰই আত্মসমৰ্পণ কৰি অস্পৃশ্যতা বৰ্জনৰ লেখিয়া গান্ধীয় আদৰ্শৰ পৰা বিচ্যুৎ হ'বলৈ ইচ্ছা কৰা নাছিল। ২০/২২ বছৰ বয়সত আত্মীয়-স্বজনক পৰিত্যাগ কৰি নতুন দৃষ্টিভঙ্গীৰে জীৱনৰ পাতলি মেলা মিশ্ৰ বাপ

সেয়ে এক ব্যতিক্ৰমী পুৰুষ।

১৯১৮ খৃষ্টাব্দৰ ভাদ মাহৰ কৃষ্ণাষ্টমী তিথিত হৰিন্দ্ৰ নাৰায়ণ দেৱ মিশ্ৰৰ ঔৰসত আৰু সত্যভামা দেৱীৰ গৰ্ভত বৰপেটাৰ ৰংপুৰ হাটীত মিশ্ৰবাপৰ জন্ম হয়। প্ৰাইমাৰী শিক্ষা লাভ কৰিছিল বৃন্দাবন হাটীৰ প্ৰাইমাৰী স্কুলত। ১৯৩৬ খ্ৰীষ্টাব্দত বৰপেটা এম্.ভি. স্কুলৰ পৰা এম.ভি. পৰীক্ষাত উত্তীৰ্ণ হৈ বৰপেটা বিদ্যাপীঠ হাইস্কুলত নামভৰ্তি কৰে। কুখ্যাত 'কানিংহাম চাৰ্কুলাৰ'ৰ প্ৰতিবাদত অসমৰ ঠায়ে ঠায়ে জাতীয় বিদ্যালয় স্থাপন হয়। স্বাধীনতা সংগ্ৰামী বহুকেইজন গণ্যমান্য বৰপেটাবাসীৰ প্ৰচেষ্টাত ১৯৩০ খ্ৰীষ্টাব্দত বৰপেটা বিদ্যাপীঠ হাইস্কুল স্থাপন হয়। বৰপেটাত ব্ৰিটিছ চৰকাৰে পতা এখন গৰ্ণমেণ্ট হাইস্কুল আছিল যদিও বহু ছাত্ৰই (বিশেষকৈ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত) নৱ প্ৰতিষ্ঠিত বিদ্যাপীঠ হাইস্কুলত নামভৰ্তি কৰিছিল। বৰপেটাৰ সম্ভ্ৰান্ত মিশ্ৰ পৰিয়ালৰ মধু মিশ্ৰ আৰু অচ্যুতকৃষ্ণ মিশ্ৰইহে বিদ্যাপীঠ হাইস্কুলত পঢ়িছিল। অচ্যুতকৃষ্ণ হেনো বিদ্যাপীঠ হাইস্কুলৰ ছাত্ৰ একতা সভাৰ সম্পাদকৰূপে নিৰ্বাচিত হৈছিল। স্কুলীয়া জীৱনতে তেওঁৰ নৈতিক সাহস, নিৰ্ভীকতা আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা যায়। স্কুলৰ সভা-সমিতিবোৰত মিশ্ৰদেৱে সুন্দৰ বক্তৃতা প্ৰদান কৰি সকলোৰে প্ৰিয়পাত্ৰ হোৱাৰ উপৰি ছাত্ৰ সংগঠন সুদৃঢ়ভাৱে গঢ়ি তুলিছিল। সমাজৰ মাজত ব্যভিচাৰ, মাদক দ্ৰব্য নিবাৰণ, শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ পবিত্ৰ ধৰ্ম আৰু সমাজ সংস্কাৰৰ আদৰ্শ, নীতি-নিয়ম নিৰ্দেশনা আদিত ঘটা অনিয়ম কাৰ্যত প্ৰতিবাদ কৰিবলৈ সাহসী পদক্ষেপ গ্ৰহণ কৰাত আগৰণুৱা আছিল। ১৯৪২ খ্ৰীষ্টাব্দৰ মহামানৱ মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ ভাৰতবৰ্ষত যি অসহযোগ আন্দোলন হৈছিল সেই আন্দোলনৰ বিশেষ কৰ্মীৰূপে তেওঁ যোগদান কৰে। শুনা যায় বৰপেটাৰ এটি শোভাযাত্ৰাত অংশগ্ৰহণ কৰোঁতে ব্ৰিটিছ সৈন্যৰ লাঠিৰ কোবত তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। সেই বছৰতে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু আঢ়ৈ মাহ জেল দিয়ে। জেলৰ পৰা ওভটি অহাৰ পিছত আত্মীয়-স্বজনৰ দ্বাৰা বিতাৰিত হৈ নিজ ঘৰ ত্যাগ কৰি অইনৰ ঘৰত আশ্ৰয় ল'বলগীয়া হয়। এইখিনি সময়তে বৰপেটা সত্ৰৰ বুঢ়া ভকত স্বনামধন্য শঙ্কৰী সংস্কৃতিৰ জীৱন শিল্পী নৰহৰি বুঢ়া ভকতৰ সান্নিধ্যলৈ আহে আৰু তেওঁৰ পৰা শঙ্কৰী সংস্কৃতিৰ





ভাওনাৰ কলা-কৌশল আৰু বৰগীতত স্বৰ আয়ত্ব কৰে। গুৰুজন আৰু তাৰাৰ প্ৰপন্ন শিষ্য মাধৱ পুৰুষৰ বিভিন্ন সাহিত্যৰাজিৰ গভীৰ অধ্যয়নত ব্ৰতী হয়। নাট-ভাওনাৰ বিশিষ্ট শিল্পী প্ৰয়াত কুলদেৱ শৰ্মা, ভুৱন দাস (নহাটী), মনোৰঞ্জন দাস (দক্ষিণ হাটী), কৰুণা দাস (নহাটী), প্ৰমোদ বায়ন (বৰহাটী) আদিৰ লগত একেলগে যাত্ৰা ভাওনা আদিত অংশগ্ৰহণ কৰে। প্ৰয়াত কুলদেৱ শৰ্মাৰ লগত ইমান গভীৰ বন্ধুত্ব আছিল যে শৰ্মাদেৱ গৌৰীপুৰত থকা সময়ত বহুত দিন তেওঁৰ লগত গৌৰীপুৰত থাকি নাট্যচৰ্চা কৰিছিল। ৰাজনৈতিক পাৰিবাৰিক আৰু সামাজিক কাৰণত মিশ্ৰদেৱে আনুষ্ঠানিক শিক্ষাত অগ্ৰসৰ হ'ব নোৱাৰিলে। চাকৰিৰ প্ৰশিক্ষণৰ বাবে গুৱাহাটীৰ বৰপেটীয়া পাৰা নামঘৰত থাকিবলগীয়া হোৱাত প্ৰয়াত সঙ্গীত বিশাৰদ খগেন্দ্ৰনাথ দাসক তাত লগ পাই আৰু তেখেতৰ পৰা খৰচি মাৰি শঙ্কৰী সঙ্গীতৰ তামিল লয়। চাকৰিৰ বাবে আন ঠাইলৈ যাবলগীয়া হোৱাত সঙ্গীতৰ শিক্ষাও আধৰুৱা হৈ ৰয়। পৰৱৰ্তী সময়ত শঙ্কৰী সংস্কৃতিৰ চিন্তা-চৰ্চা অব্যাহত ৰাখে। মিশ্ৰৰ ব্যতিক্ৰমী জীৱনৰ বিষয়ে তেওঁৰেই আত্মীয় বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুসাহিত্যিক শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰই কয় যে, স্বৰ্গীয় অচ্যুতকৃষ্ণ মিশ্ৰ তেওঁলোকৰ একে বংশৰ নহয় 'ভাগী'হে। মিশ্ৰই নৰম শ্ৰেণীলৈকেহে পঢ়িছিল। সৰুৰে পৰাই শিক্ষক আৰু ডাঙৰৰ মুখত মহাত্মা গান্ধীৰ আদৰ্শৰ কথা শুনিবলৈ পাই তেওঁৰ প্ৰতি আকৃষ্ট হয় আৰু সামাজিক কুসংস্কাৰৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰে। সমাজৰ গতানুগতিক বিধি ব্যৱস্থাসমূহ অন্ধভাৱে পালন কৰাৰ পক্ষত তেওঁ নাছিল। ফলত কম বয়সতে সমাজৰ গোড়া বয়সিয়ালসকলৰ লগত সংঘাতৰ সৃষ্টি হৈছিল। জাত-পাত বিচাৰযুক্ত ৰক্ষণশীল সমাজৰ আওঁতাৰ পৰা ওলাই আনকি অসবৰ্ণ বিবাহতো তেওঁ আৱদ্ধ হৈছিল। মহাপুৰুষ শঙ্কৰদেৱৰ শ্ৰেণীহীন সমাজ ব্যৱস্থাৰ প্ৰতি আৰু লগতে মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমভাৱে চলা-ফিৰা, খোৱা-লোৱা কাৰণত প্ৰচলিত ব্ৰাহ্মণ সমাজৰ নীতি-নিয়ম মানি নচলা বাবে বংশৰ মানুহে তেওঁক ত্যাগ কৰিছিল। ইয়ে তেওঁৰ মনত ইমানেই দুখ দিছিল আৰু জেদী কৰি তুলিছিল যে, তেওঁ যি বৰপেটা এৰিলে বা গৃহত্যাগ কৰিলে আমৰণ নিজ বংশৰ মানুহৰ ওচৰলৈ মাত

এযাৰ দিবলৈও নাহিল। সভা-সমিতি উপলক্ষে বৰপেটালৈ আহিলেও নিজ বংশৰ মানুহৰ ঘৰলৈ থাকিবলৈ যোৱা নাছিল। মিশ্ৰদেৱে এটা সময়ত ব্ৰাহ্মণসকলক বিযোদগাৰ কৰা কাৰ্যই ব্ৰাহ্মণ সমাজক ক্ষুণ্ণ কৰিছিল আৰু বিৰূপ প্ৰতিক্ৰিয়া তেওঁলোকৰ মাজত হৈছিল। কিন্তু মিশ্ৰই আপোচহীনভাৱে গোটেই জীৱন কটালে। মিশ্ৰদেৱৰ সহপাঠী অৱসৰপ্ৰাপ্ত স্কুল উপপৰিদৰ্শক শ্ৰদ্ধেয় শ্ৰীৰাধাকান্ত তালুকদাৰৰ মতে স্বৰ্গীয় মিশ্ৰদেৱৰ লগত '৪২ ৰ স্বাধীনতা আন্দোলনত একেলগে অংশগ্ৰহণ কৰি দুয়োজনে কাৰাবৰণ কৰিবলগীয়া হৈছিল। পঢ়া কালত তেওঁৰ প্ৰিয়বন্ধু ক্ৰমে অশ্বিনী দাস আৰু ভৱন দাস বণিয়া (স্বৰ্ণকাৰ) সম্প্ৰদায়ৰ লোক আছিল। তেওঁলোকৰ লগত মিলা-মিচা কৰাটো স্বৰ্গীয় মিশ্ৰদেৱৰ পৰিয়ালে সহজভাৱে ল'ব পৰা নাছিল। বংশৰ মানুহৰ উচ্চাত্মিকাবোধে মিশ্ৰক ব্যথিত কৰিছিল আৰু মনে প্ৰাণে জাত্যাভিমান বিৰোধী হৈ পৰিছিল। মিশ্ৰদেৱৰ বিশেষত্ব এটা আছিল- নেতৃত্ব দিব পৰাৰ যোগ্যতা। মিশ্ৰ বাপৰ আন এজন বাল্যবন্ধু শ্ৰীহৰি দাসেও তেওঁৰ কথা সোঁৱৰণ কৰি কয় যে, বাল্যকালৰ পৰাই তেওঁ সোঁতৰ বিপৰীতে গৈ সমাজৰ এলান্ধুকলীয়া ৰীতি-নীতিৰ বিৰুদ্ধাচৰণ কৰিছিল। সুদীৰ্ঘ জীৱন পৰিক্ৰমাত বিজয় চন্দ্ৰ ভাগৱতীৰ নিচিনা স্বনামধন্য নিঃস্বাৰ্থ কংগ্ৰেছ কৰ্মীৰ সান্নিধ্যলৈ গৈ জাতীয়তাবোধৰ দ্বাৰা উদ্বুদ্ধ হয়। সম্ভৱতঃ ১৯৫৫ খ্ৰীষ্টাব্দ মানত স্বনামধন্য ত্যাগী পুৰুষ ৰমাকান্ত মুক্তিয়াৰ আতাৰ সান্নিধ্যলৈ আহে আৰু তেওঁৰ পৰা শৰণ বস্তু গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একনিষ্ঠ সঙ্গী হিচাপে সঙ্ঘৰ প্ৰচাৰ-প্ৰসাৰত জীৱনৰ অন্তিম দিনলৈ সেৱা আগবঢ়ায়। জীৱনৰ নানা ঘাত-প্ৰতিঘাতে মিশ্ৰক স্ব-আদৰ্শৰ পৰা বিচ্যুৎ কৰিব পৰা নাই।

প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰ বাপৰ বিষয়ে গোৱালপাৰা জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী বাপসকলৰ পৰা বহু কথা শুনিই আছিলোঁ। যদিও ১৯৭২ খ্ৰীষ্টাব্দ মানৰ পৰা আমি সঙ্ঘৰ সভা-সমিতিবোৰত অংশগ্ৰহণ কৰিছিলো। ১৯৭৯ খ্ৰীষ্টাব্দতহে আনুষ্ঠানিকভাৱে শৰণ বস্তু গ্ৰহণ কৰি সঙ্ঘৰ নিয়মীয়া সঙ্গী হওঁ। ১৯৮১ খ্ৰীষ্টাব্দত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ স্বৰ্ণ জয়ন্তী উৎসৱ নগাঁৱৰ নেহেৰুবালিত অনুষ্ঠিত হয়। জিলাৰ সভাপতি হিচাপে আমি উক্ত অধিৱেশনলৈ আমাৰ অগ্ৰজ কিন্তু সুহৃদ প্ৰয়াত ৰবীন্দ্ৰ নাৰায়ণ





দাস বাপ (প্ৰাক্তন জিলা সভাপতি)ৰ লগত নগাঁৱলৈ যাওঁ। সেই অধিৱেশনত এজন ওখ-পাশ শ্যামবৰ্ণৰ তেজোদীপ্ত ভাষণ দি থকা ব্যক্তি এজনৰ ভাষণ শুনি থকা অৱস্থাত প্ৰয়াত দাস বাপক সেইজন কোন বুলি সোধাত সেইজনেই মিশ্ৰ বাপ বুলি কয়। দূৰৰ পৰা ভাষণ শুনাৰ পিছত তেওঁৰ লগত আমাৰ তেতিয়াও পৰিচয় হোৱা নাছিল। মিশ্ৰদেৱৰ ভাষণত সদায় নাটকীয় ভঙ্গিমা বিৰাজ কৰা দেখা গৈছিল। তেতিয়াৰ দিনত মিশ্ৰৰ নাটকীয়তা, চুতীয়া বাপৰ তাত্বিকতা, ইলাৰাম দাসৰ মধুৰ বাগ্মিতা, মাধৱ ভাগৱতী বাপৰ পৰমাৰ্থ তত্ব বিচাৰ সম্পন্ন ভাষণে শ্ৰোতা দৰ্শকক মুগ্ধ কৰি ৰাখিছিল। কৰ্মকাণ্ডৰ অসাৰতা, ৰক্ষণশীল সমাজৰ আধিপত্য, সত্ৰসমূহৰ স্বাৰ্থান্ধতা আৰু ৰক্ষণশীলতা, গুৰুজন আৰু মাধৱদেৱৰ ৰচনাৱলীৰ বিজ্ঞান সন্মত অধ্যয়ন আৰু শুদ্ধ ব্যাখ্যাৰ অৱতাৰণা, কুসংস্কাৰ, অন্ধবিশ্বাসৰ অৱসান, অস্পৃশ্যতা বৰ্জন আদি বিষয়বস্তুক লৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী বাপ-আইসকলে বক্তব্য আৰু মন্তব্যৰে সৰ্ব সাধাৰণ ৰাইজক আকৰ্ষণ কৰিব পাৰিছিল। সেয়ে দিনক দিনে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি-আদৰ্শৰ প্ৰতি সহস্ৰজনে সঁহাৰি দিছিল। মিশ্ৰদেৱেও স্বাভাৱিক প্ৰগ্লভতাৰে জন সাধাৰণক আকৃষ্ট কৰিব পাৰিছিল। অৱশ্যে কৰ্মকাণ্ডী ৰক্ষণশীল সমাজৰ প্ৰতি তেওঁৰ বাক্যবাণ ইমান তীব্ৰ আছিল যে, ৰক্ষণশীল সমাজৰ বহুলোক মিশ্ৰৰ প্ৰতি বিতুষ্ট হৈছিল। মিশ্ৰদেৱে তাত সেও মনা নাছিল। মিশ্ৰবাপৰ স্মৃতিশক্তিও আছিল প্ৰখৰ। ভাগৱত-গীতা-কীৰ্ত্তন-দশম-নামঘোষাৰ পদ সলসলীয়াকৈ বক্তৃতাৰ মাজত প্ৰাসঙ্গিকতা ৰক্ষা কৰি আওঁৱাই গৈছিল। বহুত সংস্কৃত গ্ৰন্থৰ শ্লোক তেওঁৰ মুখস্থ আছিল। ৰামচৰণ আৰু দৈত্যাৰি ঠাকুৰৰ চৰিতপুথিৰ প্ৰায়বোৰ পদ তেওঁৰ কণ্ঠস্থ হৈছিল। যিকোনো গুৰুজন বিৰোধী কথাৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহিছিল যুক্তিতৰ্ক শাস্ত্ৰীয় উদ্ধৃতিৰ যোগেদি। প্ৰয়াত গোপীকাবল্লভ গোস্বামী, পীতাম্বৰ দেৱগোস্বামী আৰু মিশ্ৰদেৱে সামাজিক বৈষম্য, কুসংস্কাৰ, অন্ধবিশ্বাস আদি দূৰীকৰণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল যদিও কৰ্মকাণ্ডী ৰক্ষণশীল সমাজে পৰম্পৰাগত ৰীতি-নীতি খামোচ মাৰি ধৰি থাকিল। কৃষ্ণৰাম ভট্টাচাৰ্যই কৰা ৰঘুনন্দন বা পীতাম্বৰ সিদ্ধান্ত বাগীচৰ কৌমুদী শাস্ত্ৰবোৰকে সেই সমাজ আৰু তাৰ প্ৰভাৱ যুক্ত জনগণে 'বেদ বাণী' বুলি গ্ৰহণ কৰি থাকিল

আৰু আজিও আছে। মিশ্ৰদেৱৰ সাংগঠনিক প্ৰচেষ্টাত বহুলোক সঙ্ঘৰ সঙ্গী হ'ল। পদাধিকাৰ হৈ থকা সময়ত সঙ্ঘৰ সাংবিধানিক দায়বদ্ধতাৰ প্ৰতি সদায় সচেতন আছিল। আমি জনামতে মিশ্ৰবাপে অসৱৰ্ণ বিবাহ কৰিছিল। তেওঁৰ কন্যাকো বিশেষ জনগোষ্ঠীয় লোকলৈ বিয়া দিছিল। মানুহজন যে সংকীৰ্ণতাৰ উৰ্দ্ধত আছিল আৰু কথা-কামৰ মাজত সংগতি ৰাখিছিল তেওঁৰ জীৱন ইতিহাসত স্মৰণীয় হৈ থাকিব। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উদাৰ দৃষ্টিভঙ্গীয়ে মিশ্ৰ বাপক আকৰ্ষণ কৰাৰ উপৰি মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শও তেওঁৰ পাথেয় আছিল। শঙ্কৰী সংস্কৃতিৰ চৰ্চা তেওঁলোকৰ পৰিয়ালৰ পৈত্তিক সম্পত্তি।

ব্যক্তিৰ জীৱন চৰ্চা কৰিবলৈ যাওঁতে ব্যক্তিজনৰ লগত সাহচৰ্যৰ বিশেষ প্ৰয়োজন। মানুহক নিচেই ওচৰৰ পৰা নেদেখিলে নহয়। গুৰুজনাৰ নৈকট্যই মাধৱদেৱক তাৰাৰ বিষয়ে 'ভটিমা' লিখি তাৰাৰ জীৱন কালতে মূল্যায়ন কৰিবলৈ সমৰ্থ হৈছিল। গুৰুজন 'সৰ্ব গুণাকৰ'। মহাপুৰুষসকল সৰ্ব সাধাৰণ মানুহতকৈ বহুত উৰ্দ্ধত। সাধাৰণ মানুহৰ জীৱন দোষ-গুণৰ সমষ্টি। ৰিপু দমন কৰা সাধাৰণ মানুহৰ বাবে সম্ভৱপৰ নহয়। মিশ্ৰবাপ যে মানৱীয় ত্ৰুটি-বিচ্যুতিৰ উৰ্দ্ধত আছিল তেনেকৈ ক'লে সত্যৰ অপলাপ হ'ব। মিশ্ৰবাপৰ মাজে সময়ে খং উঠা দেখা যায়। যিকোনো কথাৰ বিতৰ্কত সোমাই গৈ ক্ৰোধিত হোৱা বাবে বহুত বাপে মিশ্ৰবাপৰ ওচৰ চাপিবলৈ সংকোচবোধ কৰিছিল। বাহিৰত ক্ৰোধ আৰু অন্তৰৰ অনুকম্পা নজনা বাবেহে তেনে ভাৱ পোষণ কৰিছিল। মিশ্ৰবাপৰ আন এটা আলোচিত কথা এই যে, বহু সময়ত সভা-সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰিও উপস্থিত হ'ব নোৱাৰা। অৰ্থাৎ একেটা দিনতে বিভিন্ন ঠাইত সঙ্গীসকলৰ অনুৰোধ এৰাব নোৱাৰি নিমন্ত্ৰণ ৰক্ষা কৰে; অথচ এখন সভালৈহে যাব পাৰে, যাৰ বাবে আয়োজকসকল অসুবিধাত পৰিবলগীয়া হয়। শাস্ত্ৰজ্ঞান যথেষ্ট আছিল যদিও বাপজনাই বিশেষ লিখনি আগবঢ়াব নোৱাৰিলে। পদাধিকাৰৰ অভিভাষণ আৰু কেইটামান প্ৰবন্ধহে আগবঢ়াইছে। লিখাটো এটা অভ্যাস। নানা কামৰ ব্যস্ততাৰ মাজতো বহুত লেখকৰ কলম থমকি নৰয়। বক্তৃতা আৰু লেখনি সমান্তৰালভাৱে বহুত চিন্তাবিদৰ জীৱনত সমাহাৰ হয়।

মিশ্ৰবাপৰ সতে আমাৰ শেষ সাক্ষাৎ হৈছিল ২০০৯ খ্ৰীষ্টাব্দৰ শ্ৰীমন্ত





শঙ্কৰদেৱ সঙ্ঘৰ নাজিৰা অধিৱেশনত। আমি তেতিয়া সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি হিচাপে সেৱা আগবঢ়াই আছিলো। মিশ্ৰদেৱৰ অভিনন্দন গ্ৰন্থ এভাগি প্ৰকাশ কৰাৰ বাবে শাখাৰ বাৰ্ষিক আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছিল আৰু সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকৰ অনুমোদনো লাভ কৰা হৈছিল। শাখাৰ সম্পাদক বাপজনাই নানা কামৰ ব্যস্ততাৰ বাবে মিশ্ৰবাপৰ জীৱন কালত অভিনন্দন গ্ৰন্থভাগি প্ৰকাশ কৰিব নোৱাৰিলে। গ্ৰন্থভাগি প্ৰকাশ হ'ব বুলি মিশ্ৰবাপক জনোৱাত তেওঁ উৎফুল্লিত হৈছিল আৰু কৈছিল— চৌধুৰী বাপ, আপোনাৰ প্ৰচেষ্টাত নিশ্চয় গ্ৰন্থভাগি প্ৰকাশ হ'ব। আজি মিশ্ৰ বাপ নাই। মৃত্যুৰ বাবে আনক অভয়বাণী শুনোৱা মিশ্ৰ নিজে মৃত্যু বিৰিখৰ শীতল ছাঁত জিৰণি ল'লে। মনৰ বাসনা এটি জীৱন কালত অপূৰ্ণ হৈ ৰ'ল। এতিয়া এই স্মাৰক গ্ৰন্থভাগিয়ে মিশ্ৰবাপৰ সত্ত্বাক আংশিকভাৱে হ'লেও আৱিস্কাৰ কৰিবলৈ সমৰ্থ হ'ব বুলি বিশ্বাস থাকিল।■

---

লেখক পৰিচয় ঃ **ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী**
প্ৰাক্তন সভাপতি, সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# অচ্যুতকৃষ্ণ মিশ্ৰ ঃ এক সাহসী দৃঢ়মনা ব্যক্তিত্ব

**শ্ৰীঅনিল ৰায়চৌধুৰী**

অচ্যুতকৃষ্ণ মিশ্ৰ আমাৰ মাজৰ পৰা গ'ল। তেখেত কিশোৰ কালৰে পৰা আমাৰ মাজত 'অচ্যুত বাপু' বুলি জনাজাত আছিল। তেখেতসকলৰ পৰিয়ালটো শ্ৰীমন্ত শঙ্কৰদেৱৰ সহচৰ সুহৃদ ৰাম ৰাম গুৰুৰ পৰা বঢ়া বুলি জানিছিলো। বৰপেটাত সকলোৱে এই মিশ্ৰ পৰিয়ালটোক সন্মানৰ চকুৰে চায়।

এই পৰিয়ালৰ হৈয়ো অচ্যুতবাপু ব্যতিক্ৰমী পুৰুষ আছিল। সম্ভৱতঃ মই জনাত এই পৰিয়ালৰ অচ্যুত বাপুই একমাত্ৰ, যিয়ে ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত যোগ দিছিল হাইস্কুলীয়া কালতে। আৰু কেইমাহমান কাৰাবাসো খাটিছিল। জে'লৰ পৰা ওলাই বহুতো ছাত্ৰ পুনৰ স্কুললৈ গ'ল— অচ্যুত বাপু নগ'ল। তেখেতে আন্দোলনত অংশগ্ৰহণ কৰাত নিজৰ বংশ পৰিয়ালৰ গণ্যমান্য বহুতে বেয়া পাইছিল।

মিশ্ৰ বাপুৰ আৰু মোৰ ওপজা ঠাই একেখন— সত্ৰ নগৰী বৰপেটা। তেখেত মোতকৈ বয়সত ডাঙৰ হ'লেও একেখন স্কুলতে একেলগে পঢ়িছিলো। সম্ভৱতঃ ছাত্ৰবৃত্তি তথা অসমীয়া মধ্যস্কুলৰ শিক্ষা সাং কৰি হাইস্কুলত নাম লগাইছিল। (১৯৩৭চন মানৰ পৰা ১৯৪৪ চনলৈ সহপাঠী আছিলো।) আমি পঢ়া স্কুলখন আছিল বৰপেটা বিদ্যাপীঠ। ব্ৰিটিছ চৰকাৰে ১৯৩০ চনত নিয়ম কৰিছিল যে, চৰকাৰী স্কুলৰ কোনো ছাত্ৰই ব্ৰিটিছ বিৰোধী আন্দোলনত অংশ ল'ব নোৱাৰিব। সেই হুকুমৰ বিৰুদ্ধে অসমৰ ৰাইজে নিজৰ ববীয়াকৈ তিনি নে চাৰিখন স্কুল পাতিছিল। তাৰে এখন হ'ল বৰপেটা বিদ্যাপীঠ। এই স্কুলৰ গঠন আৰু পৰিৱেশৰ মাজত প্ৰতিবাদী চৰিত্ৰ বৈ গৈছিল। শিক্ষকসকলে ছাত্ৰক ভাল বিদ্বান হোৱাৰ উপৰি সমাজৰ কামত লগা ভাল নাগৰিক হ'বলৈ উৎসাহ দিছিল। পাঠ্যক্ৰমৰ পঢ়াশালীয়া



পাঠৰ বাহিৰেও নানান সমাজ সংস্কাৰ ত্ৰাণমূলক কামত উদ্যোগী ছাত্ৰসকলক নিয়োগ কৰিছিল শিক্ষকে নিজে নেতৃত্ব লৈ। ক'বলৈ গ'লে পঢ়াৰ পাঠৰ উপৰি সামাজিক দায়বদ্ধতাৰ পাঠো দিছিল। এনেবোৰ পাঠ বৰ্হিভূত কামৰ বাবে উদ্যমী, আগ্ৰহী আৰু দেহে-মনে সমৰ্থবান ছাত্ৰৰ (বাছনি কৰা) এটা দল আছিল। মিশ্ৰবাপুকে ধৰি আমি কেইজনমান সেই দলটোত আছিলো। সমাজকৰ্মত সুদক্ষ সংগঠক, নীতি তথা আদৰ্শক আগবঢ়াই নিয়াৰ উদ্যম আৰু দায়িত্ব বহনৰ ক্ষেত্ৰত, নেতৃত্ব বহন আদিত পিছৰ কালত এই সকলৰ কেইগৰাকীমানে যোগ্যতা দেখুৱাই গৈছে। তাকে চাই ক'ব লাগিব যে ছাত্ৰ জীৱনত একান্তভাৱে আত্মোন্নতি পৰায়ণ সৰ্বস্বতাৰে পঢ়াশুনা কৰিলে তেখেতসকলে নিজৰ বাবে বহুতো কৰিব পাৰিলেহেঁতেন। অচ্যুতকৃষ্ণ মিশ্ৰ বাপুক সেয়ে বিদ্যায়তনিক দিশত প্ৰতিষ্ঠাবান হিচাপে আমি নেদেখো, কিন্তু নিজকে জনসমাজত, ত্যাগী আৰু নিষ্ঠাযুক্ত কৰ্মীৰূপে প্ৰতিষ্ঠিত হোৱা দেখিছোঁ।

ক'বলৈ গ'লে মহাত্মা গান্ধীৰ নেতৃত্বৰ কংগ্ৰেছ আন্দোলন, হৰিজন আন্দোলন আৰু যুক্তিবাদী আৰু প্ৰতিবাদী মননশীলতাৰ প্ৰভাৱেৰে মিশ্ৰবাপুৰ চিন্তা আৰু কৰ্মধাৰা প্ৰভাৱিত হৈছিল আৰু সিয়ে তেখেতক শঙ্কৰদেৱৰ সঙ্ঘৰ পিনে লৈ যায়।

বিদেশী ব্ৰিটিছ শাসনৰ বিৰুদ্ধে গঢ় লোৱা মনটোৱে তেখেতৰ প্ৰিয় আৰু শ্ৰদ্ধাৰ মহাপুৰুষীয়া ধৰ্মৰ মাজৰ কিছুমান কথা মানি ল'ব পৰা নাছিল। জাতিভেদৰ উচ্চ-নীচ, নীচকুলীয়া বুলি কিছুমানক অৱহেলা আৰু অবজ্ঞা কৰা, ধৰ্মীয় আনুগত্যৰ দুৰ্বলতাৰ সুযোগ লৈ ধৰ্মৰ নামতে গুৰুসকলে দি যোৱা নীতি-আদৰ্শৰ বিৰুদ্ধে প্ৰচলিত কিছুমান ধৰ্মীয় আচৰণ আদি আগতে কৈ অহা তৰুণচামে (যাৰ মাজত মিশ্ৰবাপুও আছিল) ছাত্ৰ জীৱনতে কিছু প্ৰশ্ন তুলিছিল। যথা, বিভিন্ন ধৰ্ম বিশ্বাসৰ ছাত্ৰসকল থকা বিদ্যালয়ত সৰস্বতী পূজা পতাৰ বিৰুদ্ধে বৰপেটা বিদ্যাপীঠৰ এচাম ছাত্ৰ (আগতে কৈ অহা) থিয় দিছিল। আমাৰ লগতে মিশ্ৰবাপু সেইচামৰ মাজতে আছিল, ব্ৰাহ্মণ বংশোদ্ভৱ হৈয়ো।

বৰপেটাত মহাত্মা গান্ধীৰ হৰিজন আন্দোলনৰ সমৰ্থক কেইগৰাকীমানে বিবাহ, মৃতকৰ শুদ্ধি ইত্যাদি কৰ্মত 'কৰ্মকাণ্ডী' ব্ৰাহ্মণ্য

পন্থাৰ বিৰুদ্ধে থিয় দিছিল। তেখেতসকলে মহাপুৰুষসকলে ৰচি যোৱা গ্ৰন্থ আদিৰ নীতিক সাৰোগত কৰি এই কাম কৰিছিল। প্ৰয়াত মনোৰঞ্জন দাস (শান্তিবাণী প্ৰেছ), প্ৰয়াত ইষ্টদেৱ নবীশ বৰপেটা সত্ৰৰ প্ৰাক্তন ডেকা সত্ৰীয়া, প্ৰয়াত ভুবন চন্দ্ৰ দাস, বাকাৰ মৌমান সেৱাশ্ৰমৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰয়াত ডম্বৰুধৰ দাস আদি সেইসকলৰ কেইজনমান। তেখেতসকলৰ লগতে বৰপেটাৰ খ্যাত আৰু শ্ৰদ্ধাৰ যোগেশ চন্দ্ৰ পাঠক (কামাৰ), প্ৰয়াত বৈকুণ্ঠ মহাজন আদিও লগ হ'ল। অচ্যুতকৃষ্ণ মিশ্ৰ বাপু, শ্ৰীৰাধাকান্ত তালুকদাৰ এই লেখকেও তাত যোগ হ'লো। এই দলটোকে বৰপেটাত 'হাড়াখোৱা', বামুণ নমনা আৰু নগাঁও জিলাত 'হৰিধ্বনিয়া' আদিৰে বিপক্ষই আঙুলিয়াইছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত মিশ্ৰ বাপুকে ধৰি বহুকেইজন ছাত্ৰই কাৰাবাস খাটিছিল। জে'লৰ পৰা ওলাই প্ৰায়কেইজনেই পুনৰ স্কুললৈ আহিল, মিশ্ৰবাপু নাহিল। আগতে কোৱা ধৰ্মীয় সংস্কাৰ আন্দোলনত যোগ দিলে। সেয়ে পিছলৈ তেখেতক আমি শঙ্কৰদেৱৰ সঙঘৰ উদ্যমী সংগঠক কৰ্মী হিচাপে দেখোহঁক।

১৯৪৫ চনৰ পিছত মিশ্ৰবাপুৰ লগত মোৰ আগৰ সততে থকা যোগাযোগ নোহোৱা হৈছিল। তেখেতে বৰপেটাতে আছিল আৰু পিছলৈ চৰকাৰী সৰু চাকৰি এটা লৈ শোণিতপুৰ জিলালৈ গ'ল। ময়ো কলেজত পঢ়িবলৈ যোৰহাটলৈ গ'লো আৰু তাৰ পৰা আহি গুৱাহাটীতে ৰ'লো।

আমি পুনৰ লগালগি হৈছিলো- বৰপেটাত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱৰ পাঁচশ বছৰীয়া জন্মোৎসৱ উপলক্ষে। অচ্যুতকৃষ্ণ মিশ্ৰ বাপু বৰপেটাৰ উদ্যমী ছাত্ৰ যুৱ সমাজৰ প্ৰিয় আৰু বিশ্বাসভাজন আছিল। সেই গুণে তেখেত হৈছিল অভ্যৰ্থনা সমিতিৰ সহকাৰী সম্পাদক। আমি স্থানীয় ছাত্ৰ কংগ্ৰেছ কৰ্মীসকলে আৰু আমাৰ অন্যতম প্ৰিয় আৰু শ্ৰদ্ধাৰ প্ৰয়াত গোপাল দাসৰ (গান্ধী) নেতৃত্বত স্বেচ্ছাসেৱকৰ যাৱতীয় কাম কৰিছিলোঁ। এই জন্ম পঞ্চশত বাৰ্ষিকী মহাপয়োভৰেৰে কেবাদিনীয়াকৈ পতা হৈছিল। দিনেনিশাই কাম চলিছিল। আৰু মিশ্ৰ বাপুই দেহেকেহে খাটিছিল।

সময় আৰু কৰ্মৰ গতিত আগৰ লগ-সংগবোৰ দিহাদিহি ভাগিল। তেখেত যিদৰে শঙ্কৰদেৱ সঙঘত লাগিল, ময়ো সাম্যবাদী ৰাজনীতিত সোমাই পৰিলো। কৰ্মক্ষেত্ৰ, চিন্তাক্ষেত্ৰ ভিন্ ভিন হৈ পৰিল। আমাৰ মাজৰ





পৰস্পৰ প্ৰীতি ৰ'ল সঁচা, কিন্তু লগ পোৱাপুই নঘটিল বহু দিন পিছলৈ।

কিছু বছৰ আগতে বিশ্বনাথ চাৰিআলিত নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সন্মিলন উপলক্ষে বিশ্বনাথ চাৰিআলিৰ তেখেতৰ ঘৰলৈ গৈ লগ ধৰিছিলো। প্ৰায় দুই তিনি ঘণ্টামান আড্ডা মাৰিছিলো- একান্তে। চাকৰিৰ পৰা অৱসৰ দুয়ো পাইছোঁ। ঘৰ পৰিবাৰেৰে পৰিপূৰ্ণ সংসাৰ দুয়োৰো। আলাপ-চাৰিতাৰ মাজেৰে আমি আমাৰ এৰি অহা তাহানিৰ দিনবোৰলৈ উভতি গৈছিলোঁ।

আমি দুয়ো অন্ততঃ এটা কথাত ঐক্যমত হৈছিলো, সি হ'ল— আমাৰ তৰুণ, যুৱাকাল আৰু সামৰ্থ থকা সময়ছোৱাত আমাৰ সাধ্যানুসাৰে সমাজৰ বাবে কৰিবৰপৰা কামখিনি কৰাত কপটতা, স্বাৰ্থান্ধতাক প্ৰশ্ৰয় দিয়া নাই।■

লেখক পৰিচয় ঃ **শ্ৰীঅনিল ৰায়চৌধুৰী**
জগৎপ্ৰিয়া ভৱন
চানমাৰি, গুৱাহাটী-৩

# অচ্যুতকৃষ্ণ মিশ্ৰবাপ আৰু ভূমাৰ উপলব্ধি

**শ্ৰীকৈলাস দাস**

কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক নেতৃত্ব দিয়াসকলৰ ভিতৰত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ পিছতে উল্লেখযোগ্য ব্যক্তিগৰাকী হ'ল অচ্যুতকৃষ্ণ মিশ্ৰবাপ। তেখেতে সঙ্ঘৰ বিভিন্ন পদবীত থাকি সেৱা আগবঢ়োৱাৰ উপৰি, কুৰি শতিকাৰ সত্তৰৰ দশকত আঠবাৰ পদাধিকাৰৰ আসন (এবছৰীয়া কাৰ্যকালৰ) অলঙ্কৃত কৰি সঙ্ঘক গতিশীল নেতৃত্ব দিয়ে। পিছলৈ তেখেতে সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকৰ অন্যতম উপদেষ্টা হিচাপে আমৃত্যু সেৱা আগবঢ়ায়।

মিশ্ৰবাপৰ প্ৰয়াণ (২৪ ফেব্ৰুৱাৰী, ২০১০)ৰ পিছত, তেখেতৰ জীৱন আৰু কৰ্মৰ, কৃতি আৰু কৃতিত্বৰ বিভিন্ন দিশ চৰ্চিত আৰু প্ৰকাশিত হৈছে। ভৱিষ্যতেও হ'ব। আমি এই প্ৰবন্ধত দাঙি ধৰিব খোজা বিষয়টিৰ আধাৰ হৈছে মিশ্ৰবাপে পদাধিকাৰ হিচাপে আগবঢ়োৱা দুখন অভিভাষণ। 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ' গ্ৰন্থৰ সঙ্কলক-সম্পাদক জীৱকান্ত নাথদেৱে জনাইছে যে অচ্যুতকৃষ্ণ মিশ্ৰবাপে আঠবাৰ পদাধিকাৰৰ আসন অলঙ্কৃত কৰিলেও, তেখেতৰ মাত্ৰ দুখনহে অভিভাষণ পোৱা গৈছে। এখন ৪৪শ বাৰ্ষিক অধিৱেশনৰ (বৰুৱা বামুণগাঁও, গোলাঘাট, ৫২৫ শঙ্কৰাব্দ, ১৯৭৫) আৰু আনখন ৪৮শ বাৰ্ষিক অধিৱেশনৰ (বকলিয়াঘাট, কাৰ্বি আংলং, ৫৩০ শঙ্কৰাব্দ, ১৯৭৯)। দুয়োখনতে মিশ্ৰবাপৰ ভূমাৰ ধাৰণা আৰু উপলব্ধি সঙ্গতিপূৰ্ণভাৱে প্ৰকাশ পাইছে।

ভূমা মানে কি? ছান্দোগ্য উপনিষদত সনৎ কুমাৰে দেৱৰ্ষি নাৰদক কৈছে—

নাল্পে সুখমস্তি।
যো বৈ ভূমা তৎ সুখম্।





ভূমৈৱ সুখম্।

অৰ্থ ঃ অলপত, খণ্ডত, অংশত সুখ নাই। যি বিশাল, বিস্তৃত, অনন্ত— তাতেই সুখ আছে। ভূমাই সুখ।

মিশ্ৰবাপে এই ভূমাৰে ধাৰণা আৰু ইয়াৰ উপলব্ধিৰ পথৰ ওপৰত আলোকপাত কৰিছে অভিভাষণ দুখনত। সংস্কৃতজ্ঞ মিশ্ৰবাপৰ শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনৰ উপৰি আন সংস্কৃত ধৰ্মশাস্ত্ৰবোৰতো অগাধ পাণ্ডিত্য আছিল। সেই অনুপাতে তেখেতৰ ৰচনাৱলী শকত নহয়। কিন্তু উক্ত অভিভাষণ দুখন পঢ়ি, তেখেতৰ চিন্তাৰ গভীৰতা আৰু ভাষাৰ উৎকৰ্ষ দেখি আমি অভিভূত হৈছোঁ। ভাৱ হৈছে, তেখেতে কমকৈ লেখাৰ বাবে বহু অমূল্য কথাৰপৰা আমি বঞ্চিত হ'লোহঁক

অচ্যুতকৃষ্ণ মিশ্ৰবাপৰ ভূমামুখী অভিযাত্ৰাৰ কেইটামান কথা সুঁৱৰিব পাৰি। হাইস্কুলৰ অন্তিম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে তেখেতে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰি কাৰাবাস খাটিছিল (১৫/৯/৪২-- ১/১২/৪২)। ফলত তেখেত এক সৰ্বভাৰতীয় উপলব্ধিৰ অধিকাৰী হৈ উঠিছিল ডেকা কালতেই। কাৰাগাৰত গোপীনাথ বৰদলৈ, মহেন্দ্ৰমোহন চৌধুৰী, হৰেশ্বৰ গোস্বামী আদিৰ দৰে আগশাৰীৰ নেতাৰ সান্নিধ্য লাভ কৰিছিল। কাৰাগাৰৰপৰা ওলাই মিশ্ৰবাপে এজন বন্ধুৰ লগত ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি বহিৰ্জগতৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিছিল। সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালৰ ল'ৰা হৈ, এনেদৰে য'তে ত'তে থাকি যাৰে তাৰে হাতে আহাৰ গ্ৰহণ কৰি ঘৰলৈ ওভতাত, তেখেতক প্ৰায়শ্চিত্তৰ নিৰ্দেশ দিয়া হৈছিল। কিন্তু তেখেতে সেই ডেকা বয়সতে ব্ৰাহ্মণ্য ধৰ্মৰ জাত্যভিমান আৰু গোড়ামি নেওচা দি ভূমাৰ সন্ধানত অগ্ৰসৰ হৈছিল। চাকৰিসূত্ৰে তেখেতে স্বাস্থ্য বিভাগৰ সহকাৰী স্বাস্থ্য পৰিদৰ্শক হিচাপে বিজ্ঞান ভিত্তিক চিকিৎসা পদ্ধতিৰ লগত জড়িত হৈ, বৈজ্ঞানিক দৃষ্টিভঙ্গীৰো অধিকাৰী হৈ উঠিছিল।

মিশ্ৰবাপে লেখিছে— 'মানুহৰ ভিতৰত অন্তৰ্নিহিত যি ভূমা আছে, তাৰ বিকাশ কৰিলেই মানুহ যথাৰ্থ মানুহৰ পৰিণত হয় আৰু ইয়াকেই কোনোৱে দেৱত্ব বুলি কয় আৰু কোনোৱে আদৰ্শ মানৱ বুলি কয়। এই আদৰ্শৰ আজি একান্ত অভাৱ।' (১ম অভিভাষণ, পৃ. ২০৭) দেখা গ'ল, লেখকৰ মতে ভূমাৰ বীজ মানুহৰ ভিতৰতে থাকে। তাৰ বিকাশ ঘটিলে

মানুহ দেৱতা হয় আৰু বিকাশ নঘটিলে মানুহ পশু হয়।

ভূমাৰ বিকাশ কেনেকৈ ঘটাব পাৰি? এয়া এক অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন। আইন প্ৰণয়ন কৰি, অৰ্থনৈতিক সাম্যৰ ব্যৱস্থা কৰি ভূমাৰ বিকাশ ঘটাব নোৱাৰি বুলি মিশ্ৰবাপৰ বিশ্বাস। তেখেতৰ মতে অধ্যাত্ম-বিজ্ঞানেহে এই কাম কৰিব পাৰে— 'অধ্যাত্ম-বিজ্ঞানে দেহকেন্দ্ৰিক সচেতনতাৰ পৰা মানুহক অন্যতম উচ্চতৰ বিৰাট এক সত্তা সম্বন্ধে সচেতন কৰে আৰু তাৰ ফলত জাগ্ৰত মানৱে দেশে-কালে সীমাবদ্ধ অস্তিত্বৰ গণ্ডি অতিক্ৰম কৰি 'হামু যত জীৱ শিৰ তেৰি কায়া' এই মহান ভাৱত অনুপ্ৰাণিত হৈ সকলোৰে সেৱা সুখত আত্মনিয়োগ কৰে। আধ্যাত্মিক সাম্যভাৱৰ ওপৰত প্ৰতিষ্ঠিত এই সৰ্বকল্যাণ প্ৰচেষ্টাই আজি ৰুগ্ন সমাজক তাৰ স্বাস্থ্য-সম্পদ ফিৰাই অনাৰ মহৌষধ। (১ম অভিভাষণ, পৃ. ২০৭)

এই কথাখিনিৰে লেখকে ক'ব খুজিছে যে অধ্যাত্ম-বিজ্ঞানে আমাক দেশাতীত-কালাতীত এক অস্তিত্ব দান কৰিব পাৰে। এনে অস্তিত্বকে 'ভূমা' বোলা হৈছে। ভাষা, ধৰ্ম, জাতি, দেশ আদি বিভিন্ন ভাগত মানৱ জাতি বিভক্ত। ধনী-দুখিয়া, পুৰুষ-নাৰী, বগা-ক'লা আদি ভাগতো বিভক্ত। অধ্যাত্ম-বিজ্ঞানে এই ভেদৰ প্ৰাচীৰবোৰ গলাই পেলায়। বিশ্বজাগতিক পৰিকল্পনাত ক্ষুদ্ৰ মানৱে নিজৰ ভূমিকা বিচাৰি পায়— এক বিৰাট তত্তাৰ অংশ হিচাপে, ভূমাৰ উপলব্ধিৰে। তেতিয়া সকলো আপোন হৈ পৰে। সেৱাৰ আৱেগ জাগে। নিৰ্বিশেষে মানুহৰ উপকাৰ সধাৰ বাবে অন্তৰত প্ৰবৃত্তি জাগে। সেই সেৱাৰ পৰা আনন্দ-সুখ ওপজে। সেৱা ৰসলৈ ৰূপান্তৰিত হয়। তেতিয়া সমাজৰ স্বাস্থ্য উজ্বল হৈ পৰে। সমাজত হিংসা-দ্বেষ, ঈৰ্ষা-অসূয়া নাথাকে। প্ৰেম-প্ৰীতি, দয়া-ক্ষমা সুলভ হৈ পৰে।

অচ্যুতকৃষ্ণ মিশ্ৰ বাপে যুক্তি সহকাৰে দাঙি ধৰিছে যে মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মত যি অধ্যাত্ম-বিদ্যা নিহিত হৈ আছে, সি ভূমাৰ ধাৰণা আৰু উপলব্ধিৰ বাবে প্ৰশস্ত। মিশ্ৰবাপে লিখিছে— 'তাৰাৰ (শঙ্কৰদেৱৰ) ধৰ্মত 'একং সদ্ বিপ্ৰা বহুধা বদন্তি', একত্বই বহুত্বৰ মূল, একত্বই নিত্য, নিত্যই পৰম তত্ত্ব, পৰম তত্ত্বই বহুত্বৰ মূল, একত্বই নিত্য, নিত্যই পৰম তত্ত্ব, পৰম তত্ত্বই ব্ৰহ্ম তত্ত্ব, ... পৰমব্ৰহ্ম সৰ্বব্যাপক। সৰ্বব্যাপক দেৱ হ'ল বিষ্ণু...। ভাগৱতত সৰ্বব্যাপক বিষ্ণুকেই 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্' বুলি ঘোষণা দিছে।





..... শঙ্কৰদেৱৰ ধৰ্মত জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে সমভাৱে গ্ৰহণ কৰিব পৰাৰ মহানুভৱতা বিদ্যমান, ইয়াত দেশ-কাল-পাত্ৰৰ ভেদ নাই। নামধৰ্ম এক সাৰ্বজনীন ধৰ্ম।' (২য় অভিভাষণ, পৃ. ২৫৩)

ভাগতীয় পৰম্পৰাত ভূমাৰ সাধনা কৰা মৈত্ৰেয়ী, দেৱৰ্ষি নাৰদ আৰু নচিকেতাৰ কথা মিশ্ৰবাপে উল্লেখ কৰিছে। আত্মতত্ত্বৰ উপলব্ধিয়ে ভূমাৰো উপলব্ধি। লেখকে ছান্দোগ্য উপনিষদৰ প্ৰতিধ্বনি কৰি কৈছে— 'ক্ষুদ্ৰতা, সঙ্কীৰ্ণতা বা স্বাৰ্থপৰতাত অৰ্থাৎ যি অল্প বা সামান্যতাত সুখ নাই....। সুখ আছে, শান্তি বা আনন্দ আছে, বিৰাট, মহান ভূমাস্বৰূপ আত্মাত। ..... এই আত্মা— 'প্ৰেয় পুত্ৰাৎ শ্ৰেয় অন্যস্মাৎ সৰ্বস্মাৎ.....।' গতিকে ঋষিৰ উপদেশ— 'আত্মানং বিদ্ধি।' (২য় অভিভাষণ, পৃ. ২৪৮)

লেখকে ধৰ্মৰ উপাদেয়তাৰ প্ৰশংসা কৰিয়ো, এষাৰ সাৱধান বাণী শুনাইছে— 'এই কথা সত্য যে আধুনিক বিজ্ঞানৰ যুক্তিতৰ্কৰ আলোকত ধৰ্মক মানি গোড়ামি আৰু কুসংস্কাৰৰ হাতৰ পৰা পৰিমুক্ত হোৱা বাঞ্ছনীয়। বৈজ্ঞানিক সত্যৰ আলোকত ধৰ্মৰ পূৰ্ণাঙ্গ ৰূপ প্ৰতিভাত হয়। মনীষী আইনষ্টাইনে কৈছে— 'Science without religion is lame, religion without science is blind' (২য় অভিভাষণ, পৃ. ২৪৯)।■

লেখক পৰিচয় ঃ **শ্ৰীকৈলাস দাস**
সভাপতি, সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## প্ৰাক্তন পদাধিকাৰ অচ্যুতকৃষ্ণ মিশ্ৰ

# ব্যক্তি আৰু ব্যক্তিত্ব

**শ্ৰীজীৱকান্ত নাথ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ আঠবাৰকৈ পদাধিকাৰৰ আসন অলঙ্কৃত কৰা বাগ্মীপুৰুষ অচ্যুতকৃষ্ণ মিশ্ৰদেৱৰ জন্ম হয় ১৯১৮ চনৰ (১৮৪০ শক) ভাদ মাহৰ কৃষ্ণ অষ্টমী তিথিত বৰপেটা বৃন্দাবন হাটীত। পিতৃ প্ৰয়াত হৰেন্দ্ৰ নাৰায়ণ দেৱমিশ্ৰ আৰু মাতৃৰ নাম প্ৰয়াত সত্যভামা দেৱী।

অচ্যুতকৃষ্ণ মিশ্ৰদেৱৰ পূৰ্বপুৰুষসকল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ একান্ত প্ৰিয়শিষ্য ৰামৰাম গুৰুৰ বংশধৰ আছিল বুলি জনা যায়।

অচ্যুতকৃষ্ণ মিশ্ৰদেৱ বৰ পলমকৈহে বিদ্যালয়লৈ গৈছিল। ১৯৩৬ চনত বৰপেটা এম.ভি. স্কুলৰ পৰা এম.ভি. পাছ কৰি বৰপেটা বিদ্যাপীঠ হাইস্কুলত নামভৰ্তি কৰে। সেই সময়ত দেশত স্বাধীনতা সংগ্ৰাম প্ৰবল ৰূপত চলি থকাত মিশ্ৰদেৱৰ পঢ়াশুনাত ব্যাখ্যাত জন্মিল। ১৯৪২ চনত তেখেত বৰপেটা বিদ্যাপীঠ হাইস্কুলৰ ইউনিয়ন ছেক্ৰেটাৰী থকা সময়তেই স্বাধীনতা আন্দোলনত যোগ দিয়াত আঢ়ৈমাহ কাৰাবাস খাটিবলগীয়া হয়। ১৯৪২ চনৰ ছেপ্তেম্বৰ মাহৰ ১৫ তাৰিখে মিশ্ৰদেৱক গ্ৰেপ্তাৰ কৰি আঢ়ৈ মাহ গুৱাহাটীৰ কাৰাগাৰত বন্দী কৰি ৰখাৰ পিছত ডিচেম্বৰ মাহৰ ১ তাৰিখে জেইলৰ পৰা মুক্ত কৰি দিয়ে। সেয়েহে মিশ্ৰদেৱে সময়মতে মেট্ৰিক পৰীক্ষা দিব নোৱাৰিলে; ১৯৪৪ চনতহে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয়। জেইলৰ পৰা ওলাই অহাৰ পিছত ছাত্ৰ অৱস্থাতেই মিশ্ৰদেৱে মানসিক সংঘাত তথা জ্বলা-যন্ত্ৰণাৰ মাজেদি জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। কাৰাগাৰত নানা জাতৰ লোকৰ হাতে ভাত খোৱাৰ অপৰাধত ঘৰৰ মানুহে ঘৰৰ পৰা বাহিৰ কৰি দিলে আৰু সমাজেও তেওঁক সমাজচ্যুত কৰিলে। সমাজৰ এনে কুসংস্কাৰযুক্ত আচৰণ আৰু বিচাৰ দেখি যুৱক মিশ্ৰদেৱ





বিদ্ৰোহী হৈ উঠিল। মিশ্ৰদেৱে উপাই নাপাই ঘৰ ত্যাগ কৰি আঁতৰত গৈ আন এঘৰ মানুহৰ ঘৰত আশ্ৰয় গ্ৰহণ কৰিলেগৈ। সমাজৰ এনে অমানৱীয় যুক্তিহীন ৰীতি-নীতি বিলোপ কৰিব লাগিব বুলি মনতে তেওঁ দৃঢ় প্ৰতিজ্ঞ হ'ল। অৱশ্যে ১৯৪৪ চনত নিজ পৰিয়ালৰ কেইজনমান লোকে সমাজৰ কুচক্ৰান্ত আওকাণ কৰি মিশ্ৰদেৱক পুনৰ স্বগৃহলৈ ঘূৰাই আনিলেগৈ।

এনে ঘটনাৰ পৰাই সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, অমানৱীয় নীতি-নিয়ম বিলোপ কৰাৰ উদ্দেশ্যে ধৰ্মশাস্ত্ৰ অধ্যয়নত মনোনিৱেশ কৰিলে আৰু শুদ্ধ পথৰ অনুসন্ধান কৰাত লাগি গ'ল। মনতে সিদ্ধান্ত কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্মৰ যোগেদি সমাজত সাম্য-মৈত্ৰী প্ৰতিষ্ঠা কৰিবৰ বাবে। বহু গুণী-জ্ঞানী সৎ ব্যক্তিৰ লগত ধৰ্মালোচনা কৰি সমাজৰ পৰিৱৰ্তনৰ বাবে মিশ্ৰদেৱ উঠি-পৰি লাগিল। সেয়েহে ১৯৪৭ চনত বহু গুণী-জ্ঞানী ধৰ্মানুৰাগী কলামোদী ৰাইজৰ সহযোগত বৰপেটাত 'শঙ্কৰী নৃত্য কলা প্ৰচাৰ সমিতি' নামেৰে এটি অনুষ্ঠানৰ জন্ম দিয়ে। এইটি অনুষ্ঠানৰ বৰ্তমানৰ নাম হৈছে 'শঙ্কৰী কলাক্ষেত্ৰ' বৰপেটা। এই অনুষ্ঠানৰ লগত জড়িত হোৱাৰ পৰাই মিশ্ৰদেৱৰ জীৱনৰ গতি সলনি হ'ল। শ্ৰীমন্ত শঙ্কৰদেৱৰ শুদ্ধ ধৰ্মৰ পথেৰে নিজে আগুৱাৰ লগতে আন আন ব্যক্তি আৰু সমাজকো অনুপ্ৰাণিত কৰাত ব্যস্ত হ'ল।

অচ্যুতকৃষ্ণ মিশ্ৰদেৱে কৰ্মজীৱন আৰম্ভ কৰে চিকিৎসা বিভাগত Health Assistant হিচাপে। ১৯৫০ চনৰ দৰং জিলাৰ চতিয়াত উক্ত চাকৰিত প্ৰথমে যোগদান কৰি বিশ্বনাথ চাৰিআলি, কাৰ্বি আংলঙৰ কাকজান, হাওৰাঘাট আদি বিভিন্ন ঠাইত চিকিৎসা বিভাগত চাকৰি কৰি উক্ত বিভাগৰ পৰাই অৱসৰ গ্ৰহণ কৰে। মিশ্ৰদেৱৰ চাকৰিটোও হৈছিল বৰ আকস্মিকভাৱেহে। চাকৰি লাভ কৰাৰ বিষয়ে মিশ্ৰদেৱে এনেদৰে কয়— '১৯৪৯ চনত মোৰ শিক্ষাগুৰু এজনক বেমাৰ দেখুৱাবৰ বাবে শ্বিলঙলৈ যাওঁ। তাতে শ্ৰীযুত মহেন্দ্ৰমোহন চৌধুৰীদেৱৰ লগত হঠাতে বাটতে সাক্ষাৎ হয় আৰু তেওঁ মোৰ লগত কথা-বতৰা পাতি সন্ধ্যা তেওঁৰ বাসভৱনলৈ মাতি পঠিয়ায়। সন্ধ্যা মই মোৰ সংস্কৃত শিক্ষাগুৰু শ্ৰীনৰনাৰায়ণ শৰ্ম মহোদয় দুয়োজনে মাননীয় মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াৰ বাসভৱনলৈ যাওঁ। তেওঁ আমাক জেলৰ পৰা অহাৰ পিছত বৰপেটাৰ সমাজে মোৰ ওপৰত

কৰা অবিচাৰ আৰু অত্যাচাৰৰ কথা কৈ দুখ প্ৰকাশ কৰি মোক সান্ত্বনা দিয়ে আৰু কাগজ এখনত মোৰ চহী কৰাই লয় চাকৰি এটাৰ ব্যৱস্থা কৰি দিম বুলি। কথা মতেই কাম; কিছুদিনৰ পিছতেই মই প্ৰশিক্ষণ দিবৰ বাবে নিয়োগ পত্ৰ এখন পালো। প্ৰশিক্ষণৰ কাগজ পাই চিন্তাতেই পৰিছিলোঁ। কাৰণ, তিনিমাহ গুৱাহাটীত থাকিব লাগিব প্ৰশিক্ষণৰ কালছোৱাত। বন্ধু-বান্ধৱ আৰু মাজুদাদাৰ পৰা কিছু টকা-পইচা সহায় লৈ গুৱাহাটীলৈ যাবৰ বাবে সাজু হ'লো। কিন্তু আনটো সমস্যা হ'ল গুৱাহাটীত থাকিম ক'ত? বৰপেটাৰ কিছু গণ্য-মান্য ব্যক্তি আৰু বন্ধু-বান্ধৱৰ পৰা জানিব পাৰিলো যে গুৱাহাটীৰ পান বজাৰত বৰপেটা সত্ৰৰ এখন শাখা সত্ৰ আছে। তাত সদায় নাম-প্ৰসঙ্গ চলে। সত্ৰৰ আলহী ঘৰতেই মোৰ থকাৰ ব্যৱস্থা হ'ল আৰু চুক্তি হ'ল যে সত্ৰত পুৱা আৰু গধূলি নাম-প্ৰসঙ্গভাগি চলাই থাকিব লাগিব। তাতে মই লগ পাওঁ বৰপেটা তথা অসমৰ সংস্কৃতি জগতৰ এজন বিখ্যাত সঙ্গীতজ্ঞ শ্ৰীখগেন্দ্ৰ নাথ দাসদেৱক (বি.এ.বি.টি.)। তেতিয়া তেখেতে সেই নামঘৰতে থাকি সঙ্গীত সাধনা কৰিছিল।'

অচ্যুতকৃষ্ণ মিশ্ৰদেৱে বৈবাহিক জীৱন আৰম্ভ কৰে ১৯৫৫ চনত শ্ৰীযুতা যমুনাবালা দেৱীৰ সৈতে। পাঁচটি সন্তানৰ সৈতে এখনি সুখী সংসাৰ। পাঁচটি সন্তানৰে দুজন ল'ৰা আৰু তিনি গৰাকী ছোৱালী। পুত্ৰ দুজন শ্ৰীপূৰ্ণকান্ত মিশ্ৰ আৰু শ্ৰীপ্ৰদীপ কুমাৰ মিশ্ৰ। জীয়ৰী তিনিগৰাকী হ'ল- শ্ৰীহেমেশ্বৰী মিশ্ৰ, শ্ৰীকুসুম মিশ্ৰ আৰু শ্ৰীমৰমী মিশ্ৰ।

মিশ্ৰদেৱৰ চাকৰি জীৱনৰ ব্যস্ততাৰ মাজতেই শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ নামধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হয় আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাংগঠনিক দিশত আত্মনিয়োগ কৰে। ১৯৭১ চনৰ পৰা ১৯৮০ চনলৈকে আঠবাৰকৈ পদাধিকাৰৰ পদবীৰ দায়িত্বত থাকি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক এক অভিনৱ গতি প্ৰদান কৰে। শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰদেৱ পদাধিকাৰ হোৱা স্থান আৰু চনসমূহ এনে ধৰণৰ— ১৯৭১ চন, শুৱালকুছি, কামৰূপ জিলা; ১৯৭২ চন, শিৱসাগৰ নগৰ; ১৯৭৩ চন, নেহেৰুবালি, নগাঁও; ১৯৭৬ চন, ডিব্ৰুগড় নগৰ; ১৯৭৯ চন, বকলীয়াঘাট, কাৰ্বিআংলং আৰু ১৯৮০ চন, বিহপুৰীয়া, লক্ষীমপুৰ। এই অধিৱেশনসমূহৰ প্ৰতিখন অভিভাষণতে সৰ্বাঙ্গসুন্দৰ সাহিত্য কৰ্ম হিচাপেও স্থান পাবৰ যোগ্য। ১৯৭৯ চনত





কাৰ্বিআংলঙৰ বকলীয়াঘাটত অনুষ্ঠিত অষ্টচত্বাৰিংশ বাৰ্ষিক ধিৱেশনৰ অভিভাষণখনিত 'মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়তা' শীৰ্ষৰ লেখাটি পঢ়িলেই তেখেতৰ জ্ঞানপুষ্ঠ মনৰ পৰিচয় পাব পাৰি। 'মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়া ঃ ঊনবিংশ শতাব্দীৰ যুগ অতিক্ৰম কৰি আমি বিংশ শতাব্দীৰ সিংহদ্বাৰত উপনীত। এই যুগে আনিব মানুহৰ মনত যুগান্তকাৰী বিস্ময়। এই বিস্ময় হৈছে বৈজ্ঞানিক প্ৰতিভাৰ অসামান্য সাফল্য আৰু কৃতিত্বৰ বিজয় ধ্বনি। এই কালৰ মানুহৰ মনত বিজ্ঞানে নতুন ইতিহাসৰ পথ ৰচনা কৰিছে। এই বৈজ্ঞানিক প্ৰতিভাৰ অৱদানে ঐহিক উন্নতি আৰু অভ্যুদয়ৰ মাজতেই সীমাবদ্ধ নহয়। ধৰ্ম আৰু দৰ্শনৰ ক্ষেত্ৰতো সুপৰিকল্পিত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলিছে। আজিৰ মানুহে চন্দ্ৰলোকত উপনিৱেশ স্থাপন কৰি চাইছে। প্ৰকৃতিৰ দুৰ্লঙঘ্য ব্যৱধানক অতিক্ৰম কৰি বিস্ময় আৰু কৌতুহল সৃষ্টি কৰিছে, আজিৰ বৈজ্ঞানিকে অনেক। মানুহৰ ধাৰণা- মানুহ মৃত্যুৰ পিছত চন্দ্ৰলোকলৈ যায়। কিন্তু তাত আজি সি সশৰীৰে অৱতৰণ কৰিছে।

এই বিজ্ঞানৰ সৈতে ধৰ্মৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত। বিজ্ঞান আৰু ধৰ্মৰ পাৰস্পৰিক সহযোগিতাই মানৱ জীৱনৰ সৰ্বাঙ্গীন বিকাশ তথা পৰিপূৰ্ণতা আনয়ন কৰে। বিজ্ঞানে পাৰ্থিৱ ভোগ-সুখ কামনাৰ উপকৰণবোৰ বঢ়াই, মানুহৰ জৈৱিক ক্ষুধাৰ নিবৃত্তি কৰিছে। কিন্তু আত্মা ক্ষুধাক মিটাব পৰা নাই। ধৰ্মৰ অনুশীলনেহে মানৱতাৰ শাশ্বত ক্ষুধাক মিটাব পাৰে। এই কাৰণে মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। এই কথা সত্য যে আধুনিক বিজ্ঞানৰ যুক্তিতৰ্কৰ আলোকত ধৰ্মক মানি গোড়ামি আৰু কুসংস্কাৰৰ হাতৰ পৰা মুক্ত হোৱা বাঞ্ছনীয়। বৈজ্ঞানিক সত্যৰ আলোকত ধৰ্মৰ পূৰ্ণাঙ্গৰূপ প্ৰতিভাত হয়। মনিষী আইনষ্টাইনে কৈছে— 'Science without religion is lame, Religion without science is blind.'

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই বৈষয়িক উন্নতিৰ মূল সোপান। আধুনিক যন্ত্ৰপাতি শিল্প কাৰাখানাৰ দ্বাৰা যিৰকমে দাৰিদ্ৰ, অভাৱ আৰু দুৰাৰোগ্য ব্যাধিৰ হাতৰ পৰা বিজ্ঞানে মানুহক ৰক্ষা কৰিছে- তিমানেই ভাৰতৰ আধ্যাত্মিক সমাজৰ প্ৰতি মানুহৰ দৃষ্টি বিভ্ৰম ঘটিছে। এই যুগৰ মানুহে সেয়ে ধৰ্মক বিজ্ঞানৰ যুক্তি তৰ্কৰ সাহায্যত বিশ্লেষণ কৰিব চায়। অন্ধবিশ্বাস

আৰু কুসংস্কাৰৰ ঠাই এই যুগত নাই।

এই পৰিদৃশ্যমান জগত প্ৰপঞ্চৰ অন্তৰালত যে শাশ্বত সত্বাৰ সন্ধান ঔপনিষদিক যুগৰ আৰ্য ঋষিসকলে প্ৰজ্ঞালব্ধ দিব্য দৃষ্টিৰ দ্বাৰা উপলব্ধি কৰি গৈছে, এই বেদ বেদান্ত উপনিষদৰ ভিতৰতেই সেই অমূল্য আধ্যাত্মিক সম্পদ আৰু জ্ঞানৰাশিয়েহে আজি সমগ্ৰ বিশ্ববাসীক প্ৰকৃত শান্তি আৰু কল্যাণৰ পথ দেখুৱাব পাৰে।' একমাত্ৰ বিজ্ঞানৰ দ্বাৰা আৱিষ্কৃত বহিৰ্জগতৰ জ্ঞানে মানুহক অশান্তি আৰু দুখৰ মাত্ৰাক বৃদ্ধি কৰিছে। ধৰ্মৰ অনুশীলন ব্যতিৰেকে মাত্ৰ বিজ্ঞানৰ উন্নতিয়ে জগতৰ কল্যাণ সাধন কৰিব নোৱাৰে। ধৰ্মক বাদ দি বিজ্ঞানৰ অনুশীলনে মানৱ জাতি আৰু সভ্যতাক ধ্বংসৰ পথত পৰিচালিত কৰে। এই কাৰণেই ধৰ্মৰ সৈতে বিজ্ঞানৰ মিলন বা সামঞ্জস্যৰ দৰ্কাৰ। ভাৰতৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক সৰ্বপল্লী ড° ৰাধাকৃষ্ণণে ধৰ্মৰ আৱশ্যকতাক উপলব্ধি কৰি লিখিছে- 'Religion is the discipline, which touches the Conscience and help us to struggle with evil and sordidness, saves us from greed, lust and hatred, releases moral power and imparts courages in the interprise of saving the world.' – (Raligion & Society. P.-42.) অৰ্থাৎ ধৰ্ম মানে নিয়মানুবৰ্তিতাকে বুজায়। এই নিয়মানুবৰ্তিতাই আমাৰ বিবেকক প্ৰভাৱিত কৰে। সকলো অন্যায় স্বাৰ্থপৰতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবৰ কাৰণে আমালোকক প্ৰেৰণা দিয়ে। লোভ, ইন্দ্ৰিয় পৰায়ণতা আৰু ঘৃণাৰ পৰা আমাক ৰক্ষা কৰে যে তাৰ ফলত বিশ্বজগতৰ কল্যাণৰ বাবে আমি আত্মনিয়োগ কৰিব পাৰোঁ।

ধৰ্মই মানুহক শিক্ষা দিয়ে ত্যাগ, শিক্ষা দিয়ে পৰোপকাৰ আৰু সৰলতা। বৰ্তমান যুগৰ মানুহ যে ভোগী, আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ আৰু কুটিলমতি হৈ পৰিছে, তাৰ পৰা একমাত্ৰ ধৰ্ময়েহে পুনৰুদ্ধাৰ কৰিব পাৰে। ৰাষ্ট্ৰ আৰু সমাজৰ সকলো স্তৰৰ মানুহেই ধৰ্ম বিশ্বাসী হোৱাটো বিশ্বৰ কল্যাণৰ বাবে একান্ত আৱশ্যক।

ৰাষ্ট্ৰনায়ক ধৰ্ম বিশ্বাসী হ'লে জগতৰ অনিত্যতা উপলব্ধি কৰিব পাৰিব, ফলত পৰৰাজ্য গ্ৰাস কৰিবৰ কাৰণে কুটিল চক্ৰান্তত লিপ্ত নহ'ব। চৰকাৰী কৰ্মচাৰীৰ ভিতৰত ধৰ্ম বিশ্বাস জন্মিলে উৎকোচ গ্ৰহণ প্ৰভৃতি





সমাজ বিৰোধী কাৰ্যৰ পৰা বিৰত থাকিব। ব্যৱসায়ী ধৰ্ম বিশ্বাসী হ'লে খাদ্যত ভেঁজাল কৰা মহাপাপ দেশৰ পৰা দূৰীভূত হ'ব আৰু পৱিত্ৰ খাদ্য খোৱাৰ ফলত জনগণৰ স্বাস্থ্য, আয়ুস উভয়েই বৃদ্ধি পাব তথা অনৰ্থক চিকিৎসাৰ ব্যয় ভাৰ বহনৰ পৰা অব্যাহতি পাব। ৰাজনৈতিক নেতা ধৰ্মবিশ্বাসী হ'লে অপপ্ৰচাৰৰ সাহায্যত মানুহৰ অন্তৰৰ ৰিপুৰূপ দানৱসকলক জাগ্ৰত কৰি এক শ্ৰেণীৰ বিৰুদ্ধে আৰু এক শ্ৰেণীক আগুৱাই দি ভোট যুদ্ধৰ নামি দেশব্যাপি দেৱাসুৰ সংগ্ৰাম পৰিচালনা নকৰিব- ফলত মানুহে পৰস্পৰক বন্ধুভাৱে গ্ৰহণ কৰি সুখ আৰু শান্তিত বসবাস কৰিব পাৰিব। শাসন ক্ষমতাত অধিষ্ঠিত ব্যক্তিৰ অন্তৰত ধৰ্মৰ ধ্বজাৰোপিত হ'লে অযথা নতুন কৰৰ মাধ্যমত, দৰিদ্ৰ জনগণৰ ৰক্ত শোষণ কৰি বিভিন্ন পৰিকল্পনাৰ নামত বিপুল অপব্যয় নকৰিব- ফলত জনসাধাৰণে তেওঁলোকৰ শ্ৰমলব্ধ অৰ্থ নিজৰ কাৰণে ব্যয় কৰি অধিকতৰ স্বাচ্ছন্দ্য লাভৰ সমৰ্থ হ'ব।

মানুহে যুক্তি বুদ্ধিৰ সহায়ত ধৰ্মৰ পথত আগবাঢ়ি যাওক, চলক এয়ে ঈশ্বৰৰ অভিপ্ৰায়। ভগৱানে মানুহক ৰুচি আৰু পচন্দমতে চলাৰ স্বাধীনতা দিছে। মানুহে ইচ্ছা কৰিলে সতো হ'ব পাৰে আৰু অসতো হ'ব পাৰে। তথা কৰ্মানুযায়ী ফলো ভোগ কৰিব লাগিব। কিন্তু মানুহে যদি সত্য বস্তুক চিনি উপলব্ধি কৰি ল'ব পাৰে আৰু 'সৰ্বজনা হিতায়, সৰ্বজন সুখায়' নীতিত নিজক লৈ যাব পাৰে; তেন্তে তেওঁৰেই জীৱন সাৰ্থক। এই সাৰ্থকতা জীৱন লাভৰ উপযোগী গুণ সৃষ্টি কাৰণেই অনন্ত কৌটি ব্ৰহ্মাণ্ডোপতি ভগৱান যুগে যুগে মহাপুৰুষ ৰূপে জীৱজগতত আৱিৰ্ভাৱ হয় আৰু অন্তৰ্জগতত মানৱাত্মাৰ উন্নতি সাধন কৰি বাহ্য জগতত মানৱ সমাজৰ ৰাষ্ট্ৰীয় বা নৈতিক পৰিৱৰ্তন কৰি মানৱক দিব্য কৰ্মৰ আদৰ্শ দেখুৱাই দিব্য জীৱন অধিকাৰীৰ পথ প্ৰশস্ত কৰি সাৰ্বভৌম ভাগৱত ধৰ্মৰ প্ৰচাৰৰ দ্বাৰাই জীৱক ভগৱানৰ পিনে আকৃষ্ট কৰে। মুক্ত জগতত, মুক্ত ঈশ্বৰৰ, মানৱ মনৰ মুক্তিয়েই ধৰ্মৰ মূল কথা—

'অহিংসা সত্যমস্তেয় কাম ক্ৰোধ লোভতা।
ভূত প্ৰিয় হিতেহাচ ধৰ্ম্মোহয়ং সৰ্ব্ববৰ্ণিক।।'

-- ভাগৱত

অহিংসা, সত্য, চোৰ নকৰা, কামহীন, ক্ৰোধহীন, লোভহীন, জীৱৰ

প্ৰতি দয়া, সকলোৰে মঙ্গলকামী নীতিয়ে ধৰ্মৰ নীতি।

ধৰ্ম জীৱনক কেন্দ্ৰ কৰিয়েই ভাৰতীয় সভ্যতাৰ আকাশী গঙ্গা নামি আহিছে আৰু ইয়াৰ ঐতিহ্য আৰু সংস্কৃতি গঢ়ি উঠিছে। এই সামঞ্জস্যপূৰ্ণ জগতখন অন্ধ জড়শক্তিৰ দ্বাৰা হ'ব নোৱাৰে। পৃথিৱীৰ বহুতো মহৎলোকে বিভিন্ন সময়ত সেই চৈতন্য শক্তিৰ বিভিন্ন প্ৰকাৰে সাক্ষাত লাভ কৰিছে। সেই আত্মাৰূপী ভগৱানৰ অস্তিত্ব কোনেও নুই কৰিব নোৱাৰে। গতিকে সেই ভগৱানৰ উপাসনা কৰা মানুহৰ অৱশ্য কৰ্তব্য।

জীৱন দুখেৰে পৰিপূৰ্ণ। সেই দুখ গুচাবৰো উপায় আছে। বেদান্তই কৈছে-- অবিদ্যাই সেই দুখৰ কাৰণ আৰু সেই অবিদ্যা দূৰ কৰাৰ উপায়ো ধৰ্ম। 'ধ্ৰিয়তে ধৰ্ম ইত্যাহু স এব পৰম প্ৰভুঃ।' যাক অনুশীলনৰ দ্বাৰা মানুহে পশুত্ব পৰিহাৰ কৰি দিব্য জীৱনৰ অধিকাৰী হৈ মুক্তি লাভ কৰিব পাৰে তাকেই ধৰ্ম বোলে। এক সনাতন ব্ৰহ্মৰূপী চৈতন্য সৎশক্তিৰপৰা মায়াৰ ক্ৰিয়াত যেতিয়া জীৱন উৎপত্তি হৈছে পুনঃ সেই পৰম সত্বাত মিলিত নোহোৱালৈকে আমাৰ আত্মাৰ যাতায়তৰ শেষ নাই, অতি ইতৰ অৱস্থাৰ পৰা বহু লক্ষ যোনীত যাতায়ত কৰি যেতিয়া এই দুৰ্লভ মনুষ্য জীৱন লাভ কৰিব পাৰিছো, তেতিয়া হ'লে মায়াৰ বন্ধন ছিঙি 'সত্যম্ শিৱম্ সুন্দৰম্'ক লাভ কৰিবৰো সুযোগ আহিছে। আত্মাৰ অধঃপতনৰ পৰা যিহে আমাৰ ৰক্ষা কৰে তাকেই ধৰ্ম বোলে।' এই গৰাকী ধীশক্তি সম্পন্ন, সুবক্তা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্যতম কৰ্ণধাৰ, সমাজ সংস্কাৰকে চাৰিকুৰি তেৰ বছৰ বয়সলৈকে শ্ৰীমন্ত শঙ্কৰ গুৰুজনৰ একশৰণ নাম-ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ আৰু সামাজিক সংস্কাৰৰ বাবে সংগ্ৰাম কৰি ২৪/০২/১০ তাৰিখে এই জগতৰ পৰা মেলানি মাগিলে। মিশ্ৰদেৱৰ আদৰ্শ কেৱল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰেই নহয়, সমস্ত মানৱ সমাজৰ বাবেই আদৰণীয় আৰু অনুকৰণীয়।■

---

লেখক পৰিচয় ঃ **শ্ৰীজীৱকান্ত নাথ**
সম্পাদক, সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ



# শালপ্ৰাংশু অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনা

**শ্ৰীকনকলতা নেওগ**

'মানুষ মৰিয়া যায়
ৰাখে যায় স্মৃতি
গোলাপ সুকীয়া যায়
ৰাখে যায় প্ৰীতি।

শালপ্ৰাংশু অচ্যুতকৃষ্ণ মিশ্ৰ বাপে যোৱা ২৪ ফেব্ৰুৱাৰী ২০১০ চনত আমাৰ মাজৰ পৰা নশ্বৰ দেহা এৰি থৈ বৈকুণ্ঠলৈ গতি কৰিলে। কিন্তু তেখেতৰ পাণ্ডিত্যৰ সৌৰভে আমাক চিৰদিন চিৰকাল সুবাসিত কৰি ৰাখিব। জন্মিলে মৃত্যু অৱশ্যম্ভাৱী। সৃষ্টিৰ উদ্দেশ্য আৰু মহিমাৰ অৰ্থেই জন্ম আৰু মৃত্যু অনিবাৰ্য। জন্ম আৰু মৃত্যু দুয়োটিয়েই অনুপম শিল্প। মানুহৰ জীৱনটোও বৰ অনুপম। কাৰণ বিবেকে মানুহৰ সৌন্দৰ্য আৰু মহত্ব বৃদ্ধি কৰিছে। পৃথিৱীক নিতে নৱৰূপ দিছে।

এই লেখনিৰ মাধ্যমেদি আজি এই বাপ গৰাকীৰ অনুপম জীৱনটিক স্মৰণ কৰিম মানে কৰাৰ প্ৰয়োজন আছে বুলি ভাবিছোঁ। আমি আশাবাদী। এই স্মৰণে হয়তো অন্য দহগৰাকীৰ জীৱন ধন্য কৰিব আৰু মনুষ্য জীৱনক সাৰ্থক কৰি তুলিবলৈ একাজলি প্ৰেৰণা লাভ কৰিব। কাৰণ মানুহৰ জীৱনৰ মহান লক্ষ্য মনুষ্যত্ব আহৰণ; তাৰ বাবে প্ৰয়োজন সাধনা, এখন মহৎ হৃদয়, বাস্তৱধৰ্মী বিজ্ঞানসন্মত চিন্তা-চৰ্চা, সকলো জীৱৰ প্ৰতি বিশাল উদাৰতা আৰু পৰোপকাৰৰ ভাৱনা।

মিশ্ৰ বাপজনাৰ বিষয়ে দু-আষাৰমান ক'বৰ হ'লে আমি 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ'ৰ মজিয়া লুৰুকিব লাগিব। কাৰণ বাপগৰাকী অনুষ্ঠানটিৰ এগৰাকী কৰ্ণধাৰেই নাছিল, মামৰে ধৰিব ধৰা শ্ৰীমন্ত শঙ্কৰৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ এগৰাকী সংস্কাৰকো আছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্গৰ জন্ম হৈছিল ১৯৩০ চনত নগাঁৱৰ পলাশনিত গাঁৱত। অনুষ্ঠানটিৰ নেতৃত্বত আছিল লোকসেৱক হলধৰ ভূঞা আৰু ৰমাকান্ত মুক্তিয়াৰ আতা। তাৰ পাছত আগবাঢ়ি আহিছিল অসমৰ বহু স্বনামধন্য পণ্ডিতসকল। ৰায় চাহাব ঘনশ্যাম বৰুৱা, গোপিকাবল্লভ গোস্বামী, হলিৰাম মহন্ত, পণ্ডিত ভুৱন চন্দ্ৰ ভূঞা, জজ যোগেন্দ্ৰনাথ বৰুৱা, গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, বাগ্মীবৰ নীলমণি ফুকন, ডিম্বেশ্বৰ নেওগ আদি অসমৰ শিৰফুটা ব্যক্তিসকল।

প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰবাপো বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া বাপৰ পিছৰ গৰাকী সঙঘক নেতৃত্ব দি যোৱা লোক। এই পুৰুধা ব্যক্তিসকলৰ আধুনিক বাস্তৱধৰ্মী বিজ্ঞান সন্মত চিন্তাধাৰাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘলৈ প্ৰচুৰ গতিশীলতা লৈ আহে। মিশ্ৰ বাপেও এবাৰ দুবাৰ নহয় আঠবাৰকৈ সঙঘৰ পদাধিকাৰ আসন গ্ৰহণ কৰি সঙঘলৈ নতুনত্ব প্ৰদান কৰে। তেখেত পদাধিকাৰেই নহয় আমৃত্যু শৰণাচাৰ্যও আছিল আৰু উপদেষ্টা পদো গ্ৰহণ কৰি সঙঘক কৃতাৰ্থ কৰিছিল।

আচলতে তেখেত আছিল এগৰাকী অগাধ বৈষ্ণৱ পণ্ডিত। এই ধৰাৰ সৌন্দৰ্য বৃদ্ধি অৰ্থে প্ৰয়োজন হ'লেই একোগৰাকী পণ্ডিত লোকৰ জন্মৰ প্ৰয়োজন হয়। প্ৰয়োজন হয় সুকীয়া সুকীয়া গুণেৰে বিভূষিত ব্যক্তিৰ। দহো আঙুলি সমান নোহোৱাৰ দৰেই সকলো ব্যক্তিৰে সকলো গুণ থকাতোও সম্ভৱ হয়। মিশ্ৰবাপক প্ৰয়োজন হৈছিল শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মজিয়াত। তেখেতে এই পৱিত্ৰ মজিয়াখন গৰকাৰো এটি সত্য সুন্দৰ কাহিনী আছে।

আচলতে অচ্যুতকৃষ্ণ মিশ্ৰ বাপৰ জীৱনধাৰা মহীয়ান হৈছে এটি বিপ্লৱী সত্বাৰে। বিপ্লৱ আছিল সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰক লৈ। তাকে কৰিবলৈ গৈ তেখেতে একমাত্ৰ অস্ত্ৰ হিচাপে গ্ৰহণ কৰিছিল গভীৰভাৱে হিন্দুধৰ্মৰ শাস্ত্ৰবোৰ আৰু শঙ্কৰ-মাধৱৰ সৃষ্ট বৈষ্ণৱ গ্ৰন্থবোৰ অধ্যয়ন। তেখেতৰ অধ্যয়নত আছিল যুক্তিৰো প্ৰাচুৰ্য যুক্তিৰ লগতে বিজ্ঞান আগবাঢ়িছিল। আৰু তেনেকৈয়ে চিন্তাধাৰা বাস্তৱসন্মত হৈ পৰিছিল।

এগৰাকী চফল ডেকা অচ্যুতকৃষ্ণ মিশ্ৰ ছাত্ৰ একতা সভাৰ সম্পাদক আছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ ভৰপক বতৰ। ১৫ ছেপ্তেম্বৰত





তেখেত দেশদ্ৰোহী হিচাবে গ্ৰেপ্তাৰ হ'ল। আঢ়ৈ মাহ জে'লত থাকিবলগা হ'ল। জে'ললৈ যাবৰ পৰত যিখন ঘৰে, সমাজে তেখেতক দেশপ্ৰেমিকৰূপে গুণ-গান গাইছিল, ঘূৰি আহি সেই গৃহ আৰু সমাজৰ পৰাই মিশ্ৰবাপ বহিষ্কৃত হ'ল। কাৰণ জে'লত অনেক জাতৰ মানুহৰ লগত অন্ন গ্ৰহণ কৰিলে। অৱশ্যে তেতিয়া এইটো একো নোহোৱা নোপজা কথা নাছিল। আমাৰ সমাজ আজিওনো অন্ধ, কুসংস্কাৰৰ পৰা কিমান খোজ মুক্ত? চতিয়াৰ পূৰ্ণদা দেৱীয়ে (প্ৰাক্তন সাংসদ বিজয় ভাগৱতীদেৱৰ বিধবা ভনী) ১৯৪২চন জে'ল খাটোতে নিজে ভাত ৰান্ধি খাইছিল। সেই অধ্যায় আৰু সাংঘাতিক। ব্ৰাহ্মণ বিধৱাৰ তেতিয়া সামাজিক অৱস্থা অতি শোচনীয় আছিল। সেই বীজাণুবোৰ আজিৰ এই মুহূৰ্তলৈকে নানা ধৰণে সমাজত সংক্ৰমিত হৈয়েই আছে। কিন্তু বাপৰ ধ্যান-ধাৰণাই সুকীয়া আছিল। ধৰ্ম কি, জাত কেনেকৈ গ'ল, কিয় সমাজ চ্যুত হ'ল? ইত্যাদি প্ৰশ্নৰে। এই প্ৰশ্নবোৰে বাপক বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। অঘৰী হৈ সুবিধা পাই ভাৰত ভ্ৰমণো কৰি ল'লে। তাতে লগ পালে পৃথিৱীৰ মহামানৱ গৰাকীক আৰু পণ্ডিত জৱাহৰলাল নেহৰু, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আদি মহান লোকসকলক। এই সকলৰ উদাৰ ভাৱাপন্ন ব্যক্তিত্বই বাপক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিলে।

লাহে লাহে বাপজনালৈ সৌভাগ্যৰ নিজৰা ব'বলৈ আৰম্ভ কৰিলে। মহান লোকসকলৰ সান্নিধ্যত তেখেতৰ জ্ঞানৰ পাহিবোৰো মেল খাবলৈ ধৰিলে। ১৯৫০ চনত চতিয়াত চিকিৎসা সহায়কৰ চাকৰি এটি আগবঢ়ালে। জীৱিকা ওলালত মনৰ মাজত খলকনি তোলা প্ৰশ্নবোৰৰ উত্তৰ বিচৰা আৰম্ভ হ'ল। গভীৰ অধ্যয়নে ইতিমধ্যে উত্তৰবোৰো ওচৰ চপাই আনিছিল। হৃদয়ৰে গ্ৰহণ কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্ট বৈষ্ণৱ ধৰ্মটিক। তাতে পালে জাত-পাত সমাজ, ধৰ্ম আৰু ঈশ্বৰ শক্তিৰ মনোমত ব্যাখ্যা। মনৰ বহল পথাৰত গঢ়ি তুলিলে বৈষ্ণৱ আন্দোলন।

চাকৰি সূত্ৰে মিশ্ৰ বাপে ইতিমধ্যে বিশ্বনাথ ধামত উপবিষ্ট হৈ গড়েহাগি, লেহুগাঁও, বামগাঁও আদিত খোপনি গজগজীয়া কৰি লৈছিল। ১৯৫৪ চনত বিশ্বনাথতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সঙ্গী হয় আৰু মনৰ আন্দোলন জন সমুদ্ৰলৈ ওলাই আহিল। জে'লৰ ভাততে জন্মসূত্ৰে লাভ

কৰা ব্ৰাহ্মণত্ব হেৰুৱাই ৰজা বিশ্বামিত্ৰ ঋষিত্ব প্ৰাপ্তি হোৱাৰ লেখিয়াকৈ লাভ কৰিলে প্ৰকৃত ব্ৰাহ্মণত্ব। ৰামায়ণত পাইছোঁ শৰভঙ্গ আৰু সুতীক্ষ্ণ মুনিয়ে তপস্যালব্ধ সকলো বল ৰামচন্দ্ৰক দিবলৈ ওলোৱাত ৰামচন্দ্ৰই কৈছিল- 'হে মহৰ্ষি, মই মোৰ নিজৰ সাধনাৰেহে সেই পুণ্যফল অৰ্জন কৰিব লাগে।' সেই সম্পদেই তেখেতৰ স্থান বহু উৰ্দ্ধগামী কৰিলে। আঠবাৰকৈ সঙঘৰ পদাধিকাৰ হ'বলৈ আগবঢ়াত আধ্যাত্মিক জ্ঞানৰ ভাণ্ডাৰটিও গজগজীয়া হৈ পৰিল। সমাজেও সেই ভাণ্ডাৰ হৰণ কৰিব নোৱাৰা হ'ল। বৰঞ্চ যাৰে ইচ্ছা এই জ্ঞান গঙ্গাৰ পিয়লাৰ পৰা কৃষ্ণপ্ৰেমৰ নিজৰাটি হেপাহ পলুৱাই পিবলৈ সুযোগহে ঘটিল।

মিশ্ৰবাপে সমাজচ্যুত হৈ চাকৰি কৰি আন হেজাৰজনৰ দৰে এখন সমাজত সুস্থভাৱেই জীয়াই থাকিব পাৰিলেহেঁতেন। এগৰাকী সত্ৰাধিকাৰো হোৱাৰ জোখাই সাধনা আছিল। কিন্তু তেখেত আছিল প্ৰখৰ বুদ্ধিমত্তাৰ অধিকাৰী। ভাবিলে এখন জাত-পাত মুক্ত সমাজত হৰিনামৰ মহিমা প্ৰচাৰি জনসমুদ্ৰত মিলি যাওঁ। সময়ত সেয়ে হ'ল।

বাপগৰাকীয়ে শঙ্কৰদেৱৰ ধৰ্মৰ মাজত বিচাৰি পালে সকলো প্ৰশ্নৰ সঠিক উত্তৰ আৰু পালে বিশ্বজনীনতা। সমগ্ৰ বিশ্বই গ্ৰহণ কৰিব পাৰে এই মহান ধৰ্মটিক। য'ত থাকিব পাৰে একেলগে শূদ্ৰ, বৈশ্য, কৈৱৰ্ত, মুছলীমৰ চান্দসাই, কাৰ্বিৰ নৰহৰি, নগাৰ নৰোত্তম আতৈ— কাৰো জাত নাযায়। মহাভাৰতৰ ভীষ্মই ভালকৈ চিনি পোৱাৰ দৰে বাপজনাই শঙ্কৰদেৱৰ শাস্ত্ৰবোৰৰ মাজতে কৃষ্ণক লগ পাই গ'ল- তেনেই ওচৰৰ পৰা। যি কৃষ্ণ ভাৰতীয় সংস্কৃতিৰ পিতা আৰু হিন্দুধৰ্মৰ ঘাই শক্তি।

বাপজনাই বেদ পঢ়ি পালে শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ মূল আধাৰ 'বেদ'। কিন্তু বেদত কৈছে— আহা আমি একে লগে যাওঁ; একে কথাকে একে মুখে কওঁ। বাস্তৱত বেদক অনুসৰণ নকৰাতহে সমাজলৈ সংকট নামিছে। পণ্ডিত বঙ্কিমচন্দ্ৰ ভট্টাচাৰ্যই সেয়ে আক্ষেপ কৰিছিল- ভাৰতীয় মানুহে বেদক চিনি নাপায় কাৰণেহে সমাজত অন্ধ-কুসংস্কাৰে খোপনি পুতিছে।

সমস্ত বেদান্ত সাৰ ভাগৱত ধৰ্ম। শঙ্কৰদেৱে ভাগৱতখনো মথি উলিয়াইছিল। বেদ, ভাগৱত, গীতাৰ সাৰেই শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ ঘাই





খুটি। বুজি পালে সমাজক একগোটকৈ ৰাখিবলৈহে ধৰ্মৰ প্ৰয়োজন আৰু সৃষ্টি। আইনষ্টাইনৰ কথাষাৰো ভালকৈ অনুধাৱন কৰিলে। 'Science without religion is lame, Religion without Science is blind.' এটা বাদ দি আনটোৰ অস্তিত্ব থাকিব নোৱাৰে। এই গ্ৰন্থসমূহ চালি-জাৰি চাওঁতেই সৰলতা, উদাৰতা, পৰোপকাৰ আৰু ত্যাগৰ মহিমাও হৃদয়ঙ্গম হ'ল। পৃথিৱীৰ প্ৰতিটো ধৰ্মই সেয়ে এই ত্ৰিশক্তিৰ শ্ৰেষ্ঠতা দিছে।

তাৰ পাছতে বুজি পালে কৃষ্ণই বৈকুণ্ঠলৈ যাবৰ পৰত বান্ধৱ উদ্ধৱক কৈ যোৱা কথাষাৰ—

সমস্ত ভূততে মই ব্যাপি আছো হৰি।<br>
সবাকো জানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।<br>
ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।<br>
দাতাত চোৰত যেন দৃষ্টি একতুল।।

এইয়া বুজি উঠাৰ লগে লগে বাপজনাই অনুভৱ কৰিলে বৈজ্ঞানিক সত্যৰ আলোকত শঙ্কৰদেৱ সঙঘৰ ভাৱধাৰাই গতি লওক। তেতিয়াহে সময়ৰ লগত খোজ মিলাই শঙ্কৰদেৱ সঙঘই বাট বুলিব পাৰি।

হজৰত মহম্মদে ভেড়াৰখীয়াৰ পৰা ধৰ্ম প্ৰচাৰকলৈ উত্তৰণ কৰিছিল। বাপজনাও সমাজচ্যুত হৈ সমাজৰ দিক্‌দৰ্শকলৈ উন্নীত হৈছিল।

এইখিনিতে আমি ক'ব পাৰো পৰীক্ষিতক ভাগৱতমুখী কৰিবলৈকে শৃঙ্গীঋষিৰ অভিশাপৰ প্ৰয়োজন হৈছিল। আমি শুক পৰীক্ষিত সংবাদ নামে ভাগৱত ভক্তিৰ অমিয়া মাধুৰী পিবলৈ পালো। মিশ্ৰ বাপকো আধ্যাত্মিক উত্তৰণলৈকে জীৱনত প্ৰয়োজন হৈছিল এটি অভিশাপৰ। বাপক যেন গোৰ মাৰি গঙ্গাতহে পেলালে।

ক'ৰ বৰপেটাত জন্ম হৈ স্থায়ী বাসিন্দা হ'ল বিশ্বনাথত। আচলতে বিশ্বনাথ ধামহে তেখেতৰ কৰ্মক্ষেত্ৰৰূপে নিৰ্দিষ্ট কৰি থোৱা আছিল। তেখেতৰ পদধূলিত বিশ্বনাথ দুনাই দুনাই পৱিত্ৰ হ'ল। শঙ্কৰী কলা কৃষ্টিৰ এটি সুন্দৰ বাতাবৰণো সৃষ্টি হ'ল। লেহুগাঁও, গড়েহাগি তেখেতৰ প্ৰথম বাসস্থান আছিল। এই দুয়ো স্থানতে গঢ়ি তুলিছিল শঙ্কৰী কৃষ্টিৰ এটি উজ্বল পৰিৱেশ। তেখেত বামগাঁৱত বাসিন্দা হৈ সমূহ বামগাঁৱকে ধন্য কৰি গৈছে। বৰপেটাকো তেখেতে জন্ম ঋণ সুজিবলৈ দি আহিছিল 'শঙ্কৰী

বিদ্যালয়।'

বাপজনাই পথহাৰা পথিকক ধৰ্মীয় মতাদৰ্শৰে আগুৱাই যাবলৈ দিছিল— স্বামী বিবেকানন্দৰ মহান বাণী 'Give without thoughts of return, save without thoughts of reward.'

বাপগৰাকী অগাধ পাণ্ডিত্যৰ অধিকাৰী আছিল; তেখেতে ইচ্ছা কৰা হ'লে বৈষ্ণৱ সাহিত্যত এলানি পুথি লিখি থৈ যাব পাৰিলেহেঁতেন। অৱশ্যে কেইখনমান পদাধিকাৰৰ ভাষণ সঙ্ঘৰ কাৰ্যালয়ত সংৰক্ষিত হৈ আছে বুলি জানিব পাৰিছোঁ। ১৭৭৯ চনত তেখেতে কাৰ্বিআংলঙৰ বকলিয়াঘাট অধিৱেশনত প্ৰদান কৰা ভাষণৰ যৎকিঞ্চিৎ সহৃদয় পাঠকসকলৈ আগবঢ়োৱাৰ মানসত কওঁ ভাষণৰ আৰম্ভণিতে কাৰ্বিআংলংবাসীক সেৱা জনাইছে এটি হৃদয় পৰশা বাক্যৰে। 'হে মোৰ জন্ম জন্মান্তৰৰ কাৰ্বিআংলং জিলাৰ বকলিয়াঘাটত সমবেত বাপসকল, আইমাতৃসকল, জিলা পৰিষদৰ কৰ্মকতা মহোদয়সকল, ভদ্ৰ মহোদয়সকল আৰু সমবেত উদীয়মান যুৱক-যুৱতীসকল।'

তেখেতে সভাসদক সেৱা জনাই দুনাই সম্বোধন কৰিছে- 'হে নৰনাৰায়ণসকল, এই জগতৰ প্ৰত্যেক জাতিৰ এটা সুকীয়া বৈশিষ্ট্য, নিজস্ব ভাৱধাৰা, আদৰ্শ আৰু লক্ষ্য আছে। ভাৰতীয় জাতিও সেই আদৰ্শ আৰু জীৱন ধাৰা অনুসৰণ কৰি নিজ লক্ষ্যপথত অগ্ৰসৰ হৈ আছে।' এনে হৃদয় পৰশা আছিল তেখেতৰ ভাষণত আৰম্ভণি।

ভাষণৰ মাজতে ভক্ত শ্ৰোতাবৃন্দক ভোগ সৰ্বস্ব জীৱনৰ অসাৰতা ব্যাখ্যা দাঙি ধৰি ঈশ্বৰ চিন্তাৰ প্ৰতি আকৰ্ষিত হ'বলৈ আহ্বান জনাইছে ৰজা যযাতিৰ অভিজ্ঞতাপ্ৰসূত বহুমূলীয়া চিন্তা চৰ্চাৰে। তাৰ লগতে উদাহৰণ আগবঢ়াইছে ব্ৰহ্মপদিনী মৈত্ৰেয়ীৰ তপস্যা। এইদৰেই তেখেতৰ লিখিত ভাষণ কেইখন আছিল অতি সৰল, প্ৰাঞ্জল অথচ গভীৰ ভাৱনাপ্ৰসূত যদিও সৰ্বজনৰ হৃদয়গ্ৰাহ্য।

তেখেতৰ যুক্তি আৰু উপলব্ধি আছিল পৃথিৱীত যদি শান্তি লাগে সৰ্বস্তৰৰ প্ৰতিগৰাকী ব্যক্তি ধৰ্ম বিশ্বাসী হোৱাৰ প্ৰয়োজন। আত্মকেন্দ্ৰিকতা আৰু ধৰ্মৰ প্ৰতি বিশ্বাসহীনতাই সমাজলৈ সংকট নমাই আনিছে।

মানৱ জীৱন বৰ অনুপম- 'য়হ মিলে ন বাৰম্বাৰ' এই দুৰ্মূল্য জীৱনৰ





সৌন্দৰ্য আৰু সৌষ্ঠৱ ৰক্ষা কৰিবৰ হ'লে ধৰ্মৰ সেন্দূৰীয়া আলিয়েদিয়েই বাট বুলিব লাগিব।

বাপগৰাকীৰ জীৱন চৰ্চা কৰি দেখা গ'ল বৃন্দাবন হাটীয়ে তেখেতক কেৱল খাই-শুই জীৱন কটাবলৈ জন্ম দিয়া নাছিল। পূৰ্বপুৰুষ ৰামৰায় আতাৰ বংশক দুনাই ধন্য কৰিবলৈহে সত্যভামা আইৰ গৰ্ভত স্থিতি লোৱাইছিল। পিতাক হৰেন্দ্ৰনাথ দেৱেও বৰপেটাৰ ধূলি-বালিৰে পৱিত্ৰ হৈ উঠিছিল, যাৰ ফলত মিশ্ৰবাপৰ দৰে এগৰাকী আধ্যাত্মিক ব্যক্তিৰ পিতৃ হোৱাৰ গৌৰৱ অৰ্জন কৰিব পাৰিছিল। তেখেতৰ জন্মৰ তিথিটোও মন কৰিবলগীয়া। কৃষ্ণ জন্মাষ্টমীত সত্যভামাই কৃষ্ণভক্ত গৰাকীকে লৈ আহিছিল। সময়ত পত্নী যমুনাও আহিল কানু কৃষ্ণক যমুনাৰ পাৰৰ অমৃতৰ সৌগন্ধ বিলাবলৈ পৰিয়ালৰ নামবোৰৰ কি অদ্ভুত সংমিশ্ৰণ। পৃথিৱীৰ খুব কম মানুহৰ ভাগ্যতহে এনে হোৱা দেখা যায়।

বাপ গৰাকীয়ে মানৱ জন্ম সাৰ্থক কৰি আমাৰ মাজৰ পৰা আঁতৰি গ'লেও তেখেতৰ ওচৰত যি শৰণ গ্ৰহণ কৰিছে তেখেতকো ধন্য কৰি গৈছে। শৰণ অনুষ্ঠানটিৰ গাম্ভীৰ্যই সুকীয়া। হাজাৰ পাপী দুষ্টমতিও তেখেতৰ শৰণৰ দ্বাৰা কিঞ্চিৎ হ'লেও ঈশ্বৰমুখী হোৱাৰ সম্ভাৱনা নোহোৱা নহয়। অশিতিপাৰ দেহাটিও শৰণ প্ৰদানৰ সময়ত প্ৰচুৰ শক্তিশালী হৈ পৰে। মুখৰ পৰা ধাৰাসাৰে ওলাই আহে কৃষ্ণামৃতৰ বাণী। কীৰ্তন, নামঘোষা, বেদ-ভাগৱত একোৰে শ্লোক গোৱাত হাত নধৰে। প্ৰচুৰ শক্তিশালী আছিল তেখেতৰ বাক্‌চাতুৰ্য। নিজে নুশুনিলে আনৰ কথাৰ পৰা মিশ্ৰ বাপৰ বাগ্মীৰৰ কথা অনুমান কৰা সহজ নহয়। য'তে যিটো শ্লোকৰ প্ৰয়োজন হয় ৰজিতা খুৱাই শ্ৰোতাক বিলাই দিব পাৰে। সংস্কৃত, অসমীয়া আৰু প্ৰয়োজনত হিন্দীও সুন্দৰকৈ স্পষ্টভাৱে কৈ যাব পাৰে। প্ৰখৰ স্মৃতিশক্তি আৰু উচ্চাৰণৰ স্পষ্টতা সুন্দৰ গলাইদি নিসৃত হোৱাৰ পৰত মানুহ মন্ত্ৰমুগ্ধ হৈ পৰে। বাপগৰাকী ভাগৱত পঢ়িবলৈ আহিলে শ্ৰোতাৰ আনন্দ চাই কোনে? কি সুললিত স্বৰ আৰু শব্দ প্ৰকাশৰ স্পষ্টতা। যেন কোনোবা ঋষি-মুনিয়েহে আশ্ৰমৰ মজিয়াত শাস্ত্ৰ ব্যাখ্যা কৰিছে। এনে এগৰাকী ব্যক্তিৰ মুখ-নিসৃত ভাগৱত ব্যাখ্যা বা যিকোনো ধৰ্মীয় অনুষ্ঠানৰ বক্তৃতা শুনিবলৈ পোৱাটো আচলতে সৌভাগ্যৰে কথা। তেখেতৰ ভাষণ শুনি থাকোতেওঁ শুনোতাৰ

হৃদয় কুলুকুলু স্বৰে বৈ ভক্তিৰ নিজৰা। পিচে সেই ভাষণ বিশ্বনাথবাসীয়ে আৰু শুনিবলৈ নাপায়, নাপায় অসমবাসীয়েও। কিন্তু তেখেতৰ গুণাৱলীৰ সৌৰভ অসমৰ আকাশৰ পৰা হেৰাই যাব নোৱাৰে। আমি আশাবাদী, এনে লোক অসমমাতৃয়ে আকৌ জন্ম দিব— আমাৰ এনে ব্যক্তি বৰ প্ৰয়োজন।

তেখেতক ২০05 চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মজিয়াত 'লোকসেৱক হলধৰ ভূঞা বঁটা' প্ৰদান কৰা হৈছিল, পিচে এই বঁটাটিৰেই তেখেতৰ জীৱন বীক্ষা জোখা নাযায়। বহুত ওপৰত তেখেতৰ স্থান আছিল। মিশ্ৰবাপ শঙ্কৰদেৱ সঙঘৰ মজিয়াতে নহয় ভাষণ শুনা শ্ৰোতাসকলৰ স্মৃতিৰ মণিকোঠাতে চিৰদিন চিৰকাল স্মৃতি হৈ থাকিব।■

লেখক পৰিচয় ঃ **শ্ৰীকনকলতা নেওগ**
বিশ্বনাথ চাৰিআলি,
বিষ্ণুপুৰ প্ৰাথমিক



# মিশ্ৰবাপৰ সান্নিধ্য আৰু কিছু অনুভূতি

**শ্ৰীভবেন দুৱৰী**

১৯৮১ চন। বিদ্যুৎ পৰিষদৰ আৱাসিক ক্ষেত্ৰত মহাপুৰুষ গুৰুজনাৰ আৱিৰ্ভাৰ মহোৎসৱত নিৰ্দিষ্ট বক্তা হিচাপে মিশ্ৰ বাপক নিমন্ত্ৰণ জনোৱা হৈছিল। সিদিনা তেখেতৰ উদ্দাত্ত আৰু বলিষ্ঠ কণ্ঠৰ পাণ্ডিত্যপূৰ্ণ ভাষণ শুনি সভাথলীৰ সকলো মুগ্ধ হৈছিল। আমিও অভিভূত হ'লো। সভাথলীতে তেখেতক প্ৰথমে লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তাৰ আগতে তেখেতক দেখা আৰু তেখেতৰ ভাষণ শুনাৰ সুবিধা পোৱা নাছিলো।

সেয়াই আৰম্ভণি। তাৰ পিছৰ পৰাই সঘনে লগ পাইছিলো। লগ পালেই সময় আৰু সুবিধা অনুযায়ী গুৰু ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ কথা, প্ৰচাৰ কাৰ্যত পোৱা বাধা-বিঘিনিৰ কথা, ঘাত-প্ৰতিঘাত আদি অভিজ্ঞতাৰ কথা সততে কোৱাৰ সুযোগ নেৰিছিল।

সেই প্ৰসঙ্গবোৰৰ কথা মাজে মাজে মনলৈ আহে আৰু তেতিয়া এনে অনুভৱ হয় যেন বৰ শ্ৰম কৰি অৰ্জা এটা অতি মহৎ বস্তু সতপাত্ৰ এটিত যতনে থ'বলৈ যত্ন কৰিছিল। এয়া অতি স্বাভাৱিক, সকলো দূৰদৃষ্টি সম্পন্ন লোকে তেনেদৰেই যত্ন কৰে। মিশ্ৰবাপো তাৰ ব্যতিক্ৰম নাছিল। তেখেতক কোনোদিনে ক্লান্ত হোৱা দেখা নাছিলো. কথা প্ৰসঙ্গত বাপে এটা কথাই কয়, গুৰুজনে তাৰাৰ জীৱন কালত অশেষ কষ্ট-গ্লানি সহ্য কৰি গৈছে। তাৰ তুলনাত বাটে-ঘাটে পোৱা কষ্টবোৰ আছিল তেখেতৰ বাবে তেনেই নগণ্য। তেখেতৰ উপলব্ধি আৰু অভিজ্ঞতাৰ কথা তেখেতে কৈ ভাল পাইছিল, হয়তো তেখেতৰ দৰে কিছু লোক সাজু কৰাৰ মানসেৰে। সেই বাবেই তেখেতে ঠায়ে ঠায়ে থকা তেনে ভাৱাপন্নলোকৰ নাম লৈছিল। আমিও সেই শ্ৰেণীৰ এজন যেন অনুভূত হয়, যদিওবা অতি দুৰ্বল।

সংগ্ৰামীজনৰ বাবে বিজয়হে লক্ষ্য। সংগ্ৰামৰ বাটৰ জেং-জাৱৰবোৰ কেতিয়াও বিজয়ৰ বাধক হ'ব নোৱাৰে। মিশ্ৰবাপো আছিল তেনে ভাৱাপন্ন মনৰ ব্যক্তি। এবাৰ তেখেতে কোৱা এটা কথাই আমাৰ মনত ৰেখাপাত

কৰিছিল। বাপে কৈছিল, 'নিজে মৰিবলৈ হ'লে এডাল ৰচিয়ে যথেষ্ট, কিন্তু আনক মাৰিবলৈ হ'লে সকলো অস্ত্ৰ-সস্ত্ৰই প্ৰয়োগ কৰিব পাৰিব লাগিব।' কথাতো প্ৰথমে তৎ ধৰিব পৰা নাছিলোঁ। বাপে ক'বলৈ ধৰিলে, শত্ৰুৱে কেতিয়া কেনে ধৰণৰ অস্ত্ৰ লৈ আক্ৰমণ কৰে ক'ব নোৱাৰি। গতিকে শত্ৰু জিনিবলৈ হ'লে সকলো প্ৰকাৰৰ অস্ত্ৰৰ প্ৰয়োগ কৌশল জানিব লাগিব। তেখেতসকলে অতি কষ্ট কৰি সকলো শাস্ত্ৰ পুংখানুপুংখভাৱে অধ্যয়ন কৰি তাৰ যথাযথ প্ৰয়োগ কৰিছিল। সেই বাবেই তেখেতে হেনো কোনো পৰিস্থিতিতে হাৰ মানিব লগা হোৱা নাছিল।

এবাৰ নুনমাটিত ভাগৱত চক্ৰত আলোচনাৰ মাজত কোৱা মনত পৰে— 'সকলোৱে পঢ়াৰ অভ্যাস কৰিব লাগে। কেৱল পঢ়াই যথেষ্ট নহয়। পঢ়ি পঢ়ি বিষয়বস্তু ভালদৰে বুজি ল'ব লাগে, তাৰ মৰ্মবস্তু হৃদয়ঙ্গম কৰিব লাগে আৰু তাৰ সুপ্ৰয়োগ হ'ব লাগে। প্ৰয়োগহীন বিদ্যাৰ মূল্য নাই।' এইষাৰ কথাৰ তাৎপৰ্য মৰ্মে মৰ্মে উপলব্ধি কৰোঁ।

মিশ্ৰবাপৰ জীৱনাদৰ্শৰ নৈতিকতাৰ দিশটোৱেই আমাৰ দৃষ্টিত ধৰা দিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গুৰুজনাৰ যি একশৰণ নীতি আছিল সেই নীতিৰ অৱক্ষয়ে তেখেতক বাৰুকৈয়ে আঘাত দিছিল। সেই স্খলিত নীতিৰ শুদ্ধৰূপ দিবলৈকে বাপজনাই অহোপুৰুষাৰ্থ কৰিছিল। তেখেতে বক্তৃতা প্ৰসঙ্গত প্ৰায়ে অগ্নিকবি অম্বিকাগিৰি ৰায়চৌধুৰীদেৱৰ 'থিক অসমীয়া মানুহ নহয় অসম শ্মশান নোহে কোনে কয়' কবিতাটিৰ পংক্তি উল্লেখ কৰি বিপৰীতমুখী লোকসকলক সমালোচনা কৰিছিল। নৈতিক স্খলন সমাজৰ এক ব্যাধি। তেখেতে সততে নৈতিকতাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছিল। তেখেতৰ ভাষণৰ সেই তীব্ৰ আৰু চোকা চোকা শব্দবোৰৰ অনুৰণন মাজে মাজে শুনোঁ, তেতিয়া মিশ্ৰ বাপক মনতে এটি সেৱা জনাওঁ।

কথা প্ৰসঙ্গতে এটা প্ৰশ্ন উঠিল যে শঙ্কৰদেৱৰ নামত একেখন গাঁৱৰে একেটা নামঘৰতে খোৱা লোৱা কৰা ৰাইজৰ কিছুৱে বেলেগ নামঘৰ সাজি সমাজ ভাগ কৰিছে, এইটো ভালৰ লক্ষণ নহয়। তাৰ উত্তৰত বাপে ক'বলৈ ধৰিলে, 'আগৰ গোটেইটো যদি পচিব ধৰিছে, তেন্তে ভালকৈ এটা নতুন সজা উচিত কাম হৈছে।' তাৰ অৰ্থটো এনেধৰণৰ আছিল য'ত নীতি-আদৰ্শ ভ্ৰষ্ট হৈছে, সি নষ্ট হ'বলৈ আৰু বাকী নাথাকে, গতিকে





নতুনকৈ সজা সকলেহে যুগুত কাম কৰিছে। এনে ধৰণৰ বাস্তৱধৰ্মী কথাবোৰৰ বাবে বাপৰ প্ৰতি থকা শ্ৰদ্ধাত শিৰ নত হয়।

নামঘৰ আৰু মন্দিৰৰ মাজত যে প্ৰভেদ আছে সেইটো আমি প্ৰথমাৱস্থাত মন কৰা নাছিলোঁ। কথা প্ৰসঙ্গত মিশ্ৰবাপেহে পাৰ্থক্যটো আমাক ফঁহিয়াই দেখুৱাইছিল যে নামঘৰ আৰু মন্দিৰৰ বৈশিষ্ট্য বেলেগ। নামঘৰত গুৰু-আসন অনিবাৰ্য আৰু ইয়াত দেৱ-দেৱীৰ স্থান নাই। কিন্তু মন্দিৰত দেৱ-দেৱী আদিৰ বিগ্ৰহ-মূৰ্তি আদি স্থাপনা কৰে। তেখেতে গুৰু আসনৰো ৰহস্য আৰু তাৎপৰ্যৰ কথা বিশদভাৱে বৰ্ণনা দি আমাক উপকৃত কৰিছিল।

ওখ-পাখ বিশালকায় মানুহজন দেখিলেই জ্ঞান-অভিজ্ঞতাৰে পৰিপুষ্ট যেন লাগে। আমাৰ মানত তেখেতক দেখিলে মহাভাৰতৰ ভীষ্মলৈহে মনত পৰে। ভীষ্ম সদৃশ এই ব্যক্তিজনে শঙ্কৰদেৱৰ ধৰ্মাদৰ্শকে জীৱনৰ ব্ৰত হিচাপে লৈ ওৰেটো জীৱন সংগ্ৰাম কৰি গ'ল। তেখেতৰ ব্যক্তিত্বই আমাৰ দৰে বহুতকে অনুপ্ৰাণিত কৰিলে। তেখেতৰ লগত হোৱা অনেক কথাই মন বাৰে বাৰে আন্দোলিত কৰে। সেই সকলোবোৰ ইয়াত ঠাই দিয়াটো সম্ভৱ নহয়। সিবোৰ কেৱল অনুভূতি হৈয়ে ৰ'ল।

শঙ্কৰদেৱৰ ধৰ্মাদৰ্শক শুদ্ধৰূপত প্ৰতিষ্ঠা কৰাত যিসকল লোক অৱতীৰ্ণ হৈছিল, মিশ্ৰবাপ তাৰে এজন অগ্ৰণী। এই বৰেণ্য ব্যক্তিসকলে বাটৰ কচুঁ-কাঁইট আঁতৰাই আমাৰ বাবে সুচল পথ মুকলি কৰি থৈ গৈছে। তেখেতসকলৰ কষ্ট আৰু ত্যাগৰ বিনিময়তহে আমি আজি সুকলমে বাট বুলিবলৈ সুবিধা পাইছোঁ। তাৰ বাবে তাৰাসৰ কৃতজ্ঞতাৰ পাত্ৰ। এনে কিছুলোকৰ সান্নিধ্য লাভ কৰিবলৈ পাই আমিও নিজক ধন্য মানিছোঁ আৰু সৌভাগ্যৱান বুলি ভাবিছোঁ। বাপজনা বৈকুণ্ঠী হ'ল, কিন্তু তাৰাৰ সান্নিধ্যৰ অনুভৱ সদায় মানস পটত সঞ্জীৱিত হৈ থাকিব। বাপজনাৰ স্মৃতিচাৰণ দিৱসত একাজলি শ্ৰদ্ধাৰে মনৰ ঘন-অনুভূতি বেকত কৰিলোঁ।■

লেখক পৰিচয় ঃ **শ্ৰীভবেন দুৱৰী**
সদস্য, সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# বিপ্লৱী পুৰুষ অচ্যুতকৃষ্ণ মিশ্ৰবাপ

**শ্ৰীনগেন বৰুৱা**

কৃষ্ণ পদ পঙ্কজৰ সেৱাৰ মহিমা কথা
শুনি বৰ আনন্দ মিলয়।।
যাৰ ভকতৰ সঙ্গে সৰ্ব্ব পুৰুষাৰ্থে শিৰে
চাৰি আতি কৌতুক কৰয়।।

-- নাম-ঘোষা, ৭৫

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মজিয়া শীতল কৰি বৈকুণ্ঠধামলৈ গতি কৰিলে অচ্যুতকৃষ্ণ মিশ্ৰ প্ৰভুৱে। থাকি গ'ল স্মৃতিৰ পাপৰি। মানুহৰ জীৱনলৈ আহি প্ৰাণী সমাজৰ উচ্চতম আসনত থাকি যদি আহাৰ, বিহাৰ, বিষয় সম্ভোগত মজি থাকো তেনেহ'লে ঈশ্বৰৰ অভিপ্ৰায়ৰ কথা আমি কেনেকৈ বুজিম। ঈশ্বৰৰ অভিপ্ৰায়ৰ কথাখিনি উপলব্ধি কৰিব নোৱাৰিলে আমি নৰ নামৰ উপাধিৰ সাৰ্থকতাই নাথাকিব। যি ঈশ্বৰৰ অভিপ্ৰায়ৰ কথা বুজে তেৱেঁই প্ৰকৃত জ্ঞানী। এই জ্ঞানেই সংসাৰৰ সাৰবস্তু। মানুহৰ জন্মৰ সাৰ্থকতা হ'ল ঈশ্বৰৰ অভিপ্ৰায়ৰ বিচাৰ কৰা। এই জ্ঞান অন্তৰত উদয় হ'লে তেওঁ সকলো স্বাৰ্থ জলাঞ্জলি দি বিশ্বৰ কল্যাণৰ বাবে তেওঁ কাম কৰাটো নিশ্চিত।

প্ৰথমতে বিশ্বৰ মানৱৰ হ'কে কাম কৰিবলৈ বা সেই বাটত অগ্ৰসৰ হ'বলৈ আমাৰ প্ৰয়োজন হ'ব মহাগুণৰ। ভগৱন্ত প্ৰভুৰ যি গুণ আছে, সেই গুণ যদি গাত নাথাকে তেনেহ'লে এই মহান বাটত অগ্ৰসৰ হ'ব কেনেকৈ, আমি ভগৱন্ত প্ৰভুক পাবলৈ হ'লে ভোগৰ ঠাইৰ পৰা আমাৰ মন ত্যাগত আৰু সাত্বিকতাত খতুৱাব পাৰিব লাগিব। সেয়ে মাধৱ পুৰুষে বৰগীতত কৈছে—

'ৰাম পৰম ধন চিন্তহু মনভাই।
তনু চিন্তামণি বিফলহি যাই।
বিষয়ৰ সুখ শুকৰকহু পাই।
হৰি পদ সেৱা মানৱী বিনে নাই।।'





অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনাৰ আত্মবোধ, আত্মস্মৃতিয়েই প্ৰকৃত জীৱনৰ দৰে। এক ভগৱানৰ গুণানুকীৰ্তন কৰি ন্যায় নিষ্ঠা সততাৰ ভিত্তিত জীৱন-যাপনৰ পৰিৱেশ সৃষ্টি কৰা। এনে দৃঢ় মনোভাৱে, সুদৃঢ় বিশ্বাসে একশৰণ নামধৰ্ম গ্ৰহণ কৰি হৰিনাম ধৰ্মৰ পথৰ পথিক হৈ জীৱ তৰণৰ লক্ষ্যৰে প্ৰচাৰ প্ৰসাৰ কাৰ্যত যোৱা ১৯৫৪ চনৰ পৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘত সঙ্গী পদ গ্ৰহণ কৰি একনিষ্ঠভাৱে সেৱাৰ মনোভাৱেৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘৰ বাপ-বান্ধৱক জাগৃত কৰিছিল। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে চুকে-কোণে, পৰ্বতে-ভৈয়ামে, হাবিয়ে-জঙঘলে, গাঁৱে-ভূঞে প্ৰতি অঞ্চলে অঞ্চলে।

অচ্যুতকৃষ্ণ মিশ্ৰ বাপ জনাই যোৱা ১৯১৮ চনত ভাদ মাহৰ কৃষ্ণা অষ্টমী তিথিত বৰপেটাৰ বৃন্দাবন হাটীত ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম হৰিনন্দদেৱ মিশ্ৰ মাতৃ সত্যভামা দেৱী। বৰপেটাত প্ৰাথমিক শিক্ষাৰ সমাপ্তি ঘটাই ১৯৪৫ চনত হাইস্কুলীয়া শিক্ষা অসমাপ্ত কৰি সামাজিক, ৰাজনৈতিক জীৱনৰ পাতনি মেলি ১৯৪২ চনৰ মহাত্মা গান্ধীৰ আদৰ্শত অনুপ্ৰাণিত ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰি, আঢ়ৈ মাহ কাল কাৰাবাস খাতিবলগীয়া হৈছিল। যাৰ ফলত কাৰাবাসত জাত-পাতৰ বিচাৰ নোহোৱা লোকৰ হাতে খাদ্য গ্ৰহণ কৰি ঘৰ তথা সমাজৰ পৰা অস্পৃশ্য হ'বলগীয়া হ'ল। সমাজ তথা ঘৰৰ অন্ধবিশ্বাস কুসংস্কাৰৰ বলি হৈ বাপৰ মন বিদ্ৰোহী হৈ সমাজৰ এনে অমানৱীয় আচৰণত সেই কুসংস্কাৰসমূহ দূৰীকৰণৰ মানসেৰে অধ্যয়ন কৰিবলৈ ধৰিলে অমূল্য শাস্ত্ৰসমূহ। সেই অমূল্য শাস্ত্ৰসমূহ উগ্ৰশ্ৰবা শক্তিৰে অধ্যয়ন কৰি মনতে দৃঢ় সংকল্প হ'ল সমাজত গুৰুজনাৰ আদৰ্শত সাম্য-মৈত্ৰী প্ৰতিষ্ঠা কৰিবৰ বাবে। বৰপেটাত ১৯৪৭ চনত বহু গুণী-জ্ঞানী লোকৰ সান্নিধ্যত শঙ্কৰী গীত-নৃত্যৰ বাদ্যৰ সাধনা কৰি মিশ্ৰ বাপৰ জীৱনৰ গতিপথ সলনি হ'বলৈ ধৰিলে। সেই সময়ৰ অসমৰ কংগ্ৰেছী নেতা মহেন্দ্ৰ মোহন চৌধুৰীৰ অনুগ্ৰহত চতিয়াৰ স্বাস্থ্যকেন্দ্ৰত সহকাৰী স্বাস্থ্য পৰিদৰ্শক পদত চাকৰি আৰম্ভ কৰে। চতিয়াত চাকৰি কৰি থকা অৱস্থাতে বুৰঞ্জী প্ৰসিদ্ধ নাগ-শঙ্কৰৰ প্ৰখ্যাত গৌৰী বৰুৱাৰ জীয়ৰী যমুনা আইৰ লগত বিবাহ পাশত আৱদ্ধ হয়। চতিয়াত কেইমাহমান থকাৰ পিছত বিশ্বনাথ চাৰিআলি অসামৰিক

চিকিৎসালয়লৈ বদলি হৈ আহে। চৰকাৰী বাসগৃহ নোপোৱাত প্ৰথমতে গড়েহাগি গাঁৰৰ সোমৰাম হাজৰিকাৰ আশ্ৰয়ত কেইমাহমান থকাৰ পাছত লেহুগাঁৰৰ ডম্বৰু হাজৰিকাৰ লগত যোগসূত্ৰ হৈ এটি বাসগৃহ সাজি থাকিবলৈ লয়। সেই সময়তে তেখেতে এই অঞ্চলৰ কেইগৰাকীমান স্বনামধন্য বাপ-বান্ধৱৰ (ক্ৰমে ৰবিৰাম বৰা (ভীৰগাঁও), হেম শইকীয়া (গড়েহাগি) শেশধৰ হাজৰিকা (লেহুগাঁও) কমলা ভূএগ্ৰা (দগাঁও) কীৰ্তি কটকী (চাৰিআলি দগাঁও) ফণীধৰ বৰুৱা (নগাঁও)ৰ সান্নিধ্যত শাস্ত্ৰৰ আলাপ আলোচনা কৰি সমস্ত দিশতে ভাৱৰ আদান-প্ৰদানৰ সুবিধা পাইছিল। এনেভাৱেই এই অঞ্চলৰ আশে-পাশে গাঁওসমূহত ধৰ্মালোচনী সভা আদিও অনুষ্ঠিত কৰাৰ উমান পোৱা গৈছিল। এনেভাৱেই চাকৰিৰ দায়িত্ব পালন কৰাৰ উপৰি ধৰ্মীয় দিশত প্ৰচুৰ অভিজ্ঞতা দেখা পোৱাত হাজৰিকা বাপে সঙ্গীসকলৰ লগত আলোচনা কৰি একশৰণ হৰি নামধৰ্মত অংশগ্ৰহণ কৰাই প্ৰচাৰ-প্ৰসাৰৰ দিশত একনিষ্ঠ ভাৱে অশেষ কষ্টেৰে বহুলোকক নামধৰ্মত অন্তৰ্ভুক্ত কৰাই ধৰ্ম প্ৰচাৰৰ কাৰ্যত অগ্ৰসৰ হয়। হাজৰিকা বাপৰ গৃহতে বাপৰ প্ৰথম পুত্ৰ শ্ৰীপূৰ্ণ মিশ্ৰ (বন) ১৯৫৬ চনত আৰু ১৯৫৮ চনত দ্বিতীয় পুত্ৰ শ্ৰীপ্ৰদীপ মিশ্ৰ জন্ম হয়।

যোৱা ১৯৫৯ চনত লেহুগাঁৰৰ হাজৰিকা বাপৰ গৃহৰ পৰা বামগাঁৰৰ মাজভাগত যি ঠাইত সেই সময়ত পুষ্পৰাম বৰাৰ বাৰীতে নিজে সামান্যভাৱে ঘৰ সাজি বসবাস কৰিবলৈ লয়। সেই ঠাইতে বাপৰ তিনিজনী কন্যাৰ জন্ম হয়। আকৌ কিছুদিনৰ পাছত এই অঞ্চলৰ ৰাইজে বাঁহ, খেৰ, খুটা যোগাৰ কৰি ঘৰ-দুৱাৰ সাজি দিয়ে। বিশেষকৈ চাৰিআলি দগাঁৰৰ নিবাসী প্ৰয়াত কমলা ভূএগ্ৰা বাপৰ পৰিচালনাত বৰ্তমান বাস কৰি থকা ভেটিত ঘৰ-দুৱাৰ সাজি স্থায়ীভাৱে বসবাস কৰাৰ ব্যৱস্থা কৰিছিল। এই দিশত ভূএগ্ৰা বাপৰ পৰিচালনাতেই ক্ৰমে ভীৰগাঁও, গড়েহাগি, বামগাঁও, দগাঁও আদিৰ ৰাইজে অশেষ অৰিহণা যোগাই স্থায়ীভাৱে বসবাস কৰাৰ সুব্যৱস্থা কৰি দিছিল।

ইতিমধ্যে চাকৰি সূত্ৰে অসমৰ নানান ঠাইলৈ বদলিকৰণ হৈ চাকৰি কৰিও ল'ৰা-ছোৱালী কেইটাক শিক্ষা-দীক্ষাত পৰিপূৰ্ণ কৰিলে। চাকৰি কালৰ সৰহভাগ কাল কাৰ্বিআংলংত থাকিব লগা হৈছিল। সেই সময়ত বহু কষ্টেৰে দিন কটাবলগা হৈছিল।





শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰ কাৰ্যত একনিষ্ঠভাৱে লাগি গীতা, ভাগৱত, কোৰাণ, বাইবেলৰ গধুৰ তত্ত্বৰ ব্যাখ্যাৰে কাৰ্বিআংলং, বকলীয়াঘাট, মিকিৰ ব্লক, কাকপথাৰ আদিৰ ভক্তপ্ৰাণ ৰাইজক মোহান্বিত কৰি প্ৰাথমিক শাখাৰ পৰা জিলা শাখাৰ সকলো দায়িত্ব মূৰ পাতি লৈছিল আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাংবিধানিক নীতি আদৰ্শৰে শাখা গঠন কৰি গঠন কাৰ্যত একান্তভাৱে ব্যস্ত হৈ যোৱা ১৯৭১ চনৰ পৰা ১৯৮০ চনলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্য-নিৰ্বাহকৰ পৰা পদাধিকাৰৰ আসন অলঙ্কৃত কৰি সাংগঠনিক দিশত যুক্তি ভাবাপন্নৰে ধৰ্মীয় ভাষণৰে উত্তৰ-পূব ভাৰতৰ বৈষ্ণৱপ্ৰাণ ভক্তৰ মন-প্ৰাণ মুহিত কৰিছিল।

বাপজনাক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শৰণ সদস্য আৰু উপদেষ্টা হিচাপে দায়িত্ব অৰ্পণ কৰিছিল। বাপজনাইও নিষ্ঠা সহকাৰে উক্ত দায়িত্ব পালন কৰি আহিছিল। যোৱা ২০০৫ চনত ধুবুৰী জিলাৰ দুমৰদহ শঙ্কৰী সংস্কৃতি প্ৰকল্প ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চতুৰ্সপ্ততিতম বাৰ্ষিক অধিৱেশনত ‘লোকসেৱক হলধৰ ভূএগ্ৰা বঁটা লাভ কৰি বিশ্বনাথ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছিল। যোৱা ২০১০ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৩ তাৰিখে মূল সঙ্ঘৰ ৭৯ সংখ্যক বাৰ্ষিক অধিৱেশনত মূল সভাৰ সভা উদ্বোধন কৰি উদ্দাত্ত কণ্ঠৰে উদ্বোধনী ভাষণ প্ৰদান কৰি হাজাৰ হাজাৰ ধৰ্মপ্ৰাণ ভক্তৰ মন আপ্লুত কৰিছিল। বিশ্বনাথ জিলাখনৰ ধৰ্মীয় দিশ, সাংগঠনিক দিশ, সাংগঠনিক দিশ আৰু শৰণ-ভজনৰ ক্ষেত্ৰত বাপজনাই যিখিনি অৰিহণা দি থৈ গ'ল সেয়াও এক অবিস্মৰণীয় অধ্যায়। মিশ্ৰ বাপজনৰ জীৱন কাহিনী তথা স্মৃতি ৰোমন্থন কৰিব শক্তি আমাৰ নাই। অনন্তধামলৈ গতি কৰাৰ পাছতো তেখেতৰ স্মৃতিয়ে আমাক মুহূৰ্তে মুহূৰ্তে স্মৰণ কৰাই থাকিব। কণমানিহঁতৰ অনুষ্ঠানৰ পৰা ধৰি কলা-সংস্কৃতি, গীত-মাত, ৰীতি-নীতি ধৰ্ম আৰু নানা জাতিৰ সমাজৰ গঢ় দি অসমখনক চিনাকি কৰা মহাপুৰুষ দুজনাৰ অনুগামী হৈ অক্লান্ত পৰিশ্ৰমী সমাজ সেৱক হিচাবে জীৱনক মহত্বৰ শিখৰলৈ লৈ গৈ তেখেতে মৃত্যুকো মহীয়ান কৰিলে। যোৱা ১১ ফাগুণ ২৪ ফেব্ৰুৱাৰী ২০১০ চনৰ বুধবাৰে পুৱা ৯ বাজি ৩০ মিনিটত এক শুভক্ষণত বৈকুণ্ঠধামলৈ গতি কৰিলে।■

লেখক পৰিচয় ঃ **শ্ৰীনগেন বৰুৱা**
বামগাঁও প্ৰাথমিক শাখা, বিশ্বনাথ চাৰিআলি

# মিশ্ৰবাপৰ ব্যক্তিত্ব

**শ্ৰীহেমপ্ৰসাদ বৰা**

'তুমি হৰি কৃপাময়　　　　বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰু ৰূপে　　　তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হৌক।।'
--- নাম-ঘোষা, ১৩২

বাহিৰত গুৰু উপদেশ দাতা ব্যক্তিৰূপ, সমাজ আৰু বিশ্বত অনেক ৰূপত প্ৰকাশ পাব পাৰে। বাহিৰৰ গুৰুৱে দিয়া উপদেশৰ সত্যতা উপলব্ধিটো দৈৱীপ্ৰেৰণা ৰূপে অন্তৰ্যামী গুৰু কৃপাতহে হ'ব পাৰে। সেয়ে প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰবাপৰ ১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামত যোগদান কৰি কাৰাগাৰত ভাত খাই পৰিয়াল আৰু সমাজৰ দ্বাৰা দোষীসাব্যস্ত হৈহে যেন প্ৰকৃত উপলব্ধি হৈছে— সমাজৰ ভুল ধাৰণা তথা কুপ্ৰথাবোৰ। সেই সময়ৰ ধৰ্মৰ গোড়ামি, সমাজৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰসমূহক মুক্ত কৰিবলৈ প্ৰয়াস কৰা মানসিকতাই মিশ্ৰবাপক বেদ, উপনিষদ, পুৰাণ আদি বিভিন্ন গ্ৰন্থ পঢ়িবলৈ অনুপ্ৰাণিত কৰিছিল। সেই উপলব্ধিকেই প্ৰকৃত সত্য বুলি প্ৰেৰণা পাই মিশ্ৰবাপৰ জ্ঞান চকু ঈশ্বৰে মোকলালে আৰু তাৰাৰ কৃপাই মিশ্ৰবাপক মানসিকভাৱে দৃঢ় কৰি সমাজৰ মঙ্গলৰ বাবে ব্যক্তিত্ব প্ৰকাশ কৰিবলৈ সুবিধা দিলে।

কিছুমান ক্ষণে কিছুমান মহৎ লোকক সমাজৰ উপকাৰৰ বাবে সমাজলৈ উলিয়াই আনে। ইয়াৰ ফলত মহৎলোক আৰু সমাজ উভয়ৰে মঙ্গল হয়। এয়া হয়তো ভগৱানৰে কৃপা। তাৰাৰ কৃপাতে সেইসকল সমাজৰ পথ প্ৰদৰ্শক হয়। ইয়েই যেন অৱতাৰবাদৰ এক ৰূপ। গীতাতো শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল—

যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।।৭
অভ্যুৎথানম্‌ধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম।





পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।।৮
ধৰ্ম্ম সংস্থাপনৰ্থায় সম্ভৱামি যুগে যুগে।।
— চতুৰ্থ অধ্যায়

(যেতিয়া ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মৰ উত্থান হয় তেতিয়া মই নিজকে সৃষ্টি কৰো। সাধুসকলক ৰক্ষা কৰিবৰ বাবে, দুষ্টসকলক বিনাশ কৰিবৰ কাৰণে আৰু পুনৰ ধৰ্ম সংস্থাপন কৰিবৰ কাৰণে মই যুগে যুগে অৱতাৰ গ্ৰহণ কৰোঁ।)

মিশ্ৰবাপৰ যুক্তিবাদী মনোভাৱ আৰু স্থিৰ সিদ্ধান্তই সেই সময়ৰ শিক্ষিত সমাজক আকৰ্ষণ কৰিব পাৰিছিল। ফল স্বৰূপে ব্যক্তিগত কামত ৰাজধানী শ্বিলংলৈ যাওঁতে মহেন্দ্ৰ মোহন চৌধুৰীৰ সাক্ষাৎ হোৱাৰ বাবেই সহানুভূতিবশতঃ Health Assistant হিচাপে নিযুক্তি পাবৰ যোগ্য হৈছিল। এইয়া তাৰাৰ কৃপা।

পৰিয়ালৰ পৰা আঁতৰত থাকিবলগীয়া হৈ আৰু চাকৰি সূত্ৰে মিশ্ৰবাপ বিশ্বনাথৰ চতিয়াল এলেকাত থাকিব লগা হ'ল। চতিয়া তথা বিশ্বনাথৰ গুণী-জ্ঞানীসকলে মিশ্ৰবাপৰ ব্যক্তিত্বক বুজি পালে আৰু আদৰি ল'লে। অঞ্চলৰ ৰাইজে থকাৰ ব্যৱস্থা কৰি দি বাপজনৰ প্ৰতিভা বিকাশ হোৱাত সহায় কৰিলে। গুণীজনৰ গুণ প্ৰকাশৰ ক্ষেত্ৰত সমাজৰ অৰিহণা আটাইতকৈ বেছি। বিশ্বনাথবাসী এই গৌৰৱৰ অধিকাৰী। বিশ্বনাথবাসীয়ে উপযুক্ত ক্ষণত উপযুক্ত বুলি মিশ্ৰবাপক সকলো দিশতে অভয় প্ৰদান কৰাৰ লগে- লগে তেখেতৰ সুপ্ত প্ৰতিভা ক্ৰমে বিকাশ হ'বলৈ ধৰিলে। এইয়া অন্তৰ্যামী কৃষ্ণৰ কৃপা। ৰসত চতুৰজনেহে ভাগৱতৰ অমিয়া ৰস পান কৰিবলৈ সক্ষম হোৱাৰ দৰে বিশ্বনাথবাসী চতুৰ হোৱাৰ বাবেই মিশ্ৰবাপৰ ব্যক্তিত্বৰ ৰস পান কৰিবলৈ সক্ষম হ'ল। ধন্য মিশ্ৰবাপ, ধন্য বিশ্বনাথবাসী ভক্তসকল।

নৰনাৰায়ণৰ ৰাজসভালৈ শঙ্কৰদেৱ গুৰুজনাক নিয়াৰ ক্ষেত্ৰত ৰজাৰ দূৰদৃষ্টি সম্পন্ন ভাতৃ বিশ্বনাৰায়ণ (চিলাৰায়)ৰ ভূমিকা কম নহয়। বিশ্বনাৰায়ণ নিজে এজন পণ্ডিত হোৱাৰ বাবে গুৰুজনাৰ পাণ্ডিত্যক বুজি পাইছিল। সেয়ে গুৰুজনক সহায়, সমাদৰ আৰু ৰক্ষণাবেক্ষণ দিছিল। আকৌ ৰাজৰোষত পৰাৰ বাবেই নৰনাৰায়ণ ৰজাৰ সন্মুখত ভাগৱত শাস্ত্ৰৰ সংক্ষিপ্তকৰণ 'গুণমালা' পুথিভাগ ৰচনা কৰি গাৰ লগা হৈছিল। ৰাজৰোষত

নপৰাহেঁতেন গুণমালা পুথিভাগ এই ধৰণে প্ৰকাশ পালেহেঁতেন নে নাই আমাৰ সন্দেহ। এয়াই তাৰাৰ কৃপা। পৰীক্ষিত ৰজা ঋষিশাপত পৰি সাত দিনৰ ভিতৰত মৃত্যুবৰণ কৰিবলগীয়া হ'ল বাবেই ভাগৱত শাস্ত্ৰৰ শ্ৰৱণৰ প্ৰয়োজন হ'ল। ধ্ৰুৱক দেউতাক উত্তানপাদ্ ৰজাই স্নেহ কৰিব নোৱাৰাৰ বাবেই ধ্ৰুৱৰ ঈশ্বৰ দৰ্শনপ্ৰাপ্তিৰ সুযোগ, বগা পাঠা বলি দিব লগা হোৱাৰ বাবেই শঙ্কৰদেৱ মাধৱদেৱৰ মণি-কাঞ্চন সংযোগ, বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতিয়া বাপৰ খ্ৰীষ্টধৰ্ম গ্ৰহণৰ সিদ্ধান্তৰ সময়ত প্ৰয়াত পীতাম্বৰ দেৱগোস্বামী সাক্ষাৎ হোৱাৰ বাবেই চুতীয়া বাপৰ পাণ্ডিত্যৰ প্ৰকাশ আদি এশ এবুৰি ক্ষণৰ বাবেই সেইসকল ধন্য হৈ সকলোকে ধন্য কৰিছে। মিশ্ৰবাপে এইবিলাক উদাহৰণৰ ব্যতিক্ৰম নহয় বুলি আমাৰ ভাৱ হয়। ভাগৱত শাস্ত্ৰত ভকতক শ্ৰেষ্ঠ কৰা কাৰ্য সৰ্বজন বিদিত। মিশ্ৰবাপে যেন এই নীতিৰ প্ৰকৃত অৰ্থ বুজি পাইছিল। তেখেতে ভকতৰ বাবে সকলো বিসৰ্জন দিব পৰা এটা মন সদায় ৰাখিছিল বুলি তেখেতৰ আচৰণত ফুটি উঠিছিল। চতিয়া, বিশ্বনাথ, কাৰ্বি আংলং আদিত স্বাস্থ্যকৰ্মী হিচাপে সেৱা আগবঢ়াই থাকোতে খোজকাঢ়ি বা চাইকেলেৰে গৈ ভকতসকলক লগ পাই তেখেতসকলৰ সমস্যা দূৰ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাংগঠনিক দিশ সবল কৰি মিশ্ৰবাপ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হৈছিল। আঠবাৰকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ পদত থাকোতেও প্ৰাথমিক, আঞ্চলিক আৰু জিলাসমূহৰ সমস্যা দূৰ কৰিবলৈ বিচৰা মন আৰু সহানুভূতিপূৰ্ণ যুক্তিবাদী সিদ্ধান্তক সকলোৱে প্ৰশংসা কৰিছিল। সকলো মহিলাকে মাতৃসুলভ জ্ঞান কৰি 'মা' বুলি সম্বোধন কৰাটো মিশ্ৰবাপৰ এক বিশেষ গুণ। মহিলাসকলৰ মানসিক উৎকৰ্ষ সাধন কৰি সামাজিক প্ৰয়োজনীয়তা উপলব্ধি কৰোৱাটো আৰুসেই উন্নতিয়েই সমাজৰ প্ৰকৃত উন্নতি বুলি তেখেতে বুজিছিল আৰু সভা-সমিতিসমূহত যুক্তি সহকাৰে ইয়াৰ আহ্বান জনাইছিল।

শঙ্কৰদেৱ গুৰুজনাৰ প্ৰকৃত গুণৰাজি মাধৱদেৱ মহাপুৰুষৰ বিশেষভাৱে হৃদয়ঙ্গম হৈ বিশ্বত প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰাৰ দৰে মিশ্ৰবাপৰো চিন্তা অতি বাস্তৱ আছিল। তেখেতৰ মতে মানুহ জীৱশ্ৰেষ্ঠ মানৱ। কিয়নো ৬২ লক্ষ জন্ম চক্ৰ অতিক্ৰম কৰিহে এই অৱস্থা পাইছে। কিন্তু মানুহৰ আধ্যাত্মিক উন্নতিয়েহে প্ৰকৃত মানৱ কৰি গঢ়ি তোলে। ধৰ্ম, অৰ্থ, কাম,





মোক্ষৰ নিজৰা স্বৰূপ হৰিনামৰ বন্তি হৃদয়ত জ্বলাই জীৱ আত্মাক পৰমাত্মাৰ লগত মিলাব পাৰিলেহে মানৱ জীৱনৰ সাৰ্থকতা বুলি তেখেতে অনুভৱ কৰে। তেখেতে এই চিন্তাধাৰা আধ্যাত্মিক দিশৰ সভাসমূহত মূল বিষয়বস্তু হিচাপে গণ্য কৰি বক্তৃতা প্ৰদান কৰিছিল।

মিশ্ৰবাপে দেশৰ অনাচাৰ-অত্যাচাৰ আদি মূল কাৰণ-আত্মবোধ, আত্মস্মৃতিয়েই প্ৰকৃত জীৱন। শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধৰ প্ৰাক্-মুহূৰ্তত অৰ্জুনক তেজশ্ৰী ভাষণ দি মোহভঙ্গ কৰি আত্মবোধ, আত্মস্মৃতি ফিৰাই আনিলে। এনে উদ্দেশ্য লক্ষ্য ৰাখিয়েই বোধকৰো মিশ্ৰবাপে সমাজক উঠা, জাগা আৰু শ্ৰেষ্ঠ বস্তু লাভ কৰা আদি সঞ্জীৱনী মন্ত্ৰৰে আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল।

১৯৭৫ চনৰ গোলাঘাট জিলাৰ বৰুৱা বামুণ গাঁৱত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ৪৪তম অধিৱেশনৰ পদাধিকাৰ ভাষণত সাহিত্যৰ সম্পৰ্কত এক স্পষ্ট ধাৰণা তেখেতে দিছিল। তেখেতৰ মতে সমাজৰ উত্থান-পতনক ৰাখিব একমাত্ৰ সমাজৰ সাহিত্যই। গুৰুজনাক জীয়াই ৰাখিব বা ৰাখিছে তাৰাৰ সাহিত্যই। আকৌ তাৰাৰ সাহিত্যই জীয়াই ৰাখিছে অসমীয়া সমাজক। অসমীয়া সমাজৰ নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত গুৰুজনাৰ সাহিত্যই বাট দেখুৱাই লৈ গৈছে। গতিকে অসমীয়া জাতিৰ দাপোণ হৈছে শঙ্কৰ গুৰুৰ সাহিত্য, যি সাহিত্যই সকলো দিশ সামৰিছে। লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি, ড° মহেশ্বৰ নেওগ আদি সাহিত্যৰ পণ্ডিতসকলে গুৰুজনাৰ সাহিত্যক যি ধৰণে মুল্যায়ন কৰিছে, প্ৰয়াত মিশ্ৰবাপেও একে পথেৰেই আমাক বাট বুলিবলৈ আহ্বান জনাইছে।

কাৰ্বি আংলং জিলাৰ বকলিয়াঘাটত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ ভাষণত মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়তা সম্পৰ্কত যি ভাষণ দিছিল তাত বিজ্ঞানৰ সৈতে যে ধৰ্মৰ ওতঃপ্ৰোত সম্পৰ্ক আছে তাকে আঙুলিয়াই গৈছে। তেখেতৰ মতে বিজ্ঞানে মানুহৰ পাৰ্থিৱ ভোগ সুখ-কামনাৰ উপকৰণবোৰ বঢ়াই জৈৱিক ক্ষুধাক নিবৃত্তি কৰিছে। কিন্তু ধৰ্মৰ অনুশীলনেহে মানুহৰ শাশ্বত ক্ষুধাক নিবাৰণ কৰিব পাৰে। ধৰ্মই মানুহক ত্যাগ, পৰোপকাৰ আৰু সৰলতাৰ শিক্ষা দিয়ে। গতিকে মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজন অপৰিহাৰ্য বুলি তেখেতে আমাক সোঁৱৰাই গৈছে, গুৰুজনাৰ

আদৰ্শৰে বুঢ়া, ডেকা, শিশু সকলোকে মানৱ প্ৰেমৰ বাস্তৱ আৰু বিজ্ঞানসন্মত পৰামৰ্শ দি সকলোকে সন্তোষ হ'ব পৰাকৈ ভাষণ দিয়াটো মিশ্ৰবাপৰ এটা কলা। এইয়া হয়তো ঈশ্বৰৰ কৃপাতহে সম্ভৱপৰ।

আকৌ ভাতৃত্ববোধ আৰু ভগৱানৰ প্ৰতি থকা ভক্তিয়েহে এখন শৃঙ্খলাবদ্ধ সমাজ গঢ় দিব পাৰে বুলি বাপজনাই ভাবিছিল। জাত-পাত বিচাৰ নকৰি গুৰুজনা আৰু গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ প্ৰকৃত মানৱ সেৱা কৰাৰ পৰামৰ্শ তেখেতৰ ভাষণসমূহৰ মূলমন্ত্ৰ আছিল। জীৱনৰ প্ৰতিটো খোজতে তেখেতে কথাৰ লগত কামৰ মিল ৰাখিবলৈ বিচাৰি সকলোৰে প্ৰিয়ভাজন হৈছিল।

মিশ্ৰবাপৰ বিৰল ব্যক্তিত্ব নিশ্চয় সকলোৰে স্মৰণ হ'ব। ঈশ্বৰৰ কৃপাতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এইজনা মহান পুৰুষৰ সেৱা লভিবলৈ সক্ষম হ'ল। ধন্য নিশ্ৰবাপ, ধন্য শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ধন্য বিশ্বনাথবাসী ভক্তবৃন্দ।■

---

লেখক পৰিচয় ঃ **শ্ৰীহেমপ্ৰসাদ বৰা**
সদস্য, সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ



# মোৰ পৰম পূজ্য বাপ (দেউতা)

**শ্ৰীমৰমী মিশ্ৰ**

'ভাঙি গ'ল বীণখনি ছিঙি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ।।'

সত্য কথা— য'ত বীণ ভাঙি যায়, তাঁৰ ছিঙি যায়, কিন্তু তাৰ যিটো ঝংকাৰ সদায় ৰৈ যায়।

ঠিক তেনেদৰে মোৰ মা আৰু বাপৰ ঝংকাৰ প্ৰতিটো পল, প্ৰতিটো ক্ষণতে অনুভৱ কৰোঁ। মায়ে আমাক সৰুৰ পৰাই দেউতাক বাপ বুলি মাতিবলৈ শিকালে। মাক প্ৰশ্ন কৰিলে কয়— তোমালোকৰ দেউতাৰাৰ সঙ্গী-ভকতে বাপ, বাপ বুলি মাতোতে তোমালোকেও বাপ বুলি মাতিব শিকিলা।

সৰু অৱস্থাত অৰ্থাৎ মেট্ৰিক পৰীক্ষা দিয়ালৈকে মই বাপৰ সান্নিধ্য খুব কমেই পাওঁ। কাৰণ বাপ ঘৰৰ পৰা আঁতৰত থাকি চাকৰি কৰে। বাপ যেতিয়া চাকৰিৰ ছুটীত ঘৰলৈ আহে তেতিয়া মই মাক কওঁ দৌৰি গৈ— মা, আলহী মানুহজন আহিছে। যোৱা আক' তুমি বাহিৰলৈ বহিব দিয়াগৈ। ইমান ডাঙৰ মানুহ মোৰ মাতিব ভয় লাগে। মায়ে মোক ধম্‌কি দি কয়— কিয় আলহী বুলি কৈছা? তোমাৰ দেউতাহে ঘৰলৈ আহিছে। এনেদৰেই বহুত দিন গ'ল।

যেতিয়া বাপ চাকৰিৰ পৰা অৱসৰ লৈ ঘৰলৈ আহে তাৰ পিছৰ পৰাই লাহে লাহে বাপৰ সান্নিধ্যলৈ আহোঁ আৰু ভয় নকৰা হওঁ। মই ঘৰৰ সৰু আৰু মৰমতে বাপ আৰু মায়ে মোক আইজনী বুলি মাতে।

মই হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পাছত মোক বাহিৰত পঢ়াই আনি চাকৰিত মকৰল কৰায়। প্ৰথম চাকৰিত যোগদান কৰাৰ দিনাই বাপে মোক তিনিটা বাক্য চাকৰি জীৱনত মনত ৰাখিবলৈ কয় আৰু আশীৰ্বাদ

দিয়ে। আৰু ময়ো বাপৰ কথামতেই সেই তিনিটা বাক্য মনত ৰাখিয়েই বৰ্তমানলৈকে চলি আছোঁ।

মা ঢুকুৱাৰ পিছৰ পৰাই বাপ মোৰ জীৱনৰ একমাত্ৰ সম্বলৰ দৰেই আছিল। যেতিয়া মই ছুটী লৈ ঘৰলৈ যাওঁ— গৈ পোৱাৰ লগে লগে প্ৰথমে বাপক সাৰটি ধৰি, বাপ বুলি কৈ গাল দুখনত চুমা খাই কওঁ— মই আহি পালো বাপ, চিন্তা নকৰিব। তাৰ পিছত চাহ-পানী খাই ওচৰতে বহি সকলো দুখ-সুখৰ কথা পাতো। বাপ অকল দেউতা বুলিয়েই নহয়, বন্ধু বুলি ভাবিও মই সকলো কথাই খুলি কৈছিলোঁ।

কিন্তু নিয়তিৰ কি পৰিহাস— নিষ্ঠুৰ নিয়তিয়ে যে হঠাতে এনেদৰে মোক আৰু লগতে ঘৰখনক অকলশৰীয়া কৰিব ভবাই নাছিলো।

বৰ্তমানো বাপ সদায় মোৰ লগতে আছে বুলিয়েই ভাবো আৰু সদায়েই বাপৰ লগত দুখ-সুখৰ কথা পাতো, বাপে মোক বহুতো উপদেশ দিয়ে আৰু মই মনে মনে শুনি যাওঁ।

সদৌ শেষত বাপ, আপোনাক মই কথা দিলো— 'আপোনাৰ প্ৰতিটো প্ৰতিভা, প্ৰতিটো আদৰ্শ চৌদিশে চুকে-কোণে উজ্বলাই ৰাখিম।'

বাপ, অ' বাপ—

'তুমি আজি ধন্য
তুমি আজি পুণ্য
তুমি মোৰ আৰু সকলোৰেই
চিৰনমস্য।'■

---

লেখক পৰিচয় ঃ **শ্ৰীমৰমী মিশ্ৰ (আইজনী)**
সৰু জীয়ৰী
বামগাঁও, বিশ্বনাথ চাৰিআলি



# অচ্যুতকৃষ্ণ মিশ্ৰ বাপজনাৰ স্মৃতিত একাজলি শ্ৰদ্ধাঞ্জলি

**শ্ৰীপমী বৰা (ভূঞা)**

'পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল।।
-- নামঘোষা

গুৰুজনাই হৰি ভকতিৰ হৰি নামধৰ্ম প্ৰচাৰ কৰি থৈ গ'ল। হৰিনাম ধৰ্ম প্ৰচাৰ কাৰ্যত অহোপুৰুষাৰ্থ কৰা ভক্তসকলৰ ভিতৰত গুৰুজনাৰ একান্ত ভক্ত মহাপ্ৰাণ প্ৰয়াত অচ্যুতকৃষ্ণ মিশ্ৰ বাপ অন্যতন প্ৰবক্তা। শ্ৰদ্ধাৰ বৈকুণ্ঠগামী প্ৰাক্তন পদাধিকাৰ মিশ্ৰদেৱৰ পুণ্য স্মৃতিত শতকোটি প্ৰণাম নিৰেদিলো। মৃত্যু ক্ষন্তেকীয়া, স্মৃতি যুগমীয়া। মৃত্যুৰ ঘৰলৈ যাওঁতে বিভিন্নজনে বিভিন্ন সময়ত এৰি থৈ যায় কিছুমান জীৱন্ত স্মৃতি।

যিজন মহান ব্যক্তি ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰি উগ্ৰজাত্য অভিমান আৰু ব্ৰাহ্মণ্যবাদৰ প্ৰাচীৰ ভাঙি হৰি নামধৰ্মৰ সপক্ষে বিদ্ৰোহ ঘোষণা কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত প্ৰাক্তন পদাধিকাৰ মিশ্ৰবাপে ত্যাগ কৰিছিল স্ব-গোত্ৰীয় বন্ধু-বান্ধৱ আৰু আত্মীয় স্বজন।

আমাৰ মনত আদৰ্শ ব্যক্তিৰূপে স্থান দখল কৰা, পূজ্য বাপজনাই জীৱিত কালতেই ধৰ্মীয় সমাজ-সংস্কৃতি জীয়াই ৰখাৰ বাবে বিভিন্ন ঠাইত নামঘৰ প্ৰতিষ্ঠা কৰি শ্ৰেণীহীন সমাজক গুৰুজনাৰ আদৰ্শত শৰণ-ভজন দি ভকত বৈষ্ণৱৰ সংগ লৈ কলিকালত কৃষ্ণ নাম স্মৰণ কৰি মোক্ষ ধামৰ ৰেঙণি দিয়া, ভক্তিৰ মাহাত্ম্যক প্ৰদান কৰি এক নতুন বাৰ্তা কঢ়িয়াই আনিছিল।

'যত দেখা শুনা মায়াময় স্বপ্নসম।
হৰিময় দেখি দূৰ কৰা মতিভ্ৰম।।' —ভাগৱত

গুৰুজনাই মৃত্যুৰ পাছত জীৱ মোক্ষ লাভতকৈ জীৱন কালতেই মোক্ষ সুখতকৈয়ো অনেক গুণে শ্ৰেষ্ঠ এটি সুখৰ উন্মেষ কৰিছে।

তেখেতৰ কৰ্মময় জীৱনত জ্ঞানৰ বিশাল ভাণ্ডাৰ লিখনিৰ দ্বাৰা বৰ্ণনা কৰিব নোৱাৰো। শঙ্কৰী সংস্কৃতিৰ সাধক এই গৰাকী মহান ব্যক্তিক প্ৰথম বাৰৰ বাবে লগ পাওঁ শৰণ কাৰ্য সম্পাদনৰ উদ্দেশ্যে ১৯৯৩ চনত বামগাঁৱৰ তেওঁৰ গুৰুগৃহত। সেই সময়তে তেখেতে মাধৱদেৱৰ ঘোষা আৰু ভাগৱত ব্যাখ্যা প্ৰদান কৰা জ্ঞানগৰ্ভ ভাষণে বিভিন্ন ধৰ্মীয় অনুষ্ঠানত আইমাতৃসকলৰ ওপৰত বিশেষ দায়িত্ব অৰ্পণ কৰিছিল, যাতে বৰ্তমান যুৱ প্ৰজন্মৰ যি উশৃঙ্খল পৰিস্থিতি চলিছে, সেই পৰিস্থিতিত সমাজখন নৈতিক স্থিতিত আগবাঢ়িব পাৰে তাৰ ওপৰত গুৰুত্ব দিছিল। অজস্ৰজনৰ মাৰ্গ দৰ্শক মিশ্ৰ বাপৰ এই মৃত্যু কেৱল শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ বাবেই ক্ষতি নহয়, এই ক্ষতি সমগ্ৰ বৈষ্ণৱ প্ৰাণ ভক্তৰ বাবেই ক্ষতি। মানৱ জীৱনৰ উদ্ধাৰৰ বাট দেখুৱাই ২০১০ চনৰ ইং ২৪ ফেব্ৰুৱাৰীৰ বুধবাৰে গুৰুক হৃদয়ত স্থাপন কৰি জীৱন নাটৰ যৱনিকা পেলালে। প্ৰতিটো ক্ষণতে তোমাৰ আদৰ্শ কৰ্মৰাজি প্ৰতি গৰাকী ভকতৰ হৃদয়ঙ্গম হওক। এনে এজন মহান ব্যক্তিৰ প্ৰতি আমাৰ ভক্তি অঞ্জলিৰ বাদে অন্য একো নাই।

কি দিয়া পূজিম প্ৰভু চৰণ দুখানি।
তোমাক পূজিবাৰ বস্তু নাপালো বিচাৰি।।

সেয়ে হে মিশ্ৰবাপ, তোমাৰ আদৰ্শ বুকুত বান্ধি একান্ত সেৱক ৰূপত জনালো শ্ৰদ্ধাৰ অঞ্জলি। বেকুণ্ঠগামী মিশ্ৰ বাপৰ আত্মাই বৈকুণ্ঠত চিৰশান্তি লাভ কৰক তাৰে কামনাৰে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।■

লেখক পৰিচয় ঃ **শ্ৰীপমী বৰা (ভূঞা)**
উত্তৰ শান্তিপুৰ, বিশ্বনাথ চাৰিআলি
বামগাঁও প্ৰাথমিক শাখা





# হে ঃ বাপ

**শ্ৰীবুদ্ধ বৰা**

গুৰুজনাৰ অমৃত বাণী কণ্ঠত লৈ
হৃদয়ত ভক্তিৰ থাপনা পাতি
সমন্বয় ভেটি সুদৃঢ় কৰি
জীৱন নাটৰ যৱনিকা পেলাই
বাপজন গ'ললৈ শান্তিৰ ধামলৈ।

প্ৰশান্ত সদৃশ জ্ঞান লৈ
শিশু সদৃশ নিষ্পাপ হৈ
ফুল সদৃশ পৱিত্ৰ প্ৰাণেৰে
নিঃস্পৃহ এটি মনেৰে
বাপ-বান্ধৱসকলক ৰিঙিয়াই গ'ল-

হৰি মানে কৰুণা,
কৰুণা মানে দয়া;
দয়াই হিয়াত প্ৰবাহিত কৰে
ভকতিৰ নিৰ্মল নিজৰা।■

লেখক পৰিচয় ঃ **শ্ৰীবুদ্ধ বৰা**
তেজপুৰ, উষানগৰ

## জয় গুৰু শঙ্কৰ

# পদাধিকাৰৰ অভিভাষণ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ
## ৪৪তম বাৰ্ষিক অধিৱেশন

## বৰুৱা বামুণগাঁও ঃ গোলাঘাট
## ১৯৭৫ চন

# অচ্যুত কৃষ্ণ মিশ্ৰ





**জয় গুৰু শঙ্কৰ**

বৰ্তমান অৱস্থাৰ পৰিৱৰ্তন ঘটাব খুজিলে প্ৰথমে প্ৰয়োজন মনুষ্যত্বৰ মৰ্যদাবোধ বৃদ্ধি। মানুহৰ ভিতৰত অন্তৰ্নিহিত যি ভূমা আছে তাৰ বিকাশ কৰিলেই মানুহ যথাৰ্থ মানুহত পৰিণত হয় আৰু ইয়াকেই কোনোৱে দেৱত্ব বুলি কয় আৰু কোনোৱে আদৰ্শ মানৱ বুলি কয়। এই আদৰ্শ আজি একান্ত অভাৱ। এই অভাৱৰ কাৰণে অভিযোগ কৰিলে লাভ নহ'ব। প্ৰতিবাদ কৰিলেও লাভ নহ'ব। প্ৰয়োজন ব্যক্তিগত আৰু জাতিগত জীৱনত নতুন সাধনা- প্ৰকৃত মানুহ হোৱাৰ সাধনা। মনুষ্যত্ব অৰ্জনৰ সাধনা, ত্যাগ আৰু সেৱাৰ সাধনা, শক্তি আৰু সহানুভূতিৰ সাধনা, দেশ প্ৰীতি আৰু মানৱ প্ৰীতিৰ সাধনা- তেতিয়াহে দূৰীভূত হ'ব এক শ্ৰেণী নৰ পশুৰ ভাতৃঘাতী আচৰণ আৰু দূৰীভূত হ'ব জাতীয় জীৱনত সংহতিহীন দুৰ্বলতা আৰু অনিশ্চয়তা। মানৱৰ অন্তৰত সত্য, প্ৰেমশক্তি, পৱিত্ৰতা, শান্তি আৰু সন্তোষৰ স্বৰ্গৰাজ্য প্ৰতিষ্ঠিত হ'লেই বাহিৰৰ সমস্যাতো সেইটো প্ৰতিফলিত হৈ উঠিব।

মানুহৰ অন্তৰত স্বৰ্গৰাজ্য স্থাপন, পশু মানৱক পূৰ্ণ মানৱতাত ৰূপান্তৰিতকৰণ আৰু মানুহৰ অন্তৰ্নিহিত দেৱত্ব বা পূৰ্ণত্বক বিকশিত কৰি তোলা একেই কথা। এইটো পাৰ্লিয়ামেণ্টত আইন প্ৰণয়ন কৰি কৰা সম্ভৱ নহয়। মানুহৰ এই আভ্যন্তৰীণ উন্নয়ন, আৰ্থিক মানোন্নতি বা বৈজ্ঞানিক শিল্প প্ৰসাৰৰ ওপৰতো নিৰ্ভৰ নকৰে। অৰ্থনৈতিক সমতাই মানুহৰ স্বাৰ্থদ্বন্দ্বক সাময়িকভাৱে চেপা দিব পাৰে কিন্তু নিৰ্মূল কৰিব নোৱাৰে। অথচ সমষ্টিগতভাৱে মানুহৰ সুখ-শান্তি নিৰ্ভৰ কৰে সমাজ আৰু সংসাৰত স্বাৰ্থজনিত পাৰস্পৰিক সংঘৰ্ষ কিমান কমিছে তাৰ ওপৰত।

অধ্যাত্ম বিজ্ঞানে দেহ কেন্দ্ৰিক সচেতনতাৰ পৰা মানুহক অন্যতম উচ্চতৰ বিৰাট এক সত্তা সম্বন্ধে সচেতন কৰে। আৰু তাৰ ফলত জাগ্ৰত মানৱে দেশে-কালে সীমাবদ্ধ অস্তিত্বৰ গণ্ডি অতিক্ৰম কৰি 'হামু যত জিৱ শিৰ তেৰি কায়া' এই মহান ভাৱত অনুপ্ৰাণিত হৈ সকলোৱে সেৱা সুখত

আত্মনিয়োগ কৰে। আধ্যাত্মিক সাম্যভাৱৰ ওপৰত প্ৰতিষ্ঠিত এই সৰ্বকল্যাণ প্ৰচেষ্টাই আজি ৰুগ্ন সমাজত তাৰ স্বাস্থ্য সম্পদ ফিৰাই অনাৰ মহৌষধ।

**ধৰ্মৰ উৎস ঃ** ধৰ্মৰ উৎস হ'ল জ্ঞান, ইষ্টদেৱতা বা পৰম পুৰুষ। ধৰ্ম হ'ল ঈশ্বৰৰ ওপৰত তথা সত্যত বিশ্বাস ৰাখি এটা আদৰ্শৰ আনুগত্যত নিজ নিজ জীৱন নিৰ্বাহৰ পথ। মানুহৰ এটাই ধৰ্ম। মানৱ ধৰ্ম আৰু তাৰ উপলব্ধিৰ বাবেই আৱশ্যক জীৱনৰ প্ৰতি পোৱা এটা বিজ্ঞানসন্মত দৃষ্টিভঙ্গী। মানৱাত্মাৰ কৰ্ম বিকাশৰ গুৰুবোৰেই দৰ্শনৰ বিভিন্ন সূত্ৰসমূহ। ধৰ্ম গ্ৰন্থবোৰ মানৱ বিবেকৰ কৰ্ম বিকাশৰ ইতিহাস শতাব্দীৰ মাজেৰে বাগৰি অহা মানুহৰ সত্যৰ অনুসন্ধানৰ প্ৰতিবেদন, বোৱঁতী যুগৰ মানুহে বিশ্বাস কৰে মানৱ ভাতৃত্বত। মানৱীয় অধিকাৰ নৈতিকতা, নৈষ্ঠিকতা অবিহনে ধৰ্ম অসাৰ। ভগৱানৰ ওচৰত সকলো সমান। কাৰণ 'তোমাৰেসে অংশ আমি যত জীৱ জাক।' আৰ্থিক আ সামাজিক অসমতা দূৰীকৰণেই সমকালীন যুগ ধৰ্মৰ আদৰ্শ। সমজুৱাৰ কল্যাণেই ব্যক্তিগত কল্যাণৰো আধাৰ। সমাজৰ পৰা ৰোগ, শোক, ক্ষুধা, তৃষ্ণা, দৰিদ্ৰতা আঁতৰাবৰ নোৱাৰালৈকে মানৱীয় আদৰ্শই নিবিচাৰে ব্যক্তিগত মুক্তি। শ্ৰেণীহীন, শোষণমুক্ত, দুৰ্নীতি-অন্যায়-অবিচাৰ, বিলুপ্ত, ব্যক্তিগত স্বাধীনতাৰ উপভোগ্য এখন সুস্থ সমাজ ৰচনা কৰাই বৰ্তমান যুগত মানুহৰ ধৰ্ম হোৱা উচিত। বলী-নিৰ্বলী, ধনী-দুখীয়া, জাতি-উপজাতি, উচ্চ-নীচৰ ব্যৱধানৰ ন্যায়সঙ্গত সমাধান বিচাৰে বোৱঁতী যুগৰ বোৱতী আদৰ্শই। সাম্য মৈত্ৰী, ভ্ৰাতৃত্বৰ ভাৱেৰে মানৱ জাতিৰ নিৰক্ষৰ, অৰ্দ্ধনগ্ন, ভোকাতুৰ, গৃহহীন 'সমস্তৰে আত্মা নাৰায়ণ'ক আত্ম প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসেই বৰ্তমান যুগৰ বাস্তৱধৰ্মী দৰ্শনৰ বুনিয়াদ। ধৰ্মৰ জৰিয়তে কৰ্তব্য কৰিবলৈকে শ্ৰীমদ্ভগৱত গীতাই মানৱ দৰবাৰৰ সন্মুখত দিছে অমোঘ বাণী—

'কাম্যানং কৰ্ম্মণাং ন্যাসং সন্যাসং কবয়ো বিদুঃ।
সৰ্ব্ব কৰ্ম্ম ফলত্যাগং প্ৰাণস্ত্যাদাং বিচক্ষণাঃ।।' ২৮/২

আত্মকেন্দ্ৰিক মনোভাৱেৰে পতা উদ্ভৱ হোৱা কৰ্মত্যাগেই সন্ন্যাস কৰ্ম ফলৰ প্ৰতি আসক্তি নোহোৱাই প্ৰকৃত ত্যাগ। বাস্তৱ জীৱনৰ সমস্যাৱলীৰ সমাধানৰ বাবে এটা দৃঢ় দৃষ্টিভঙ্গীৰে কৰ্তব্য পালনেই বৰ্তমান যুগৰ আকুল আহ্বান।





**শান্তিৰ পথ কি ঃ** আজি বিশ্ব মানৱৰ জড় জগতৰ জীৱই সুখ-শান্তি লাভৰ বাবে ভীষণভাৱে প্ৰয়াস কৰি আছে। কিন্তু ফলতঃ পৰিলক্ষিত হৈছে যে শান্তিৰ পৰিৱৰ্তে বৰং অশান্তি দাবানলত দগ্ধীভূত হৈ কেৱল মাত্ৰ হায়! হায়! কৰিছে। আমি প্ৰত্যেকেই দুখ নিবাৰণৰ কাৰণে বহু চেষ্টা কৰিছোঁ। কিন্তু বাস্তৱতঃ যি পথ অৱলম্বন কৰিলে আমাৰ দুখ বিনাশ আৰু নিত্য সুখ শান্তি হ'ব তাৰ সন্ধান আজি কৰিবৰ বাবে চেষ্টা কৰা দেখা নাযায়। এই পৰিদৃশ্যমান জগতত কোনোৱে ভাবিছে স্থূল সূক্ষ্ম শৰীৰৰ উন্নতিৰ বিধানত, কোনোৱে ভাবিছে জড় বিজ্ঞানৰ উন্নতি বিধানৰ দ্বাৰা নিৰত্য সুখ-শান্তি আনিবৰ বাবে; আকৌ বিশ্বৰ প্ৰধান প্ৰধান ৰাজনীতিজ্ঞসকলে U.N.O. নামৰ এটি প্ৰতিষ্ঠানৰ দ্বাৰা নিত্য সুখ-শান্তি আনয়ন প্ৰয়াসী আৰু কোনোৱে জ্ঞান মাৰ্গৰ দ্বাৰা, কোনোৱে কৰ্ম মাৰ্গৰ দ্বাৰা আৰু কোনোৱে যোগ মাৰ্গ অৱলম্বন কৰি নিত্য সুখৰ স্বপ্ন দেখিছে। কিন্তু যি পন্থা অৱলম্বন কৰিলে বস্তুতঃ জীৱই নিত্য সুখ-শান্তিৰ অধিকাৰী হ'ব পাৰে তাৰ জনতাৰ হাবিয়াস দেখা নাযায়।

প্ৰথমে দেখা যাওক স্থূল সূক্ষ্ম শৰীৰৰ উন্নতিত আমাৰ নিত্য সুখ-শান্তি পাব পাৰিনে নোৱাৰি? এই স্থূল শৰীৰৰ ছয়টি দোষ যেনে-- জন্ম, ভয়, ক্ষুধা, তৃষ্ণ, জৰা আৰু মৃত্যু। 'শৰীৰং ব্যাধি মন্দিৰম্' অৰ্থাৎ এই শৰীৰ ব্যাধিৰ মন্দিৰ। এটি ৰোগ দূৰ হ'লেই দেহত ধৰ্মবশতঃ অন্য এটি ৰোগৰ সূচনা হয়। সূক্ষ্ম শৰীৰ অৰ্থাৎ মন, বুদ্ধি, অহংকাৰ, চিত্ত তদনুৰূপ পৰিৱৰ্তনশীল আৰু বিকাৰগ্ৰস্ত। যিহেতু—

"যাবজ্জননং তাবৎ মৰণ্
তাবজ্জননী জঠৰে শয়ণম,
ইতি সংসাৰে স্ফুটতৰ দোষঃ
কথমিহ মানৱ তব সন্তোষঃ।।"

গতিকে জন্ম, মৃত্যু, জৰা ব্যাধিযুক্ত স্থূল শৰীৰৰ দ্বাৰাও নিত্য সুখ শান্তি লাভৰ সম্ভাৱনা নাই।

দ্বিতীয়তে জয় বিজ্ঞানৰ উন্নতি কালৰ প্ৰভাৱত পৰিণাম ধ্বংস হৈ থাকে। জড় বিজ্ঞানৰ যিমানেই সমৃদ্ধি নহওক, নিত্য স্থায়িত্বৰ অভাৱ হেতুকে তাৰ দ্বাৰা নিত্য সুখ লাভ কৰা জীৱৰ পক্ষে কেতিয়াও সম্ভৱপৰ নহয়।

এক সময়ত স্বৰ্ণপুৰী লঙ্কাৰ অন্য সময়ত ৰোমৰ সমৃদ্ধি আৰু বৃটিছ সাম্ৰাজ্যৰ বিকাশে কালান্তৰত ধ্বংস আৰু ঠায়ে ঠায়ে ক্ষয়ময় হৈছে। কোনে নাজানে যে প্ৰাচ্যৰ শিল্প সমৃদ্ধি, জাপানৰ হিৰোছিমা, নাগাছাকি চহৰৰ দুঃখময় চৰম পৰিণতিৰ কথা। তাৰ উপৰি ভূমিকম্প, ধুমুহা, আগ্নেয়োৎপাতাদিৰ ভয়াবহ ধ্বংসলীলাৰ পৰা জড় বিজ্ঞানেও ৰেহাই নাপায়। আনকি তাৰ দ্বাৰা জড় বিজ্ঞানৰ উন্নতিও সৰ্বতোভাৱে ধ্বংস হৈ থাকে। গতিকে জড় বিজ্ঞানৰ উন্নতিত আমাৰ নিত্য সুখ হ'ব নে নহয় সেইটো আমাৰ বিচাৰ্য বিষয়।

বিশ্বত U.N.O. স্থাপিত হোৱা সত্বেও অশান্তিৰ দাবানল শান্ত কৰিবৰ সমৰ্থ হোৱা নাই। ৰাষ্ট্ৰসমূহৰ ভিতৰত পৰস্পৰ যুঁজ-বাগৰ হৈয়ে আছে। U.N.O.অফিচ আমেৰিকাতেই স্থাপিত। অথচ সেই আমেৰিকাই উত্তৰ ভিয়েটনামত শান্তিৰ নামত অশান্তিৰ তাণ্ডৱ লীলা কৰিছে। কিছুদিন আগতে ভাৰত, পাকিস্থান, ইজৰাইল, আৰব দেশিবিলাকৰ মাজত সংঘাত হৈ গৈছে। তথাপি এই আন্তৰ্জাতিক শান্তি সস্থাই শান্তি আনিব পৰা নাই।

তৃতীয়তে কৰ্ম মাৰ্গৰ দ্বাৰা অনেক সুখ-শান্তি বিধানৰ প্ৰয়াসী হয়। নিজ সুখ বিধানৰ বাবে যি কৰা হয় শাস্ত্ৰবিদসকলে তাকেই কৰ্ম সংজ্ঞা নাম দিছে। আমি ইহলৌকিক আৰু পৰলৌকিক ভেদে দুই প্ৰকাৰ সুখ-ভোগৰ কাৰণে কৰ্মৰ আহ্বান কৰোঁ। কিন্তু বেদান্তৰ অকৃত্ৰিম ভাষা পুৰাণ সম্ৰাট শ্ৰীমদ্ভাগৱতে কয়—

কৰ্ম্মান্যাৰম্ভনানং দুঃখহতৈ সুকায় চ।
পশ্যেৎ পাকবিপৰ্য্যানং মিথুনী চাৰিণং নৃণাম।।

ইহজগতত মানুহে দুখ বিনাশ আৰু সুখ শান্তিৰ কাৰণে কৰ্মৰ সূচনা কৰে কিন্তু ফল তাৰ বিপৰীতহে হয়। আকৌ গীতাতো ভগৱানে কৈছে—

"যজ্ঞৰ্থা কৰ্ম্মনোহন্যত্ৰ লোকোহয়ং কৰ্ম্ম বন্ধনং।"

অৰ্থাৎ ভগৱান বিষ্ণুৰ প্ৰীতিৰ ব্যতিৰেকে নিজৰ ইন্দ্ৰিয় তৰ্পণৰ কাৰণে যিটো কৰা হয়, তাৰ দ্বাৰা জীৱৰ বন্ধন ব্যতিৰেকে কিছু লাভ নহয়। পৰলৌকিক কৰ্ম ফল সম্বন্ধে শ্ৰীমদ্ভাগৱতত কৈছে—

এবং লোকং পৰং বিদ্যান্ন শৰং কৰ্ম্ম নিৰ্ম্মিতম।
শতুন্যাতি শয় ধ্বংসং যথা মণ্ডল বৰ্ত্তিনাম্।।

অৰ্থাৎ খণ্ড খণ্ড ৰাজ্যসমূহৰ অধিপতিবিলাকৰ মাজত যিদৰে পৰস্পৰ





হিংসাদ্বেষাদি দেখা যায় সেইদৰে কৰ্মফলজনিত স্বৰ্গাদি পৰলোক অধিবাসীবোৰৰ মাজতো তুল্য ব্যক্তিৰ মাজত দ্বেষ, উচ্চ পদাসৃত ভক্তিৰ প্ৰতি অসূয়া বৰ্তমান আৰু কৰ্মাৰ্জিত ঐহিক ভোগ বস্তুৰ নিচিনা কৰ্মাৰ্জিত পাৰলৌকিক ভোগ বস্তুৰ ভোগৰ দ্বাৰা ক্ষয়মান বুলি 'ই নশ্বৰ' বুলি জানিব লাগে। আনকি গীতাত কৈছে—

তে ত্বং ভোক্তা স্বৰ্গলোকং বিশালং।
ক্ষীণে পূণ্যে মৰ্ত্যালোকং বিশন্তি।।

কৰ্মবিলাকে যজ্ঞাদি পুণ্য কৰ্মৰ ফলত স্বৰ্গ লাভ কৰে আৰু তাত প্ৰচুৰ সুখ ভোগ কৰি পুণ্য ক্ষয় হ'লে পুনৰ মৰ্ত্যলোকলৈ আগমন কৰে। শ্ৰীমদ্ভাগৱততো দেখা যায়—

যি পৰ্যন্ত জীৱৰ পুণ্যক্ষয় নহয় সেই পৰ্যন্ত সি স্বৰ্গত আনন্দ লাভ কৰে। কিন্তু পুণ্য শেষ হ'লেই তাৰ অনিচ্ছা সত্বেও কাল প্ৰেৰিত হৈ অধোগতি প্ৰাপ্ত হয়। কৰ্মৰ হেয়ত্ব সম্বন্ধে মুণ্ডক শ্ৰুতিত কৈছে—

প্লাবাহ্যেতে অদৃঢ়া যজ্ঞৰূপা অষ্টা দশোক্তমবৰং যেষু কৰ্ম্ম।
এতচ্ছেয়ো যেহভিনন্দন্তি মূঢ়া জৰা মৃত্যুংতে পুনৰেবাপি যন্তি।।

অৰ্থাৎ বিষ্ণুৰ উদ্দেশ্যে যি অনুষ্ঠিত নহয় তেনে যজ্ঞৰূপ প্লৱা অৰ্থাৎ নৌকা ভৱসমুদ্ৰ তৰণৰ কাৰণে দৃঢ় নহয়। কিয়নো এইবোৰ যজ্ঞৰ ভিতৰত অষ্টাদশ পুৰুযোক্ত কৰ্ম ভগৱানৰ উদ্দেশ্যে অনুষ্ঠিত নহয় কাৰণেই ই অপকৃষ্ট। যিবিলাক অবিবেকী মানুহে ইয়াকো চৰম কল্যাণ লাভৰ উপায় বুলি মনত ভাব লৈ ইয়াৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে তেওঁলোকে পুনঃ পুনঃ জৰা মৃত্যু প্ৰাপ্ত হয়।

গতিকে দেখা যায় যে ঐহিক আৰু পাৰত্ৰিক সুখ বিধানৰ কাৰণে জীৱবোৰে যি পাপ পুণ্যজনক কৰ্মবোৰ কৰি থাকে তাৰ দ্বাৰাও জীৱৰ বন্ধন সুখ আৰু চৰম অধোগতিহে লাভ হয়।

চতুৰ্থতঃ অনেকে আৰু নিৰ্ভেদ জ্ঞান বিচাৰ কৰি নিত্য সুখ লাভৰ স্বপ্ন দেখে এইবিলাকক নিৰ্বিশেষ ব্ৰহ্মজ্ঞানী বা মায়াবাদী বোলা হয়। এওঁলোকৰ উদ্দেশ্য ভগৱানৰ সিংহাসন দখল কৰা। কিন্তু এনেবোৰ জ্ঞানবাদীৰ কাৰণে শ্ৰীমদ্ভাগৱতে কৈছে—

'শ্ৰেয়সৃতিং ভক্তি সমুদ্ৰস্য তে বিভো

ক্লিশ্যন্তি যে কেৱলং বোধ লব্ধায়।
তেষামসৌ ক্লেশল এব শিষ্যতে
নান্যদ যথা স্থূলতুষা বধাতিনাম।।' -- ভাগৱত, ১০/১৪/৪

হে বিভো! চৰম কল্যাণ স্বৰূপ আপোনাক লাভ কৰিবলৈ হ'লে একমাত্র ভক্তিয়ে শ্ৰেষ্ঠ উপায়, যিদৰে জলাশয়ৰ পৰা নিজৰাসমূহ প্ৰবাহিত হৈ থাকে সেইদৰে ভক্তিৰ পৰাই মোক্ষাদি চতুৰ্বৰ্গ লাভ হয়। ভক্তি হ'লে জ্ঞান আপোনা আপুনি লাভ হয়। তাৰ কাৰণে পৃথক চেষ্টা কৰিবৰ দৰকাৰ নাই। যিদৰে ধান পৰিত্যাগ কৰি পতানৰ পৰা চাউল লাভ কৰাৰ আশা সাৰ শূন্য, ভক্তি পৰিত্যাগ কৰি কেৱল জ্ঞান লাভৰ চেষ্টাও তদ্রূপ বিড়ম্বনা মাত্ৰ।

গতিকে নিত্য সুখ-শান্তিৰ কাৰণেই এই বিশ্ব দৰবাৰত এটিয়েই মাত্ৰ পথ আৰু সেইটোৰেই হ'ল ভগৱান শ্ৰীকৃষ্ণৰ পাদপদ্মত একান্ত ভক্তি যোগ।

**অৱতাৰবাদ ঃ** ভাৰতত সৰহখিনি হিন্দুৱেই অৱতাৰবাদী। অৱতাৰবাদ অকল ভাৰতৰেই নহয় সদৌ ধৰ্ম জগতত ই সৰ্ববাদী সন্মত। জগতৰ বুৰঞ্জীত ওপৰে ওপৰে চকু ফুৰাই গ'লেও এই কথা চকুত নপৰি নোৱাৰে যে মহাপুৰুষসকলৰ জন্ম লোকহিতকৰ অৰ্থেহে। গীতাত তাক স্পষ্টকৈ কৈছে—

"পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম-সংস্থাপনাৰ্থায় সম্ভ ৱামি যুগে যুগে।।"

চতুৰ্দশ আৰু পঞ্চদশ শতাব্দী গোটেই পৃথিৱীৰ কাৰণে ধৰ্ম আলোড়নৰ যুগ। এই সময়ছোৱাত প্ৰাচীন কামৰূপ ৰাজ্যত ধৰ্মৰ নামত নানা পূজা-পাতল, বলি-বিধান, নৰবলি পৰ্যন্ত চলিব ধৰাত মানৰ সমাজত ব্যাভিচাৰ, দুখ দৈন্য আৰু বিশৃঙ্খলাই বিৰাজকৰাত ধৰ্ম আৰু সমাজৰ তেনে দুখলগা জঘন্য অৱস্থাৰ অৱসান ঘটাই মানৱ সমাজত শান্তিময় জীৱন ধাৰণৰ সমল স্বৰূপে সকলোৰে বাবে চিৰকালোপযোগী এটা সৰল সহজ বিশুদ্ধ ধৰ্ম প্ৰৱৰ্তন আৰু এখন সমস্বত্ববাদী সুশৃঙ্খল সমাজ স্থাপন কৰি, দুষ্টক দমন আৰু সন্তক পালন কৰি, ভূমিৰ ভাৰ হৰণ কৰি কলিৰ মলমতি লোকক তাৰিবৰ হেতু নৰৰূপ ধাৰণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱে আমাৰ মাজত





অৱতাৰ হৈ 'অৱনিসি চাৰিবেদ' বিচাৰি সকলো ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি আনো যত নীতি একে ঠাইতে পুঞ্জীভূত কৰি এক শৰণ হৰি নাম ধৰ্ম প্ৰকাশ আৰু প্ৰচাৰ কৰি মহাভাগৱত ধৰ্ম প্ৰতিস্থা কৰি জাতি, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে ব্ৰাহ্মণ-চণ্ডাল, পৰ্বতীয়া-ভৈয়ামীয়া, শিক্ষিত-অশিক্ষিত সকলোকে সামৰি লৈ সাৰটি ধৰি কৃষ্ণ গুণ নামৰ পৱিত্ৰ গঙ্গা নদীত স্নান কৰাই সকলোকে বিষ্ণুৰূপ ধাৰণ কৰিবৰ উপযুক্ত কৰি তুলিলে। ধৰ্ম ধাৰণা কৰিবৰ কাৰণে যি শক্তিৰ প্ৰয়োজন তাৰ সহায়ক ভগৱন্তহে। এই ধৰ্মৰ দৰ্শন অনন্ত কোটি ব্ৰহ্মাণ্ডক 'একত আৰু একত অনন্ত কোটি ব্ৰহ্মাণ্ড' দৰ্শন কৰা। বাক্য আৰু মনৰ সাধন সিদ্ধ কৰি চিত্তত বিশ্ব প্ৰীতি, বিশ্ব মৈত্ৰী, বিশ্ব শান্তি, বিশ্ব তুষ্টিৰ ভাৱ উদয় কৰা। গোটেই সাধনৰ অৱলম্বন হৰিৰ নাম কীৰ্তন। নাম-নামী অঙ্গাঙ্গী সম্বন্ধ, যেনেকৈ সূৰ্য আৰু পোহৰ দুয়ো অভিন্ন।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত ধৰ্মত ভৱিষ্যত জীৱন আৰু প্ৰসাৰ লাভৰ বীজ আছে। তাত উদাৰতা আৰু সৰলতা ক্ৰিয়াকাণ্ড বহুল আড়ম্বৰপূৰ্ণ কোনো ধৰ্মৰে ভৱিষ্যত নাই বুলি জগতৰ বৰ্তমান চিন্তা সোঁতৰ গতিৰ পৰা অনুমান কৰিব পাৰি। মুক্তিৰ উপায় একমাত্ৰ এক শৰণ আৰু নাম ধৰ্মৰ ইমান সহজ কৰি ধৰ্ম জীৱন বিশ্বমানৱৰ সৰ্বসুলভ আৰু সৰ্ব মঙ্গলময় কৰি দিয়াতো এতিয়ালৈকে জগতৰ শেষ সত্য ধৰ্ম বিলাওঁতা শ্ৰীমন্ত শঙ্কৰদেৱ। নামধৰ্ম ভগৱন্তৰ লগত প্ৰত্যক্ষ আত্ম নিৱেদনৰ ভাষা, প্ৰাণৰ ভাষা আৰু মধ্যস্থতাহীন প্ৰত্যক্ষ সাক্ষাতৰ উপায়। তাৰাই নিজ সমৰ্থ বলে লৌকিকতা আৰু প্ৰচলিত ভ্ৰান্ত বৈদিকতাত উপেক্ষি যথাৰ্থ বেদৰ ঘোষণা দি 'হৰিৰ নামেসে আতি নবাচে অজাতি-জাতি, মহাপাতকীক নাম তাৰে' বাবেই গাৰো, ভোট, যৱন, ব্ৰাহ্মণ, চণ্ডাল এক কৰি পদব্ৰজে সমগ্ৰ ভাৰত ভ্ৰমণ কৰি, যথাৰ্থ সমাজবাদ প্ৰতিষ্ঠা কৰি সত্য, শৌচ, ক্ষমা-দয়াৰ ভেঁটিত সৃজনমুখী সোঁত বোৱালে। শৌচ-ক্ষমা, দয়া-যুক্ত সত্যক আশ্ৰয় কৰি স্বেচ্ছাচাৰী ৰজাৰ আসন ব্যৰ্থ কৰি আধ্যাত্মিক স্বাধীনতাৰ ভেঁটি স্থাপন কৰিলে। দাহিকা শক্তিৰ সৈতে যিদৰে অগ্নিৰ সম্বন্ধ জীৱৰ সৈতে ভগৱানৰো সেইদৰে সম্বন্ধ। নীতি আদৰ্শহীন সমাজেই জাতীয় অধঃপতনৰ মূল কাৰণ। ধৰ্মৰ নাম কৈ যেতিয়া মানুহে ভণ্ডামি কৰে তেতিয়া ধৰ্ম মাত্ৰই বেয়া—

এনে ধাৰণা বহু মানুহেই পোষণ কৰে আৰু ইয়াৰ কাৰণেই বালক আৰু তৰুণ সমাজে ধৰ্মৰ সংস্পৰ্শলৈ আহিব নোখোজে। তাৰ কাৰণে শিক্ষা প্ৰতিষ্ঠানাদিৰ পৰা ধৰ্মালোচনা চিৰ নিৰ্বাসিত কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে। ধৰ্ম সম্বন্ধে অনাধিকাৰ চৰ্চাৰে যেন আজি সকলোৱেই অধিকাৰী। কিন্তু যেতিয়াই আমি নিত্য ধৰ্মী বিৰোধী হওঁ তেতিয়াই জড়ৰ উন্নতি-অৱনতিকেই আমি বহু মান কৰি থাকে। যদি এনেকুৱাই হয় তেন্তে অদূৰ ভৱিষ্যতে মানৱ জাতিৰ ধ্বংস অনিবাৰ্য। আজি আমাৰ স্বদেশ প্ৰেমিক আদৰ্শ বিদেশৰ আধৰ্শত পৰিকল্পিত। বৈদেশিক আচাৰ-আচৰণত মানুহ আজি ইমান অভ্যস্ত যে জড়বাদে আমাৰ নিত্য চেতনা শক্তিৰ ওপৰত বৈদেশিক আক্ৰমণ ৰূপে প্ৰতিভাত আৰু ইয়েই জাতি অধঃপতনৰ কাৰণ। বস্তুতঃ আত্মাৰ অনুশীলন ব্যতিত যাৱতীয় অধঃপতন। এইটো ঐতিহাসিক সত্য আজি যিবিলাকে ভগৱৎ সেৱা বাদ দি সৃষ্টি ৰক্ষা আৰু সৃষ্টি ধ্বংসৰ পক্ষপাতী সিবিলাকেই সমাজ আৰু জাতিক ধ্বংসৰ পিনে আগুৱাই নিছে। আজি সমাজ, সভ্যতা, শিক্ষা, স্বাধীনতা প্ৰভৃতিৰ নামত দেশত চৰণ অৱনতি আৰু দুৰ্দিনে আহি কালান্তক ৰূপ ধাৰণ কৰিছে। সনাতন বৈষ্ণৱ ধৰ্মই সমাজক যি বৈজ্ঞানিক ক্ৰমোন্নতি আৰু বাস্তৱ মঙ্গলৰ পথ প্ৰদৰ্শন কৰিছিল সেই ঈশ্বৰকেন্দ্ৰিক দৈৱ সম্পত্তি ভাৰতবৰ্ষ ব্যতিৰেকে আন ক'তো দেখা পোৱা নাযায়। এনেকুৱা সমাজেই জাতীয় উন্নতি আৰু প্ৰগতিৰ ধাৰক আৰু বাহক। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ সূৰ্যৰ দ্বাৰা প্ৰৱৰ্তিত সুবৈজ্ঞানিক প্ৰণালীত প্ৰতিষ্ঠিত অস্পৃশ্যতা বৰ্জন নীতিও সুস্থভাৱে গ্ৰহণ কৰিলে সমগ্ৰ জগত বাস্তৱ কল্যাণ লাভত সক্ষম হ'ব পাৰে। যি দেশৰ ৰাষ্ট্ৰ নায়ক-নায়িকাবোৰ দুৰ্নীতি পৰায়ণ, অধাৰ্মিক; সেই দেশৰ কি কস্মিন কালেও মঙ্গল হ'ব পাৰে? যি দেশৰ মানুহ ক'লা-বজাৰী, নিত্য প্ৰয়োজনৰ খাদ্য, ঔষধাদিত ভেজালকাৰী, মজুতদাৰ, মুনাফাখোৰ আৰু সমাজৰ অবাঞ্চিত লোকসকলক কঠোৰ হস্তে দমন কৰিবৰ বাবে অপাৰগ- সেইবোৰৰ প্ৰতি দেশবাসীৰ আস্থা আৰু শ্ৰদ্ধা কেনেকৈ থাকিব পাৰে?

**স্বাধীনতা, ৰাজতন্ত্ৰ আৰু সনাতন ধৰ্ম ঃ** স্বাধীনতাৰ অনুৰাগ মানুহ কিয়- জীৱ-জগতৰো উশৃঙ্খলতাৰে আৱদ্ধ কৰে তেতিয়াই মানুহে চিৎকাৰ আৰম্ভ কৰে। স্বাধীনতা অন্তৰ্মুখী আৰু বহিৰ্মুখী। বহিৰ্মুখী স্বতন্ত্ৰতা কেতিয়াবা





ৰাষ্ট্ৰীয়, সামাজিক, ব্যক্তিগত আৰু কেতিয়াবা সমষ্টিগত। বৰ্তমান বিংশ শতাব্দীৰ অষ্ট দশকত ৰাজতন্ত্ৰ বহু সমস্যাৰ সন্মুখীন হৈছে। ই অনন্ত বিশ্ব শিক্ষাৰ ক্ষেত্ৰ আৰু প্ৰদৰ্শনী। স্বাধীন আৰু সুসভ্য দেশত নিশ্চয় জ্ঞান-বিজ্ঞানৰ উন্নতিৰ প্ৰয়োজন। কিন্তু অন্তৰ্মুখী কীৰ্তি ব্যতিৰেকে সেইটো কি কেতিয়াবা বাস্তৱত ৰূপায়িত হ'ব পাৰে? যান্ত্ৰিক যুগে পৰমাৰ্থ তন্ত্ৰক বাদ দি যি প্ৰচ্ছন্ন ভোগবাদ আৰু চিৰাচৰিত প্ৰবৃত্তি লাভ কৰিছে তাৰ বিশ্বগ্ৰাহী ক্ষুধাই কি সমগ্ৰ পৃথিৱীক ধ্বংস বা গ্ৰাস নকৰিবনে? যান্ত্ৰিক যুগত আজি মানুহ অকৰ্মণ্য আৰু বেকাৰ। আনকি যন্ত্ৰই মানৱ মেধাকো পৰতন্ত্ৰ আৰু কৃত্ৰিম কৰি তুলিছে। আজি যান্ত্ৰিক যুগে মানুহৰ ভোগ-বিলাসৰ সামগ্ৰী সংগ্ৰহ কৰি দিব পাৰিছে সঁচা, কিন্তু সংঘৰ্ষ কেতিয়াও এৰাব পৰা নাই। শঙ্কৰ সূৰ্যই কৈছে জীৱ সাৰ্বতন্ত্ৰ স্বতন্ত্ৰ শ্ৰীকৃষ্ণৰ অনু অংশ। সিহঁতৰ স্বতন্ত্ৰতা ভগৱানৰ সৈতে সম্পৰ্কযুক্ত। সেই স্বতন্ত্ৰতা যেতিয়া যোগযুক্ত হয় তেতিয়াই অনন্ত সুখ, অনন্ত শান্তি। অবাস্তৱ বস্তুতন্ত্ৰবাদত বিশ্বাসী বিভিন্ন মতবাদ ভাৰতীয় স্বাধীনতাৰ মন্ত্ৰ নহয়। স্বতন্ত্ৰতাৰ অপব্যৱহাৰেই সৰ্বশ্ববাদত পৰিণত হৈ পৰিশেষত জীৱক সুবিধাবাদী চাৰ্বাক পন্থী কৰি তোলে পৰমেশ্বৰৰ অস্তিত্ব অস্বীকাৰ পূৰ্বক। কেতিয়াবা মোক্ষকামী শূন্যবাদী প্ৰচ্ছন্ন বৌদ্ধ মায়াবাদী সজাই পৰমেশ্বৰক ক্লীৱ ব্ৰহ্মত পৰিণত কৰিবৰ বাবে দুৰাশা পোষণ কৰে। এনে মতবাদসমূহ সনাতন শাস্ত্ৰ বেদৰ নহয় আৰু ভাৰতীয় সনাতন চিন্তাধাৰাৰ পৰা উদ্ভৱ নহয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই অনাদি, অনন্ত, চৈতন্য, নিৰ্গুণ কৃষ্ণৰ একছত্ৰী সাম্ৰাজ্যবাদ ঘোষণা কৰিছে আৰু ইয়েই ভাৰতৰ নিজস্ব বিচৰা ধাৰা আৰু আত্মজগতৰ ইয়েই পমৰ স্বাধীনতাৰ মূলমন্ত্ৰ।

**ধৰ্ম, সাহিত্য আৰু সংস্কৃতি ঃ** ধৰ্ম ধাৰণ কৰ্তা, সাহিত্য সন্মিলনকাঙ্খী। সাহিত্য মানৱ জীৱনৰ মহান সম্পদ। এই সম্পদ অবিহনে কোনো জাতি, দেশ, সমাজে পৃথিৱীত যুগমীয়া কীৰ্তি থাপিব নোৱাৰে। পৃথিৱীৰ প্ৰাকৃতিক গতি ধাৰাৰ যেনেকৈ উত্থান-পতন আছে, তেনেকৈ একোখন দেশ, জাতি বা সমাজৰে উত্থান-পতন আছে। এই উত্থান-পতন নিৰ্ভৰ কৰে কোনো শক্তিশালী, প্ৰতিভাশালী বা দুৰ্বল অনুকৰণীয় নিস্তেজ সাহিত্যৰ ওপৰত। বিৰাট প্ৰতিভাশালী শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য হৈছে মধ্যাহ্ন সুৰুযৰ দৰে

দীপ্তিমান, ব্যাপক আৰু মানৱ জীৱনৰ কৰ্মস্থান জগাই তুলিব পৰা নিত্য নতুন আৰু মহিমামণ্ডিত। শঙ্কৰদেৱৰ সাহিত্য কলা আৰ্টৰ বাবেই তাৰাই প্ৰতিষ্ঠা কৰা সমাজ আজিও অমৰ হৈ দীপ্তিমান। তাৰাৰ সাহিত্যৰাশিত আত্মপ্ৰকাশ কৰিছে অসমীয়া জাতিৰ জাতীয় চেতনা, প্ৰাণস্পন্দন। বেদান্ত দৰ্শন আদি সংস্কৃত সাহিত্য আৰু ধৰ্মশাস্ত্ৰ মন্থন কৰি তাৰাই যি নাম ধৰ্মৰ অমৃত বিচাৰি পালে আৰু গদ্য, পদ্য, গীত, মাত, নাট আদিৰ মাজেদি যি ৰসময় সাহিত্য সৃষ্টি কৰিলে তাৰ দ্বাৰা অসমীয়া বৈষ্ণৱ সাহিত্যৰ আধ্যাত্মিক শক্তিৰ পৰিচয় দিলে। এফালে একান্ত ভক্তি আৰু সাম্যবাদৰ পৰমতত্ত্ব প্ৰচাৰ আনফালে শ্ৰোতাক আনন্দ দান- এয়েই আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য সৃষ্টিৰ আদৰ্শ। চৌষষ্ঠি কলাৰ গৰাকী শ্ৰীমন্ত শঙ্কৰদেৱ। য'তেই তাৰাই হাতৰ পৰশ দিছে, নয়ন দৃষ্টিৰ অমৃত ঢালিছে তাতেই কলাই অনুপম ৰূপ লাভ কৰি জীৱন্ত হৈ উঠিছে। মহাপুৰুষৰ মহান সংস্কৃতিৰ জয়যাত্ৰা চিহ্নযাত্ৰা ভাওনা। ভাওনাৰ লগে লগে দিলে খোল, তাল, নৃত্য, কলা, সুৰ, বাদ্য, ৰাগ, মান, পোছাক-পৰিচ্ছদ, চিত্ৰকলা সকলো সম্ভাৰ। সৌৰজগতৰ গ্ৰহ-উপগ্ৰহবোৰে সূৰ্যক কেন্দ্ৰ কৰি যেনেকৈ আৱৰ্তন কৰিব লাগিছে তেনেকৈ মহাপুৰুষ শ্ৰীমন্ত গুৰুজনাৰ অৱদানসমূহে কেৱল পৰম ব্ৰহ্ম পুৰাণ পুৰুষক কেন্দ্ৰ কৰি প্ৰকাশ হ'ব ধৰিছে।

কি গীত, পদ কাব্য নাট, শাস্ত্ৰ, চিত্ৰ সকলোৱে এই একে কথাকে পৰিস্ফুট কৰিছে। এই পুৰণি পুৰুষেই শ্ৰীকৃষ্ণ বা শ্ৰীৰাম ৰূপে ভূ-ভাৰ হৰণ কৰিবৰ নিমিত্তে অৱতাৰ ধৰে। এওঁ ভজনত কেৱল সুদৃঢ় পথ যে এক শৰণ তাকে নৱ সমাজত পৰিস্ফুট কৰি দিছে। মহাপুৰুষৰ আদৰ্শ আৰু উদ্দেশ্য আছিল আত্মশুদ্ধিৰ দ্বাৰা স্পৃশ্য অস্পৃশ্যৰ ভেদাভেদ নিৰ্মাণ কৰি হৰি ভকতিৰ যোগে গোটেই মানৱ জাতিক একত্ৰিত কৰি গোটেই বিশ্বত ভেদাভেদ শূন্য এখন শুদ্ধ সমাজ গঢ়ি তোলা আৰু বিশ্বত পূৰ্ণ শান্তিৰ সমাজ ব্যৱস্থা স্থাপন কৰা। সমাজৰ বুকুত পাশৱিকতাৰ তাণ্ডৱ নৃত্য। সমাজ বিৰোধী প্ৰতিক্ৰিয়াশীল শক্তি মুক্ত প্ৰাঙ্গনত নিৰ্ভয়ে বিচৰণ কৰিছে। কিন্তু আজি নৱবৰ্ষৰ পৱিত্ৰ দিনত সঙ্ঘৰ আকাশলঙ্ঘী, উদাত্ত কণ্ঠে ঘোষণা- কোনো প্ৰতিক্ৰিয়াশীল শক্তিয়ে যেনেকৈ ব্ৰহ্মপুত্ৰক ভেঁটিব নোৱাৰে তেনেকৈ কোনো চক্ৰান্তকাৰী, ষড়যন্ত্ৰকাৰীয়ে শঙ্কৰী ভাষা, সাহিত্য, ধৰ্ম,





কৃষ্টি সভ্যতাৰ সৰ্বনাশ সাধন কৰিব নোৱাৰে। যদি কোনোবাই ভেটা দিয়ে, হেঙাৰ দিয়ে ব্ৰহ্মপুত্ৰই সেই ভেঁটি মহাসাগৰৰ পিনে ঢাল খুৱাবই। অসমীয়া বুলি সকলোৰে স্বদেশৰ প্ৰতি ব্যক্তিগত দায়িত্ব আৰু কৰ্তব্য আছে। ব্যক্তিগত জীৱনত আন্তৰিক বিশুদ্ধতা অৰ্জনেই প্ৰাথমিক কৰ্তব্য হোৱা উচিত। বিজ্ঞানৰ ক্ষেত্ৰত পৃথিৱী বহুদূৰ আগবাঢ়ি গৈছে যদিও এতিয়াও মানুহ বন্য পশুৰ দৰে ইন্দ্ৰিয় পৰায়ণ আৰু স্বাৰ্থপৰ হৈয়ে আছে। ইন্দ্ৰিয় পৰায়ণ আৰু স্বাৰ্থান্বেষী লোকে দৈৱগুণ অৰ্জন কৰি মহাপুৰুষৰ শাৰীলৈ উত্তীৰ্ণ হৈছে। এনে ইতিহাস পৃথিৱীৰ ক'তো পোৱা নাযায়। স্বাৰ্থৰ খাটিৰত ইতৰ প্ৰাণীয়ে আনৰ বুকুত বিষ দাঁত বহুৱাবলৈ প্ৰস্তুত। একেদৰে মানৱ জাতি ভোগ পৰায়ণ, স্বাৰ্থপৰ প্ৰাণীবোৰেও স্বাৰ্থৰ খাতিৰত আনৰ বুকুত ছুৰী বহুৱাবলৈ প্ৰস্তুত। সেয়েহে ক্ষুদ্ৰ স্বাৰ্থক পৰিত্যাগ কৰি জাতীয় স্বাৰ্থক সাৱোগত কৰিব নোৱাৰিলে কোনো জাতিয়েই কেতিয়াও মহান হ'ব নোৱাৰে। মহৎ জাতি এটা গঠন কৰাৰ ক্ষেত্ৰত ব্যক্তিৰ গুৰুত্ব এইখিনিতেই।

গতিকে সংঘাতকাৰী মনোভাৱৰ অৱসান ঘটাই সৃষ্টি আৰু গঠনমূলক মনোভাৱৰ আৱশ্যকতা সৰ্বতোভাৱে সাৱোগত কৰি 'যত জীৱ তত শিৱ'ৰ সেৱাত ব্ৰতী হোৱাৰ মানসে 'সত্যম্ শিৱম্ সুন্দৰম্' আৰাধনাৰে নিজ নিজ হৃদয়মন্দিৰ ঢৌত-বিঢৌত শ্ৰীমন্ত শঙ্কৰ সূৰ্যৰ প্ৰদৰ্শিত ৰাজআলিৰ পথিক হওঁ আহক।।■

**জীৱকান্ত নাথে সম্পাদনা কৰা 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ' গ্ৰন্থৰ পৰা চয়ন কৰা হৈছে।**

## জয় গুৰু শঙ্কৰ

# পদাধিকাৰৰ অভিভাষণ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
## অষ্টচত্বাৰিংশ বাৰ্ষিক অধিৱেশন

## বকলিয়া ঘাট ঃ কাৰ্বিআংলং
## ৫৩০ শঙ্কৰাব্দ, ১৯৭৯ চন

# অচ্যুত কৃষ্ণ মিশ্ৰ





**জয় গুৰু শঙ্কৰ**

'জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণকু ৰেণু শত কোটি
বাৰেক কৰোহো প্ৰণাম।।'

-- গুৰু ভটিমা

'হে কৃষ্ণ যত জীৱ নিত্য তিনি তাপে হুয়া সন্তাপিত
দুৰ্ঘোৰ সংসাৰ তাপত পৰি আছয়।
তযু পদ শ্বেতছত্ৰ প্ৰায় অমৃত বৰিয়ে সৰ্ব্বদায়
তাৰ ছায়াবিনে নেদেখো আৰ আশ্ৰয়।।

-- নাম-ঘোষা, ৬৫৭

হে মোৰ জন্ম-জন্মান্তৰৰ কাৰবিআংলং জিলাৰ বকলিয়া ঘাটত সমবেত বাপসকল, আই মাতৃসকল, জিলা পৰিষদৰ কৰ্ম-কৰ্তা মহোদয়সকল, ভদ্ৰ মহোদয়সকল আৰু সমবেত উদীয়মান যুৱক-যুৱতীসকল। জয় জয়তেই আমি সদৌ অসম শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তৰফৰ পৰা আপোনাসৰৰ সবাৰো চৰণত সেৱা জনাইছোঁ। হে নাৰায়ণসকল!

এই জগতত প্ৰত্যেক জাতিৰ এটা স্বকীয় বৈশিষ্ট্য, এটা নিজস্ব জীৱন ধাৰা, আদৰ্শ আৰু লক্ষ্য আছে। ভাৰতীয় জাতিও সেই আদৰ্শ আৰু জীৱনধাৰা অনুসৰণ কৰি নিজ লক্ষ্যপথত অগ্ৰসৰ হৈ আছে— দৈনন্দিন জীৱনৰ সমস্ত চিন্তা-ভাৱনা, অনুষ্ঠান, আচৰণ আৰু কৰ্ম প্ৰচেষ্টাক লক্ষ্যাবিমুখী কৰি আছে। ইয়াৰ কাৰণে অশেষ ত্যাগ স্বীকাৰ কৰিব লগা হৈছে, তথাপি সি নিৰন্ত হোৱা নাই, নানান ধুমুহা-বতাহ মূৰৰ ওপৰত লৈ চৰৈৱেতিৰ মহামন্ত্ৰত উদ্দীপিত হৈ জীৱনৰ গতিপথত আগুৱাই গৈ আছে।

ভাৰতবৰ্ষৰ মানুহ জৰাব্যাধি মৃত্যুৰ কবলত কবলিত হৈ শোক-তাপ, দুখ-দৈন্য অশান্তিৰ অগ্নিত জ্বলি-পুৰি নিঃশেষ হ'বলৈ নিবিচাৰে। সি বিচাৰে

ইয়াৰ পৰা মুক্তি- এই অনিত্য অস্থিৰ জগতত চিৰন্তন কল্যাণ আৰু শান্তি। কিন্তু উপায় কি? বিধাতাই মানুহৰ ইন্দ্ৰিয়বিলাকক বহির্মুখী কৰি সৃষ্টি কৰিছে। সেয়ে ভোগ প্ৰবল মানুহ ভোগ্য পদাৰ্থৰ ভিতৰত, ইন্দ্ৰিয়বৃত্তি চৰিতাৰ্থৰ ভিতৰত শান্তিৰ অনুসন্ধান কৰে। আকণ্ঠ বিষয় পঙ্কত নিমজ্জিত হৈ থাকিবলৈ প্ৰয়াস পায়। কিন্তু তাৰ ভিতৰত অতৃপ্ত কামানল ক্ৰমশই অধিকতৰ প্ৰদীপ্ত হৈ উঠে। মহাৰাজ যযাতিয়ে পুত্ৰৰ যৌৱন লৈ সুদীৰ্ঘ সহস্ৰ বছৰ বিষয় সম্ভোগ কৰিছিল। ভোগ কৰি কৰি দুৰ্দমনীয় যৌৱনৰ বীৰ্য বিক্ৰম নিষ্প্ৰভ হৈ গ'ল, ইন্দ্ৰিয়সমূহ শিথিল, চৰ্ম শোটোৰা শোটোৰ, চেহেৰা মলিন বিবৰ্ণ, দৃষ্টিশক্তি ক্ষীণ। তথাপি শান্তি নাপালে। অশান্তি অন্তগাহে তুঁহৰ জুইৰ নিচিনা ধীৰে ধীৰে তেওঁক অন্তঃসাৰহীন কৰিলে। তেতিয়া তেওঁ দীৰ্ঘ নিশ্বাস ত্যাগ কৰাৰ আগমুহূৰ্তত ভোগাসক্ত জীৱনৰ ব্যৰ্থতাৰ কাহিনী বেদনাৰ্ত স্বৰে ঘোষণা কৰিলে— ভোগৰ দ্বাৰা ভোগ শেষ নহয়। পৃথিৱীত য'ত ভোগ বস্তু আছে, সি এজনৰ তৃষ্ণা পূৰাবলৈ যথেষ্ট নহয়, গতিকে তৃষ্ণা পৰিত্যজা। মহৰ্ষি যাজ্ঞবল্ক্য, মৈত্ৰেয়ী আৰু কাত্যায়নীৰ ভিতৰত তেওঁৰ সম্পদৰাশি ভাগ কৰি দিলে- নহয় 'অমৃতত্বস্য তু নাশানন্ত বিত্তেনেতি'। তেতিয়া মৈত্ৰেয়ী সমস্ত বিত্তৈশ্বৰ্য পৰিত্যাগ কৰি স্বামীৰ সৈতে বনলৈ গমন কৰিলে তপস্যাৰ বাবে।

দেৱৰ্ষি নাৰদে অষ্টাদশ বিদ্যাত প্ৰগাঢ় পাণ্ডিত্য অৰ্জন কৰিও শান্তি নাপালে। তেওঁ দৌৰি আহিছিল মহৰ্ষি সনত কুমাৰৰ ওচৰলৈ আৰু ক'লে- আপোনাৰ নিচিনা মহাপুৰুষৰ ওচৰত শুনিছোঁ- 'তৰতি শোকমাত্ম বিৎ'- একমাত্ৰ আত্মজ্ঞান সম্পন্ন ব্যক্তিয়েহে শোক তাপৰ পৰা নিষ্কৃতি লাভ কৰিব পাৰে। আমি আত্মবিৎ নহয়, মন্ত্ৰবিৎ। আমাক আত্মবিদ্যা সম্বন্ধে শিক্ষা দান কৰক। বালক নাচিকেতাৰ জীৱনতো ঠিক একে আদৰ্শৰেই সমুজ্বল অভিব্যক্তি দেখিবলৈ পোৱা যায়। যেতিয়া তেওঁ ধৰ্মৰাজ প্ৰদত্ত স্বৰ্গমৰ্ত্ত্যৰ শ্ৰেষ্ঠ ভোগ্য পদাৰ্থসমূহ প্ৰত্যাখ্যান কৰি কৈছিল— 'অধ্ৰুৱ বিষয়ৰ দ্বাৰা ধ্ৰুৱ বিষয় লাভ কৰিব নোৱাৰি, 'ন হি অধ্ৰুবেন প্ৰাপ্যতে হি ধ্ৰুৱং তৎ' গতিকে 'বৰানামেব বৰণীয়' বৰসমূহৰ ভিতৰত শ্ৰেষ্ঠ বৰ আত্মতত্ত্ব সম্বন্ধে আপুনি মোক শিক্ষা দিয়ক।

ভাৰতৰ জীৱন লক্ষ্য আত্মতত্ত্বোপলব্ধি। সি জানিছিল- ক্ষুদ্ৰতা,





সঙ্কীৰ্ণতা বা স্বাৰ্থপৰতাত অৰ্থাৎ যি অল্প বা সামান্য তাত সুখ বৰং তাত মৃত্যু স্বৰূপ। সুখ আছে, শান্তি বা আনন্দ আছে বিৰাট, মহান ভূমাস্বৰূপ আত্মাত। সিয়েই পৰম মঙ্গলকৰ আৰু অমৃত স্বৰূপ। এই আত্মা— প্ৰেয় পুত্ৰাত শ্ৰেয় অন্যস্মাৎ সৰ্ব্বস্মাৎ- পুত্ৰ আৰু বিত্ততকৈও প্ৰিয়তৰ। এই জগতত যি কিছু প্ৰিয় আছে তাতোকৈ প্ৰিয়তম। গতিকে ঋষিৰ উপদেশ- 'আত্মানং বিদ্ধি'। আত্মাক জানা- আত্মা বা অৰে শ্ৰোতব্য মন্তব্য নিদিধ্যাসিত্য- আত্মতত্ত্বই শ্ৰৱণ, মনন আৰু নিদিধ্যাসন কৰিব লাগে।

**মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়তা ঃ** উনবিংশ শতাব্দীৰ যুগ অতিক্ৰম কৰি আমি বিংশ শতাব্দীৰ সিংহদ্বাৰত উপনীত। এই যুগে আনিব মানুহৰ মনত যুগান্তকাৰী বিস্ময়। এই বৈজ্ঞানিক প্ৰতিভাৰ অৱদানে ঐহিক উন্নতি আৰু অভ্যুদয়ৰ মাজতেই সীমাবদ্ধ নহয়। ধৰ্ম আৰু দৰ্শনৰ ক্ষেত্ৰতো সুপৰিকল্পিত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলিছে। আজিৰ মানুহে চন্দ্ৰলোকত উপনিৱেশ স্থাপন কৰিবলৈ চাইছে। প্ৰকৃতিৰ দুৰ্লঙ্ঘ্য ব্যৱধানক অতিক্ৰম কৰি বিস্ময় আৰু কৌতুহলৰ সৃষ্টি কৰিছে- আজিৰ বিজ্ঞানীয়ে। অনেক মানুহৰ ধাৰণা- মানুহ মৃত্যুৰ পিছত চন্দ্ৰলোকলৈ যায়। কিন্তু তাত আজি সি সশৰীৰে অৱতৰণ কৰিছে।

এই বিজ্ঞানৰ সৈতে ধৰ্মৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত। বিজ্ঞান আৰু ধৰ্মৰ পাৰস্পৰিক সহযোগিতাই মানৱ জীৱনৰ সৰ্বাঙ্গীন বিকাশ তথা পৰিপূৰ্ণতা আনে। বিজ্ঞানে পাৰ্থিৱ ভোগসুখ কামনাৰ উপকৰণবোৰ বঢ়াই, মানুহৰ জৈৱিক ক্ষুধাৰ নিবৃত্তি কৰিছে। কিন্তু আত্মাৰ ক্ষুধাক মিটাব পৰা নাই। ধৰ্মৰ অনুশীলনেহে মানবাত্মাৰ শাশ্বত ক্ষুধাক মিটাব পাৰি। এই কাৰণে মানৱ জীৱনত ধৰ্মৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। এই কথা সত্য যে আধুনিক বিজ্ঞানৰ যুক্তিতৰ্কৰ আলোকত ধৰ্মক মানি গোড়ামি আৰু কুসংস্কাৰৰ হাতৰ পৰা পৰিমুক্ত হোৱা বাঞ্চনীয়। বৈজ্ঞানিক সত্যৰ আলোকত ধৰ্মৰ পূৰ্ণাঙ্গ ৰূপ প্ৰতিভাত হয়। মনীষী আইনষ্টাইনে কৈছে, 'Science without religion is lame, Religion without science is blind.'

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই বৈষয়িক উন্নতিৰ মূল সোপান। আধুনিক যন্ত্ৰপাতি শিল্প কাৰখানাৰ দ্বাৰা যি ৰকমে দাৰিদ্ৰ, অভাৱ আৰু দুৰাৰোগ্য ব্যাধিৰ হাতৰ পৰা বিজ্ঞানে মানুহক ৰক্ষা কৰিছে- তিমানেই ভাৰতৰ

আধ্যাত্মিক সমাদৰৰ প্ৰতি মানুহৰ দৃষ্টিৰ বিভ্ৰম ঘটিছে। এই যুগৰ মানুহে সেয়ে ধৰ্মক বিজ্ঞানৰ যুক্তি তৰ্কৰ সাহায্যত বিশ্লেষণ কৰিবলৈ চায়। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ঠাই এই যুগত নাই।

এই পৰিদৃশ্যমান জগত প্ৰপঞ্চৰ অন্তৰালত যে শাশ্বত সত্তাৰ সন্ধান ঔপনিষদিক যুগৰ আৰ্য ঋষিসকলে প্ৰজ্ঞালব্ধ দিব্য দৃষ্টিৰ দ্বাৰা উপলব্ধি কৰি গৈছে, এই বেদ বেদান্ত উপনিষদৰ ভিতৰতেই সেই অমূল্য আধ্যাত্মিক সম্পদ আৰু জ্ঞানৰাশি নিহিত আছে। আৰ্যঋষিৰ এই আধ্যাত্মিক সম্পদ আৰু জ্ঞানৰাশিয়েহে আজি সমগ্ৰ বিশ্ববাসীক প্ৰকৃত শান্তি আৰু কল্যাণৰ পথ দেখাব পাৰে। একমাত্ৰ বিজ্ঞানৰ দ্বাৰা আৱিস্কৃত বহিৰ্জগতৰ জ্ঞানে মানুহৰ অশান্তি আৰু দুখৰ মাত্ৰাক বৃদ্ধি কৰিছে। ধৰ্মৰ অনুশীলন ব্যতিৰেকে মাত্ৰ বিজ্ঞানৰ উন্নতিয়ে জগতৰ কল্যাণ সাধন কৰিব নোৱাৰে। ধৰ্মক বাদ দি বিজ্ঞানৰ অনুশীলনে মানৱ জাতি আৰু সভ্যতাক ধ্বংসৰ পথত পৰিচালিত কৰে। এই কাৰণেই ধৰ্মৰ সৈতে বিজ্ঞানৰ মিলন বা সামঞ্জস্যৰ দৰ্কাৰ। ভাৰতৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে ধৰ্মৰ আৱশ্যকতাত উপলব্ধি কৰি লেখিছে- 'Religion is the discipline, which touches the Conscience and help us to struggle with evil and sordidness, saves us from greed. lust and hatred, releases moral power and imparts courages in the interprise of saving the world.'-- (Religion & Society, P-42.) অৰ্থাৎ ধৰ্ম মানে নিয়মানুবৰ্তিতাকে বুজায়। এই নিয়মানুৱৰ্তিতাই আমাৰ বিবেকক প্ৰভাবিত কৰে। সকলো অন্যায় স্বাৰ্থপৰতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবৰ কাৰণে আমালোকক প্ৰেৰণা দিয়ে। লোভ, ইন্দ্ৰিয় পৰায়ণতা আৰু ঘৃণাৰ পৰা আমাক ৰক্ষা কৰে, আমাৰ নৈতিক শক্তি বৃদ্ধি কৰে আৰু আমাক এনেকুৱা সাহস দান কৰে যে তাৰ ফলত বিশ্বজগতৰ কল্যাণৰ বাবে আমি আত্মনিয়োগ কৰিব পাৰোঁ।

ধৰ্মই মানুহক শিক্ষা দিয়ে ত্যাগ, শিক্ষা দিয়ে পৰোপকাৰ আৰু সৰলতাৰ। বৰ্তমান যুগৰ মানুহ যে ভোগী, আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ আৰু কুটিলমতি হৈ পৰিছে, তাৰ পৰা একমাত্ৰ ধৰ্ময়েহে পুনৰুদ্ধাৰ কৰিব পাৰে।





ৰাষ্ট্ৰ আৰু সমাজৰ সকলো স্তৰৰ মানুহেই ধৰ্ম বিশ্বাসী হোৱাটো বিশ্বৰ কল্যাণৰ বাবে একান্ত আৱশ্যক।

ৰাষ্ট্ৰনায়ক ধৰ্ম বিশ্বাসী হ'লে জগতৰ অনিত্যতা উপলব্ধি কৰিব পাৰিব, ফলত পৰৰাজ্য গ্ৰাস কৰিবৰ কাৰণে কুটিল চক্ৰান্তত লিপ্ত নহ'ব। চৰকাৰী কৰ্মচাৰীৰ ভিতৰত ধৰ্ম বিশ্বাস জন্মিলে উৎকোচ গ্ৰহণ প্ৰভৃতি সমাজ বিৰোধী কাৰ্যৰ পৰা দূৰীভূত হ'ব আৰু পৱিত্ৰ খাদ্য খোৱাৰ ফলত জনগণৰ স্বাস্থ্য, আয়ু উভয়েই বৃদ্ধি পাব তথা অনৰ্থক চিকিৎস্যাৰ ব্যয়ভাৰ বহনৰ পৰা অব্যাহতি পাব। ৰাজনৈতিক নেতা ধৰ্মবিশ্বাসী হ'লে অপপ্ৰচাৰৰ সাহায্যত মানুহৰ অন্তৰৰ ৰিপুৰূপ দানৱসকলক জাগ্ৰত কৰি এক শ্ৰেণীৰ বিৰুদ্ধে আৰু এক শ্ৰেণীক আগুৱাই দি ভোট যুদ্ধৰ নামি দেশব্যাপি দেবাসুৰ সংগ্ৰাম পৰিচালনা নকৰিব- ফলত মানুহে পৰস্পৰক বন্ধুভাৱে গ্ৰহণ কৰি সুখ আৰু শান্তিত বসবাস কৰিব পাৰিব। শাসন ক্ষমতাত অধিষ্ঠিত ব্যক্তিৰ অন্তৰত ধৰ্মৰ ধ্বজা ৰোপিত হ'লে অযথা নতুন কৰৰ মাধ্যমত, দৰিদ্ৰ জনগণৰ ৰক্ত শোষণ কৰি বিভিন্ন পৰিকল্পনাৰ নামত বিপুল অপব্যয় নকৰিব- ফলত জনসাধাৰণে তেওঁলোকৰ শ্ৰমলব্ধ অৰ্থ নিজৰ কাৰণে ব্যয় কৰি অধিকতৰ স্বাচ্ছন্দ্য লাভৰ সমৰ্থ হ'ব।

মানুহে যুক্তি বুদ্ধিৰ সহায়ত ধৰ্মৰ পথত আগবাঢ়ি যাওক, চলক, এয়ে ঈশ্বৰৰ অভিপ্ৰায়। ভগৱানে মানুহক ৰুচি আৰু পচন্দমতে চলাৰ স্বাধীনতা দিছে। মানুহে ইচ্ছা কৰিলে সতো হ'ব পাৰে আৰু অসতো হ'ব পাৰে। তথা কৰ্মানুযায়ী ফলো ভোগ কৰিব লাগিব। কিন্তু মানুহে যদি সত্য বস্তুক চিনি উপলব্ধি কৰি ল'ব পাৰে আৰু 'সৰ্বজন হিতায়, সৰ্বজন সুখায়' নীতিত নিজক লৈ যাব পাৰে; তেন্তে তেওঁৰেই জীৱন সাৰ্থক। এই সাৰ্থকতা জীৱন লাভৰ উপযোগী গুণ সৃষ্টিৰ কাৰণেই অনন্ত কৌটি ব্ৰহ্মাণ্ডপতি ভগৱান যুগে যুগে মহাপুৰুষৰূপে জীৱজগতত আৱিৰ্ভাৱ হয় আৰু অন্তৰ্জগতত মানবাত্মাৰ উন্নতি সাধন কৰি বাহ্য জগতত মানৱ সমাজৰ ৰাষ্ট্ৰীয় বা নৈতিক পৰিৱৰ্তন কৰি মনক দিব্য কৰ্মৰ আদৰ্শ দেখুৱাই দিব্য জীৱন অধিকাৰীৰ পথ প্ৰশস্ত কৰি সাৰ্বভৌম ভাগৱত ধৰ্মৰ প্ৰচাৰৰ দ্বাৰা জীৱক ভগৱানৰ পিনে আকৃষ্ট কৰে। মুক্ত জগতত, মুক্ত ঈশ্বৰৰ, মানৱ মনৰ মুক্তিয়েই ধৰ্মৰ মূল কথা—

'অহিংসা সত্যমস্তেয় কাম ক্ৰোধ লোভতা।
ভূত প্ৰিয় হিতেহাচ ধৰ্ম্মোহয়ং সৰ্ব্ববৰ্ণিক।।' -- ভাগৱত

অহিংসা, সত্য, চোৰ নকৰা, কামহীন, ক্ৰোধহীন, লোভহীন, জীৱৰ প্ৰতি দয়া, সকলোৰে মঙ্গলকামী নীতিয়ে ধৰ্মৰ নীতি।

ধৰ্ম জীৱনক কেন্দ্ৰ কৰিয়েই ভাৰতীয় সভ্যতাৰ আকাশী গঙ্গা নামি আহিছে আৰু ইয়াৰ ঐতিহ্য আৰু সংস্কৃতি গঢ়ি উঠিছে। এই সামঞ্জস্যপূৰ্ণ জগতখন অন্ধ জড়শক্তিৰ দ্বাৰা হ'ব নোৱাৰে। পৃথিৱীৰ বহুতো মহৎলোক বিভিন্ন সময়ত সেই চৈতন্য শক্তিৰ বিভিন্ন প্ৰকাৰে সাক্ষাত লাভ কৰিছে। সেই আত্মাৰূপী ভগৱানৰ অস্তিত্ব কোনেও নুই কৰিব নোৱাৰে। গতিকে সেই ভগৱানৰ উপাসনা কৰা মানুহৰ অৱশ্যে কৰ্তব্য।

জীৱন দুখেৰেই পৰিপূৰ্ণ। সেই দুখ গুচাবৰো উপায় আছে। বেদান্তই কৈছে- অবিদ্যাই সেই দুখৰ কাৰণ আৰু সেই অবিদ্যা দূৰ কৰাৰ উপায়ো ধৰ্ম। 'ধ্ৰিয়তে ধৰ্ম ইত্যাহু স এব পৰম প্ৰভুঃ।' যাক অনুশীলনৰ দ্বাৰা মানুহে পশুত্ব পৰিহাৰ কৰি দিব্য জীৱনৰ অধিকাৰী হৈ মুক্তি লাভ কৰিব পাৰে তাকেই ধৰ্ম বোলে। এই সনাতন ব্ৰহ্মাৰূপী চৈতন্য সৎশক্তিৰ পৰা মায়াৰ ক্ৰিয়াত যেতিয়া জীৱৰ উৎপত্তি হৈছে পুনঃ সেই পৰম সত্তাত মিলিত নোহোৱালৈকে আমাৰ আত্মাৰ যাতায়তৰ শেষ নাই, অতি ইতৰ অৱস্থাৰ পৰা বহু লক্ষ যোনিত যাতায়ত কৰি যেতিয়া এই দুৰ্লভ মনুষ্য জীৱন লাভ কৰিব পাৰিছো তেতিয়া হ'লে মায়াৰ বন্ধন ছিণ্ডি- 'সত্যম্ শিৱম্ সুন্দৰম্'ক লাভ কৰিবৰো সুযোগ আহিছে। আত্মাৰ অধঃপতনৰ পৰা যিহে আমাক ৰক্ষা কৰে তাকেই ধৰ্ম বোলে।

ভাৰতীয় সংস্কৃতিৰ ইতিহাসত চতুৰ্বেদেই সকলোতকৈ উচ্চস্থান অধিকাৰ কৰিছে। ব্ৰজদৃঢ় শ্ৰুতি শৈলীৰ ওপৰত ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ বিশাল প্ৰাসাদ প্ৰতিষ্ঠিত হৈ আছে। যুগ যুগান্তৰৰ পৰা ভাৰতীয় ঋষিকুলে দিব্য দৃষ্টিৰ দ্বাৰাই যি ব্ৰহ্ম বিদ্যা উপলব্ধি কৰি আহিছে; সেয়েই সংক্ষেপে চতুৰ্বেদ স্বৰূপে লিপিবদ্ধ হৈছে। মানুহৰ পক্ষে পৰম পদ আৰু মুক্তি লাভৰ কাৰণে যি আৱশ্যক, সেই সকলোখিনিয়ে বেদতেই বিদ্যমান হৈ আছে। সৰ্বতত্ত্বৰ শেষ মীমাংসাত যি অখণ্ড, একত্ব অৱস্থিত হৈ আছে, ইয়াকো কেৱে অতিক্ৰম কৰিব নোৱাৰে। বেদেই এই শেষ মীমাংসাত উপনীত





হৈছে। এতিয়া কেৱল বাকী আছে- মানুহক যুগে যুগে দেশ কাল ভেদে পাৰিপাৰ্শ্বিক অৱস্থা আৰু ঘটনাৰ তাৰতম্যত বেদ, বেদব্যক্ত উচ্চ লক্ষ্যৰ প্ৰতি নিয়ন্ত্ৰিত কৰা আৰু সেই সনাতন ধৰ্মৰ পথেদি পৰিচালিত কৰা। এই উদ্দেশ্যেই মহিমান্বিত মহাপুৰুষসকলে যুগে যুগে এই পুণ্যভূমিত আৱিৰ্ভাৱ হৈ আহিছে। গীতাৰ চতুৰ্থ অধ্যায়ত ভগৱান কৃষ্ণৰ চৰণত এই সত্য যেনেকৈ পৰিস্কাৰভাৱে অভিব্যক্ত হৈছে তেনেকুৱাকৈ এতিয়ালৈকে ক'তো প্ৰকাশ হোৱা নাই। বেদে স্তুতি কৰি কৈছে—

'অসন্ত জগতখান তোক্ষাত উদ্ভৱ ভৈল
সন্তহেন প্ৰকাশৈ সদায়।
কৰ্ম্মজড় মনুষ্যৰ মনমগ্ন ভৈল তাতে
বেদৰ নুবুজৈ অভিপ্ৰায়।।'১৬৬৯
--কীৰ্ত্তন, বেদস্তুতি

আৰু যি বেদৰ অভিপ্ৰায় বুজে—

'আগম পুৰাণ যত বেদান্তৰ তাতপৰ্য
জানি কৰা ভকতিক সাৰ।
শ্ৰৱণ কীৰ্ত্তন বিনা আন পুণ্যে নপাই জানা
ইটো ঘোৰ সংসাৰৰ পাৰ।।'১৬৭৩
—কীৰ্ত্তন, বেদস্তুতি

গীতা ভগৱান কৃষ্ণৰ মুখৰ অমৰ বাণী। শ্ৰীমদ্ভাগৱত নিখিল বেদৰ সাৰ। বেদান্তৰ ব্ৰহ্মতত্ত্ব লাগে গীতা পঢ়া, বৌদ্ধ ধৰ্মৰ অহিংসা লাগে গীতা চোৱা, যীশুৰ ক্ষমা লাগে গীতা পঢ়া, মহম্মদৰ সাম্যবাদ লাগে গীতা চোৱা, একশৰণ লাগে গীতাত বুৰ মাৰা। তেন্তে গীতা মানৱ মন্দিৰৰ সন্মুখত ভূত-ভৱিষ্যতৰ সৰ্বগ্ৰাহী ধৰ্মৰূপে চিৰবিদ্যমান হৈ আজিও সৰ্বপ্ৰকাশি বন্তিৰূপে বিৰাজমান। গীতাৰ সাৰ্বভৌম ধৰ্মোপদেশবোৰ গ্ৰহণ কৰি ধৰ্মজীৱন আৰু কৰ্মজীৱন নিয়ন্ত্ৰিত কৰিলে সকলোৱেই ঐহিক আৰু পাৰত্ৰিক কল্যাণ লাভ কৰিব পাৰে। গীতাৰ উপদেশ- ধৰ্মত উদাৰতা, কৰ্মত নিষ্কামতা, জ্ঞানত ব্ৰহ্মসম্ভাব, সৰ্বভূতত ভগদ্ভাব, ভগৱানত চিত্তসংযোগ, ভক্তিত ভগবৎ শৰণাগতি, নীতিত আত্মৌপম্যদৃষ্টি, সাম্যবুদ্ধি, উপাসনাত ভগবৎকৰ্ম, জীৱসেৱা, সাধনাত ত্যাগানুশীলন।

নতুন চিন্তা অবিহনে সভ্যতা আগবাঢ়িবৰ কোনো অবয়ব নাই। সময়ৰ পৰিৱৰ্তনৰ লদে লগে এখন সমাজৰো সকলো দিশতে পৰিৱৰ্তন হয়। ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱৰ্তনৰ লগতে ধৰ্মনীতিৰো পৰিৱৰ্তন বিশেষ মন কৰিবলগীয়া। পঞ্চদশ শতাব্দীৰ জগতখনলৈ আহিছিল ধৰ্ম বিপ্লৱৰ নতুন বতাহ। সৃষ্টিৰ কল্যাণ ধৰ্মৰ সংস্থাপন কৰিবৰ মানসে এনে সময়ত অৱতাৰ হয় একোজন মহাপুৰুষ। সেইসকল চিৰদিন পূজনীয়, বৰণীয় আৰু স্মৰণীয়।

খৃষ্টীয় পঞ্চদশ শতিকাত ধৰ্মৰ নামত নানা দেৱ-দেৱী পূজা, নানান বলি বিধান, নৰবলি, নানা ব্যভিচাৰ, অনাচাৰ, অবিচাৰৰ শোষণ নীতিয়ে জনমানসক পঙ্গু কৰি তোলাত, পাষণ্ডৰ পাষণ্ডালি, ভণ্ডৰ ভণ্ডামি, ধূৰ্তৰ ধূৰ্তালি মষিমূৰ কৰি, এক সাম্য সৌম্য, সংহতি, সভ্যতা, সংস্কৃতিৰ অভিনৱ 'সত্যম্ শিৱম্ সুন্দৰম্'ৰ সেৱাৰে জন সমাজক গৌৰৱান্বিত কৰাৰ মানসে বেদ, বেদান্ত, উপনিষদৰ সাৰ গীতাৰ পৰম নিৰ্মল এক শৰণ নাম ধৰ্ম 'প্ৰেম অমৃত নদী' বোৱাই 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' মন্ত্ৰেৰে একেশ্বৰবাদৰ বিজয় ডঙ্কা উৰুৱাই বেদ বিহিত যাগ-যজ্ঞ, তন্ত্ৰ নিয়ন্ত্ৰিত পূজা-পাতল, ক্ৰিয়া-কাণ্ড নানা মুনিৰ নানা মত, নানা পথ পৰিত্যাগ কৰাই ভক্তিৰসেৰে ইমূৰৰ পৰা সিমূৰলৈ জাতি, অজাতি, উপজাতি, অন্ত্যজাতি সকলোৰে কৃষ্ণত ভকতিৰ অধিকাৰ সাব্যস্ত কৰি সকলো শ্ৰেণীৰ লোককে আতি অৰ্থাৎ একে আত্মাৰ শাৰীলৈ আনি নামত শৰণ দি এখন শুদ্ধ, নিকা, সদাচাৰী সমস্তৰে আত্মা নাৰায়ণৰ সমাজ, একেটি নামঘৰত কেন্দ্ৰীভূত কৰি গঢ়ি তুলিলে। একত শৰণ দিলে। মূৰ্তি শূন্য ঈশ্বৰ। হৰিত নামত প্ৰকাশ কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱে।

শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ কেৱল ধৰ্ম প্ৰচাৰকেই নাছিল; তেখেত আছিল একাধাৰে সমাজ সংগঠক, কবি, নাট্যকাৰ, গায়ক, বায়ক, সঙ্গীতকাৰ, জাতি নিৰ্মাতা আৰু আকাশলঙ্ঘী প্ৰতিভা সম্পন্ন সুমহান মানৱ শিল্পী। তেখেত আছিল অসমৰ সাহিত্য, সভ্যতা, সংস্কৃতিৰ স্ৰষ্টা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ মূলনীতি আৰু ধৰ্ম দৰ্শন সৰ্বব্যাপি ভগৱন্ত এক, এই চিৰন্তন সনাতন ধৰ্মৰ নীতি। ভাৰতৰ বিভিন্ন স্থানত ধৰ্ম প্ৰচাৰক শ্ৰীচৈতন্যদেৱ, ৰামানুজাচাৰ্য, মাধৱাচাৰ্য, হৰিব্যাস, ৰামানন্দ আৰু বল্লভাচাৰ্য





প্ৰভৃতি ধৰ্মগুৰুসকলৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ পাৰ্থক্য- সেইসকল আছিল দ্বৈতবাদী, বিশিষ্ট দ্বৈতবাদী আৰু শুদ্ধ দ্বৈতবাদী। তেওঁলোকৰ উপাস্য হ'ল- ৰাধাশ্যাম, ৰাধেশ্যাম, সীতাৰাম, ভূশ্ৰী, লক্ষীনাৰায়ণ। দক্ষিণ ভাৰতৰ ধৰ্ম প্ৰচাৰক শ্ৰীশঙ্কৰাচাৰ্য অদ্বৈতবাদী আছিল যদিও তেওঁৰ মতত আছিল মায়াৰ প্ৰাধান্য। শ্ৰীমন্ত শঙ্কৰদেৱ আছিল অদ্বৈতবাদী। শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতিত দ্বৈতবাদৰ অকণো মিশ্ৰণ নাই। যেনে—

'তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।।
তুমি পশু পক্ষী সুৰাসুৰ তৰুতৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন।।'

-- কীৰ্ত্তন

শ্ৰীমন্ত শঙ্কৰদেৱৰ ভজনীয় দেৱ পৰমব্ৰহ্ম- সৰ্বব্যাপক নিৰঞ্জন নিৰাকাৰ ৰূপ- যি ধৰ্ম কোনো সম্প্ৰদায়ত নপৰে। তাৰাৰ সনাতন ধৰ্মত- 'একং সদ্ বিপ্ৰাঃ বহুধা বদন্তি'- একত্বই বহুত্ব মূল, একত্বই নিত্য, নিত্যই পৰম তত্ত্ব; পৰম তত্ত্বই ব্ৰহ্মতত্ত্ব, ব্ৰহ্মতত্ত্বৰ উপলব্ধিৰ মূলত পৰমব্ৰহ্মৰ অনুভূতি। পৰমব্ৰহ্ম সৰ্বব্যাপক। সৰ্বব্যাপক দেৱ হ'ল বিষ্ণু আৰু বিষ্ণুই হ'ল পৰমপুৰুষ দেৱতা অনাদি-- অসীম 'তদ্বিষ্ণুঃ পৰমং পদম্। তস্মাদাহুঃ বিষ্ণুঃ দেবানাং শ্ৰেষ্ঠঃ-- (ঋক্‌বেদ)।

ভাগৱতত সৰ্বব্যাপক বিষ্ণুকেই-- 'কৃষ্ণস্তু ভগৱান স্বয়ং' বুলি ঘোষণা দিছে। তাৰাই বিদিত কৰিলে এক দেৱ কৃষ্ণ, এক ভজনীয়া দেৱত শৰণ, এক শাস্ত্ৰ, এক নাম, এক সেৱা। সৰ্বব্যাপক নিৰঞ্জন নিৰাকাৰ যি জন কৃষ্ণ তেৱেঁইহে তাৰাৰ এক শৰণৰ মূল বস্তু।

শঙ্কৰদেৱৰ ধৰ্মত জাতি বৰ্ণ নিৰ্বিশেষে সকলোকে সমভাৱে গ্ৰহণ কৰিব পৰাৰ মহানুভৱতা বিদ্যমান-- ইয়াত দেশ কাল পাত্ৰৰ ভেদ নাই। নামধৰ্ম এক সাৰ্বজনীন মানৱ ধৰ্ম। যি সময়ত ভৌতিক ভোগ-বিলাসত মানুহ মগ্ন হৈ পৰিছিল; সেই সময়ত শঙ্কৰদেৱে তেওঁৰ নাম ধৰ্ম প্ৰচাৰ কৰি

মানুহৰ নিজস্ব আধ্যাত্মিক দিশৰ কথা সোঁৰৰাই দি আধ্যাত্মিক আৰু নৈতিক বিকাশৰ পথৰ পৰা এটা জাতিক উদ্ধাৰ কৰি থৈ গ'ল। তাৰা আছিল অসমৰ সভ্যতা শ্ৰষ্টা তথা সৰ্বভাৰতীয় সংস্কৃতিৰ লগত যোগসূত্ৰ সাধক।

হে বাপসকল, আইসকল! বৰ দুখৰ কথা, বেজাৰৰ কথা তথা পৰিতাপৰ বিষয় যে এনে এক সাৰ্বজনীনতসমৃদ্ধ মহান ধৰ্মৰ জন্মভূমিতেই একাংশ লোক সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এক আচহুৱা ধৰ্মেৰে দীক্ষিত হ'ব লগা হ'ল, আমাৰ ভুলৰ কাৰণে। আনহাতে আকৌ আজি অসমৰ বুকুতেই এক শ্ৰেণী লোকে ঐন্দ্ৰজালিক শক্তি সম্পন্ন গুৰু বিচাৰি হাবাথুৰি খাই ফুৰিছে। আমি নিজক চিনিবৰ কাৰণে চেষ্টা প্ৰচেষ্টা নকৰা হৈছোঁ। আজি আমাৰ অৱস্থা ভ্ৰান্তচিত্ত কস্তুৰি মৃগৰ নিচিনা হৈছে। জীৱই চাই আনন্দ, শোক দুখৰ হাতৰ পৰা মুক্তি। এই আনন্দৰ কাৰণে সি বাহ্য ভোগবস্তু সংগ্ৰহৰ কাৰণে কিমান যে হাবাথুৰি খাইছে। মনত দৃঢ় কৰি লৈছে যে- ভোগেই আনন্দ। কিন্তু পৰিণামত দুখ, অশান্তি, ক্লান্তি। শান্তি আনন্দ বাহিৰত নাই; আছে নিজৰ ভিতৰতেই সেই আনন্দ চিন্ময় পুৰুষ দেহৰ ভিতৰতেই আছে।

'পুৰমেকাদশ দ্বাৰমজস্যাবক্ৰ চেতসঃ।
অনুষ্ঠান ন শোচতি বিমুক্তশ্চ বিমুচ্যতে।।"
--কথ উপনিষদ

এই দেহৰ তেওঁৱেই দেহী। নৱদ্বাৰ যুক্ত এই দেহটো এক নগৰ বিশেষ। এই নগৰৰ তেৱেঁই ৰজা। চক্ষুৰাদি ইন্দ্ৰিয়বোৰ তেওঁই প্ৰজা। তেওঁৰ জন্ম নাই, বিনাশ নাই, স্বপ্ৰকাশক। আমি ভোগাসক্ত দেহটোৰ কথাহে ভাবিছোঁ; কিন্তু নিত্যমুক্ত দেহ স্বামীৰ খবৰ ৰখা নাই। শান্তি লাগে, আনন্দ লাগে। কিন্তু নিজৰ ভিতৰতেই সেই আনন্দ পুৰুষ জীৱাত্মাৰূপে নিত্য অৱস্থিত। সেই উপলব্ধি আমাৰ নাই। এই অজ্ঞানতাই মানুহৰ শোক, দুখ, বন্ধন আৰু পুনৰাবৰ্তনশীল জন্ম মৃত্যুৰ কাৰণ। আমি কি শাশ্বত শান্তি আৰু আনন্দ চাওঁ। শোকান্বিত অৱস্থা লাভ আমাৰ কাম্য। এই জন্ম মৃত্যুৰ আৱৰ্তিত চক্ৰৰ পৰা চিৰ পৰিত্ৰাণ লাভ কি মানৱৰ সত্য সঙ্কল্প! অজ্ঞানতা পৰিহাৰ কৰি সম্যক ভক্তিৰ আশ্ৰয় কৰি দেহপুৰত অৱস্থিত জন্ম-জৰা-মৃত্যু ৰহিত স্ব-প্ৰকাশক আত্মাৰূপ পুৰ স্বামীৰ নাম সাধনা আৰু কীৰ্তন কৰক। সোক





ৰহিত হ'ব। এই দেহৰ পৰা অবিদ্যাকৃত বাসনা আৰু কৰ্মবন্ধনৰ পৰা মুক্ত হৈ দেহৰসানত- ন স পুনৰাৱৰ্ততে।

এয়ে শ্ৰীমন্ত শঙ্কৰ সূৰ্যৰ মহান বাণীসমূহ মানৱলৈ। এই বাণী লুপ্ত বিলুপ্ত হৈ ধ্বংসৰ পিনে পূৰ্বীয় সমাজে গতি কৰাত, মহান ধৰ্ম, সংস্কৃতিক পুনঃ সজ্জীৱিত কৰি জগতবাসীৰ মাজত দাঙি ধৰাৰ মানসে অসম শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংগঠনৰ সূত্ৰপাত। এতিয়াও যদি আমি এইজনা মহাপুৰুষৰ আদৰ্শৰ ছায়াচত্ৰৰ তলত পৰস্পৰক ভেদাভেদ পাহৰি ঐক্যবদ্ধভাৱে সমবেত নহওঁ তেন্তে মহাপুৰুষ শ্ৰীমন্ত গুৰুজনে অশেষ কষ্টেৰে সঞ্জীৱিত কৰি থৈ যোৱা অসমীয়া জাতীয় বৈশিষ্ট্যৰ বটবৃক্ষজুপি বৈদেশিক প্ৰভাৱ আৰু স্বাৰ্থান্বেষী বিভেদকামী শক্তিৰ ৰঘুমলাৰ দ্বাৰা শোষিত হৈ পঙ্গু হৈ পৰাৰ চৰম দুৰ্যোগ সমুপস্থিত।

পৃথিৱীত অনেকজন মহাপুৰুষে তেওঁলোকৰ ধৰ্ম, ৰাজনীতি, সাহিত্য, সংস্কৃতি বিজ্ঞান আদি কৰ্মৰ জৰিয়তে একোটা নতুন যুগৰ সৃষ্টি কৰি আহিছে। এই সৃষ্টি কৰি অহা নতুন যুগৰ ইতিহাসলৈ মন কৰিলে আমাৰ এটা কথা স্পষ্ট হৈ পৰে যে মানুহে পুৰণিখিনিকে সদায় কেতিয়াও ভাল নাপায়। পুৰণাখিনিকে সাবটি থাকিলে সমাজো বৰ্তি থাকিব নোৱাৰে। সমাজ বৰ্তি থকাটো সদায় নতুনৰ ওপৰত, পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰ কৰে। পৰিৱৰ্তনৰ আন এটা নাম গতিশীলতা। এই গতিশীলতাই সৃষ্টিৰ প্ৰমাণ। জীয়াই থকাৰ লক্ষণ-জীৱন। নতুন যুগৰ সৃষ্টি কৰিবলৈ ভগৱানৰ ওপৰত অপেক্ষা নকৰি আমি বাস্তৱৰ সৈতে সংগ্ৰাম কৰি নতুন যুগৰ সূচনা কৰিব লাগিব।

হে অমৃতৰ পুত্ৰসকল- পল পল দণ্ড কৰি এটি বছৰে আমাৰ পৰা বিদায় ল'লে। বিদায় বেলা সি আমাক উপহাৰ দি গ'ল মাতৃহাৰা শিশু, সন্তানহাৰা জননীৰ কৰুণ ক্ৰন্দন, লাঞ্ছিতা, নিপীড়িতা সতী ৰমণীৰ মৰ্মবিদাৰক হাঁহাকাৰ; অত্যাচাৰিত, উৎপীড়িত, অসহায় জনগণৰ কাতৰ আৰ্তনাদৰ, অবাধ লুণ্ঠন, হত্যা, নিৰ্যাতনৰ লগে লগে একশ্ৰেণী দুৰ্নীতি পৰায়ণ সমাজ বিৰোধী ব্যক্তিৰ সন্ত্ৰাসৰ ৰাজত্ব। জ্ঞানী, গুণী, বিদ্বান, বুদ্ধিমান, মনীষী আদি সমাজৰ শীৰ্ষস্থানীয় ব্যক্তিবোৰ মূক, নেতৃবৃন্দ দলীয় স্বাৰ্থ আৰু ক্ষমতা বিস্তাৰৰ দুৰাশাত প্ৰতিকাৰহীন অচল; জনতা স্তব্ধ,

বিভ্ৰান্ত আৰু কিংকৰ্তব্যবিমূঢ়।

আজি নতুন বছৰ। নতুন বছৰৰ নতুন প্ৰভাত। তৰুণ অৰুণৰ হিৰণ্ময় দ্যুতিত চাৰিদিশ উদ্ভাসিত। আমি দুই হাতেৰে চকুৰ পানী মচি মচি ৰক্ত প্ৰবাহিত ক্ষত আৰু বুকুভৰা বেদনা লৈ অজ্ঞাত নতুনক সাদৰে বৰণ কৰি লৈছোঁ- শান্তি, শান্ত্বনা, কল্যাণ, নিৰাপত্তাৰ আশাত। নিৰ্বিঘ্নে, নিৰুপদ্ৰৱে নিজ নিজ ধৰ্ম, মান, ইজ্জত, স্বাৰ্থ সম্পদ তথা অধিকাৰ লৈ বাচিবৰ ভৰসাত। আজি মানৱতাৰ অপব্যৱহাৰ তথা দানৱীয়তাৰ অভ্যুত্থানৰ ফলত অকল ভাৰততে নহয় সমস্ত জগত জজ্জৰিত। এই বিপদ্মুক্তিৰ কাৰণে জয় জয়তেই ভাৰতৰ মানুহকেই আদৰ্শ মনুষ্যত্বৰ সাধনাত সিদ্ধি লাভ কৰি পথ প্ৰদৰ্শন কৰিব লাগিব আৰু তাৰ কাৰণেই নৱ বৰষত সৰ্বপ্ৰথমে আমি আহ্বান জনাইছোঁ জাতিৰ নবীন তাপস বিদ্যাৰ্থীসকলক আন্তৰিক অধ্যয়ন নিষ্ঠা, কৃতি জীৱন গঠনৰ ঐকান্তিক প্ৰয়াস, চৰিত্ৰ গঠনৰ অদম্য উৎসাহ, শক্তি অৰ্জন আৰু সংযম সাধনাৰ গভীৰ নিষ্ঠাৰ শুভ্ৰ পতাকা হৃদয় মন্দিৰত কায়, বাক্য, মনে সাৰোগত কৰি দেশ, জাতি, ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষাৰ কাৰণে সমদলে আগুৱাই যাব লাগিল। পৰিশেষত হে মোৰ জন্মজন্মান্তৰৰ সেৱাৰ স্থলী ৰাইজ!

'গতে শোকে ন কৰ্ত্তব্যো ভৱিষ্যত নৈব চিন্তয়েৎ।
বৰ্ত্তমানেন কালেন প্ৰৱৰ্ত্তন্তে বিচক্ষণাঃ।।'

যি অতীত হৈ গৈছে তাৰ কাৰণে শোক কৰিলে অতীত পুনঃ উভতি নাহে। ভৱিষ্যত অনাগত। ভৱিষ্যতৰ কথা ভাবিও বিশেষ লাভ নাই। কিন্তু বৰ্তমানৰ কথা ভাবিবই লাগিব। কিয়নো বৰ্তমানৰ ওপৰতেই ভৱিষ্যত নিৰ্ভৰশীল। যি মানুহ বুদ্ধিমান তেওঁলোকে বিশেষভাৱে বৰ্তমানৰ কথাহে চিন্তা কৰে।

মানুহেই মানুহৰ কাৰণে নীতি, নিয়ম, আইন সংবিধান ৰচনা আৰু প্ৰয়োগ কৰে। যি মানৱ সমষ্টিয়ে এই গুৰুতৰ দায়িত্বভাৰ বৰণ কৰি লয় তেওঁলোকে সৰ্বপ্ৰকাৰ সঙ্কীৰ্ণতা আৰু স্বাৰ্থপৰতা বিসৰ্জন দি শ্ৰেণী দল বা ব্যক্তিগত চিন্তা-ভাৱনা পৰিত্যাগ কৰি দেশ, জাতি, সমাজৰ সত্তাৰ সৈতে নিজৰ সত্তাক সংমিশ্ৰণ কৰি দিব লাগিব। স্বাৰ্থপৰতাক পৰাৰ্থ পৰতাত, ক্ষুদ্ৰতা আৰু সংকীৰ্ণতাক উদাৰতাত ব্যষ্টি মানসিকতাক সমষ্টি মানসিকতাত





পৰিণত কৰি ঈৰ্ষা, বিদ্বেষ, পৰশ্ৰীকাতৰ, কপটতা, দম্ভাভিমান আৰু ক্ষমতা লোলুপতা বিসৰ্জন দি প্ৰকৃত সেৱকৰ যোগ্যতা অৰ্জন কৰিব লাগিব। তাৰ উপৰি প্ৰত্যেককে চৰিত্ৰবলত বলীয়ান আৰু নৈতিক শক্তিত শক্তিমান হৈ সদুদ্দেশ্য, অকপটতা, অনন্ত প্ৰেম, অনন্ত ধৈৰ্য আৰু অনন্ত উদ্যোগক সাৰথি লৈ হৃদয়ৰ অসৎ মলি বিলুপ্ত কৰি প্ৰকৃত সৎ আৰু মহৎ হ'ব লাগিব। এই সৎ আৰু মহৎলোকেইহে শ্ৰেণী, দল নিৰ্বিশেষে সমস্ত মানুহৰ দুখ দৈন্য, অভাৱ অভিযোগ নিজৰ বুলি অনুভৱ কৰি গীতাৰ ভাষাত— 'আত্মৌপম্যেন সৰ্বত্ৰ সমং পশ্যতি' প্ৰতিকাৰত ব্ৰতী হ'ব পাৰিব। মানুহ যেতিয়া চৰিত্ৰবান, পৰদুখকাতৰ, ন্যায়পৰায়ণ আৰু কৰ্তব্যনিষ্ঠা হৈ উঠিব তেতিয়াই সি হৈ উঠিব প্ৰকৃত সেৱক আৰু এই আদৰ্শ সেৱকেই গঢ়ি তুলিব পাৰিব সুখ-সমৃদ্ধি সম্পন্ন, শান্তি, শৃঙ্খলাপূৰ্ণ আদৰ্শ দেশ-জাতি, সমাজ-ৰাষ্ট্ৰ আৰু পৰিবাৰ। নিজৰ বিবাহ, নিজৰ ধন, নিজৰ জীৱন, ইন্দ্ৰিয় সুখ; নিজৰ ব্যক্তিগত সুখৰ কাৰণে নহয়। প্ৰতি ব্যক্তি জনমৰ আদিম পুৰা দেশ মাতৃৰ কাৰণে বলিৰূপে প্ৰদত্ত। আমাৰ সমাজ সেই বিৰাট পুৰুষৰ ছাঁ মাত্ৰ। নীচ, মূৰ্খ, দৰিদ্ৰ, মেটৰ, মুছি, অজ্ঞানী, কাতৰ সকলো আমাৰেই তেজ। আমাৰেই ভাই। এওঁলোকৰ সেৱাই প্ৰকৃত ধৰ্ম। গতিকে আজি আমি সকলো ভেদাভেদ পাহৰি আবাল-বৃদ্ধ-বনিতা সকলো মিলিত হৈ জগত গুৰু শ্ৰীমন্ত শঙ্কৰ সূৰ্য প্ৰদত্ত সনাতন সত্য নাম ধৰ্ম ধ্বজাৰ তলত সন্মিলিত হৈ দেশ জাতি-ভাষা, সাহিত্য-সংস্কৃতি মহানতো মহীয়ান কৰি দেশে-বিদেশে প্ৰচাৰ কৰি বিশ্ব-ভ্ৰাতৃত্বৰ মহান সেতু নিৰ্মাণৰ পথত খোজ দি সমস্বৰে গাওঁ—

'জ্ঞানশূন্য আতি পশুপক্ষী জাতি এ
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ
আমাক তোক্ষাৰ তেজিতে উচিত নয়।।'৮০৪

-- নাম-ঘোষা■

**জীৱকান্ত নাথে সম্পাদনা কৰা 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ' গ্ৰন্থৰ পৰা চয়ন কৰা হৈছে।**

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ (১)

শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ

অসমৰ সৰ্ববৃহৎ ধৰ্ম-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিমধ্যে পঞ্চাশ বছৰ পূৰ্ণ হৈছে। এইবাৰ সঙ্ঘৰ সোণালী জয়ন্তী অধিৱেশন সঙ্ঘৰ জন্মস্থান নগাঁৱত অনুষ্ঠিত হৈছে। এই অনুষ্ঠানৰ পৰিসৰ ক্ৰমে ক্ৰমে বৃদ্ধি পাই আজিৰ বিশাল অৱস্থা পাইছেহি। ই অসমৰ ভাষা-কৃষ্টি-সভ্যতা আৰু জাতীয়তাৰ এক মহৎ জাতীয় অনুষ্ঠানত পৰিণত হৈছে। ১৯৫৯ চনত লক্ষীমপুৰ জিলাৰ চৰাই দলনীত বহা সঙ্ঘৰ অষ্টবিংশ বাৰ্ষিক অধিৱেশনৰ সাহিত্য সন্মিলনত সভাপতিত্ব কৰি অসমৰ জাতীয় নেতা সু-সাহিত্যিক জ্ঞাননাথ বৰাদেৱে অকুণ্ঠচিত্তে ঘোষণা কৰিছিল— 'আজিলৈকে মই যিমানবোৰ সভাত যোগদান কৰিছো- এইখনেই হৈছে সৰ্ববৃহৎ সভা। ই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰেই মহিমা।' ১৯৭৩ চনত নগাঁৱত বহা বাৰ্ষিক অধিৱেশনত সাহিত্য সন্মিলনৰ সভাপতিৰ আসনৰ পৰা খ্যাতনামা সাংবাদিক-সাহিত্যিক শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই উদাত্ত কণ্ঠে ঘোষণা কৰিছিল- 'আজিৰ এই বিৰাট জনতাৰ সমাৱেশে প্ৰমাণ কৰিছে- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এটি অনুষ্ঠান নহয়, ই এখন বিশ্ববিদ্যালয়।' সঙ্ঘৰ প্ৰতি অসমৰ সুধীসকলৰ এয়া আশীৰ্বাদ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতি অসমীয়া ৰাইজৰ এনে ব্যাপক সমৰ্থনৰ কাৰণ আমাৰ বিচাৰত এই—

(১) শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষ অসমৰ জাতীয় জনক, ভাগ্যবিধাতা। নিচিহ্ন হ'ব খোজা অসমীয়া সমাজখনক হৰিনাম-অমৃত পান কৰাই নতুনকৈ স্ৰজন কৰিলে। এইজন মহাপুৰুষৰ কৃপাতে আমি এটা সুসভ্য জাতি হিচাপে পৰিচয় দিব পাৰিছোঁ।

(২) ভাষা-সাহিত্য-সংস্কৃতিৰ সংকট কালত দুজনা মহাপুৰুষৰ অৱদান কীৰ্ত্তন-দশম, ঘোষা-ৰত্নাৱলী, বৰগীত-নাট-নৃত্যই অসমীয়া ভাষা-





সাহিত্য-সংস্কৃতিক ভাৰত দৰবাৰত বৰপীৰা পাৰি প্ৰতিষ্ঠা কৰিলে।

(৩) তাৰাই সমাজৰ বৰবিহ অস্পৃশ্যতাক সমূলঞে নিৰ্মূল কৰিবলৈ বিভিন্ন জাত-সম্প্ৰদায়ৰ পৰা বিশেষকৈ অস্পৃশ্য বুলি আঁতৰ কৰি থোৱা শ্ৰেণীৰ পৰা লোক আনি শৰণ-ভজনৰ, পাঠ-প্ৰসঙ্গৰ, নীতি-সদাচাৰ শিক্ষা দি নিৰ্মালি প্ৰদানি আতাৰ আসনত বহুৱাইছিল।

(৪) ধৰ্মৰ ব্যভিচাৰ দূৰ কৰিবলৈ গুৰুজনাই কঠোৰ সাধনাৰে সমস্ত শাস্ত্ৰ অতি কম সময়তে অধ্যয়ন কৰি শাস্ত্ৰৰ তত্ত্ব উদ্ধাৰি বেদৰ মুখ্য উদ্দেশ্য একশৰণ নামধৰ্ম প্ৰচাৰ কৰিলে। বিভিন্ন দেৱ-দেৱতাৰ সেৱা-উপাসনা অসাৰ বুলি প্ৰতিপন্ন কৰি বিভিন্নমুখী সমাজক একমুখী (ঈশ্বৰ-মুখী) কৰি একতাৰ প্ৰেমৰ ডোলেৰে বান্ধি থৈ গ'ল।

কিন্তু কালক্ৰমত গুৰুজনাৰ এই আদৰ্শ বিকৃতি ঘটিল। গুৰুজনাৰ নিৰ্মালি পাই ধৰ্ম প্ৰচাৰৰ অৰ্থে স্থাপিত হোৱা সত্ৰসমূহৰ আদৰ্শ ভ্ৰষ্ট হ'ল। জাতি গঠনৰ পৱিত্ৰ সংকল্পৰ কথা প্ৰায় সকলোৱে পাহৰিলে। অস্পৃশ্যতা দূৰ কৰা দূৰতে থাকক অস্পৃশ্যতাই মহাপুৰুষীয়া ধৰ্মৰ মূল ভেটি হ'ল। একদেৱ একসেৱ আদৰ্শ তেওঁলোকে ত্যাগ কৰিলে। ফলত মহাপুৰুষীয়া সমাজত ফাট মেলিলে। বিভিন্ন সংহতিৰ সৃষ্টি হ'ল। আৰু একমুখী সমাজ ক্ৰমে বহুমুখী হ'ব ধৰিলে।

এনে এটি সংকটৰ ক্ষণত কেইজনমান ক্ষণজন্মা পুৰুষে গুৰুজনাৰ আদৰ্শৰ শুদ্ধতা আৰু পৱিত্ৰতা ৰক্ষাৰ বাবে এই অনুষ্ঠানৰ জন্ম দিলে। আজিৰ এই পৱিত্ৰ আৰু আনন্দময় ক্ষণত আমি স্বৰ্গগামী সেই পুণ্যাত্মাসমূহক স্মৰণ কৰি অৰ্ঘ নিৱেদন কৰিলোঁ। সেইসকল বেদজ্ঞ পণ্ডিত হ'ল- গোপীকাবল্লভ গোস্বামী, লোকসেৱক হলধৰ ভূঞা, ত্যাগী পুৰুষ ৰমাকান্ত মুক্তিয়াৰ, তেজস্বী পুৰুষ ডম্বৰুধৰ বৰুৱা, বিদ্বান পুৰুষ যোগেন বৰুৱা, সু-সাহিত্যিক ডিম্বেশ্বৰ নেওগ আদি।

**এই অনুষ্ঠানৰ প্ৰয়োজনীয়তা ঃ** এই অনুষ্ঠানৰ প্ৰয়োজনীয়তা ওপৰত থূলমূলকৈ উল্লেখ কৰিলেও বিশষতঃ সমাজৰ পদদলিত শ্ৰেণীৰ উদ্ধাৰহে। এজন চৰিত্ৰকাৰে গুৰুজনাৰ অৱতাৰৰ কাৰণ বৰ্ণনা কৰিছিল—

আনবাৰ অৱতাৰ ধৰন্ত ঈশ্বৰ কৃষ্ণ
হৰিবাক পৃথিৱীৰ ভাৰ।

অন্ত্যজাতি পতিতৰ       তাৰণ কাৰণ হেতু
ইবাৰ ভৈলাহা অৱতাৰ।।

গুৰুজনাই নৰনাট সম্বৰণ কৰাৰ পিছত এই পতিতসকলক উদ্ধাৰ কৰাৰ কাম ব্যাহত হ'ল। আজি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ অভ্যুত্থানে এই প্ৰয়োজনীয়তা পূৰ্ণ কৰিছে। সমাজৰ ৰক্ষণশীল লোকৰ হেঁচাত চেপেটা মাৰি থকা বহুলোক, বহু সমাজে আজি মূৰ তুলি মহাপুৰুষীয়া ধৰ্মৰ পূৰ্ণ ভাগ গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘলৈ অহা হাজাৰ হাজাৰ পিছপৰা শ্ৰেণীৰ জনজাতি, অনুসূচিত জাতি, চাহ মজদুৰ, আহোম, চুতীয়া, সুত, নাথ আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে এক অসমৰ সংকল্প গ্ৰহণ কৰিছে।

**এই অনুষ্ঠানৰ সাৰ্থকতা ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আজি কেৱল অসমৰ গুৰু হৈ থকা নাই। ৰাষ্ট্ৰীয় পৰ্যায়তো শঙ্কৰদেৱ গুৰু বুলি স্বীকৃতি হৈছে। তাতোকৈ বেছি গৌৰৱৰ বিষয় যে শঙ্কৰদেৱক জগতৰ গুৰু হিচাপে জাৰ্মান, আমেৰিকা, বৃটেইন আদি পশ্চিমৰ জাতিসমূহেও স্বীকাৰ কৰিছে।

কিছু বছৰৰ পূৰ্বে অসমৰ জননেতা হেম বৰুৱা আমেৰিকালৈ যাওঁতে কালিফৰ্নীয়া বিশ্ববিদ্যালয়ত এজন জাৰ্মান বৈজ্ঞানিকে পৰিচয় কৰি দিছিল এই বুলি '৫০০ বছৰৰ পূৰ্বে ভাৰতৰ পূব প্ৰান্তত বিশ্বৰ নৰনাৰীৰ কল্যাণৰ বাবে যিজন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ ধৰ্ম প্ৰচাৰ কৰিছিল সেই শঙ্কৰদেৱৰ জন্মভূমি অসমৰ পৰা এওঁ হেম বৰুৱা আহিছে।'

তিনি চাৰি বছৰৰ আগতে ইউৰোপৰ পৰা এটি বৈদেশিক সাংস্কৃতিক মিছন ভাৰতলৈ আহিছিল- ভাৰতীয় ধৰ্ম সংস্কৃতিৰ বুজ ল'বলৈ। তাৰ নেতত্ব লৈছিল ইংলেণ্ডৰ এগৰাকী বিদুষী মহিলা কুইন্স হেইলীয়ে। ভাৰত ভ্ৰমণ কৰি তেওঁলোক অসম সোমাল থান-সত্ৰ চোৱা আৰু শঙ্কৰদেৱৰ ধৰ্ম অধ্যয়ন কৰাৰ মানসে। অসম সোমাই তেওঁলোকে অসমৰ বিভিন্ন সত্ৰ-সভাবোৰ চালে। মহাপুৰুষীয়া ধৰ্মৰ আঁতিগুৰি মাৰি বুজিবলৈ তেওঁলোকৰ হেঁপাহ জন্মিল। কিন্তু থান-সত্ৰত গুৰু-ভকতসকলৰ নীতি-নিয়ম, সেৱা-উপাসনা আদি দেখি সেইসকল মহা বিমোৰত পৰিল-- শঙ্কৰদেৱৰ ধৰ্মৰ ৰহস্য ভেদ কৰিব নোৱাৰি। ই একশৰণ নে বহু শৰণ? মূৰ্তিশূন্য পূজা নে মূৰ্তিযুক্ত পূজা? অস্পৃশ্যতা দূৰ কৰাটো নে ৰক্ষা কৰাটো? বৰপেটাৰ কীৰ্তন





ঘৰৰ গুৰু-আসন মহাপুৰুষীয়া ধৰ্মৰ সাক্ষী নে মেছাঘৰৰ বিভিন্ন দেৱ-দেৱতাৰ মূৰ্তি সাক্ষী? বিভিন্ন সত্ৰত থকা নাম-কীৰ্তন মহাপুৰুষীয়া ধৰ্মৰ স্বৰূপ নে শালগ্ৰাম পূজা স্বৰূপ, মহাপুৰুষীয়া ধৰ্মৰ গুৰু শঙ্কৰদেৱ নে গোবিন্দ, বনমালী, যাদৱ আদি বিভিন্ন জন? সৌভাগ্যক্ৰমে সেইসকলে লগ পালে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ভকতক। অসমৰ বিভিন্ন ঠাইৰ সঙঘৰ ভকতসকলৰ নীতি, সদাচাৰ, উপাসনা পদ্ধতি আদি অভিন্নতা দেখি তেওঁলোক মোহিত হ'ল। ভকতসকলৰ পৰা সেই বৈদেশিক মিছনটিয়ে ঠাৱৰ কৰিলে মহাপুৰুষীয়া ধৰ্মত গুৰু কেৱল এজনহে- শ্ৰীমন্ত শঙ্কৰদেৱ। মহাপুৰুষীয়া ধৰ্মৰ সাক্ষী কীৰ্তন ঘৰৰ ভাগৱত আসনহে, আন কোনো মূৰ্তি নহয়। উপাসনা পদ্ধতিও এক নাম-প্ৰসঙ্গ, শৰণ-ভজন, শ্ৰৱণ-কীৰ্তন; শালগ্ৰাম পূজা আদি নহয়। তেওঁলোকে আকৃষ্ট হৈ সঙঘৰ মুখ্য লোকসকলক লগ ধৰি প্ৰশংসা কৰি গ'ল। অসমত যদি এই অনুষ্ঠান নাথাকিলহেঁতেন বিদেশতো মহাপুৰুষীয়া ধৰ্ম এটা ৰহস্য হৈয়ে ৰ'লহেঁতেন।

শঙ্কৰদেৱ অৱতাৰী পুৰুষ নহয়, কোনাবা পশ্চিমীয়া গুৰুৰ পৰাহে শৰণ গ্ৰহণ কৰি প্ৰচাৰ কৰিছে, এনে কথা প্ৰমাণ কৰিবলৈ অসমত নানা অপচেষ্টা চলি আছে। গুৱাহাটী মহানগৰীত অনুষ্ঠিত হোৱা বিশ্ব হিন্দু পৰিষদৰ অধিৱেশনতে এনে এটা জ্বলন্ত প্ৰমাণ গৈছিল। সৌভাগ্য কথা যে, সেই সভাতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰতিনিধি আছিল। প্ৰতিনিধিসকলৰ মাজৰ পৰা শ্ৰীসোণাৰাম চুতীয়া বাপে শাস্ত্ৰীয় যুক্তি আৰু চৰিত বুৰঞ্জীৰ সাক্ষী দি প্ৰমাণ কৰিলে— গুৰুজনা কাৰো শিষ্য নহয়, তাৰা অৱতাৰী পুৰুষ। মহাপুৰুষীয়া একশৰণ নামধৰ্মৰ তাৰা নিজেই গুৰু।

অসমীয়া ভাষা সংস্কৃতি আৰু জাতীয়তা ৰক্ষা ক্ষেত্ৰতো এই অনুষ্ঠানে সকলো সময়তে কাম কৰি আহিছে। প্ৰচাৰৰ অভাৱতে এই অনুষ্ঠানৰ কামৰ লগত ৰাইজৰ পৰিচয় নথকাত হয়তো ত্ৰুটি ঘটিছে। এই অনুষ্ঠান কোনো কোনোৱে অভিযোগ কৰা মতে কোনো সম্প্ৰদায়ৰ বিৰুধী অনুষ্ঠান নহয়। অসমৰ বহু লোক একশৰণৰ বিৰুধী মতাৱলম্বী; সেইসকলৰ ধৰ্মৰ প্ৰতি এই অনুষ্ঠানৰ লেখমাত্ৰও বেয়া ভাৱ নাই। সকলো ধৰ্মৰ প্ৰতি সহিষ্ণুতাই প্ৰকৃত ধাৰ্মিক লোকৰ স্বভাৱ হোৱা উচিত। এই কথা উপলব্ধি উভয়পক্ষৰ মাজত হ'লেই বিৰোধ অদৃশ্য হ'ব। কিন্তু যিসকলে শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু

মানিছে, যিসকলে মহাপুৰুষীয়া বুলি গৌৰৱ কৰে— সেই সকলে কিন্তু তাৰাৰ ধৰ্ম বিকৃত আচৰণ কৰাৰ অধিকাৰ নাই।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই গুৰুজনাৰ আদৰ্শৰ শুদ্ধ প্ৰয়োগ আৰু ব্যাপক প্ৰচাৰৰ সংকল্প গ্ৰহণ কৰি এই অনুষ্ঠানৰ সংগঠনত নামিছে। যোৱা কিছু বছৰৰ ভিতৰত ইয়াৰ প্ৰসাৰ আশাতীত নহ'লেও আশানুৰূপ হৈছে। বৈপ্লৱিক কাৰ্যসূচীৰে কাম কৰা যিকোনো অনুষ্ঠানেই বাধাৰ সন্মুখীন হয়। গুৰুজনাৰ অপাৰ কৰুণা যে এই অনুষ্ঠানে এনে বাধাবোৰ সহজে অতিক্ৰম কৰি গৈছে। ব্যক্তিবাদ এই অনুষ্ঠানে কেতিয়াও স্বীকাৰ নকৰে। কেতিয়াবা কেতিয়াবা এনে সংকটে দেখা দিলেও গুৰুজনাৰ একান্ত সেৱকসকলে গুৰুজনাৰ পৱিত্ৰ চৰণ চিন্তি দৃঢ়তাৰে তাৰ সমাপন কৰিছে। এই অনুষ্ঠানৰ নামৰ সাৰ্থকতাও এনে ক্ষেত্ৰতে প্ৰমাণিত হৈছে।■

(১৯৮১ চন, (৫৩২ শঙ্কৰাব্দ)ৰ ১৫, ১৬, ১৭, ১৮ এপ্ৰিলত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থত প্ৰকাশিত।

*সম্পাদক-- ভৱপ্ৰসাদ চলিহা*



# জাগ্ৰত উত্তিষ্ঠত

**শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ**

বিধাতাৰ সৃষ্টি জীৱৰ ভিতৰত মানুহেই সৰ্বশ্ৰেষ্ঠ। এই মানুহৰ ভিতৰত আছে মনুষ্যত্ব, পশুত্ব আৰু দেৱত্ব। মানুহে যেতিয়া আত্মসচেতন হৈ, স্বধৰ্ম অৰ্থাৎ মানৱোচিত দায়িত্ব কৰ্তব্য যথাযথ ভাৱে পালন কৰে, তেতিয়া সি মানুহ, যেতিয়া সি আত্মবোধ, আত্মচেতনা পাহৰি প্ৰবৃত্তিৰ তাৰণাত স্বধৰ্ম বিসৰ্জন দি দানৱীয় বৃত্তিৰ আশ্ৰয় গ্ৰহণ কৰে তেতিয়া সি পশু আৰু যেতিয়া সি অন্তৰ্নিহিত পশুভাৱৰ ধ্বংস কৰি মানৱ ধৰ্ম পালনৰ মাজেৰে দৈৱীভাৱে প্ৰতিষ্ঠা লাভ কৰে তেতিয়া সি দেৱতা নামে ইহসংসাৰত পৰিগণিত হয় আৰু সমাজৰ বৰভেটিৰ লাইখুটাত পৰিণত হয়।

পাশৱিকতাৰ অভ্যুত্থানত সমাজৰ শান্তি, কল্যাণ আৰু আনন্দ বিপন্ন হয়। চাৰিওপিনে দেখা দিয়ে অশান্ত, উপদ্ৰপ, মহামাৰী, হানাহানি, ৰক্তা-ৰক্তি ভয়াবহ কাণ্ড। তেতিয়া পৃথিৱীৰ বুকুলৈ নামি আহে মহাপ্ৰলয়ৰ ঘোৰ অন্ধকাৰ-- মহা অশান্তিকৰ দুৰ্যোগময় পৰিস্থিতি আৰু বিপৰ্যয়। ৰাষ্ট্ৰ বিপথগামী, পৰিয়াল, সমাজ বিপৰ্যস্ত, শান্ত, নিৰীহ জনসাধাৰণৰ ধন, মান, প্ৰাণ, বিপন্ন হয়। অসহায়ৰ সহায়, দুৰ্বলৰ বল, বিপন্নৰ ৰক্ষক কোনো নাইকিয়া হয়। সুযোগ সুবিধানুযায়ী শক্তি সামৰ্থৰ তাৰতম্যনুসাৰে প্ৰত্যেকেই প্ৰত্যেকৰ ভক্ষক। এক কথাত ক'বলৈ হ'লে পৃথিৱী অৰণ্যত আৰু মানুহ অৰণ্যচাৰী হিংস্ৰ জন্তুত পৰিণত হয়। ফলত শান্ত নিৰীহ প্ৰাণীকুল ধীৰে ধীৰে নিৰ্মূল হৈ যায়। জগৎবাসীৰ পক্ষে এক অসহনীয় দুৰৱস্থাই দেখা দিয়ে। এই দুৰৱস্থাৰ প্ৰতিকাৰৰ বাবেই—

'পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে।'

এই ভগৱৎ প্ৰতিশ্ৰুতিৰ কথা স্মৰণ কৰাই দিয়ে। অকল স্মৰণ কৰাই

ক্ষান্ত নাথাকে, ভগৱৎ শক্তিৰ অৱতৰণ, দুষ্কৃতিকাৰী পাশৱিক শক্তিৰ বিনাশ, ধৰ্ম সংস্থাপন আৰু নীতি নিয়ম শৃঙ্খলা ৰক্ষাকাৰী ধৰ্মানুৱৰ্তক শান্তিকামী মহান ব্যক্তিসকলৰ ৰক্ষণ ৰূপ লীলা কাহিনী শুনাই হতাশাচ্ছন্ন বিপন্ন মানুহক উদ্বুদ্ধ কৰাই তোলে-- সিহঁতৰ লুপ্ত বিপৰ্যস্ত শক্তিক জাগ্ৰত কৰি দিয়ে।

ধৰ্ম সংস্থাপন যুদ্ধৰ সেনাপতি স্বৰ্গ-মৰ্ত্য পাতাল জয়ী বীৰ অৰ্জুন পৰিবাৰিক স্নেহ পাশত আৱদ্ধ। অকল আবদ্ধই নহয়; ভয়াতুৰ ব্যক্তিৰ নিচিনা স্তব্ধ আৰু কম্পিত, শুকান মুখ, ধনুশৰ হাতৰ পৰা পতিত। যুদ্ধ কৰাটো দূৰৈৰ কথা আনকি বহি থাকিবৰ ক্ষমতাও নাইকিয়া হৈ গৈছে। ধৰ্ম যুদ্ধৰ সাৰথি ভগৱান শ্ৰীকৃষ্ণই মুহূৰ্তৰ ভিতৰতে সংগ্ৰামোদ্যত এজন প্ৰবল প্ৰতাপী বীৰ যোদ্ধাৰ এনেকুৱা দুৰ্ভাগ্যজনক পৰিণতি দৰ্শন কৰি বজ্ৰগম্ভীৰ নিনাদেৰে হুঙ্কাৰ দি ক'বলৈ ধৰিলে— 'ক্লৈবং মাস্ম গমঃ' ক্লীবতা প্ৰাপ্ত নহ'বা, কুপুৰুষতাক প্ৰশ্ৰয় নিদিবা। 'ক্ষুদ্ৰং হৃদয় দৌৰ্বল্যং ত্যক্তোত্তিষ্ঠ' (অনাৰ্য্যোচিত, অকল্যাণ আৰু অকীৰ্ত্তিকৰ) অতিশয় তুচ্ছ, এই হৃদয়ৰ দুৰ্বলতা পৰিত্যাগ কৰা। উঠা, তাৰ পিছত প্ৰথমে মানুহৰ স্বৰূপ অৰ্থাৎ আত্মতত্ত্বৰ ব্যাখ্যা আৰু পিছত ক্ষত্ৰিয় হিচাপে দায়িত্ব কৰ্তব্যৰ উল্লেখ কৰি ভগৱান শ্ৰীকৃষ্ণই ক'লে—

'তস্মাৎত্বমুত্তিষ্ঠ কৌন্তেয় যুদ্ধায় কৃতনিশ্চয়ঃ।'

'তস্মাৎত্বমুত্তিষ্ঠ যশো লভস্ব জিত্বা শত্ৰূন্ ভুংক্ষ ৰাজ্যং সমৃদ্ধম্'

হে অৰ্জুন, যুদ্ধাৰ্থ কৃতনিশ্চয় হৈ তুমি উঠা, সংগ্ৰাম কৰা, শত্ৰু জয় কৰি ফল আৰু সমৃদ্ধিশালী ৰাজ্য লাভ কৰা।

ভগৱান শ্ৰীকৃষ্ণ তেজোদ্দীপ্ত জাগৰণ মন্ত্ৰ শ্ৰৱণ কৰি অৰ্জুনৰ মোহ বিদূৰিত হ'ল। আত্মবোধ, আত্মস্মৃতি ফিৰি আহিল। আত্মবিশ্বাসৰ বলত বলীয়ান আত্মশক্তিত শক্তিমান হৈ বীৰবিক্ৰম, প্ৰৱল পৰাক্ৰম সহকাৰে স্বধৰ্ম অৰ্থাৎ ক্ষত্ৰিয়োচিত দায়িত্ব কৰ্তব্য পালনত উদ্বুদ্ধ হ'ল।

দেশব্যাপী অনাচাৰ, ব্যভিচাৰ, অবিচাৰ, অত্যাচাৰ বিদূৰিত হ'ল। শান্তি, কল্যাণ প্ৰতিষ্ঠা হ'ল।

সেই একেই ঘটনাৰ পুনৰাবৰ্তন ঘটি আছে যুগে যুগে বিভিন্ন স্থানত বিভিন্ন ৰূপত, বিভিন্ন কালত, অৱতাৰ সদ্গুৰুসকল আবিৰ্ভাৱ হৈ মৃতকল্প



অচ্যুতকৃষ্ণ মিশ্ৰ- স্মাৰক গ্ৰন্থ

জাতিক 'উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য বৰান্নিবোধত'- উঠা, জাগা শ্ৰেষ্ঠ বস্তুক লাভ কৰি নিবোধ প্ৰাপ্ত হোৱা, এই মৃত সঞ্জীৱনী মন্ত্ৰেৰে পুনৰুজ্জীৱিত কৰি তুলিছে। আজিও নৱযুগৰ জীৱন মন্ত্ৰৰ উদ্গাতা, যুগৰ জনক শ্ৰীমন্ত শ্ৰীকৃষ্ণ শঙ্কৰদেৱৰ কণ্ঠতো আমি সেই একেই বাণীকে শুনিব পাইছোঁ- দুৰ্বলতা পৰিত্যাগ কৰা। বীৰবেশে সমুন্নত হৃদয়ে ৰাম নাম সমসমৰক সাজিয়ে সমদলে কৰ্ম ক্ষেত্ৰত দণ্ডায়মান হৈ যথোচিত বীৰত্বৰ পৰিচয় দিয়া। নিমিষৰ ভিতৰতে সমস্ত মায়ামোহ বিভ্ৰম বিভ্ৰান্তি বিধ্বংস হৈ যাব। মানৱ জীৱনৰ শ্ৰেষ্ঠ সম্পদ ৰাম নাম মহাৰত্নৰ কাৰণে যত্নবান হোৱা। আৰু মৰাৰ নিচিনা প্ৰাণস্পন্দন ৰহিত হৈ থাকিলে নচলিব।

সাধাৰণ মানুহ জীৱন সংগ্ৰামৰ পৰাম্মুখ। কোনো প্ৰকাৰে দিন অতিবাহিত কৰে আৰু অদৃষ্টক ধিক্কাৰ দিয়ে। মহাপুৰুষসকলে তেওঁলোকৰ উদ্দেশ্যে বাৰে বাৰে কৈ আছে— দুৰ্বলতা, ভীৰুতা, ক্লীৱতা, কাপুৰুষতাই এই যুগৰ মহাপাপ আৰু বীৰত্ব, পুৰুষত্ব, মনুষ্যত্বই মহাপুণ্য। মহা অনৰ্থ আৰু অভিশাপ ৰূপ এই মহাপাপ পৰিত্যাগ কৰি পৌৰুষত্ব অৱলম্বন কৰা। জীৱন সংগ্ৰামত জয়ী হ'ব।

আত্মবোধ, আত্মস্মৃতিয়েই প্ৰকৃত জীৱন। এই আত্মবোধ আত্মস্মৃতি যিমান সময় জাগ্ৰত থাকে সিমান সময় মানুহ জীৱিত আৰু ইয়াৰ অভাৱ হ'লেই সি নিৰ্জীৱ, নিষ্প্ৰাণ। সেয়েহে যুগজনক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰে দীপ্ত কণ্ঠে মানৱ দৰবাৰৰ উদ্দেশ্যে ঘোষণা কৰিলে— মানুহৰ ভিতৰত অনন্ত অসীম শক্তি সামৰ্থ, বিক্ৰম, পৰাক্ৰম আছে, আমি প্ৰত্যেকেই একো একোজন সিংহশিশু, অযুত হস্তীৰ বল আমালোক সকলোৰে শৰীৰত অন্তৰ্নিহিত হৈ আছে। আমি যিকোনো কাম কৰিব পাৰোঁ যদি একশৰণ হৰিনাম ধৰ্মৰ পথৰ পথিক হৈ পৰা বিদ্যাৰ ৰাজআলিত বিশ্বাস কৰি অগ্ৰসৰ হওঁ। বিশ্বাসেই যাৱতীয় উন্নতিৰ মূল।

ভগৱান শ্ৰীকৃষ্ণই 'ধৰ্ম্মাদ্ধি যুদ্ধাশ্ৰেয়োহন্যৎ ক্ষত্ৰিয়স্য ন বিদ্যতে'- ধৰ্মযুদ্ধ অপেক্ষা ক্ষত্ৰিয়ৰ মঙ্গলৰ অন্য কোনো কৰ্ম নাই বুলি যিদৰে অৰ্জুনক ক্ষত্ৰিয়োচিত দায়িত্ব কৰ্তব্য পালনত উদ্বুদ্ধ কৰাইছিল- যুগ নায়কেও সেইদৰে সকলোকে মানৱোচিত 'সত্যং ধ্যেয়ং ধিমহি' দায়িত্ব কৰ্তব্য পালনত উদ্বুদ্ধ হ'বলৈ কাতৰ স্বৰে আহ্বান জনাইছে। প্ৰসুপ্তিৰ নিদ্ৰা ভাঙি শক্তিৰ জাগ্ৰত

জীৱন্ত মূৰ্তি পৰিগ্ৰহ কৰি ঘোৰ তমসাচ্ছন্ন জড় ভাবাগ্ৰস্ত জাতিক ৰক্ষা কৰিবৰ বাবে দেশৰ সন্মুখত উপস্থিত হোৱা বিভ্ৰম-বিভ্ৰান্তি জড়তা, পশুতা, বিস্মৃতি সাগৰৰ অতল জলত নিমজ্জিত কৰি, আত্মশক্তি, আত্মানুভূতিক হৃদয় ৰাজ্যত উদ্ভাসিত কৰি, দুৰ্বল নিস্তেজ জাতিক সবল সতেজ কৰিবৰ কাৰণে অগ্ৰসৰ হোৱা। ৰিপুৰ উত্তেজনা আৰু ইন্দ্ৰিয়ৰ উৎপীড়ন ভুলি যোৱা, পাপ-তাপ, আত্মব্যাধি বিস্মৃত হোৱা, ধৰা সুতীক্ষ্ণ বিবেক বৈৰাগ্যৰ অসি, ছিন্ন কৰি দিয়া যাৱতীয় মায়া-মোহ, ভ্ৰম-ভ্ৰান্তিৰ কুসংস্কাৰ জাল। এইদৰে আজি নিত্য শুদ্ধ বুদ্ধ মুক্ত স্বভাৱ হৈ পৰিত্ৰাণ কৰিব লাগিব পতিতক, ৰক্ষা কৰিব লাগিব বিপন্নক, আশ্ৰয় দিব লাগিব নিৰাশ্ৰয়ক, শান্তি-সুখ দিব লাগিব অশান্ত অসুখীক, সৰস কৰিব লাগিব নীৰস প্ৰাণক।

সমগ্ৰ দেশ আজি চৰম বিপৰ্যয়ৰ সন্মুখীন। জাতি আজি জীৱন মৰণৰ সন্ধিক্ষণত দণ্ডায়মান। অন্য কোনো ত্ৰুটী-বিচ্যুতিৰ কাৰণে নহয়- মনুষ্যত্বৰ অভাৱ, সুস্থ মানৱতাবোধৰ বিলুপ্তি, মনুষ্যোচিত দায়িত্ব কৰ্তব্য পালনত উদাসীনতা নাইবা অস্বীকৃতিৰ বাবে। মানুহ লৈয়েই দেশ, জাতি। সমাজত মানুহ লৈয়েই ৰাষ্ট্ৰ পৰিবাৰ। সমগ্ৰ মানৱৰ সৰ্বাঙ্গীণ উন্নতি অভ্যুদয়েই দেশ, জাতিৰ প্ৰকৃত উন্নতি অভ্যুদয় আৰু ইয়াৰ অভাৱেই দেশ জাতিৰ বিপৰ্যয়। সেয়েহে বিপৰ্যয় বা ধ্বংস ৰোধপূৰ্বক জাতি বৰ্ণ নিৰ্বিশেষে সমগ্ৰ জাতিৰ সৰ্বাঙ্গীণ উন্নতি অভ্যুদয়েই দেশ, জাতিৰ প্ৰকৃত উন্নতি অভ্যুদয় কল্পে সৰ্বপ্ৰকাৰ কুটিলতা, সংকীৰ্ণতা, জড়তা, ক্লীৱতা, কাপুৰুষতা, স্বাৰ্থপৰতা, হীনতা, নীচতা, ভীৰুতা, বিসজন দি কায়-বাক্য-মন একত্ৰিত কৰি মহাপুৰুষৰ নিৰ্দেশিত পথৰ পথিক হৈ লুপ্ত মনুষ্যত্বৰ পৰিপূৰ্ণ প্ৰকাশ, বিকাশ, উন্মেষ, উদ্বোধন, শুভবুদ্ধিৰ জাগৰণ কৰি, সত্যম্ শিৱম্ সুন্দৰম্ আৰাধনাৰ ব্ৰতী হৈ ঈশস্বৰূপে হৰি সৰ্বঘটে বৈথহৰ সেবাকৰ্মৰ দাস হৈ সমস্বৰে, সমদলে কলিৰ পৰম ধৰ্ম একশৰণ নামধৰ্মৰ ধ্বজা আবাল-বৃদ্ধ-বনিতা সকলোৱে হৃদয় মন্দিৰত জাগৰিত কৰি দীপ্ত কণ্ঠে আকাশ, বতাহ, পৃথিৱী কঁপাই, পৰ্বত-পাহাৰ, নৈ, বিল, নগৰে চহৰে, চুকে-কোণে হেন্দোলদোপকৈ গৃহে গৃহে বোৱাই দিয়ক। জাতি, দেশ পুনৰ মহিমা গৌৰৱত গৌৰৱান্বিত হ'ব।

অহিংসক, আত্মজ্ঞানী, সৰ্বভূতহিতেৰত একান্তি অৰ্থাৎ ভাগৱত





ধৰ্মাবলম্বীৰ দ্বাৰা যদি জগত পৰিপূৰ্ণ হয়, তেন্তে জগতত স্বাৰ্থ-বুদ্ধিৰ দ্বাৰা কৰা কৰ্মৰ লোপ হ'ব আৰু পুনৰায় সত্য যুগৰ আবিৰ্ভাৱ হ'ব—

'যদ্যেকান্তিভিৰাকীৰ্ণ জগৎস্যাৎ কুৰুনন্দন।
অহিংসকৈৰাত্মবিদ্ভিঃ সৰ্বভূতহিতে ৰতৈঃ।
বভেৎ কৃতযুগপ্ৰাপ্তিঃ আশীকৰ্ম বিবৰ্জ্জিত।।'■

জয় গুৰু শঙ্কৰ

বিঃদ্ৰঃ- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ত্ৰিষষ্টিতম বিশ্বনাথ চাৰিআলি অধিৱেশন (১৯৯৪ চন ৫৪৫ শঙ্কৰাব্দ) গাংমৌত (অধিৱেশনৰ স্মৃতিগ্ৰন্থ)ত প্ৰকাশিত।

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ (১)

## শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ

জয় জয়তে সকলোৰে চৰণত প্ৰণাম জনাইছো। হে বাপসকল আজি বৰপেটা সত্ৰই যিটো বিষয় সিদ্ধান্ত কৰিবৰ কাৰণে সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ বাপ বান্ধৱসকলক মাতি আনিছে তাৰ কাৰণে মই আদৰণি জনাইছোঁ। যদি ইয়াৰ জৰিয়তে কিবা এটা সমাধান হৈ যায় তেনেহ'লে সমস্ত অসমীয়া তথা ভাৰতীয়ৰ কাৰণে ই বৰ ডাঙৰ কাম হ'ব। ইয়াতকৈ ভাল কাম আৰু কিবা হ'ব বুলি মই ভবা নাই। কিন্তু এটা কথা— মানৱ সমাজৰ মূল বস্তু হৈছে প্ৰজ্ঞা আৰু ধৃতি। সেই কাৰণে মহাপুৰুষ শ্ৰীমন্ত গুৰুজনে অসম, ভাৰত বা এচিয়াৰ কাৰণেই নহয় বিশ্বৰ কাৰণে একশৰণ নামধৰ্মৰ দোলেৰে বান্ধি পৰম সেতু নিৰ্মাণ কৰিছিল যাক জীৱনৰ মাত্ৰ দুটা উদ্দেশ্য বুলি কৈ থৈ গৈছে।

প্ৰথমতে কহোঁ গ্ৰন্থ কৰিবাৰ হেতু।
বান্ধিলা শঙ্কৰদেৱে মহাধৰ্ম সেতু।।
কৃষ্ণ শ্ৰেষ্ঠ দেৱে তানে নাম ধৰ্ম সাৰ।
ইহাকে কৰিলা মাত্ৰ লোকত প্ৰচাৰ।।

শঙ্কৰদেৱ মহাপুৰুষৰ উদ্দেশ্য আছিল মাত্ৰ দুটা। সেই কাৰণে সমস্ত বেদ-বেদান্ত মন্থন কৰি বিশ্বৰ দৰবাৰৰ কাৰণে একশৰণ নামধৰ্ম দি থৈ গৈছিল। কিন্তু আজি আমি কাজিয়া কৰি গুৰুজনক চিনি নাপাই নিজে গুৰু হৈ শঙ্কৰদেৱক পিছ কৰি থ'লো। শঙ্কৰদেৱে একৰশণ হৰিনাম ধৰ্ম ভকতৰ কাৰণে দি থৈ গৈছিল। নিমি নৱসিদ্ধ সংবাদত দিয়া আছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্ত কি কৰিব? কোনে সিদ্ধান্ত কৰিব? গুৰুজনে নিজেই সিদ্ধান্ত দি গৈছে। আমাৰ শ্ৰদ্ধেয় দাস বাপ তেখেতে সমস্ত কৈয়েই গৈছে।

একশৰণ মানে এজনত মাত্ৰ শৰণ-আশ্ৰয়। কাক আশ্ৰয়? ক'ত





শৰণ? শৰণ শব্দটো শৃ-ধাতুত অনট্ প্ৰত্যয় যোগ হৈ নিষ্পন্ন হৈছে। গুৰুজনে কৈ থৈ গৈছে—

তোমাৰ কটাক্ষ দৃষ্টি   পায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দে মোৰ মাথ।
পৰম আতুৰ হুয়া   তোমাত শৰণ লৈলো
মায়াক নিবাৰা জগন্নাথ।।

তেনেহ'লে একশৰণৰ কাৰণে আমি কাজিয়া কৰিবলগা একো হোৱা নাই। গুৰুজনে নিজ হাতে লিখি থৈ গৈছে।

সেহি একশৰণ ভজন অনুপাম।
নুশুনয় আন একো দেৱতাৰ নাম।।
অব্যভিচাৰিণী তাকে বুলিয় ভকতি।
নাহিকে প্ৰয়াস আত অল্পে সাধে গতি।।

তাত প্ৰশ্ন হয়টো কাৰোবাৰ হ'ব পাৰে। আমি একশৰণ কেনেকৈ হ'ম? আমাৰ কামনা আছে, বাসনা আছে, মায়া আছে এইবোৰ থাকোতে একশৰণ আমি কেনেকৈ হ'ম। এই প্ৰশ্ন অৰ্জুনে প্ৰশ্ন কৰাত ভগৱানে উত্তৰ দি থৈ গৈছে।

অকামঃ সৰ্বকামো ৱা মোক্ষকাম উদাৰধীঃ।
তীব্ৰেন ভক্তিযোগেন যজেত পুৰুষং পৰম্।।

হে অৰ্জুন, মোৰ এই সৃষ্টিত মানুহৰ তিনিটা ভাগ। প্ৰথমটো অকাম যাৰ কোনো কামনা নাই। দ্বিতীয়টো সৰ্বকাম যাক ধন-জন-ঐশ্বৰ্য বিভূতি সমস্তকে লাগে, আনটো মুক্তি কাম। এই তিনিও বিধ লোকে তীব্ৰ ভাৱেৰে ভজনা কৰিলে মোৰ পৰম ভক্তি লাভ কৰিব পাৰে। এতিয়া আমাৰ কাজিয়াটো হৈছে 'তীব্ৰেন'। ইয়াত কাজিয়া কৰাৰ কোনো কাৰণ নাই। কিয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ মুখ্য প্ৰিয় শিষ্য দামোদদেৱ, দামোদৰদেৱৰ প্ৰিয় শিষ্য ভট্টদেৱ। ভট্টদেৱৰ কথা গীতাত, কথা ভাগৱতত লিখি থৈ গৈছে 'তীব্ৰেন' ব্যভিচাৰ দোষ শূন্য ভকতি। এতিয়া ব্যভিচাৰ দোষ শূন্য ভকতি কাক বোলে? তাৰ উত্তৰত তেওঁ কথা গীতাত চৈধ্য অধ্যায়ত লিখিছে।

'আহে নৰলোক দেখহ অব্যভিচাৰী ভকতি কৰিয়া কৃষ্ণক পাৱয়।

অন্য দেৱতা সম্বন্ধক ব্যভিচাৰ বুলি। এতেকে অন্য দেৱ উপাসকৰ সঙ্গ মাত্ৰও নকৰিব।' ইয়েই নিৰ্মল ভকতি। বৰগীততো একে কথাকে লিখিছে।

নাহি নাহি, ৰময়া বিনে, তাপ তাৰক কোই।
পৰমানন্দ, পদ মকৰন্দ, সেবহু মন মোই।।
পদ ঃতীৰিথ বৰত, তপজপ, যাগ যোগ যুগুতি।
মন্ত্ৰ পৰম, ধৰম কৰম, কৰত নাহি মুকুতি।।
মাতৃ-পিতৃ, পতনীতনয়, জনয় সব মৰণা।
ছাৰহুধন্ধ, মানস অন্ধ, ধৰতু হৰি চৰণা।।
কৃষ্ণ কিঙ্কৰ, শঙ্কৰ কহু, বিছুই বিষয় কামা।
ৰাম চৰণে, লেহু শৰণ, জপ গোবিন্দক নামা।।

ইয়াত কিবা বুজিব লগা কথা আছে নেকি? সুন্দৰ ভাৱে কৈ গৈছে। গতিকে শৰণ মানে একশৰণ। অন্য দেৱ-দেৱতাৰ লগত কোনো সম্বন্ধ নাই। ভাগৱততো কৈছে—

অন্য দেৱী দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।
এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।
কৃষ্ণৰ স্থানক যত্নে চলিয়োক
সাঞ্চিয়ো পুণ্যৰ দাম।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।

ইয়াত নো কি নুবুজা কথা আছে? অন্য দেৱী-দেৱ। যদি তাৰ আঁতটো বিচাৰি যাওঁ তেনে ভাগৱতত ব্যাসে লিখিছে যে, 'ওঁম ব্ৰহ্মায়ে নমঃ, ইন্দ্ৰায়ে নমঃ' কৰি মন্ত্ৰ মাতি থাকিলে ঈশ্বৰক নাপায়।

গতিকে আমাৰ কথা হ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনে যিটো শুদ্ধ





বস্তু দিছে সেইটো আচৰণ কৰিব লাগে। আমাৰ এতিয়া কাজিয়াখন আচৰণত। আমি কাজিয়া কৰোতে কৰোতে আমাৰ পৰা মানুহ গৈ নাইকিয়া হ'ল। আনে লৈ গৈ আছে। আমি ক'ব নোৱাৰো। তাৰ কাৰণে আমাৰ চিন্তাই নাই। গতিকে আমি সকলোৰে নিজ নিজ অভিমান ত্যাগ কৰি একশৰণ ধৰ্মৰ মন্ত্ৰ লৈ এক ভাতৃত্বৰে উদ্বুদ্ধ হৈ গুৰুজনাৰ যি উদ্দেশ্য আছিল সেই উদ্দেশ্য পূৰণৰ কাৰণে আমাৰ ঝান্দা গোটেই বিশ্বলৈ লৈ যাবলৈ প্ৰয়াস কৰো। আজি আমাতকৈ অন্য মানুহে শঙ্কৰদেৱৰ বিষয়ে ডাঙৰ ডাঙৰ কিতাপ লিখিছে। সেইবোৰ পঢ়িলে আমাৰ কেনে লাগে।

গতিকে আমাৰ মাজৰ আমি কাজিয়া পৰিত্যাগ কৰি একশৰণ তত্বলৈ আগবাঢ়ো আহক।

শঙ্কৰদেৱে যিখনি শাস্ত্ৰ দিছে- 'ভক্তি-প্ৰদীপ' মানে ভকতিৰ প্ৰদীপ। ভক্তি প্ৰদীপত একশৰণ সম্বন্ধে লিখিছে আৰু কীৰ্ত্তনতো লিখিছে।

পৰম বান্ধৱ হৰিৰ নাম।
যি জনে আক লৱে অবিশ্ৰাম।।
তাৰ সাত কাৰ্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰো লেখা।।
প্ৰথমে দহিৱে পাতেকচয়।
কৰিবে মহাপুণ্য অভ্যুদয়।।
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণত পোৱাইবে প্ৰেম ভকতি।।
উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো কৰিবে দহি নিৰ্যান।।
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবেক তেন্তে এৰে এক কৰি।।
তেৰেসে নাম হৈবে উপশান্ত।
কহিলো পৰম তত্ত্ব একান্ত।।

প-প্ৰত্যয়ৰ অৰ্থ হৈছে পিতা। পিতাই পুত্ৰক ৰক্ষা কৰা আৰু পুত্ৰৰ কৰ্তব্যও পিতাকৰ সেৱা কৰা— এই ভাৱেৰে যেতিয়া আমি কৃষ্ণৰ নাম ল'ম তেতিয়াহে সাতোটা কাৰ্য সাধন হ'ব। এৰাঁ ঘটৰ পানীৰ দৰে যদি

আমি নাম লওঁ কাম নহয়। গতিকে শৰণ হ'লে একান্ত ভাৱেৰে নাম ল'ব লাগিব। মাধৱদেৱে কৈছে 'যেবে ভৈল কৃষ্ণ কথা ৰত, নিত্য-নৈমিত্তিক আদি যত, কথাৰ বিৰোধী জানিয়া সৱে তেজয়।।' শৰণ লোৱাৰ পৰা সকলো বাদ দিব লাগিব। আমাৰ চাৰি বস্তুত শৰণ দিছে মানে গুৰু, দেৱ, নাম, ভকতত শৰণ দিছে। এইয়া একে গুৰুজনৰ শৰণ। আজি চাৰিটা সংহতিত কিয় ভাগ ভাগ হ'বলগীয়া হ'ল? কোনোৱে গুৰু, দেৱ, নাম, ভকত। কাৰোবাৰ নাম, দেৱ, গুৰু, ভকত। বাহিৰৰ লোক এজন আহি সোধে একে মহাপুৰুষীয়া ধৰ্মত এইবোৰ বেলেগ বেলেগ কিয়? আচলতে আমাৰ দেৱ ভকত আদি একোতে শৰণ নহয়।

গতিকে আজি আমি সিদ্ধান্ত কৰিম যেনেকৈ খৃষ্টান ধৰ্মত গুৰু বুলিলে এজন যীশুক বুজে, তেনেদৰে মুছলমানসকলেও একেজন মহম্মদক গুৰু বুলি কয়। আজি আমাৰ এজন গুৰু শঙ্কৰদেৱ থাকোতে আমি গুৰু নিচিনি মাধৱদেৱে চিনাই থৈ যোৱাৰ পিছতো আমি ক'বলৈ লওঁ— মোৰ গুৰু অমুক, মোৰ তমুক, মোৰ ভচুক বুলি। আমি কি কৰিব লাগিব— গতিকে সমস্ত কথা চালি-জাৰি চাই সকলো কথাকে এক কৰিব লাগিব। আৰু আমি ক'ব লাগিব শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম হৈছে 'একশৰণ হৰি, নাম ধৰম কহো কৰো ৰাজা পৰকাশ'। একশৰণ নামধৰ্ম। এক মানে এজনৰ বাহিৰে দ্বিতীয় হ'ব নোৱাৰে। সেই এজনহে দেৱতা। তেওঁহে আমাৰ। তেওঁৰ বাহিৰে দ্বিতীয় আমাৰ নাই। এই ধৰ্ম পৰম ধৰ্ম, বিশ্ব দৰবাৰৰ ধৰ্ম। গুৰুজনে 'ওবা নৰলোক' বুলি কৈছে মানে সমস্ত মানৱৰ ধৰ্ম। সমস্ত মানৱৰ ধৰ্ম কৰিবলৈ যাওঁতে আমাৰ ভিতৰত কাজিয়া বাদ দিব লাগিব। বাপ সকলে ক'লে শেষ নহয়। সকলোকে আমন্ত্ৰণ কৰিছে সময় কম। ইয়াৰ ভিতৰতে মূল কথাখিনি আলোচনা কৰি এক ভাতৃত্বৰ ভাৱেৰে একশৰণ ধৰ্ম সমস্ত বিশ্বক দেখুৱাই দিওঁ আহক। গুৰুজনাৰ পৰম শক্তি কৃপা প্ৰাৰ্থনা কৰি ইমানতে সামৰণি মাৰিলো।■



# কিমাশ্চৰ্য্যম

**শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ**

'দ্বৌ ভূত সৰ্গৌ লোকোইস্মিন দৈৱ অসুৰ এব চ।
বিষ্ণু ভক্তো স্মৃত দৈৱ অসুৰত্বত বিপৰ্য্যসঃ।।'

এই বিশ্বব্ৰহ্মাণ্ডত মানুহ দুই শ্ৰেণী। এবিধ অসুৰ আৰু আনবিধ দেৱতা। চন্দ্ৰ সূৰ্য থাকে মানে এই অসুৰ আৰু দেৱতাৰ যুঁজ-বাগৰ থাকিবই। কিন্তু দেৱতাৰ জয় চিৰবিদ্যমান। ই চিৰন্তন সত্য। দেৱ শব্দৰ অৰ্থ পোহৰ। প্ৰাণীজগতৰ সকলো জীৱই পোহৰ ভাল পায়। কিন্তু প্ৰকৃত পোহৰ অবিহনে মানৱ জীৱনৰ কোনো মূল্য নাই। অৰ্থাৎ জীৱনৰ ত্যাগ প্ৰকৃত শুদ্ধ সত্য জ্ঞান। যি জীৱনত এই জ্ঞানৰ মহান বন্তি প্ৰজ্জ্বলিত হৈছে সেই জীৱনে সংসাৰৰ মৰুভূমিৰ মৰীচিকা দেখি কেতিয়াও ভোল নাযায়। হৰিণাই মৰুভূমিৰ মৰীচিকাকেই পানী বুলি হাবাথুৰি খাই খেদি যায় আৰু শেষত মৃত্যুৰ মুখত পৰে। সেইদৰেই এই সংসাৰৰূপ মৰুভূমিতো এক শ্ৰেণীৰ জনতাই অসত্যকে সত্য বুলি, অবাটকে বাট বুলি ভাবি লৈ দুৰ্লভ মনুষ্য জীৱনক ধ্বংসৰ পিনে আগুৱাই নিয়ে।

ব্ৰহ্মাই ৮২ লক্ষ জন্ম চক্ৰ অতিক্ৰম কৰি শেষ মুহূৰ্তত জীৱশ্ৰেষ্ঠ মানৱ মন্দিৰত প্ৰৱেশ কৰে। মানৱ জীৱনৰ মুখ্য উদ্দেশ্য ধন উপাৰ্জন নহয়। জীৱনৰ মুখ্য উদ্দেশ্য চতুৰবৰ্গ সাধন। অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ বন্তি হৃদয়ত প্ৰজ্বলিত কৰি জীৱাত্মাকে পৰমাত্মাৰ লগত মিলন ঘটোৱা। উক্ত বস্তুৰ সাধন মাৰ্গত হয়তো মানুহৰ নানা বেমেজালি হ'ব পাৰে। ই স্বাভাৱিক, কিন্তু সাধন মাৰ্গত যাতে মানৱৰ খেলি-মেলি হ'ব নোৱাৰে নাইবা প্ৰকৃত সত্যৰ পৰা আঁতৰি অসত্যৰ কৰাল গ্ৰাসত পৰিব নোৱাৰে তাৰ নিৰাকৰণৰ বাবেই স্বয়ং ভগৱানে যুগে যুগে মহাপুৰুষ ৰূপে বিশ্বৰ বুকুত আবিৰ্ভাৱ হয়। আৰু এয়েই গীতাত কোৱা কৃষ্ণৰূপী মানৱৰ

'তদাত্মানং সৃজাম্যহম্' বাণীৰ গূঢ়াৰ্থ।

আমি প্ৰথমতে অনুধাৱন কৰিব লাগিব যে ভগৱানে কি কাৰণত মানৱ দেহ ধাৰণ কৰে। নিশ্চয় ইয়াৰ মহান উদ্দেশ্য আছে। কোনো উদ্দেশ্য নোহোৱাকৈ বিশ্বব্ৰহ্মাণ্ড কাৰ্য সংঘটিত হ'ব নোৱাৰে। এই কাৰণ সামুহিক। ই গোটেই বিশ্বৰ মঙ্গলৰ হক। ইয়াৰ সৰু নাই, ডাঙৰ নাই, উচ্চ নাই, নীচ নাই; সকলো সমান। আমি সকলো পৰম পিতা পৰমেশ্বৰৰ সন্তান। সকলোৱে সমভাৱে উচ্চ-নীচ ভেদা-ভেদৰ প্ৰাচীৰ ভাঙি পৰম পিতা পৰমেশ্বৰৰ কৃপা লাভ কৰাৰ প্ৰয়াস কৰোঁ। কাৰণ—

'তোমাৰ মায়ায়ে মোহিত সৰ্বক্ষণ।
তুমি প্ৰভু তোমাক নাজানে একোজন।।
*          *
'নামাগোহো সুখ ভোগ নামাগো মুকুতি।
তোমাৰ চৰণে সদা থাকোক ভকতি।।
— কীৰ্ত্তন

ঈশ্বৰে যেতিয়া মানৱ দেহ ধাৰণ কৰে তেতিয়া দেয় মানৱৰ দিব্য জীৱন আৰু চৰিত্ৰ অনুধাৱন কৰি তাৰ প্ৰতি অনুৰক্ত হৈ বহু সাধকে তাৰ সত্বা লাভ কৰে আৰু নিজৰ জীৱন ধন সাৰ্থক কৰি জগতকো ধন্য কৰে।

ভাৰতবৰ্ষত যুগে যুগে একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হৈছে। এই মহাপুৰুষসকলে নতুন নতুন ভাবৰ উন্মেষ ঘটাইছে। যুগে যুগে মানুহৰ জাতীয় জাগৰণৰ মূলত হৈছে ধৰ্ম জাগৰণ। ভাৰতবৰ্ষৰ ঐতিহাসিক যুগৰ ঘটনা বিশ্লেষণ কৰিলে এই বিষয়ে আমি সম্যক অৱগত হ'ব পাৰোঁ।

মধ্যযুগৰ ঘোৰ অন্ধকাৰত বহিৰাগত নানা জাতি যেতিয়া ভাৰতত প্ৰৱেশ কৰি ভোগত প্ৰমত্ত হৈছিল, ভাৰতৰ কৃষ্টি, ধৰ্ম আদি অপমানিত তথা লুপ্ত হ'বৰ উপক্ৰম হৈছিল তেতিয়া ভাৰতত এক শূন্যৰ উদ্ভৱ হৈছিল। দক্ষিণ ভাৰতত আচাৰ্য ৰামানুজে ভক্তিৰ সোঁত প্লাৱিত কৰি শূন্যৰ স্থান পূৰ্ণ কৰে। অসমত এই ভক্তিৰ সোঁত বোৱালে শ্ৰীশঙ্কৰ সূৰ্যই। তেওঁ জনতাক দিলে শ্ৰীকৃষ্ণ বিষয়ক চৈতন্য। ভাৰতে চিনিব পাৰিলে তাৰ প্ৰাণ পুৰুষক। বুজি পালে যুগোপযোগী ধৰ্ম কি? বুজিব পাৰিলে যুগ যুগ ব্যাপি তাৰ সাধনাৰ মৰ্মই বা কি? শ্ৰীমন্ত শঙ্কৰৰ এই মহান উদাৰ সাম্যবাদী নামধৰ্মৰ





উচ্চ সংকীৰ্তনে জনসাধাৰণক প্ৰবলবাৰে আকৰ্ষণ কৰিলে ঈশ্বৰৰ পিনে। ধৰ্মৰ অৱনতিৰ পথ ৰুদ্ধ হ'ল। বহু বিস্তৃত আৰু বহু বিকৃত তন্ত্ৰ সাধনাৰ ধাৰাৰে নগৈ দৰ্শনৰ দুৰ্ভেদ্য তৰ্কজালে জড়িত নহৈ, সহজ-সৰল জনসাধাৰণৰ কাৰণে তেওঁ প্ৰচাৰ কৰিলে সৰল, সহজ ভক্তি ধৰ্ম তথা নাম ধৰ্ম। যি নাম ধৰ্ম—

'নাম্নাসকাৰি বহুধা নিজ সৰ্বশক্তি।
সুত্ৰাৰ্পিতা নিয়মিতঃ স্মৰণে ন কালঃ।।
এতাদৃশী তব কৃপা ভগবন্মামপি।
দুৰ্দৈবমীদৃশা মী অজনী নানুৰাগঃ।।'

হে ভগৱান! তোমাৰ বহুনাম তুমিয়েই কৰিছা। প্ৰতি নামত নিজৰ সৰ্বশক্তি ঢালি দিয়া। যি শক্তিৰ বলত জীৱৰ সংসাৰ মোহ ছিঙি যায়। যি নাম গালে ভৱ বন্ধন নাশ হয় আৰু যোনে মাত্ৰ আশ্ৰয় কৰে, সি যথাৰ্থ ভক্ত হৈ জীৱন ধন্য কৰিব পাৰে। তোমাৰ এই নাম পাবৰ বাবে নিয়মিত কোনো স্থান নাই, কাল নাই। যেতিয়াই তেতিয়াই য'তে ত'তে মন মুখ এক কৰি নাম গালেই হ'ল। হে প্ৰভু, তোমাৰ ইমান কৃপা! তুমি নিজকে ইমান সহজ লভ্য কৰিছা। কিন্তু হায়! তোমাৰ ইমান দুৰ্ভাগ্য যে ইমান নামৰ এটি নামতো তোমাৰ অনুৰাগ নাই।

ইংৰাজৰ ৰাজ্য বিস্তাৰৰ লগে লগে জ্ঞান বিজ্ঞানত উন্নত শ্ৰেণীৰ চিন্তাৰাজ্যত আমূল পৰিৱৰ্তন ঘটিল। ইংৰাজৰ বিজ্ঞানত উচ্চশিক্ষা, উন্নত শিল্প-বাণিজ্য আৰু নতুন নতুন ভাব-ধাৰাৰ আলোকৰ চমকনিত অজ্ঞান তমসাচ্ছন্ন দেশবাসীৰ চক্ষু প্ৰায় অন্ধকাৰ কৰি তুলিলে। ফলত যি কিছু পাশ্চাত্য সেইটো হ'ল উৎকৃষ্ট আৰু যি কিছু প্ৰাচ্য সেইটো নিকৃষ্ট। এই ধাৰণা ক্ৰমে জাতিৰ মনত বদ্ধমূল হ'ল। ধৰ্ম, শিক্ষা, বেশ-ভূষা, আচাৰ-ব্যৱহাৰ, খাদ্য প্ৰভৃতি বিষয়ত পাশ্চাত্যৰ অন্ধ অনুকৰণত শিক্ষিত সমাজ ভীষণভাৱে আগবাঢ়িল।

ভাৰত এহাতে পুণ্যভূমি আৰু আনহাতে মোক্ষভূমি। নৰনাৰায়ণ পুণ্যপীঠ এই ভাৰতবৰ্ষতেই যুগে যুগে আবিৰ্ভাৱ হৈ আহিছে আৰু ভাৰতক কেন্দ্ৰ কৰিয়েই সমগ্ৰ জগতৰ আত্মমাধুৰ্য বিস্তাৰ কৰিছে। ভাৰতৰ সংস্পৰ্শলৈ আহি জগতৰ বিভিন্ন দেশে মৈত্ৰীৰ পথত মানৱ সভ্যতা উজ্জ্বল কৰিছে।

আদিত্যবৰ্ণ যি পুৰাণ পুৰুষ ভাৰতৰ আত্মা যুগে যুগে তেওঁকে আকৰ্ষণ কৰি এই মাটিৰ পৃথিৱী মাটিৰ মানুহৰ মাজলৈ আনিছে।

আমাৰ দিক্‌চক্ৰপাল যিদিনা অন্ধকাৰত আচ্ছন্ন হৈ পৰিল, পাশ্চাত্য সভ্যতাৰ প্ৰবল সংঘৰ্ষত যেতিয়া সভ্যতা-সংস্কৃতি অভিভূত হ'ল, সংস্কাৰৰ নামত ঘৃণা পৰানুকৰণ স্পৃহা, যেতিয়া জাতিৰ মৰ্মস্থলত আঘাত কৰিবৰ উদ্যত হ'ল, সনাতন ধৰ্মৰ নামত বৰ্ণ আৰু জাত্যাভিমানৰ উৎপীড়ন একহাতে আৰু অন্যহাতে সংসাৰৰ মোহত পৰধৰ্মৰ প্ৰভাৱত জাতি ধ্বংস-বিধ্বংস আৰু বিনষ্ট কৰিবৰ বাবে দুৰ্জয় বাহু প্ৰসাৰিত হৈছে, চাৰিওপিনে বিভীষিকাৰ সৃষ্টি হ'ল তেতিয়া মানৱ ধৰ্ম ৰক্ষাৰ উদ্দেশ্যে ভগৱানক আকৰ্ষণ কৰিলে। শঙ্কৰদেৱৰ আবিৰ্ভাৱে দেশত নৱযুগৰ সূচনা কৰিলে। তেওঁ আহি জাতিৰ আভিজাত্য, শিক্ষাগত আভিজাত্য, ধৰ্মৰ আভিজাত্যক মোহাৰি নিঃশেষ কৰাৰ চেষ্টাত ব্ৰতী হ'ল। তাৰাৰ আবিৰ্ভাৱ জাতিৰ কাৰণে অতি অপূৰ্ব। তেৰাই দিছিল এখন সমাজ য'ত দেহকেন্দ্ৰিক ক্ষণিক ভোগ সুখক অতিক্ৰম কৰি মানুহে চাইছে অতীন্দ্ৰিয় অনুভূতিৰ অচঞ্চল আনন্দ। ব্যক্তিকেন্দ্ৰিক সংকীৰ্ণ সাম্প্ৰদায়িকতাৰ সীমা পাৰ হৈ সমাজে চাইছে উদাৰ উন্নত ভাবাদৰ্শ।

ধৰ্ম জগতত যেতিয়া বিপ্লৱৰ সূচনা হয়, যেতিয়া পীড়িত আৰু অত্যাচাৰত জৰ্জৰিতজনৰ কৰুণ আৰ্তনাদত কৰুণাময়ৰ সিংহাসন কঁপি উঠে তেতিয়া এনেহেন এক পতিত পৱেন মহাপুৰুষ জগতৰ কল্যাণৰ কাৰণে আবিৰ্ভাৱ হয়। হে অনন্ত লীলাময় জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ! হে চিন্ময়! হে আনন্দময়! হে অমৃতময়!

'অসতো মাং সদগময়।  
তমসো মাং জ্যোৰ্তিগময়।  
মৃত্যু মাং অমৃতং গময়।।'■



# গুৰু আসন

**শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত 'এক শৰণ হৰিনাম ধৰ্ম'ৰ শৰণ ভজন উপাসনাৰ বাঙ্ময় প্ৰতীক ৰূপে কীৰ্তনঘৰ নামঘৰৰ মণিকূটত 'গুৰু আসন' প্ৰতিষ্ঠিত হৈ আহিছে। এই আসনভাগিৰ সিংহাসন সৰ্বোত্তম ন খলপাৰ; সৰ্ব শিৰোৰত্ন খলপাত 'শ্ৰীমদ্‌ভাগৱত' নাইবা ভাগৱত সাৰ 'গুণমালা'ক স্বয়ং ভগৱন্ত ঈশ্বৰ কৃষ্ণৰূপে থপা হৈছে ঃ 'নামঘোষা'ৰ তাৎপৰ্যত এই তত্ব পৰিস্কাৰ কৰি দিয়া হৈছে। এই গুৰু আসন স্বয়ং বৈকুণ্ঠ সদৃশ—

'বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।  
ইহাৰ উত্তম ফল হৰিনাম মাত্ৰ।।  
হৰিনামে হৰিনামে হৰিনামে গতি।  
হৰিনামে ভকতৰ কেৱলে ভকতি।।'

তদুপৰি ৰামনামৰ মহিমাও নিৰ্ণয় কৰি দিয়া হৈছে—

'হে প্ৰাণপ্ৰভু ৰঘুপতি      ৰাম ৰাম ৰাম ৰাম ৰাম  
তোমাত কৰিয়া তযু গুণনাম চাৰ।  
বিনা সেতুবন্ধ কৰি নৰে   ৰাম ৰাম ৰাম ৰাম ৰাম  
অপাৰ সংসাৰ সমুদ্ৰৰ হোৱে পাৰ।।'

হৰিনামৰ পৰমাৰ্থ নিৰ্ণায়ক গুৰু আসনৰ (সিংহাসন) অষ্ট খলপাই প্ৰথম খলপাৰ পৰা ক্ৰমাগতভাৱে কৃষ্ণত শৰণ-ভজনৰ মাজেদি শৰীৰৰ দুৰন্ত ৰিপুসমূহ কাম, ক্ৰোধ, লোভ, মোহ বশ কৰি অষ্ট সিদ্ধি লাভৰ মাজেদি বৈকুণ্ঠ লাভ, ভগৱৎ প্ৰেম ভকতিৰ স্বৰূপ নিৰ্ণয় বুজায়। অধ্যাত্ম তত্বৰ বৈকুণ্ঠ লাভ আৰু ভগৱন্ত প্ৰাপ্তিৰ বাবে অপৰিসীম সংযম আৰু সাধনাৰ প্ৰয়োজন। এই সমস্ত প্ৰয়াস কৃষ্ণৰ একশৰণ আৰু একান্ত ভক্তিৰ দ্বাৰাহে সম্ভৱ হৈ উঠে। ৰিপুময় শৰীৰ আৰু পঞ্চ তন্মাত্ৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ আকাশৰ দ্বাৰা উদ্ভুত জীৱ আৰু জগতৰ উৰ্দ্ধলৈ যাব পৰা ক্ষমতা কেৱল শৰণ ভজনৰ যোগেদিহে সম্ভৱ। 'নামঘোষা'ত এই পৰম

প্ৰয়াসৰ কথা মহাপুৰুষ মাধৱদেৱে বেকত কৰিছে—

'হে কৃষ্ণ তযু পদমূলে একান্ত শৰণ লৱে যিটো
কোন লাভ ইটো এড়াইবে কালৰ ভয়।
তযু ভকতৰ সঙ্গগোটে সৰ্ব পুৰুষাৰ্থৰাশি শিৰে
চড়িয়া কৌতুকে অত্যন্ত নৃত্য কৰয়।।
পৰম দুৰ্ব্বোধ আত্মতত্ত্ব তাৰ জ্ঞানঅৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।
তাহান চৰিত্ৰসুধাসিন্ধু তাতে ক্ৰীড়া কৰি দীনবন্ধু
চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰয়।।'

গুৰু আসন 'পৰম দুৰ্বোধ' 'আত্মতত্ত্ব'ৰ প্ৰতীক। গুৰুজনাই হৰিভক্তি অন্তৰায়ক হস্তীসম দুৰ্বাৰ শক্তিৰ লগত তুলনা কৰিছে। এই দুৰ্বাৰ শক্তিৰ মূলতে অহংকাৰ বা দৰ্প। এনে অন্তৰায় ধ্বংস কৰিব পাৰে কেৱল সিংহৰূপী হৰিনামে। 'নামঘোষা'ত এই তাৎপৰ্য সুস্পষ্ট কৰি দিয়া হৈছে—

(১) 'সৰ্ব্বশ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে
হৰিনাম সিংহ প্ৰকাশয়।'

(২) 'ৰামনাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি ৰিণি ৰিণি।
পাপময় মত্ত মাতঙ্গ পলায়
মিলিল হেৰা বিঘিনি।।'

(৩) 'পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ
প্ৰকাশ কৰয় অতিবড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলায় অতি ত্ৰাসত লৱড়ে।।'

হৰিনাম সিংহইহে পাপময় মাতঙ্গ নাইবা মতলীয়া হাতীক খেদি দূৰ কৰে। নামত শৰণ লৈ হৰিনাম কীৰ্তনক 'স্বধৰ্ম' ৰূপে গ্ৰহণ কৰাসকলৰ বাবে ইন্দ্ৰিয় সংযম সম্ভৱ হৈ উঠে। গুৰু আসনৰ 'কাছ' হৈছে এই ইন্দ্ৰিয় সংযমৰ প্ৰতীক। গতিকে পৰমাৰ্থ তত্ত্ব বিচাৰত দেখা যায় ভক্তিমুখী কাছৰূপী জীৱক ভক্তি অন্তৰায় হস্তীয়ে গৰকি ধৰি পীড়ন কৰি আছে। এই পীড়নৰ পৰা জীৱক উদ্ধাৰ কৰিছে হৰিনাম সিংহই। এই সিংহৰ চাৰি পাৰ সত্য,



অচ্যুতকৃষ্ণ মিশ্র- স্মাৰক গ্ৰন্থ

শৌচ, ক্ষমা, দয়া; শ্ৰৱণে সিংহৰ কৰ্ণ; কীৰ্ত্তনে মুখ; সৎসঙ্গই নাসিকা; সহস্ৰ নামে নোম; ভক্তি আচৰণে নেজ; খেদ অনুৰাগে দুই চক্ষু; আচৰণ প্ৰৱৰ্তনে মাংস; নামে ৰুধিৱ; ভক্তিয়ে শক্তি আৰু সদাচাৰে অস্থি। এই সিংহ শক্তিমন্ত সাধকৰ সদ্‌গতি নিৰ্ণায়ক। কৃষ্ণৰ বাহন গৰুড় সমস্ত বেদসাৰৰ প্ৰতীক।

গুৰু আসনৰ ওপৰত চন্দ্ৰতাপখনি সম্পূৰ্ণ শুক্ল বৰ্ণৰ ঃ এইভাগ হ'ল বিশুদ্ধ একশৰণ হৰিনাম ধৰ্মৰ প্ৰতীক।

গুৰু আসনৰ সন্মুখত এগছি মাত্ৰ বন্তি প্ৰজ্জ্বলিত কৰাৰ ব্যৱস্থা ঃ এগছি মাত্ৰ বন্তি 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ'ৰ প্ৰতীক।

ওপৰৰ আলোচনাৰ পৰা এই কথা পৰিস্কাৰ হৈছে যে গুৰু আসন স্বয়ং ভগৱন্ত কৃষ্ণৰ একশৰণ, ভজন আৰু উপাসনাৰ প্ৰতীক। গুৰু আসন তিনিভাগৰ ভিতৰত আমি কেৱল গুৰু আসন সিংহাসনৰ বিষয়ে গুৰুত্বসহ আলচ কৰিছোঁ। আন দুভাগ আসন হৈছে— গৰুড়াসন আৰু ময়ুৰাসন। সৰ্বোত্তম ন খলপাৰ উপৰি অষ্ট, সপ্ত, ষষ্ঠ, পঞ্চ, চতুৰ্থ, তৃতীয় খলপাৰ গুৰু আসনো বৈষ্ণৱ সমাজত প্ৰচলিত আছে। নামধৰ্মৰ উপাসনাৰ মাধ্যম ৰূপে শ্ৰৱণ কীৰ্তনত শ্ৰেষ্ঠতা প্ৰদান কৰা হৈছে। জীৱক সমস্ত ভক্তি অন্তৰায়ৰ পৰা নামেহে নিষ্কৃতি দিয়ে। নামে সৎসঙ্গৰ যোগেদি জীৱক ক্ৰমে ক্ৰমে পৰম পুৰুষ পৰমানন্দ কৃষ্ণৰ ওচৰ চপাই নি হৃদয়ক বৈকুণ্ঠত স্থিতি জন্মায় ঃ পৰম কৃষ্ণত বিলীন কৰি দিয়ে। নামে জীৱৰ সমস্ত পাপ হৰণ কৰে। কায় বাক্য মনৰ একান্ত অভ্যাসৰ যোগে নাম লৈ নৰে বিষ্ণুবুদ্ধি আয়ত্ব কৰিব পাৰে। এনে সাধক ভকতে 'বিষ্ণুময় দেখে যিটো সমস্ত জগত'। এনে ঐকান্তিক সাধনাৰ বলত নৰ 'জীৱন্তে মুকুত হোৱে অচিৰ কালত।' এই পৰমাৰ্থ-তত্ত্ব কৃষ্ণই উদ্ধৱৰ আগত স্পষ্ট কৰি থৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই ইয়াক 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণত মূলমন্ত্ৰ ৰূপে মানৱ সমাজলৈ আগবঢ়াইছে ঃ আমি গুৰু আসনত হৃদয় সংযোগ স্থাপন কৰি উপলব্ধি আৰু উপাসনা কৰিলেই ভক্তি সাধন অনিবাৰ্য—

'সমস্ত ভূতত বিষ্ণু বুদ্ধি নোহে যাৰে।
কায়-বাক্য-মনে অভ্যাসিবা এহি ভাৱে।।
বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে।।১৮২৫

সকল প্ৰাণীক দেখিবেক আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম।।
মোৰ ইটো ধৰ্ম্মৰ অল্পৰো নাহি হানি।
যিহেতু সাক্ষাতে মই কৈলো তত্ত্ব বাণী।।১৮২৬
দাম্ভিক শঠত নকহিবা ইটো তত্ত্ব।
সদা উপদেশ দিবা বৈষ্ণৱ জনত।।' - কীৰ্ত্তন

নাম-ধৰ্মৰ তত্ত্বসমূহৰ উপলব্ধি কেৱল বৈষ্ণৱৰ বাবেহে সম্ভৱ। 'দাম্ভিক-শঠ'ৰ বাবে পৰমাৰ্থতত্ত্ব বিচাৰ সম্ভৱ নহয়। ইয়াৰ বাবে পৰম প্ৰয়োজনীয় বস্তু হৈছে— ভক্তি।

আমাৰ প্ৰসঙ্গ প্ৰণালীত সমস্ত আৰ্হি লিপিবদ্ধ হৈছে। ভকতসকলে প্ৰসঙ্গ কৰে অন্তৰাত্মা-পৰমাত্মাৰ নিবিড়তা স্থাপন কৰিব পৰা নামধৰ্মৰ এটি পৰিমণ্ডল সৃষ্টি কৰি বৈকুণ্ঠ নিৰ্মাণ কৰিবলৈ। বিভিন্ন সময়ৰ লগত অন্তৰাত্মা পৰমাত্মাৰ মিলনৰ প্ৰতীকৰূপে বিভিন্ন বৰগীত গোৱাৰ নিয়ম। অনন্ত বাদকৰ সুৰ-তাল-মানৰ লগত জীৱাত্মাৰ আপেক্ষিক মিলন সূচাবলৈকে এই ব্যৱস্থা।

গুৰু আসন সম্পৰ্কীয় বহু গধুৰ তত্ত্ব কথা আছে। এই প্ৰবন্ধত সাধাৰণভাৱে যিখিনি কথা ভক্তিমুখী মানৱৰ বাবে একান্ত প্ৰয়োজনীয় তাকেহে মাথোন সন্নিৱিষ্ট কৰা হৈছে। সামৰণিত আমাৰ বঢ়া-টুটা অপৰাধ ক্ষমা প্ৰাৰ্থনা কৰি গুৰু আসন ভাগিলৈ 'নামঘোষা'ৰ মাজেদিয়ে আমাৰ সেৱা নিৱেদন কৰা হৈছে।

'হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত স্থিতিক লভয়।
তোমাৰ কৃপাতে তেবে সকল সাধন-শ্ৰম
এড়াই সুখী হইবোঁহো নিশ্চয়।
হে প্ৰভু নৰহৰি তোমাৰ চৰণ দুইক
প্ৰেমভাৱে স্মৰণ দুৰ্ল্লভ।
যথা কথাঞ্চিত ৰূপে অহৰ্নিশে প্ৰভু মোৰ
সুমৰণ হওক সুলভ।।'■

*(শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পুৰুযোত্তম প্ৰাথমিক শাখা (গুৱাহাটী মহানগৰী জিলা)ৰ পৰা প্ৰকাশিত 'পৰমাৰ্থ তত্ত্ব বিচাৰ'ৰ সম্পাদক ড° পূৰ্ণানন্দ শইকীয়া বাপৰ সৌজন্যত প্ৰাপ্ত।)*



# মহাভাৰতৰ ৰহস্য

**শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ**

মহাভাৰতৰ কিছুমান ঘটনাৰ বৰ্ণনা আছে, যিবোৰ সাধাৰণ দৃষ্টিত অযুক্তি, অনুচিত তথা মৰ্যদাৰ বিৰুদ্ধই নহয় সৰ্বথা অসম্ভৱ আৰু ভ্ৰান্ত। যেনে—

(ক) কৰ্ণৰ উৎপত্তি সূৰ্যৰ পৰা, যুধিষ্ঠিৰৰ ধৰ্মৰ পৰা, ভীমৰ বায়ুৰ পৰা, অৰ্জুনৰ ইন্দ্ৰৰ পৰা, নকুল সহদেৱ অশ্বিনী কুমাৰৰ পৰা আৰু দ্ৰোপদী যজ্ঞকুণ্ডৰ পৰা। স্ত্ৰী-পুৰুষ সংযোগ বিনা এইবিলাক সৰ্বথা অসম্ভৱ। আনপিনে ভীষ্ম, দ্ৰোণাচাৰ্য, দুৰ্যোধন আৰু তেওঁৰ এশ ভাতৃৰ জন্ম ৰীতি যুক্তিসংগত বুলি মানিব নোৱাৰি।

(খ) সয়ম্বৰত অৰ্জুনে লাভ কৰা ৰাজকুমাৰী দ্ৰোপদীৰ পাঁচ পাণ্ডৱৰ লগত বিয়া হোৱা কথাটো স্বীকাৰ কৰিবলৈ সকলো চিন্তাশীল লোকেই আপত্তি কৰিব।

মহাভাৰত হৈছে অজ্ঞান তিমিৰে বেৰি থকা জনসমুদায়ৰ আগৰ পৰা মোহৰ পৰ্দা গুচাই জ্ঞান চক্ষু মুকলি কৰি দিয়া সূৰ্য।

মহাভাৰতৰ কৌৰৱ-পাণ্ডৱৰ কথাৰ মূখ্য মূলধাৰ উপনিষদ বুলি ধৰিব পাৰি আৰু মহাভাৰতত প্ৰতিপাদিত ত্ৰিবৰ্গ অৰ্থাৎ ধৰ্ম, অৰ্থ কাম আদি তত্ত্বও নিহিত আছে। উপনিষদৰ ভিতৰত ঈশোপনিষদক শেষ আৰু মূল উপনিষদ বুলি ধৰা হয়। ইশোপনিষদ বেদৰ এটা মহত্বপূৰ্ণ আদেশেৰে আৰম্ভ হৈছে—

ঈশাৱাশ্য মিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাং জগত।
তেন ত্যক্তেন ভূঞ্জীথা মাগৃধঃ কস্যচিদ্ধনম।'

এই মন্ত্ৰত লোভৰ ওপৰত জোৰ দিয়া হৈছে। কিয়নো লোভেই

সকলো পাপৰ মূল। ভাবাৰ্থ এয়ে যে এই পৰিৱৰ্তন শীল জগতত যিমান বস্তু (ধন, সম্পত্তি, ঐশ্বৰ্য, পদবী অধিকাৰ, স্ত্ৰী-পুত্ৰ শৰীৰ আদি) আছে সকলোৰে গৰাকী আৰু শাসক ঈশ্বৰ। বস্তুবিলাক মানুহৰ ভোগৰ কাৰণে আমানত স্বৰূপে দিয়া হৈছে। বস্তুবিলাক উপভোগ কৰা আনৰ ধনৰ প্ৰতি লোভ নকৰা অৰ্থাৎ চুৰি, অন্যায়, চল, কপট, পদবী বা অধিকাৰৰ অপপ্ৰয়োগ কৰি বা বল প্ৰয়োগ কৰি যিকোনো প্ৰকাৰে কাঢ়ি ল'বলৈ চেষ্টা কৰিব নালাগে। ঈশ্বৰে নিজ ন্যায় বিধানেৰে সকলো প্ৰাণীকে নিজে কৰ্ম অনুসাৰে আৱশ্যকীয় ভোগ সামগ্ৰী দান কৰিছে। যি মানুহে নিজৰ ধৰ্ম অৰ্থাৎ কৰ্তব্যযুক্ত পুৰুষাৰ্থৰে অধিকাৰী হোৱা ভোগ সামগ্ৰীত সন্তুষ্ট নাথাকি লোভবশতঃ বা অন্যায়পূৰ্বক অন্যৰ ধন-ৰত্ন কাঢ়ি লয় তেন্তে তেওঁ আনৰ প্ৰাৰব্ধ কাঢ়ি ল'বলৈহে চেষ্টা কৰে। এনে কাৰ্যৰ পৰা ঈশ্বৰৰ বিধান তথা শাসনৰ অৱহেলা কৰা হয় আৰু ঈশ্বৰৰ কোপৰ ভাগি হয়। যিদৰে লোকৰ ধন লোভ কৰা পাপ, তেনেকৈ নিজৰ ধনক প্ৰমাদযুক্ত ধাৰণৰ দ্বাৰা নষ্ট কৰাও পৰমেশ্বৰৰ বিধান আৰু শাসন তথা নিজৰ প্ৰাৰব্ধক উপেক্ষা কৰা হয় আৰু পাপ কৰা হয়। দুৰ্যোধন লোভী আছিল, ধ্বংস হ'ল। যুধিষ্ঠিৰ বিষয়ানুৰক্ত আছিল সেইবাবে তেৰ বছৰৰ ৰাজ্য ভ্ৰষ্ট হৈ পুনৰঘোৰ তপস্যা কৰিব লগা হয়। মনুষ্য জীৱন ঘনিষ্ট সম্বন্ধ থকা ত্ৰিবৰ্গ (ধৰ্ম, অৰ্থ কাম) মহাভাৰতত সবিস্তাৰে প্ৰতিপাদিত হৈছে। সাৰাংশ এয়ে যে ত্ৰিবৰ্গত কোনো প্ৰকাৰ বিষাক্ত হ'ব নালাগে অৰ্থাৎ ইহঁতৰ উপাৰ্জন আৰু সেৱন সমান ভাৱে হ'ব লাগে।

উপনিষদ আৰু যোগশাস্ত্ৰ প্ৰমাণৰ দ্বাৰাহে মহাভাৰতৰ ৰহস্য বুজিব পাৰি। জন্ম-মৰণ-ধমী জীৱাত্মাৰ নাম যুধিষ্ঠিৰ ৰখা হৈছে। প্ৰাণৰ নাম ভীমসেন। মন, চিত্ত, হৃদয়াকাশ অন্তকৰণক পৰ্যায় বাচক বুদ্ধিৰ নাম অৰ্জুন। কৰ্মেন্দ্ৰিয় সহিত শৰীৰৰ নাম নকুল আৰু জ্ঞানেন্দ্ৰিয়ৰ নাম সহদেৱ। ত্ৰিগুণময়ী সূক্ষ্ম প্ৰকৃতি কুন্তি আৰু স্থুল প্ৰকৃতি মাদ্ৰী। পূৰ্ব জন্ম সংস্কাৰ জনিত যুধিষ্ঠিৰ অৰ্থাৎ জীৱাত্মাৰ ব্যৱহাৰিক বুদ্ধিৰ নাম বিদুৰ। যুধিষ্ঠিৰৰ হৃদয় দেশত অন্তৰ্যামীৰূপে স্থিত প্ৰেৰক পৰমাত্মাৰ নাম শ্ৰীকৃষ্ণ। পূৰ্ব জন্মৰ





শুভ অশুভ কৰ্মফল স্বৰূপ বিধি বিধান অনুসৰি নিশ্চিত তথা নিয়ত ভোগ সামগ্ৰী আৰু কামনাৰ সমুদায় স্বৰূপ,কৰ্মত প্ৰবৃত্তকাৰী বিৰুদ্ধ অথবা ভাগ্যৰ নাম দ্ৰোপদী, অন্ধকাৰময় বিদ্যাৰ নাম ধৃতৰাষ্ট্ৰ আৰু ইয়াৰ অন্যৰূপ মোহৰ নাম গান্ধাৰী। ত্ৰিবৰ্গত বিষমতাৰ কাৰণে প্ৰতিজ্ঞাৰূপী ধৰ্ম, ৰাজ্য, সম্পত্তি আদি (বসু) তথা কুটুম্বত অত্যন্ত আসক্তি ৰাগ ক্লেশৰ নাম ভীষ্ম। আসক্তি অন্য ৰূপ জীৱাত্মাক বাধা দিওঁতা পুত্ৰৈষণা, বিত্তৰণা আৰু লোকেষণা এই তিনিৰ নাম দ্ৰোণাচাৰ্য। শিখণ্ডী ৰূপে কাশী পৰশেৰ কন্যা অম্বস্ম, সৰস্বতী অৰ্থাৎ ব্ৰহ্মবিদ্যা আৰু জ্ঞান। ইয়াৰ সহায়তে অৰ্জুনে ভীষ্মক পৰাস্ত কৰে। জন্মসিদ্ধ অভিনিৱেশ ক্লেষাৰ নাম কৰ্ণ। সেই হেতুকে কুন্তি আৰু দ্ৰোপদীৰ বাবে ত্যজ্য আছিল। অবিদ্যাজনিত অস্মিতা অৰ্থাৎ অহংকাৰ, মমতা স্বাৰ্থ, লোভ, ঈৰ্ষা আদিৰূপে মহাপাতক ক্ৰুৰক্লেষৰ নাম দুৰ্যোধন। ইয়াৰ অন্যৰূপ কৃপ তথা দেহাভিমানৰ নাম শৈল্য। অস্মিতাৰ আশ্ৰয় অথবা তাৰ দ্বাৰা প্ৰেৰিত দুঃসাহস তথা নিলৰ্জ্জতা আদিৰ লক্ষণযুক্ত দ্বেষ, ক্লেষৰ নাম দুশাসন। স্বাৰ্থ সিদ্ধিৰ ছলনা কপটতাৰ নাম শকুনি। চিত্তৰ অসংখ্য বৃত্তি বিলাক হ'ল অক্ষোহিনী সেনা। ত্ৰিগুণময়ী প্ৰকৃতি দেহৰূপে মোক্ষ সাধন কৰাৰ উপকাৰী আৰু আদৰণীয়। এতেকে ইয়াৰ কাৰ্য ৰূপ যিমান বিলাক ক্লেশ আছে সেইবিলাক ব্যক্তিৰূপে উচ্চ পদবীৰ নিযুক্ত হৈ যুধিষ্ঠিৰৰ সন্মানৰ পাত্ৰ আছিল। দ্ৰোণাচাৰ্যৰ অধিষ্ঠাতা দুৰ্যোধনে যুধিষ্ঠিৰ ৰূপ জীৱাত্মাৰ অধিষ্ঠাতা শ্ৰীকৃষ্ণক বন্দী কৰিবলৈ দুঃসাহস কৰিছিল। আদি পৰ্বত কৈছে-- ক্ৰোধৰূপী দুৰ্যোধন এজোপা প্ৰকাণ্ড বৃক্ষ। ইয়াৰ গা-গছ কৰ্ণ। শকুনি ডাল, দুশাসন ফুল আৰু ফল। বুদ্ধিহীন ধৃতাৰাষ্ট্ৰ শিপা। ঠিক সেইদৰে ধৰ্মৰূপ যুধিষ্ঠিৰ এজোপা ডাঙৰ গছ। ইয়াৰ গাগছ অৰ্জুন, ডাল ভীমসেন, নকুল সহদেৱ ফুল আৰু ফল। কৃষ্ণ, বেদ আৰু বেদজ্ঞত ব্ৰাহ্মণ ইয়াৰ শিপা।

যেতিয়া যুধিষ্ঠিৰে বিবেক, জ্ঞান আৰু বৈৰাগ্যৰ দ্বাৰা সকলো ক্লেষ নাশ কৰি কৈবল্য অৱস্থা পালে তেতিয়া বিষয় কামনাৰ সৈতে দৈৱ দ্ৰোপদী বিনাশ হয়। পিছত ক্ৰমে বিষয় গ্ৰহণকাৰী জ্ঞানেন্দ্ৰিয় (সহদেৱ) কৰ্মেন্দ্ৰিয়

(নকুল) চিত্ত (অৰ্জুন) আৰু প্ৰাণ (ভীমসেন) নাশ হৈ যায়। এই সকলোবিলাক নিজ নিজ কাৰণত বিনাশ হৈ যায়। নিজ স্বৰূপত প্ৰতিষ্ঠিত জীৱাত্মাই (যুধিষ্ঠিৰ) মোক্ষ সুখ অনুভৱ কৰে আৰু ইন্দ্ৰিয়, বিষয়-বাসনা আদিৰ পৰা বিৰক্ত হৈ মন্দাকিনী গঙ্গাত স্নান কৰি (ব্ৰহ্মৰন্ধ্ৰৰ দ্বাৰা) মানৱ স্বভাৱ তথা শৰীৰৰ ত্যাগ কৰে। তাৰ পিছত দিব্যদেহ ধাৰণ কৰি ব্ৰহ্মৰ লগত থাকি জীৱাত্মাই (দ্ৰষ্টা) নিজ ইচ্ছানুসৰি সকলো লোকত বিচৰণ কৰে। উপনিষদ তথা যোগশাস্ত্ৰ সমৰ্থন কৰি ব্যাসদেৱে এই গূঢ় ৰহস্য এনেভাৱে সমৰ্থন কৰিছে। দিব্যশৰীৰ ধাৰণ কৰি যুধিষ্ঠিৰে দেখিলে যে (কৰ্ণৰ সহিত) পঞ্চ ভাতৃ তথা ভীষ্ম, ধৃতৰাষ্ট্ৰ, দুৰ্যোধন আদি সকলো নিজ নিজ মূল ৰূপতে আছে। শ্ৰীকৃষ্ণই নিজৰ ব্ৰহ্ম বিগ্ৰহ ধাৰণ কৰিলে। দ্ৰৌপদী সাক্ষাত লক্ষ্মী।■



# একে মোতে মাত্ৰ তুমি লৈয়োক শৰণ

**শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ**

স্থিতি, প্ৰকাশ, গমন এয়ে মানৱ জীৱন। জীৱনৰ উদ্দেশ্য কেৱল ধন, জন, ৰত্নৰাজিয়েই নহয়। মানৱ জীৱনৰ মহৎ উদ্দেশ্য হৈছে চতুৰ্বৰ্গ সাধন। অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ। আন আন যুগত এই চতুৰ্বৰ্গ সাধনৰ বাবে মানুহে অশেষ কষ্ট স্বীকাৰ কৰিব লাগিছিল। কিন্তু কলিকালত এই ধৰ্ম, অৰ্থ, কাম, মোক্ষ কীৰ্তনৰ দ্বাৰাই পায় আৰু সেই কাৰণেই কলিকালত অনাচাৰ বাঢ়িলেও শ্ৰেষ্ঠ যুগ বুলি কয়।

ধৰ্ম, অৰ্থ, কাম, মোক্ষ কীৰ্তনতে পায়।
কলি সম শ্ৰেষ্ঠ যুগ নাই নাই নাই।। —ভাগৱত

কলি যুগতেই মানুহৰ কাম, ক্ৰোধ, ক্ষোভ, মোহ বৰ বেছি যদিও কলিৰ এটি বিশেষ প্ৰভাৱ আছে যে, হৰিৰ নাম-কীৰ্তন কৰিলেই সংসাৰ বন্ধনৰ পৰা মুক্ত হ'ব পাৰি।

কলেৰ্দ্দোষ নিধেৰাজনস্তি হ্যেকো মহান গুণঃ।
কীৰ্ত্তনাদেৱ কৃষ্ণস্য মুক্ত সঙ্গঃ পৰং ব্ৰজ্যেৎ।। —ভাগৱত

অৰ্থাৎ দোষৰ নিদান কলিযুগ অতি
এক মহাগুণ আছে।
কেৱলে কীৰ্ত্তনে সংসাৰৰ বন্ধ
এড়াই মোক্ষ পাৰে পাছে।। —কীৰ্ত্তন

সেই কাৰণেই কলিযুগ সবাতোকৈ শ্ৰেষ্ঠ। বেদৰ সাৰ নাম কীৰ্তনক এৰি আনক আশ্ৰয় কৰি সংসাৰ সাগৰত খপজপাই ফুৰাৰ আৱশ্যক নাই। আহাৰ নিদ্ৰা এৰি পৰ্বতৰ গুহাত তপ কৰিবৰ দৰ্কাৰ নাই। পৰ্বত, পাহাৰ, অটব্য অৰণ্য, চিৰ প্ৰবাহমান বৃহৎ নদী পাৰ হৈ পূব, পশ্চিম, উত্তৰ, দক্ষিণ চাৰিও দিশে ঘূৰি ফুৰি তীৰ্থ কৰিবৰ আৱশ্যক নাই। শত সহস্ৰ দৰিদ্ৰ

জনতাক শোষণ কৰি প্ৰৱঞ্চনা আদিৰে ধন ঘটি যজ্ঞ কৰিবৰ দৰ্কাৰ নাই। একমাত্ৰ ঘৰত বহি একান্ত মনেৰে সৃষ্টি-স্থিতি প্ৰলয়ৰ নিয়ন্তা হৰিৰ নাম কীৰ্তন কৰিলেই তেনেকুৰা তপ, জপ, তীৰ্থ, ব্ৰত যজ্ঞৰ কোটি কোটি গুণ ফল লাভ কৰিব পাৰি। যিহেতু—

নাহি তপ ব্ৰত কলিৰ যুগত
নামেসে পৰম ধৰ্ম্ম।
বেদৰ সাৰক নধৰে নামক
শাস্ত্ৰৰ নুবুজি মৰ্ম্ম।। —ভাগৱত

যুগ-ধৰ্ম অনুসৰি সকলো লোকৰ সাৰ্বজনীন ধৰ্ম নাম ধৰ্ম।

ইটো ঘোৰ কলিকাল আত আৰ নাহি ভাল
ভৈল একাকাৰ সমুদায়।
দেখা যুগ ধৰ্ম্ম চাই আউৰ ধৰ্ম্ম কতো নাই
একে হৰি নামত বিনাই।।

এই ধৰ্মৰ প্ৰধান বৈশিষ্ট্য একেশ্বৰবাদ পৰমব্ৰহ্মৰ বাদে সকলোৰেই অসাৰ। এই পৰমব্ৰহ্মৰে আকাৰ স্বৰূপ ভগৱান শ্ৰীকৃষ্ণ। এতিয়া দেখা যাওক এই কৃষ্ণ কোন।

কৃষিৰ্ভূবাচকঃ শব্দো নশ্চ নিৰ্বৃত্তিৰাচকঃ।
দ্বয়োৰৈক্যাৎ পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধয়িতে।।

অৰ্থাৎ কৃষ আৰু মূৰ্দ্ধণ্য ণ এই দুইটা মিলি কৃষ্ণ হৈ কৃষ শব্দৰ অৰ্থ ভূ অৰ্থাৎ সত্তা বা অস্তিত্ব আৰু ণৰ অৰ্থ নিবৃত্তি অৰ্থাৎ পৰমানন্দ। সেই দেখি কৃষ্ণ আৰু মূৰ্দ্ধণ্য ণ ৰ মিলনৰ অৰ্থ অস্বিত্ব বা সত্তাৰ সৈতে পৰমানন্দৰ মিলন। অৰ্থাৎ অস্তিত্ব চৈতন্য আৰু পৰমানন্দৰ মিলনৰ নামেই কৃষ্ণ। অৰ্থাৎ কৃষ্ণ সৎ, চিৎ আৰু আনন্দ স্বৰূপ। বেদত পৰমব্ৰহ্মৰ স্বৰূপ লক্ষণ নিৰ্দেশ কৰিছে সৎ, চিৎ, আনন্দ।

উপনিষদ বিলাকতো দেখা যায় ব্ৰহ্মৰ অৰ্থাৎ পৰমেশ্বৰৰ বাদে আন কোনো দেৱতাৰে অস্তিত্ব স্বীকাৰ নকৰে। সকলোৰে মূল একমাত্ৰ ব্ৰহ্ম। যথা—

১। সত্য জ্ঞানমনন্তং ব্ৰহ্ম।
আনন্দং ব্ৰহ্ম ইতি ব্যজনাৎ (তৈত্তিৰীয়া উপনিষদ)





২। বিজ্ঞানম্ আনন্দং ব্ৰহ্ম— (বৃহদাৰণ্যক)
৩। সচ্চিদানন্দময়ং পৰং ব্ৰহ্ম— (নৃসিংহতাপনীয়)
৪। সৰ্ব্বপূৰ্ণস্বৰূপোহস্মি সচ্চিদানন্দলক্ষণঃ — (মৈত্ৰী)

তেওঁ সত্তাতেই জগতৰ সত্তা। তেওঁ আছে বুলিয়েই জগৎ আছে। কিন্তু জগতৰ সত্তা ক্ষৰ, বিকাৰশীল, বিনাশশীল। ব্ৰহ্ম অক্ষৰ, অজৰ-অমৰ। তেওঁ স্বয়ং জ্যোতি, স্বপ্ৰকাশ। তেওঁক অন্য পদাৰ্থই প্ৰকাশ কৰিব নোৱাৰে।

বেদোক্ত পৰমব্ৰহ্মৰ স্বৰূপ লক্ষণ এনে সৎ, চিৎ, আনন্দ। বেদ বিভাগ কৰোতা, বেদান্ত দৰ্শন প্ৰণেতা, সৰ্ব উপনিষদৰ সাৰভাগ সঙ্কলন কৰি মহাশাস্ত্ৰ গীতা ৰচনা কৰোঁতা, অষ্টাদশ পুৰাণ ৰচোঁতা আৰু পুৰাণৰ ভিতৰত মহাসূৰ্য নিগম কল্পতৰুৰ বিগলিত ফল শ্ৰীমদ্ভাগৱত ৰচনা কৰি শুকক পঢ়াই সেই ফল ক্ষুধিত জগতক বিলাই দিওঁতা। সত্যৱতী সুত মহৰ্ষি বেদব্যাসে শ্ৰীমদ্ভাগৱতত প্ৰতিজ্ঞা কৰি কৈছে- ঈশ্বৰঃ পৰমঃ কৃষ্ণ সচ্চিদানন্দ বিগ্ৰহঃ। সেয়ে বেদোক্ত পৰমব্ৰহ্ম আৰু দৈৱকীনন্দ শ্ৰীকৃষ্ণ একে বস্তু। সেই দেখি ব্ৰহ্মৰ স্বৰূপ লক্ষণ নিৰ্দেশক বেদমাত্ৰ উচ্চাৰণ কৰা আৰু কৃষ্ণ নাম-কীৰ্তন কৰা একে বস্তু।

অদ্বিতীয় সৎ, চিৎ, আনন্দ স্বৰূপ বস্তুৰেই পৰমতত্ত্ব শ্ৰীকৃষ্ণ আৰু এই পৰমতত্ত্ব বস্তু শ্ৰীকৃষ্ণই কলিৰ মলমতি জীৱই যাতে মূৰ্তিমান আনন্দস্বৰূপক ধৰিব পাৰে তাৰ বাবেই জগজন তাৰণ দেৱ নাৰায়ণ শঙ্কৰ তাকেৰি অংশ স্বৰূপে আহি মানৱ মন্দিৰত নাম ধৰ্মৰ ধ্বজা উৰুৱাই দীপ্তকণ্ঠে ঘোষণা কৰিলে

'কলিৰ ধৰ্ম্ম হৰিনাম জান।
পাপীৰ নিন্দাত নিদিবা কাণ।।'

নামধৰ্মত ভক্তিয়েই মূল বস্তু। অৰ্থাৎ নাম ভকতিৰ বাদে আন গোড়া নীতি নাই। জাতি বিচাৰ নাই। ই পৃথিৱীৰ সাৰ্বজনীন ধৰ্ম। ইয়াৰ বাবে সকলোৰে দুৱাৰ মুক্ত। আন পূজা পাতল আদি কৰাৰ দৰে ই কাৰো একচেটিয়া ধৰ্ম নহয়, সকলোৰে সমান অধিকাৰ, আনৰ নেগুৰত ধৰি ভৱ বৈতৰণী পাৰ হ'বৰ দৰ্কাৰ নাই। আনে খালে নিজৰ ভোক নুগুচে। প্ৰতি জীৱনত নিজেই নিজৰ ভাগ্য বিধাতা আৰু সেয়ে শ্ৰীকৃষ্ণই শঙ্কৰ স্বৰূপে

ভাৰতভূমিত আৱিৰ্ভাৱ হৈ অজ্ঞান তিমিৰে বেঢ়ি থকা জন সমুদায়ৰ আগৰ পৰা মোহৰ পৰ্দা গুচাই জ্ঞান চকু মুকলি কৰি সত্যম্ শিৱম্ সুন্দৰম্‌ৰ এক শৰণ নাম ধৰ্মৰ ধ্বজা মানৱ মন্দিৰৰ দুৱাৰ দলিত স্থাপন কৰিলে।

এতিয়া চোৱা যাওক শৰণ মানে কি? শৰণ মানে আশ্ৰয়। শৰণৰ প্ৰচলন উপনিষদৰ পৰাই আছে। যেনে—

‘তমহ দেৱমাত্ম বুদ্ধি প্ৰকাশং
মুমুক্ষুবৈ শৰণমহং প্ৰপদ্যে’

— শ্বেতাশ্বতৰোপনিষদ

অৰ্থাৎ নিজৰ সূক্ষ্ম অতি শুদ্ধ নিৰ্মল বুদ্ধি দ্বাৰা যাক (ঈশ্বৰ) মানুহে জানিব পাৰে সেই সকলোৰে আশ্ৰয় স্বৰূপ ঈশ্বৰত মই সংসাৰৰ অগাধ দুখ নিবৃত্তিৰ ইচ্ছাত শৰণ লওঁ।

এই শৰণ ধৰ্ম সম্বন্ধে গীতাত সবিশেষ পোৱা যায়। শ্ৰীকৃষ্ণদেৱে গীতাৰ শেষ বাণী প্ৰচাৰ কৰিছে, যেনে—

(১) মন্মনা ভৱ মদ্ভুক্তো মদ্যাজীমাং নমস্কুৰু।
মামেবৈষ্যসি সত্যংতে প্ৰতি জানে প্ৰিয়োহসিমে।।’

অৰ্থাৎ- মোত মাত্ৰ সদা দিয়া মন
মোৰ ভক্ত হোৱা সৰ্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী
পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখী আমাৰ।। —নাম-ঘোষা

(২) ‘সৰ্ব্বধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ।।’

অৰ্থাৎ- সৰ্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাৎ।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মঞি কৰিবো নিস্তাৰ।। — ভাগৱত, একাদশ

শৰণ ধৰ্মৰ নিচিনা সুগম ধৰ্মৰ মত পৃথিৱীতে বিৰল। ভক্তিত অলপতে সন্তুষ্ট হোৱা পৰমেশ্বৰ যাক পাৰলে শত শত বছৰ তপস্যা কৰিও বিফল





হ’ব লগা হয়, তেওঁ তেওঁৰ মহিমা কীৰ্তনতে সন্তুষ্ট হয়। অব্যভিচাৰী ভকতি কৰিলেই তেওঁক সহজতে পায়। কিন্তু কৃষ্ণৰ বিনে আনত শৰণ পশিলে সেই ধৰ্ম ব্যভিচাৰ হয়। যদি কোনোবাই কৃষ্ণৰ বিনে কামনাবশতঃ অন্য দেৱতা উপাসা কৰে তেনেহ’লে সেইজনৰ এক শৰণ নহয়। কিয়নো এক শৰণ হৈছে—

‘সেহি এক শৰণ ভজন অনুপাম।
নুশুনয় আন একো দেৱতাৰ নাম।।’

এনে পৰম পৱিত্ৰ নামধৰ্মত শৰণ লৈ পুত্ৰ স্নেহত মৃত্যুৰ হাতৰ পৰা ৰক্ষা কৰিবৰ বাবে ব্যাসকলাইয়ে দেৱতা পূজা কৰোতে শ্ৰীশঙ্কৰে তেওঁক ত্যাগ কৰে। ৰামৰায়ে কোৱাতো খংহে কৰিলে—

‘কৃষ্ণক ভজিয়া আন দেৱক পূজয়।
আছে তাক মাতিবে চাহিবে নলাগয়।।
হেন পাতকীক তই কৰিলি আলাপ।
এতেকে সিজিল তোৰ মহা ঘোৰ পাপ।।

সেই কাৰণে এক শৰণ নাম ধৰ্মত হৰিৰ কীৰ্তন মাত্ৰ সকলোৰে মূল বস্তু। এই এক শৰণ নাম ধৰ্মত ভক্তিয়েই মূল কথা আৰু সেই ভক্তি হৈছে ঈশ্বৰৰ কথা শ্ৰৱণ কীৰ্তন কৰা।

‘মোৰ কথা শ্ৰৱণ কীৰ্তন বিনে আন।
নাহিকে ভকতি সখি দৃঢ় কৰা জ্ঞান।। —ভক্তি-প্ৰদীপ

ভকতিৰ বিনে আন উপায়েৰে ভগৱানক জানিবৰ সাধ্য নাই। আনকি সকলোতকৈ শ্ৰেষ্ঠ জ্ঞান-যোগৰ দ্বাৰাও ভগৱানক পাব নোৱাৰি।

ভক্তিহীন জ্ঞান যোগ যিজনে আচৰে।
নাহি একো ফল মিছা দুখ কৰি মৰে।। —ভক্তি-প্ৰদীপ

ভক্তি এই কাৰণেই শ্ৰেষ্ঠ যে ভক্তি হৃদয়ৰ বস্তু। ই মূৰৰ বস্তু নহয়। হৃদয়ৰ বস্তু যে মগজুৰ বস্তুতকৈ সৰহ এই কথা আমি সকলোৰে চিৰকাল স্বীকাৰ কৰি আহিছো। ঈশ্বৰ ক’ত আছে বুলিলে আমি হিয়ালৈকেহে আঙুলিয়াওঁ। মূৰলৈ নহয়। ‘ত্বয়া হৃষিকেশ হৃদি স্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি’ হে বোলো। আমাৰ হিয়াত থকা বস্তুটো আমাৰ অতি ওচৰৰ। অতি নিজৰ। মাকে প্ৰাণসম সন্তানক বুকুতহে সামৰি লয়। এই

বাবে মাতৃস্তন্যৰ আধাৰ বুকু। যি স্তনামৃত দি তেওঁ সন্তানক বৰ্দ্ধন কৰে। মূৰ কাৰণ আৰু বুদ্ধিৰ স্থান, হৃদয় ভক্তি আৰু প্ৰেমৰ স্থান যত পৰমাত্মাৰ অংশ জীৱাত্মা গোপন হৈ আছে। এই বাবে গীতাত জ্ঞানযোগতকৈ ভক্তিযোগৰ প্ৰাধান্য। এই নিমিত্তে শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মত ভক্তিয়ে প্ৰধান স্থান অধিকাৰ কৰিছে। এই ধৰ্মহে বিশ্বজনীন হ'ব পাৰে। এবাটি গাখীৰত যেনেকৈ অলপমান টেঙা পৰিলে সি কুৰুচি হয়, সেই ভক্তিৰ ভাণ্ডাৰতো ৰাজসিক, তামসিক কাৰ্যৰ চিটা এটা পৰিলে সি বিকৃত হৈ যায়, কাৰণ ভক্তি মাতৃদুগ্ধৰ নিচিনা হিয়াৰ পদাৰ্থ।

অব্যাভিচাৰী ভক্তিৰ বাবে মোক্ষৰ আন উপায় নাই। যাৰ মনত একশৰণ ভকতিৰ উদয় হ'ল সেইজনেই সংসাৰ সাগৰ পাৰ হ'ল।

নাৰদ আৰু চাণ্ডালিনী কথোপকথনৰ পৰা বুজিব পাৰি অব্যাভিচাৰ ভকতি বা একশৰণ ভকতৰ মাহাত্ম্য কিমান।

চাণ্ডালিনীৰ কথা শুনি নাৰদে ভাবিলে—

কিনো মহা ভাগ্য এইৰ বুদ্ধি বিপৰীত।
ঈশ্বৰ কৃষ্ণত কৰিলেক একচিত্ত।।
দঢ়াইল মনত একশৰণ ভকতি।
কিমতে জানিলে কৃষ্ণদেৱক সম্প্ৰতি।।
..... ..... .....
চাৰিও বেদৰ তত্ত্ব তই আছ জানি।
তইহে উত্তম জাত তই মহামানী।।

সেই চাণ্ডালিনীৰ মুখৰ পৰাই ব্ৰাহ্মণে ইন্দ্ৰক পূজা কৰা দেখি ওলাইছিল—

তাকঁ এৰি যিটো আন দেৱতাক পূজৈ।
পশুতো অধম সিতো একোকে নুবুজৈ।।
হেন পাষণ্ডক মই কৰিলো আলাপ।
এতেকে সিজিল মোত আমোচন পাপ।।

এতেকে দেৱতা পূজা কৰা নামধৰ্মত কিমান পাপ তাৰ পৰাই বুজিব পাৰি। সকলো ধৰ্মৰ মূল তত্ত্ব হৰি কীৰ্তন একশৰণ নাম ধৰ্মৰ মূলবস্তু।

যি এই এক শৰণ নামধৰ্মৰ আশ্ৰয় লয়। সেই সকলৰ আন ধৰ্ম





কৰাৰ প্ৰয়োজন নাই। বৰং আন কৰ্মৰ প্ৰতি আসক্তি হ'লে এক শৰণ ধৰ্ম সেইজনৰ ভ্ৰষ্ট হয়। আনকি বেদোক্ত কৰ্মকাণ্ডৰ কৰ্ম কৰিবলৈও মানা দিছে—

'বেদৰ বিহিত কৰ্ম্ম কৰিবাৰ
ভকতৰ যোগ্য নুই।
যদি মোহ হুয়া কৰে ধৰ্ম্ম কৰ্ম্ম
ভকতিত ভ্ৰষ্ট হুই।।

— ভক্তি-প্ৰদীপ

এই ধৰ্মৰ উপাস্য এক কৃষ্ণদেৱ। শ্ৰীকৃষ্ণই পৰম ব্ৰহ্ম। জ্ঞানময় আৰু আনন্দময়। শ্ৰৱণ কীৰ্তনেই এই ধৰ্মৰ মূলবস্তু।

যথা- 'যদ্যপি ভকতি নববিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ।। — ভাগৱত

ইয়াত বাধাও নাই আৰু মধুৰ ভাবো নাই। অৱশ্যে তাত সখিত্বৰ উল্লেখ আছে। মূলতঃ শ্ৰীমন্ত শঙ্কৰদেৱে দাস্যভাবৰহে উৎকৃষ্টতা প্ৰমাণ কৰিছে। তাৰা নিজেই কৃষ্ণৰ কিঙ্কৰ।

তাৰাৰ ধৰ্মত দীক্ষা নাই আৰু যোল নামৰ মন্ত্ৰও নাই। আছে মাত্ৰ কৃষ্ণত শৰণ। শৰণত চাৰি নাম আৰু চাৰি বস্তু। চাৰিও বস্তুৱে এক ভগৱন্তকে নিৰ্দেশ কৰে।

উপৰি উক্ত চাৰি বস্তুৰ ভিতৰত গুৰুৰ অৰ্থ কৃষ্ণক চিনাওতা গুৰু, দেৱৰ অৰ্থ কৃষ্ণদেৱ। নামৰ অৰ্থ হৰিনাম আৰু ভকতৰ অৰ্থ সাধুসঙ্গ।

গীতা ভাগৱতত স্বয়ং কৃষ্ণদেৱে যি বাণী দি থৈ গৈছে, সেই বাণী পুনৰ ধ্বনিত হ'ল পাঁচশ বছৰৰ আগেয়ে আমাৰ পৰ্বত, ভৈয়াম, হাবি বননি ভাৰতৰ ঘৰে ঘৰে।

'ভাৰত বৰিষ কলিযুগ ইটো
হৰিনাম নৰকায়।
চাৰিৰো সংযোগে মহাভাগ্য ভৈলা
আউৰ আছা বাট চাই।।

এনেহেন চাৰিৰো সংযোগ যদি আমি হৰিনাম নলৈ, হিয়াতে থকা পৰমাত্মাক ফাঁকি দি অন্যক ভজনা কৰো, তেন্তে আমি আমাক আত্মঘাতী বুলি ক'ব লাগিব।

যিজনে সমাজৰ পৰা স্পৃশ্য-অস্পৃশ্য, অন্যায়-অনীতি, কপট আচাৰ, ব্যভিচাৰ, ৰাজৰোষ, নিৰ্যাতনৰ বিৰুদ্ধে বিজয় ডঙ্কাৰে মানৰ সমাজ কঁপাই কলিযুগৰ প্ৰযোজ্য ইতিহাস মহাধৰ্মৰ বিজয় পতাকা উৰুৱাই থৈ গ'ল; যি জনে গীতাৰ এক শৰণ পুৰাণ সূৰ্য ইটো ভাগৱতৰ সৎসঙ্গ আৰু পথ, পুৰাণৰ সহস্ৰ নামৰ নাম, এই চিন্তি পৰম পৱিত্ৰ মহান ৰত্ন আনি অনুপম মধুচক্ৰ ৰচনা কৰি থৈ পান কৰিবলৈ শিকাই থৈ গ'ল, যিজন পৰম চৈতন্য পূৰ্ণ পৰম পুৰুষৰ ইচ্ছাত যাৱতীয় প্ৰাণী পদাৰ্থাদি সহ অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে যাৰ অসীম শক্তিৰ বলতে সিবোৰৰ সৃষ্টি হৈছে আৰু প্ৰলয় কালত যি গৰাকীয়েই সৃষ্ট সকলো প্ৰাণী পদাৰ্থকো বিনাশ কৰি সিবোৰৰ আনুসঙ্গক মূল পদাৰ্থবোৰক হৰণ কৰি যি পুনৰ অব্যক্ত ব্ৰহ্ম পদাৰ্থত পৰিণত কৰে সেই গৰাকী পৰম পুৰুষকে 'হৰি' নামত অভিহিত কৰি আমাক চিনাই থৈ গ'ল, যিজনে পৰম পুৰুষ ভগৱন্তৰ নাম-গুণ-লীলা আদি শ্ৰৱণ কীৰ্তন স্মৰণৰ ভেটিত ভক্তি-মাৰ্গ তথা পৰমেশ্বৰৰ কৃপাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা ৰাখি তেওঁতে দেহ-মন-প্ৰাণ সমৰ্পণ কৰি নিষ্কামভাৱে চলা ভক্তি পূৰ্বক এক শৰণ নাম ধৰ্ম অৱলম্বন আৰু পালন কৰাটোহে যে শ্ৰেষ্ঠ ধৰ্ম মাৰ্গ তাক বজ্ৰ সদৃশ মহা লিখনিৰে চন্দ্ৰ সূৰ্য থাকে মানে জগতত সোণৰ কাৰেং থৈ গ'ল, সেইজন শ্ৰীমন্ত শ্ৰীকৃষ্ণ শঙ্কৰদেৱে গহীন গম্ভীৰ বজ্ৰসদৃশ লিখনিৰে পুৰাণ-সূৰ্য ভাগৱতত লিখি থৈ গ'ল—

'এতেকে উদ্ধৱ সখী ত্যজা বেদ পন্থ।<br>
যিবা জানা শুনা সবে এৰা আন গ্ৰন্থ।।<br>
একে মোতে মাত্ৰ তুমি লৈয়োক শৰণ।<br>
নকৰিবা ভয় হেৰা কৰিবো ৰক্ষণ।।'■

**(গোলাঘাট জিলাৰ শ্ৰীমন্ত আলোচনীৰ পৰা উদ্ধৃত, তৃতীয় বছৰ-৫২০ শঙ্কৰাব্দ, ১৯৬৮ চন।)**



# মামনুস্মৰ যুদ্ধচ

**শ্ৰীঅচ্যুৎকৃষ্ণ মিশ্ৰ**

শ্ৰীকৃষ্ণৰ দুটা ৰূপৰ সৈতে আমি ওতঃপ্ৰোতভাৱে পৰিচিত। এটা প্ৰেমৰ আৰু আনটো কৰ্মৰ। এটা বৃন্দাবনৰ আৰু আনটো কুৰুক্ষেত্ৰৰ— মহাভাৰতৰ; এটা ভাগৱতৰ, আনটো গীতাৰ। ভাৰতবাসীৰ গ্ৰহণশীল মনে শ্ৰীকৃষ্ণৰ এই দুই ৰূপেই পৰিপূৰ্ণভাৱে অৱস্থিত। ভাৰতৰ আবাল বৃদ্ধ-বনিতাই শ্ৰীকৃষ্ণৰ নানা ভাবৰ যি কোনো এটি অৱলম্বন কৰি গীতাৰ প্ৰীতিৰস আস্বাদন কৰিব চায়। কোনোৱে তেওঁক শিশু সন্তান ৰূপে, কোনোৱে সখাৰূপে, কোনোৱে প্ৰেমিক হৃদয় দেৱতাৰূপে আৰাধনা কৰে, শ্ৰীমদ্‌ভাগৱত এই শ্ৰীকৃষ্ণ লীলা স্মৰণ কালৰ প্ৰধান সহায়ক।

বিদেশী পণ্ডিতসকল আৰু তেওঁলোকৰ দ্বাৰা প্ৰভাবান্বিত দেশীয় গৱেষকবোৰে এই পৌৰাণিক শ্ৰীকৃষ্ণৰ দেশীয় গৱেষকবোৰে এই পৌৰাণিক শ্ৰীকৃষ্ণৰ সৈতে ঐতিহাসিক কৃষ্ণৰ কোনো মিল নাপায়। অথচ শ্ৰীকৃষ্ণৰ নিচিনা এজন বিৰাট ব্যক্তি বা অভিব্যক্তিক বাদ দি ভাৰতৰ ইতিহাস, ধৰ্ম, সাহিত্য, কাব্য কিছুৰেই ৰচনা কৰা সম্ভৱ নহয়। শ্ৰীকৃষ্ণই ভাৰতৰ পৰমাত্মা।

শ্ৰুতিয়ে যাক 'অবাঙ্ মনসোগোচৰম্' বুলিছে, তেওঁৱেই যেন চক্ষুকৰ্ণৰ গোচৰ হৈ ভাৰতৰ মাটিত বিচৰণ কৰি ইয়াক মহাভাৰতত পৰিণত কৰিছে। পুৰাণকাৰে যেন স্বচক্ষে দেখি কৈছে বৃন্দাবনে সেই 'বেদান্ত সিদ্ধান্তো নৃত্যতি' শ্ৰীকৃষ্ণ সেই বেদান্তৰ সিদ্ধান্ত পৰব্ৰহ্ম। নিজে তেওঁ গীতামুখে কৈছে— 'বেদান্তকৃদ্ বেদবিদেব চাহম'। বেদে যাক সচ্ছিদানন্দ কৃষ্ণ বুলিছে। প্ৰথমটি জ্ঞানৰ ভাব, দ্বিতীয়টি প্ৰেমৰ মূৰ্তি সৰ্বভাৱ সমন্বয়ৰ বিগ্ৰহ। ভাগৱতকাৰে নানা অৱতাৰ লীলা বৰ্ণনা কৰি সেয়ে শ্ৰীকৃষ্ণলীলাৰ প্ৰাৰম্ভতেই কৈছে 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'।

বেদান্তক বোলা হয় শ্ৰুতিশিৰ। গতিকে সেইদৰে গীতাক বুলিব পাৰি মহাভাৰতৰ মুকুটমণি। যি বেদান্ত বা উপনিষদৰ ভিতৰতেই বেদৰ

সাৰ কথা পুঞ্জীভূত হৈ আছে. সেই উপনিষদৰ সাৰ কথা আকৌ গীতা মুখে নিনাদিত। ঋষি সমস্তৰ অনুভূতি ভগৱদ্ মুখে উচ্চাৰিত হৈ দ্বিগুণ বলত বলীয়ান হৈছে— সেয়ে গীতা মান্য- সৰ্বকালে সৰ্বদেশে। গীতাৰ ভিতৰত আছে শাশ্বত মানুহৰ জীৱন সমস্যা তথা তাৰ সমাধান— অৰ্জুন প্ৰতীক মাত্ৰ। পৃথিৱীৰ মানুহৰ প্ৰতিনিধি; সংসাৰৰ আশা-আকাঙ্খা, ভুল-ভ্ৰান্তি-ভয় পৰিপূৰ্ণ এজন মানুহ। তেওঁৰ মনৰ সকলো সংশয়, সকলো সমস্যা লৈ- শ্ৰেষ্ঠ গুৰুৰ সন্মুখত উপস্থিত। শ্ৰীকৃষ্ণ সম্পদ কালত অৰ্জুনৰ সখা, বিপদ কালত যুদ্ধক্ষেত্ৰত ৰথৰ সাৰথি; সংশয় কালত অৰ্জুনৰ জ্ঞানদাতা গুৰু আৰু সৰ্বকালে তেওঁৰ অন্তৰ্যামী ইষ্ট। অৰ্জুনক উপলক্ষ্য কৰিয়েই ভগৱানে নিখিল বিশ্বাবাসীক মহান শিক্ষা দি আছে।

গীতাৰ শিক্ষাই আমালোকক ভাগৱত জীৱনৰ উপযোগী কৰিব। গীতাৰ কৰ্মযোগেই মানৱক প্ৰস্তুত কৰি তুলিব ভাগৱতৰ প্ৰেম যোগৰ প্ৰকৃত ৰহস্য বুজিবৰ কাৰণে। নিস্কাম প্ৰেমৰ তত্ব বুজিব গ'লে আগে নিষ্কাম কৰ্ম কৰিব লাগিব। শ্ৰীকৃষ্ণ এই দুটা তত্বৰ এটি পূৰ্ণ ৰূপ। বৃন্দাবনত তেওঁৰ নিষ্কাম প্ৰেমৰ লীলা, কুৰুক্ষেত্ৰতে তেওঁৱেই নিষ্কাম কৰ্মৰ কৰ্ণধাৰ। প্ৰেম আৰু কৰ্মত অনাসক্তিয়েই জীৱন সমস্যা সমাধানৰ একমাত্ৰ শ্ৰেষ্ঠ উপায় নহয়— বোধহয় একমাত্ৰ উপায়। যি পৰ্যন্ত মানুহৰ আসক্তি সেই পৰ্যন্ত তাৰ বন্ধন— দুঃখ আৰু ক্ৰন্দন। অনাসক্তিয়ে মানুহক মুক্ত কৰে, মহান কৰে। আসক্তিয়ে মানুহক ক্ষুণ্ণ কৰে; ক্ষুদ্ৰ কৰে; কৰ্ম আসক্তিয়ে কৰ্ম ফলৰ প্ৰতি মানুহক লোলুপ দৃষ্টিত চাবলৈ কয়— কৰ্মফল মনোমত হ'লে সুখ আৰু মনোমত নহ'লে দুঃখ। অনাসক্ত কৰ্মযোগী সমদৰ্শী বিশ্বকৰ্মা— ঈশ্বৰ ধৰ্মী। অনাসক্ত প্ৰেমিকৰ সেৱাও নাই চোৰাও নাই। সি এক বন্ধনহীন প্ৰেম— যাৰ আৰু নাম 'আনন্দং ব্ৰহ্ম'। এই অনাসক্তিৰ শিক্ষাই মনৰ বন্ধন ভাৱ— জীৱনৰ নিৰানন্দ ভাব দূৰ কৰিব পাৰে। এয়েই গীতাৰ শিক্ষা। শ্ৰীকৃষ্ণ এই শিক্ষাৰেই জীৱন্ত মূৰ্তি।

কুৰুক্ষেত্ৰ-যুদ্ধাৰম্ভৰ বিষম সমকট মুহূৰ্তত— জয়-পৰাজয়ৰ আশা-আকাঙ্খাত মনৰ দোদুল্যমান অৱস্থাত স্বজন-গুৰুজনৰ আসন্ন বিয়োগ ব্যথায় কাতৰ সৰ্বোপৰি কুল ধ্বংসৰ ভয়াবহ সম্ভাৱনাত বিপন্ন অৰ্জুনৰ চিত্ত গীতাৰ পটভূমিকাত অঙ্কিত হৈছে— সেইটো যিমানেই কৰুণ সিমানেই বাস্তৱ।





মহাবীৰ অৰ্জুনে বাস্তৱ জীৱন প্ৰশ্নৰ সন্মুখীন হৈ জ্ঞান বৈৰাগ্যৰ কিমান যে কথা কৈছে।

ভগৱানে আদৰ্শ গুৰুৰ নিচিনা অৰ্জুনক ভৰ্ৎসনা কৰিও উৎসাহিত কৰিছে। অন্তৰ্যামী তেওঁ অন্তৰ্দৃষ্টিপৰায়ণ। তেওঁ জানে— অৰ্জুনৰ এই আলস্য ভয়জনিত কৰ্ম বিৰতিৰ ইচ্ছা বৈৰাগ্যৰ ছদ্মবেশ, কৰ্মৰ পৰা পলায়ণৰ চেষ্টা। সত্বগুণৰ ধোৱা ধৰি প্ৰচণ্ড তমোগুণৰ বন্তি। অহিংসাৰ আৱৰণে ঘোৰ কাপুৰুষতাই তেওঁক বেৰি ধৰিছে।

অৰ্জুনৰ অন্তৰ্নিহিত মহাবীৰ্যক জাগ্ৰত কৰিবৰ কাৰণেই মহাবীৰক তেওঁ 'ক্লীব' বুলি কটুক্তি কৰিছে। অৰ্জুনৰ যুক্তিৰ অসাৰতা বুজাই দি তেওঁক আত্মতত্ব অমৃততত্ব উপদেশ দিলে। আত্মতত্ব শুদ্ধচিত্ততহে প্ৰতিভাত হয়; সকাম কৰ্মৰ মলিন চিত্তই ইয়াৰ ধাৰণা কৰিব নোৱাৰে। সেয়েহে ভগৱানে অৰ্জুনক কৰ্মযোগ উপদেশ দিছে— কৰ্ম কৰা; ফলাকাঙ্খা নকৰিবা।

প্ৰতি মানুহে কাজ কৰিবই লাগিব, স্বাৰ্থ লৈ কাজ কৰিলে সংঘাত আৰু দুঃখ অনিবাৰ্য, সেয়ে ভগৱানৰ শিক্ষা প্ৰথমতঃ কৰ্তব্যবুদ্ধিত কাৰ্য কৰা। এই সংসাৰ কৰ্মক্ষেত্ৰ, এই জীৱন এক অবিৰাম যুদ্ধ। যুদ্ধ কৰিবই লাগিব একমাত্ৰ ক্ষত্ৰিয় অৰ্জুনেই নহয়, প্ৰত্যেক মানুহকে কেৱল বাহিৰতেই নহয়, ভিতৰতো। কি ভাৱে আমি অন্তৰৰ বাহিৰৰ এই যুদ্ধত জয়লাভ কৰিব পাৰো তাৰেই ইঙ্গিত ভগৱানৰ মহাবাণীৰ ভিতৰত 'মামনুস্মৰ যুধ্যচ'— আমাক স্মৰণ কৰা আৰু যুদ্ধ কৰা, জয় অৱশ্যম্ভাৱী। ইমান দিন কাম কৰিছা স্বাৰ্থত— এতিয়া কৰা ঈশ্বৰাৰ্থে; ইমানদিন ভাল পাইছা ক্ষুদ্ৰজীৱ ভাৱক, এতিয়া ভালপোৱা বিৰাট ঈশ্বৰ ভাৱক। এই বৃহৎ ভাৱনাৰ সৈতে বৃহৎ কৰ্মপ্ৰচেষ্টা সংযুক্ত কৰা জয় তোমাৰ সুনিশ্চিত।■

***(কাৰবিআংলং স্মৃতিগ্ৰন্থ, অষ্টাচত্বাৰিংশ বাৰ্ষিক অধিৱেশন, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, সম্পাদক স্মৃতিগ্ৰন্থ ঃ জিতেন্দ্ৰনাথ বৰা, ১৯৭৯ চন, ৫৩০ শঙ্কৰাব্দ)***

জয় গুৰু শঙ্কৰ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## ‘লোকসেৱক হলধৰ ভূঞা বঁটা’

## প্ৰাক্তন পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত অচ্যুতকৃষ্ণ মিশ্ৰ বাপৌলৈ

## প্ৰশস্তি-পত্ৰ

মান্যবৰেষু,

আমাৰ সাদৰ-সম্ভাষণ আৰু সেৱা গ্ৰহণ কৰিব। শ্ৰীমন্ত শঙ্কৰ-মাধৱ দুজনা মহাপুৰুষৰ সেৱা আৰু সাধনাৰে আপুনি জীৱনমুক্ত পুৰুষ। ভাৰত মাতৃৰ মুক্তিৰ সংগ্ৰামৰ হোতাৰূপে, একালৰ কাৰাবন্দী মুক্তিযোদ্ধাৰূপে আপুনি এগৰাকী ঐতিহাসিক পুৰুষ। ঈশ্বৰ কৃষ্ণত অৰ্পিত আৰু দেশ-মাতৃৰ পূজাত নিৱেদিত আপোনাৰ উৎসৰ্গিত জীৱন অনুজসকলৰ বাবে প্ৰেৰণাৰ উৎস। স্বাধীনতা বিপ্লৱত যোগ দি ‘অপৰাধী’ৰূপে আপুনি বৰ্জনীয় হ’ল সমাজত, নিগৃহীত হ’ল স্বগৃহত। তথাপি সামাজিক অন্ধসংস্কাৰৰ বিপৰীতে থিয় দি আপুনি ‘অচ্যুতকৃষ্ণ’ হৈয়ে থাকিল। আপুনি অপৰাজেয় নেতৃত্বসুলভ ব্যক্তিত্বৰ অধিকাৰী হৈ আমাৰ দিক্‌দৰ্শক হিচাপে শ্ৰদ্ধাৰ ব্যক্তি।

আপোনাৰ জীৱনকাল বৰ্ণাঢ্য আৰু মধুময়। বিজ্ঞানসন্মত চিন্তা আৰু বাস্তৱ অভিজ্ঞতাৰে আপুনি নতুন চিন্তাৰ বাহক। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দৰে ধৰ্ম-সংস্কৃতি চৰ্চাৰ মহতী অনুষ্ঠানভাগৰ কাণ্ডাৰীৰূপে সঙ্ঘৰ মাননীয় পদাধিকাৰ পদত থাকি সুদীৰ্ঘ আঠ বছৰ কাল দুজনা মহাপুৰুষৰ আদৰ্শ একশৰণ হৰিনাম ধৰ্মবস্তুৰ প্ৰকাশ আৰু বিকাশেৰে এই মহতী অনুষ্ঠান ভাগত যি গতিশীলতা প্ৰদান কৰি গ’ল, তাৰ বাবে সঙ্ঘ পৰিয়াল তথা অসমবাসী কৃতজ্ঞ হৈ থাকিব।

আজিৰ এই শুভক্ষণত আপোনাৰ গুণগ্ৰাহী অগণন ভকত-বৈষ্ণৱৰ উপস্থিতিত ধুবুৰী জিলাৰ দুমৰদহ শঙ্কৰী সংস্কৃতি প্ৰকল্প ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চতুঃসপ্ততিতম বাৰ্ষিক অধিৱেশনত আপোনাক





‘লোকসেৱক হলধৰ ভূঞা বঁটা’ প্ৰদান কৰি অভিনন্দন জনাবলৈ পাই আমি যথাৰ্থতে গৌৰৱান্বিত।

হে মহাজন!

আপুনি এই বঁটা গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰে যেন। আমাক প্ৰেৰণা দিবলৈ সু-স্বাস্থ্যৰে আপুনি শতশৰত অতিক্ৰম কৰি যাওক— এয়ে প্ৰাৰ্থনা ভগৱন্তৰ শ্ৰীচৰণত। ইতি—

৭৪তম অধিৱেশন ঃ<br>
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ<br>
শঙ্কৰী সংস্কৃতি প্ৰকল্প ক্ষেত্ৰ<br>
গৌৰীপুৰ, দুমৰদহ, ধুবুৰী<br>
৯, ১০, ১১, ১২ ফেব্ৰুৱাৰী, ২০০৫ খ্ৰীঃ<br>
২৬, ২৭, ২৮, ২৯ মাঘ, ৫৫৬ শঙ্কৰাব্দ

সেৱাৰে—<br>
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ<br>
শ্ৰীমুখ্যেশ্বৰ শইকীয়া, পদাধিকাৰ<br>
শ্ৰীহৰিপ্ৰসাদ হাজৰিকা, প্ৰধান সম্পাদক

জয় গুৰু শঙ্কৰ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ পৰম পূজনীয় শ্ৰীযুত অচ্যুতকৃষ্ণ মিশ্ৰ বাপলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ কলিয়াবৰ জিলা শাখাৰ বাপ-বান্ধৱ আইসকলৰ সশ্ৰদ্ধ সম্বৰ্দ্ধনা জ্ঞাপন

পৰম শ্ৰদ্ধাভাজনেষু,

জয় জয়তে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কলিয়াবৰ জিলা শাখাৰ আজিৰ এই উদ্বোধনী অনুষ্ঠানৰ শুভ মুহূৰ্তত এই নৱ গঠিত জিলা শাখাৰ সমস্ত বাপ-বান্ধৱ আইমাতৃসৰৰ হৈ আপোনাক আমাৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। আপোনাৰ এই উপস্থিতিত আমি অতি আনন্দাপ্লুত হোৱাই নহয়, ই আমাক সাহস আৰু অনুপ্ৰেৰণা যোগাইছে।

হে মহান বিপ্লৱী,

ইংৰাজী ১৯১৮ চনত পৱিত্ৰ বৰপেটা ধামত প্ৰখ্যাত মিশ্ৰ পৰিয়ালত জন্ম লাভ কৰি ছাত্ৰাৱস্থাৰ পৰাই আপুনি আপোনাৰ বিপ্লৱী মনৰ পৰিচয় দি আহিছে। অন্ধবিশ্বাস তথা ধৰ্মীয় গোড়ামিৰ বিৰুদ্ধে আপুনি স্বেচ্ছাৰে জীৱন জোৰা প্ৰতিবাদ জনাই আহিছে আৰু শেষত হৰিনাম ধৰ্মত একশৰণ গ্ৰহণ কৰি কৰ্মকাণ্ডীয় পৰম্পৰাৰ বিৰুদ্ধে আপুনি বিদ্ৰোহ ঘোষণা কৰি আহিছে। মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যমেৰে জন কল্যাণমূলক কামত জপিয়াই পৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত যোগদান কৰি ইয়াকেই আপোনাৰ ধৰ্ম-জীৱনৰ কঠিয়াতলিত পৰিণত কৰিলে। 'উপদেশতকৈ আৰ্হি ভাল' আৰ্হি বাক্য শিৰোগত কৰি উদাত্ত কণ্ঠেৰে একশৰণ হৰিনাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি আহিছে। ইয়াৰ মাজেদিয়েই জনগণত সত্য-শুদ্ধ ধৰ্মাদৰ্শৰ পথ দেখুৱাই জনসেৱাত আত্মনিয়োগ কৰি আহিছে। আপোনাৰ এই মহান আদৰ্শ আৰু অতুলনীয় ত্যাগৰ স্বীকৃতি স্বৰূপেই সঙঘৰ ভকতসকলে আপোনাক শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মহাসন্মান **'পদাধিকাৰ'** পদত অধিষ্ঠিত কৰি আহিছে। স্বাস্থ্য বিভাগত চৰকাৰী চাকৰি সুদক্ষতাৰে





পালন কৰিও পদাধিকাৰ পদত সূচাৰুৰূপে সেৱা আগবঢ়াই সঙঘৰ সঙ্গী বাপ-আইসকলে আপোনাৰ ওপৰত ন্যস্ত কৰা বিশ্বাসৰ প্ৰতিদান দি গৈছে। সঙঘৰ প্ৰচাৰক ৰূপেও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন সভা-সমিতিত যোগদান কৰি সাংগঠনিক দিশত এই অনুষ্ঠানৰ ভেটি সুদৃঢ় কৰি ৰাখিছে। ইং ১৯৬৪ চনৰে পৰা শৰণ সদস্যৰ দায়িত্বও পালন কৰি আহিছে। আপোনাৰ শ্ৰম আৰু ত্যাগৰ কথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ইতিহাসত সোণালী আখৰেৰে লিখা ৰ'ব। এজন সুবক্তা আৰু দৃঢ়নিষ্ঠ  সেৱক হিচাপে আপোনাৰ জীৱন আদৰ্শ সঙঘৰ সঙ্গীসকলৰ বাবে এক জীৱন্ত শিক্ষণীয় পাঠ্যপুথি হৈ ৰ'ব।

কলিয়াবৰীয়া ৰাইজৰ হৈ আজি এই পৱিত্ৰ দিৱসত আপোনাৰ গুণৰাজি সুঁৱৰি আপোনাৰ প্ৰতি থকা আমাৰ অকৃত্ৰিম প্ৰীতি আৰু শ্ৰদ্ধাৰ চিন স্বৰূপে এই সামান্য মান-পত্ৰৰ যোগে আপোনাক আমাৰ আন্তৰিক সম্বৰ্দ্ধনা জ্ঞাপন কৰিছোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ জন কল্যাণমূলক আঁচনিক সফল কৰাত সেৱা আগবঢ়াবলৈ ভগৱন্ত গুৰুজনে আপোনাক দীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য প্ৰদান কৰক— এয়ে আমাৰ একান্ত প্ৰাৰ্থনা। ইতি—

সেৱাৰে—

দাসানুদাস

**শ্ৰীমানিক চন্দ্ৰ বৰা**

সভাপতি, কলিয়াবৰ জিলা শাখা

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ

২মাঘ, ৫৪৪ শঙ্কৰাব্দ

তাৰিখঃ ১৬/১/১৯৯৩

স্থান ঃ মুক্তিযুঁজাৰু স্মৃতি ৰাজহুৱা পুথিভঁৰাল আৰু ভৱন

কুৰঁৱীটোল, কলিয়াবৰ, নগাঁও